# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Rajoni kanta Devo Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhitaya Sabhaā Patrikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1956 (1878 Sak) | Edition: |
| Size: 24 cms 276 pages | Genre: Magazine |
| Volumes: 15 - 3 issues | Condition of the original: good |
| Remarks: illut — 1st vol. published in the year 1927 and has been contining | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য সভা পত্ৰিকা

আসাম সাহিত্য সভা
লাইব্ৰেৰী ।
তাৰিখ ৩/২/২০০১
নং ৪০১৮,৬৯,৭০

ৰূপালী জয়ন্তী সংখ্যা

পঞ্চদশ বছৰ

তৃতীয় সংখ্যা




"স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গলমন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।"

৩/২/২০০১

সম্পাদক — শ্ৰীৰজনীকান্ত দেৱ শৰ্ম্মা

[ সুকীয়াকৈ হলে এই সংখ্যাৰ মূল্য ৩টকা

# সূচী-পত্ৰ

## জয়ন্তী ভাগ


| | বিষয় | লিখক | পিঠি |
|---|---|---|---|
| ১। | আইৰ পূজা ( কবিতা ) | পদ্মশ্ৰী শ্ৰীযুতা নলিনীবালা দেৱী | ১ |
| ২। | পূজা-বন্দনা ( কবিতা ) | কাব্যভাৰতী শ্ৰীযুতা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানী | ২ |
| ৩। | জয়তু জননী ( কবিতা ) | অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা এম্-এ, বি-এল, বি-টি | |
| ৪। | নজনা সিমুঠি ( কবিতা ) | শ্ৰীযুত ফণী তালুকদাৰ এম্-এ, | |


## মুল ভাগ


| | বিষয় | লিখক | পিঠি |
|---|---|---|---|
| ১। | মহামোহকাব্য বিচাৰ | অধ্যক্ষ শ্ৰীযুত তীৰ্থনাথ শৰ্ম্মা এম্-এ | ১৫১ |
| ২। | মধ্যযুগৰ অসমত বৈষ্ণৱ ধৰ্ম্ম | ডক্টৰ শ্ৰীযুত মহেশ্বৰ নেওগ এম্-এ, ডি-ফিল | ১৬৪ |
| ৩। | বুৰঞ্জী সাহিত্যৰ ভূমিকা | শ্ৰীযুত লীলা গগৈ | ১৭১ |
| ৪। | পণ্ডিত নীলাম্বৰাচাৰ্য্য | অধ্যক্ষ শ্ৰীযুত মনোৰঞ্জন শাস্ত্ৰী | ১৭৫ |
| ৫। | কোচবেহাৰৰ ৰাজকুমাৰ | অধ্যক্ষ শ্ৰীযুত বিশ্বনাৰায়ণ শাস্ত্ৰী এম্-এ | ১৮৫ |
| ৬। | ৺বেজবৰুৱাদেৱৰ চিঠি | ৺লক্ষ্মীনাথ বেজবৰুৱা | ১৮৫ |
| ৭। | বলবৰ্ম্মদেৱৰ তাম্ৰশাসন | ডক্টৰ শ্ৰীযুত প্ৰতাপচন্দ্ৰ চৌধুৰী এম্-এ, পি-এইচ্-ডি | ১৮৭ |
| ৮। | যদৃচ্ছাবাদ আৰু স্বভাৱবাদ | অধ্যাপক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী এম-এল-এ | ১৯৫ |
| ৯। | ভাৰতীয় সাহিত্যৰ পৰিচয় | অধ্যাপক শ্ৰীযুত ৰায়হান শ্বাহ | ১৯৯ |
| ১০। | বিহু আৰু জনজাতি | „ শ্ৰীযুত প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য এম-এ | ২১৩ |
| ১১। | খোদিত লিপিৰ স্থান | শ্ৰীযুত প্ৰেমধৰ চৌধুৰী এম্-এ, বি-এল | ২১৯ |
| ১২। | গোৱালপাৰাবাসীৰ সাহিত্য চৰ্চ্চা | এম্, মফিজুদ্দিন আহমদ | ২২২ |
| ১৩। | এটি লোক-গীতি | শ্ৰীযুত হেমন্তকুমাৰ শৰ্ম্মা বি-এ | ২২৬ |
| ১৪। | অসমত বৌদ্ধধৰ্ম্ম | ডক্টৰ শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱা এম্-এ, পি-এইচ-ডি | ২৩২ |
| ১৫। | অসমীয়া জন-সাহিত্য | শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস | ২৩৫ |
| ১৬। | সাহিত্য সভাৰ বুৰঞ্জী | শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী এম্-এ, বি-টি | ২৩৭ |
| ১৭। | অসম সাহিত্য সভাৰ গ্ৰন্থপ্ৰকাশ | অধ্যাপক শ্ৰীযুত হৰিচন্দ্ৰ ভট্টাচাৰ্য্য এম্-এ | ২৫৬ |
| ১৮। | অসম সাহিত্য সভাৰ বাহিৰে-ভিতৰে | অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা এম্-এ, বি-এল, বি-টি | ২৬১ |
| ১৯। | পোৱা পুথিৰ চিনাকি | ডক্টৰ শ্ৰীযুত প্ৰফুল্লদত্ত গোস্বামী | ২৭৩ |
| ২০। | সম্পাদকীয় চুআঘাৰ | | ২৭৪ |

## সম্পাদনা সমিতি

শ্ৰীযুতা নলিনীবালা দেৱী
অধ্যাপক মঃ ৰায়হান শ্বাহ
অধ্যাপক শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী (কাৰ্য্যাধ্যক্ষ)
অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
অধ্যাপক শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য
শ্ৰীৰজনীকান্ত দেৱশৰ্ম্মা ( সম্পাদক )

## পত্ৰিকাৰ নিয়মাৱলী

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি ( ষোড়শ বছৰৰ কাৰণে ) এপিঠিত, ফটফটীয়াকৈ লিখি, "ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, বিহাবাৰী গুৱাহাটী" এই ঠিকনাত পঠাব। সকলো টকা-কড়ি আৰু কাকত সম্পৰ্কে চিঠি-পত্ৰ "শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গবেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

## জাননীৰ নিৰিখ

| | | |
|---|---|---|
| এপিঠিত | ৪০৲ | ( প্ৰতি সংখ্যাত ) |
| আধা পিঠিত | ২২৲ | ( „ „ ) |
| সিকি পিঠিত | ১২৲ | ( „ „ ) |
| বেটুপাতৰ ৩য় পিঠিত | ৪৫৲ | ( „ „ ) |
| বেটুপাতৰ ৪ৰ্থ পিঠিত | ৫০৲ | ( „ „ ) |

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সহকাৰী সম্পাদক
অসম সাহিত্য সভা পত্ৰিকা
যোৰহাট

# অসম সাহিত্য-সভা পত্ৰিকা

—ঃ জয়ন্তী ভাগ ঃ—

পঞ্চদশ বছৰ } ১৮৭৮ পুহ-চ'ত { জয়ন্তী ভাগ

## আইৰ পূজা

পদ্মশ্ৰী শ্ৰীযুতা নলিনীবালা দেৱী

পশ্চিমৰ বেলিটিয়ে হাজাৰ শিখাৰে
আৰতি প্ৰদীপ জ্বালে লুইত বুকত
বেউলা সতীৰ যত অমৰ কাহিনী
সোণালী আখৰে লিখা নেতাই ঘাটত।
পূণ্য ভূমি অসমৰ পশ্চিম প্ৰান্তত
অসমৰ তীৰ্থক্ষেত্ৰ জননীৰ চৰণ তলত
বিজয়িনী জননীৰ মহা সমাৰোহ
ৰূপোৱালী জয়ন্তী উৎসৱ।
ইখনি বিস্তৃত ৰভা অসম বিয়পা
ইতিহাসে ৰচি যোৱা অমৰ ভাষাৰ
পৰ্ব্বতে ভৈয়ামে গঁথা শিকলি সোণৰ
সংস্কৃতিৰ লীলাভূমি বিভিন্ন চিন্তাৰ।
আইৰ পূজাবেদীখনি পতা অন্তৰত
উচ্চ-নীচ ভেদাভেদ নোৱাৰে পশিব,
সুপবিত্ৰ অমলিন জেউতি শিখাৰে
নিৰ্ম্মল প্ৰাণৰ জ্ঞানে বাট পোহৰাব।
শতেক শলিতা জ্বলে পূজাৰ বেদীত
শাৰী শাৰী প্ৰদীপৰ জয়ন্তী উৎসৱ
আতমা জ্যোতিত পৰি জিলিকি উঠিব
বিমল জ্ঞানৰ শিখা দীপ্ত অভিনৱ।
হে সাধক সুধীবৃন্দ আহাঁ আগবাঢ়ি
মাতৃ চৰণত দিওঁ পূত পুষ্পাঞ্জলি

ই নোহে পাৰ্থিৱ লক্ষ্য ধূলিৰ ধৰাৰ
ই যে মৰতৰ মহা দীক্ষা
জীৱণৰ লগ্ন সোণোৱালী।
এই সাধনাতে আছে
কোটি কুবেৰৰ ধন
অফুৰন্ত সৌন্দৰ্য্যৰ মণিময় খনি
এই সুৰতেই বাজি উঠে
জীৱনৰ সুপ্ত বীণা
তৃপ্তিৰ জলধি জুৰি সুৰ মন্দাকিনী।
মাতৃৰ পূজাতে পায়
ধৰ্ম্ম অৰ্থ মোক্ষ কাম,
পায় চিৰ সুন্দৰৰ দিব্য অনুভূতি
হে জ্ঞানী সাধক কবি
গায়ক বাদক শিল্পী
জ্বলোৱা প্ৰাণৰ দীপ অখণ্ড আৰতি।
নৱ যুগ সমাগত
সমাগত পূজাৰ লগন
পবিত্ৰ বন্ধনে বন্ধা শতেক প্ৰাণত
অনাহত দিব্য বীণা ঝঙ্কাৰি উঠক
মুক্ত ভাৰতৰ প্ৰতি মুক্ত বিজ্ঞানীৰ
হৃদয়ৰ প্ৰস্ফ ট কমলে
অমৰাৰ সুৰভি ঢালক।

ধন্য হওক মাতৃপূজা
অসমৰ পবিত্ৰ তীৰ্থত
অতীতৰ মুনিগণে ৰবযক সুধা শান্তি জল

শঙ্কৰ মাধব গুৰু
আদি কবি গণে
বিতৰে অমৃত বৰ্ষি, শুভাষিশ প্ৰেম পৰিমল।

---

# পূজা-বন্দনা

**কাব্যভাৰতী শ্ৰীযুতা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানী**

হোমাগ্নি শতশিখা আজি
মহাব্যোম্ পৰিছে বিয়পি,
ওঁম্ ওঁম্ ওঁম্ মহাবাণী
জননীৰ জয়মন্ত্ৰ জপি।

*

উজ্জলিছে সুবৰ্ণ তিলক
অসমীৰ শুভ্ৰ কপালত,
কাব্য সাহিত্যৰ ৰস বই
নাচে উৰ্ম্মি সহস্ৰ তালত।

*

সাম্য মৈত্ৰী জগোৱা প্ৰাণত
উজ্বলোৱা অন্তৰ জগত,
সিদ্ধ কৰা সত্য স্বাধীনতা
আত্ম সপি কৰ্ত্তব্য পথত।

*

সন্ধিয়াৰ জোনাকত
হিয়াৰ দুৱাৰ দিয়া মেলি,
শত শত প্ৰণৱ ঝঙ্কাৰে
যাচি দিয়া ভকতি অঞ্জলি।

ধন্যা আজি অসম জননী
ধন্য আজি মাতৃৰ সন্তান,
ৰচি দিলো অৰ্ঘটি শিৰত
শান্তিময় হ'ক সৰ্ব্ব প্ৰাণ।

*

লোৱা আই লোৱা পূজা আজি
নিবেদিছোঁ সহস্ৰ সন্তানে,
বাজিছে হৃদয় তন্ত্ৰীডালি
তোমাৰেই মধুময় গানে।

*

কাব্য ছন্দ সুৰৰ স্পন্দনে
ধৰি আছে জগত আৱৰি,
উজ্বলক মানৱ পৰাণ
তোমাৰেই কৃপা লাভ কৰি।

*

সসীমত চাঁহে অসীম
তৃপ্ত কৰা বসুধাৰ প্ৰাণ,
সাহিত্য ফুলৰ অঞ্জলিৰে
(আজি হক) জননী পূজাৰ অৱদান।

---

# জয়তু জননী

**অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা**

আজি কিনো পূত সমাৰোহ
লুইতৰ ধুবুনী ঘাটত,
সাহিত্যৰ কপালী জয়ন্তী
জননীৰ পূজা মণ্ডপত।

দশোদিশে উখল মাখল
জাগে যত নৰনাৰায়ণ,
দলে দলে পূজাৰী আহিছে
শতকণ্ঠে মাতৃ আৱাহন।



আঁতৰাই দীনতা হীনতা
ভেদভাৱ কৰি পৰিহাৰ,
জননীৰ চৰণ তলত
দিছে সবে ষোড়শোপচাৰ।
পুৰোহিতে ললেহি আসন
উচৰৰ শুভ লগনত
জগদ্ধাত্ৰী কামৰূপা মাতৃ
সুশোভিতা সিংহ-আসনত।
এইজনা মাতৃকে আমাৰ
পূজিছিল মাধৱ শঙ্কৰে
বৰগীত কীৰ্ত্তন ঘোষাৰ
সুললিত মধুৰ ঝঙ্কাৰে।
সৰস্বতী কন্দলি সকলে
কত ছন্দে বন্দনা ৰচিলে,
ভট্টদেৱে কথাগীতা গাই
মন্দাকিনী মৰ্ত্তত বোৱালে।
ৰণচণ্ডী কামাখ্যাই নিজে
লাচিতক দিলে হেংদান,
মাতৃপূজা মোমাই বলিৰে
অসমৰ ৰাখিলে সন্মান।
মাতৃমূৰ্ত্তি সাৱটি বুকুত
সত্যাগ্ৰহ পাতিলে জয়াই
মহাৰাজ নৰনাৰায়ণ
চিলাৰায়ে দুন্দুভি বজাই।
এইজনা মাতৃয়ে আমাৰ
বিজয়িনী শতেক ৰণত
আজি মাথো হইছে মলিনা
অভাজন পুত্ৰৰ দোষত।
নাই আজি অতীত কীৰিটি
লুইতৰ কোবাল সোঁতত,
উটি গল অজস্ৰ বিভূতি,
নিষ্প্ৰদীপ গুৰুৰ থানত।
ঘাটি খাই জীৱন যুজত
পৰাজয় লই মূৰপাতি,
এইদৰে আজি অসমীয়া থাকিবনে
হই জীয়া জাতি ?

অসম্ভৱ এনুৱা কল্পনা
শতকৰে পাব মাথো লাই
অসমীয়া মোগল বিজয়ী
কদাপিতো পৰাজয় নাই।
ধুবুনীয়ে এই ঘাটতেই অমৃতৰ
দিছিল সন্ধান
বেউলাই জীয়ালে লখাই
অসমীৰ গাই জয়গান।
আজি পুন্ন এই ধুবুৰীতে
লাভ কৰি মৃত সঞ্জীৱনী
সুপ্ত জাতি জাগিব পুনৰ
হবা মাতৃ জাগ্ৰতা গোসাঁনী।
নাই আৰু নেকান্দিবা আই
হল আজি দুৰ্দ্দিনৰ শেষ,
জয়ন্তীৰ মাহেন্দ্ৰ ক্ষণত
চাও তযু ৰাজৰাণী বেশ।
আজিয়েই হ'ক জয় যাত্ৰা
সুমঙ্গল নতুন যুগৰ
শিখ খৃষ্টান হিন্দু মুছলমান
জনজাতি কুটুম প্ৰাণৰ,
বান্ধ খাই একতা ডোলত
সকলোটি হক আগুৱান,
ৰামসিংহ কালাপাহাড়ৰ
ব্যৰ্থ হব হীন অভিযান।
গদাধৰে চৰণ ধুৱাই
জননীক দিছে কৰভাৰ
নকৰিবা ভয় অসমীয়া
সংৰক্ষিত পশ্চিম দুৱাৰ।
আহিলেও শত বিভীষণ
নোৱাৰিব টলাব আমাক
মাতৃ মোৰ জগত জননী
মনে প্ৰাণে সেৱিম তোমাক।
হাঁহা আই আজি এটিবাৰ
জোন তৰা হাঁহক ধৰণী
কামৰূপা কামদা অসমা
জয় জয় জয়তু জননী।

---

# নজনা সিমুঠি

শ্ৰীযুত ফণী তালুকদাৰ

এক, ন, পাঁচ, সাত
১৯৫৭ ( উনৈছ শ সাতাৱন্ন )
সাতাৱন্নৰ দুৱাৰডলি পাই
খন্তেক উভটি চাওঁ
উভটি চাওঁ অতীতলৈ।
এনে এটি সাতাৱনে নিলে কাঢ়ি
অসমী বুকুৰ পৰা মণিৰাম পিয়লিক,
এশ বছৰ আগৰ ৰক্তক্ষৰা অসমীৰ
তেজৰ চেকা এতিয়াও মচ যোৱা নাই।
আজিও আবেলি ৰঙা বেলিটিয়ে লুইত বুকুত
তেজৰ শৰাই ডাঙি কৈ যায় সি কাহিনী
এশ বছৰ আগৰ।
মৃত বুৰঞ্জীৰ গতিহীন সাঁচিপাত,
শিলাকুটীৰ ৰক্তলেখা,
ভগ্নাৱশেষৰ শিলৰ টুকুৰা,
কালৰ ধুমুহাই বগৰাই দিয়া সোণৰ কলচী
ৰংপুৰ নগৰৰ,
সাথী বল নিৰ্ব্বাক হৈ।
কত ছহীদৰ তেজেৰঙা লুইতৰ পানী
যায় তীৰবেগে বৈ।
নজনা কতনা মণিৰাম পিয়লিৰ দেহ
বিয়াল্লিছৰ বানে নিলে উটুৱাই—
কোনে জানে?
আমি জানো 'এমুঠিক' বুৰঞ্জী লিখকে চিনি পোৱা;
হয় তো বা বুৰঞ্জীলিখকৰ সীমাবদ্ধ শকতি
বা মানবিক দুৰ্ব্বলতাৰ চালনীৰে সৰি পৰা—
'এমুঠিক' আমি জানো।
যুগে যুগে যিসবে জোৱাৰৰ মাজে মাজে
উটি গল একেই উদ্দেশ্যে
যি সবক বুৰঞ্জীবিদে চিনা নাই—"নামেৰে";
যিসবে 'ইত্যাদিৰ' মাজতহে জীয়াই আছিল,
মৰোঁতেও 'ইত্যাদিৰ' ভিতৰতে নাইকিয়া হল;
সিসবৰ কথা ভাবি দুখ লাগে,
ভক্তি হয়, অনুভূতি জাগে।
ত্যাগী তেওঁলোক নজনা সিমুঠি
তেজ ঢালি ইটা গাথি ৰংঘৰ কাৰেঙৰ
যিসব অজ্ঞাত শিল্পীয়ে ৰচি গল
কৃষ্টিৰ ৰৰ ঘৰ
যিসব অজান কবিৰ কণ্ঠৰ গীতমাতবোৰ
বাজি আছে পথাৰে পথাৰে—
বননি খাঁৰত—
দিখৌ-কপিলী ভৰলু পাৰত।
ত্যাগী তেওঁলোক—নজনা সিমুঠি—।
সিমুঠিয়ে দেশপ্ৰেমৰ উন্মাদনা লৈ
১৬ বাৰ আক্ৰমণকাৰী মোগলৰ হাতত
হেংদান লৈ—উটি গল লুইত বুকুত।
যিসবে নাৱে-বামে লাচিতৰ পাচে পাচে
তেজ ঢালি ঢালি ৰাজি দিলে
ৰামসিংহজয়ী অসমীৰ কোমল চৰণ;
মানে মহতিওৱা নাৰী শিশু এৰি থৈ নপলাই
যিমুঠিয়ে প্ৰাণ বলি দিলে হাঁহিমুখে;
সেইমুঠি—যিমুঠিয়ে পিয়লিৰ পাচে পাচে
বাৰুদৰ শলিতাত জুই দি
বৃটিছৰ থাৰ বাৰুদৰ মাজতেই হ'ল অন্তৰ্দ্ধান।
সিসব অজান বীৰ—
যিসবে নামেৰে নজনা অথচ কামেৰে আপোন
পাহৰা হৈ
বৃটিছৰ সতে ১৮২৬ৰ পৰা দেখা-নেদেখাকৈ
চলালে সংগ্ৰাম বিয়াল্লিচলৈ।
কাৰাৰ দুৱাৰ মুখত মুৰ ঢকিয়াই



ফাঁহানিৰ গুইডালুৰ দৰে যিসবে যৌবন হেৰালে,
যিসবে—'৪২ৰ বানত ভেটাদি
ছিনভিন হৈ—মাতৃপূজাৰ বেদীটি সজালে
যি বেদীত বহি আজি স্বাধীন অসমৰ
পথপ্ৰদৰ্শক নেতাসবে কৰে জয়ধ্বনি;
দধীচিৰ হাড়ে গঢ়া—অজান ছহীদ
অশৰীৰী ত্যাগী সিসবলৈ মোৰ এই ওলগণি।
এশবছৰ আগৰ মোৰ অসমৰ
মুমূৰ্ষু জনতাৰ
প্ৰাণত উঠিছিল স্বাধীনতাৰ বাধা-নমনা জোৱাৰ।
এশ বছৰ পিচত, আজিও যোৱা নাই মাৰ।
আজিও 'সিমুঠিৰ' বাবে 'সিমুঠিয়ে' ভাবে—
অজ্ঞাত সিহঁতে কেনেদৰে
থাই-লৈ মানুহৰ দৰে থাকিব জীয়াই।
ভয় কৰে,—সমৰৰ শেনে,—
স্বাৰ্থপৰতাৰ বাঘবোৰে
নিঃশেষ কৰিব বুলি।
আজি বিচাৰে সিমুঠিয়ে—
মানুহৰ দৰে মানুহৰ মাজত
লগাথিনি পাই শান্তিৰে কটাব দিন—
সংস্কৃতিৰ দেউলত নিজ বৰঙণি থৈ।
আজি সেয়ে মই ৫৭ক কৰো নমস্কাৰ—
হে আগত ৫৭—উনৈছ শৰ—
তুমি নিশ্চয় নোহোৱা ৰক্তক্ষৰা—
১৮ শৰ ৫৭ৰ দৰে।
তুমি হ'বা মধুময়
তুমি হ'বা শান্তিময়—
বিশ্বৰ আকাশ জুৰি অহা ঘনকৃষ্ণ সমৰ ডাৱৰ
আঁতৰাই দিবা।
গঙ্গা, নীল, লুইত পাৰৰ
ভল্‌গা, মিচিচিপি কিম্বা হোৱাংহোৰ
নজনা সিমুঠি জীয়াই থাকক—
জীয়াই থাকক সিহঁতৰ জীয়াই থকাৰ উন্মাদনা।
ধ্বংসৰ পুখুৰীত ফুলক শান্তিৰ নীল শতদল।
পঞ্চশীলৰ মধুৰ মন্ত্ৰই
যন্ত্ৰযুগৰ অস্থিৰতাৰ মাজতো যেন—
ধৰণীত সৰগৰ সুষমা বিলায়।
অখ্যাতনামা, দেশপ্ৰেমিকৰ ৰেজিষ্টাৰীত নাম নোলোৱা,
উলিয়াবলৈ নোখোজাও "ইত্যাদি" সকল
নিচলা অসমৰ
তোমালোকে ৰচা বেদীতেই বহি
আজি আমি দেশ গঢ়ো,—
সাহিত্য-কলা-ঐতিহ্যৰ গবেষণা কৰো।
সেয়েহে কৃতজ্ঞ অখ্যাত আন এজনে
ভাষা জননীৰ মহাউছৱত—
খন্তেক সোঁৱৰো।
অখ্যাতনামা সিমুঠি আজিও সাজু ঘৰে ঘৰে—
সময়ত লাগিলে নিজ জাতিৰ, নিজকৃষ্টিৰ ৰক্ষাৰ বাবে
ওলাই আহিব হেজাৰে হেজাৰে।
সেই 'সদা সাজু' নজনা সবক আজি মই
কৰো নমস্কাৰ—
ডাৱৰ ফালি অহা বেলিৰ ৰেঙণিয়ে
পৃথিবী কৰক জাতিস্কাৰ
নজনা সিমুঠি নমস্কাৰ॥

# অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী

## ধুবুৰী নগৰী উথুলি মুথুলি

অসম সাহিত্য সভাৰ জীৱন বুৰঞ্জীত ১৯৫৬ চনৰ ডিচেম্বৰ মাহটো চিৰস্মৰণীয় হৈ থাকিব। বছৰৰ লেখেৰে অসমৰ এই সাহিত্য অনুষ্ঠানখনিৰ বয়স প্ৰায় দুকুৰি বছৰ হলেও ধুবুৰীৰ এই অধিবেশন পঞ্চবিংশতি অধিবেশন হোৱাত ৰূপালী জয়ন্তী অধিবেশন হিচাপে মহাসমাৰোহেৰে গোৱালপাৰাবাসী আৰু সদৌ অসমৰ ৰাইজৰ সমিলমিল ভাব আৰু উলহ মালহৰ মাজেদি সুসম্পন্ন হয়। এইবাৰ ধুবুৰীত অসম সাহিত্য সভাৰ দ্বিতীয়বাৰ অধিবেশন। ১৯২৬ চনত স্বৰ্গীয় বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ সভাপতিত্বত প্ৰথমবাৰ ইয়াত অসম সাহিত্য সভাৰ অধিবেশন বহিছিল। সেই অধিবেশনৰ গুৰি ধৰিছিল স্বনামধন্য আনন্দচন্দ্ৰ আগৰৱালা, জমিদাৰ ৰবীন্দ্ৰনাৰায়ণ চৌধুৰী আদিয়ে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, দেশভক্ত তৰুণৰাম ফুকন, কৰ্ম্মবীৰ নবীন বৰদলৈ প্ৰমুখ্যে সমগ্ৰ অসমৰে প্ৰবীণ নবীন সাহিত্যিকসকলে সেই সভাত যোগ দিছিল। সদৌ অসমৰ শিল্পীসকলে বেজবৰুৱাৰ জয়মতী কুঁৱৰী নাট সেই উপলক্ষে কৃতকাৰ্য্যতাৰে অভিনয় কৰি দেখুৱাইছিল। পুনৰ প্ৰায় ডেৰকুৰি বছৰৰ পিচত অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী পতাৰ সৌভাগ্য লাভ কৰি ধুবুৰীবাসীয়ে গৌৰৱ অনুভৱ কৰে। শ্ৰীযুত প্ৰমথনাথ চক্ৰৱৰ্ত্তীদেৱৰ সুযোগ্য নেতৃত্বত আৰু সদৌ ধুবুৰী মহকুমা-বাসী ৰাইজৰ সহায়-সহযোগত এই ৰূপালী জয়ন্তী অধিবেশন সাফল্যমণ্ডিত হয়।

ইমান আড়ম্বৰেৰে আৰু আন্তৰিকতাৰে যে এই উৎসৱ পতাৰ দিহা কৰা হৈছিল সেই কথা আন ঠাইৰ প্ৰতিনিধি আৰু দৰ্শকসকলে ধুবুৰী পোৱাৰ আগতে ভাবিবকে পৰা নাছিল। ৰেলগাড়ীয়ে ধুবুৰীৰ ওচৰ চপাৰ লগে লগে তেওঁলোকৰ মন আনন্দমুখৰ ধুবুৰী নগৰে আকৃষ্ট কৰি তুলিছিল। প্ৰায় দুশজন প্ৰতিনিধি আৰু অসমৰ বিভিন্ন ঠাইৰ দৰ্শকে এই সভাত যোগ দিছিল। ষ্টেশনৰপৰাই সকলোকে দৰা আদৰাৰ নিচিনাকৈ অভ্যৰ্থনা জনাই প্ৰতিনিধি বাহৰত ভাগে ভাগে স্থান দিয়া হৈছিল।

প্ৰতিনিধি বাহৰৰ দায়িত্ব গ্ৰহণ কৰিছিল ধুবুৰী চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত দেৱদত্ত গোস্বামীদেৱে। তেখেতৰ সুপৰিচালনাত সভাপতিৰ বাহৰ, প্ৰধান সম্পাদকৰ বাহৰ, বাগ্মীবৰ ফুকনৰ বাহৰ, কাৰ্য্যনিৰ্ব্বাহক সভাৰ সদস্যৰ বাহৰ, মহিলা প্ৰতিনিধিৰ বাহৰ, সাংবাদিকৰ বাহৰ আদি বিভিন্ন প্ৰতিনিধিসকলৰ বাসস্থান সুপৰিকল্পিত ভাবে ভাগে ভাগে সজাই ৰখা হৈছিল। সভাপতিৰ বাবে বিশেষ তোৰণ, বিশেষ ঘৰ, বিশেষ ৰভা, নতুন পালেং আদি যাৱতীয় বস্তু যুগুতাই ৰখা হৈছিল। সভাপতি আৰু প্ৰতিনিধি বৰ্গক যথাযথ ভাৱে আলপৈচান ধৰি অলপো অসুবিধা নোপোৱাকৈ শ্ৰীযুত গোস্বামী প্ৰমুখ্যে স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকাসকল দিনে ৰাতিয়ে কৰ্ম্মতৎপৰ হৈ আছিল। মুঠতে ধুবুৰীত পোৱা এই আন্তৰিক আতিথ্যৰ কথা কোনো প্ৰতিনিধি আৰু দৰ্শকে পাহৰিব নোৱাৰে। গৌৰীপুৰ ময়দানত বিৰাট সভামণ্ডপ আৰু প্ৰদৰ্শনী আৰু চৰকাৰী হাইস্কুলত বিজ্ঞান প্ৰদৰ্শনী পতা হৈছিল। কেবাখনো বাছকবনীয়া তোৰণ ঠায়ে ঠায়ে সজোৱা হৈছিল। সভামণ্ডপ আৰু প্ৰদৰ্শনীৰ তোৰণৰ নাম আছিল আনন্দচন্দ্ৰ আগৰৱালা তোৰণ, বাণীকান্ত কাকতি তোৰণ। প্ৰতিনিধি বাহৰৰ তোৰণ দুখনৰ নাম-আছিল কৰ্ম্মবীৰ নবীন বৰদলৈ তোৰণ আৰু ৰসৰাজ বেজবৰুৱা তোৰণ। সভাপতি বাহৰৰ তোৰণখনিৰ নাম কৰণ কৰা হৈছিল সিংহদত্ত তোৰণ। এইদৰে ধুবুৰীৰ ৰাইজে বীৰপূজা আৰু ভাষা-জননী পূজাৰ বিপুল আয়োজন কৰিছিল। কেৱল ধুবুৰী বুলি কলে ভুল কৰা হব, গোটেই ধুবুৰী মহকুমাৰ জাতি-বৰ্ণ, মুনিহ-তিৰোতা



নিৰ্ব্বিশেষে সকলো ৰাইজেই যোগদান আৰু সহযোগ কৰি এই মাতৃপূজাৰ মহোৎসৱ সাফল্যমণ্ডিত কৰি তুলিবলৈ চেষ্টা কৰিছিল।

## আগত অতিথি অভিনব

২৬ ডিচেম্বৰ। ধুবুৰী ৰেল ষ্টেশনত বিপুল জনতাৰ দলদোপ হেন্দোলদোপ। নিৰ্ব্বাচিত সভাপতি ভাষা-জননীৰ সুযোগ্য একনিষ্ঠ সেৱক শ্ৰীযুত বেণুধৰ শৰ্ম্মা ডাঙৰীয়াক আদৰিবলৈ অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াসকল, স্থানীয় বৰমুৰীয়া চাকৰিয়ালসকল, ধুবুৰীৰ বিশিষ্ট নাগৰিক-সকলৰ উপৰিও সুশৃঙ্খলভাৱে শাৰী পাতি আছে শ শ স্বেচ্ছাসেৱক, স্বেচ্ছাসেৱিকা আৰু হাজাৰ বিজাৰ নাগৰিক আৰু সৰ্ব্বসাধাৰণ ৰাইজ। ৰেল গাড়ীয়ে সভাপতি শৰ্ম্মা, সভাপতি দাস, সভাপতি বৰুৱা প্ৰমুখ্যে প্ৰতিনিধিসকলক লৈ ষ্টেশনৰ প্লেটফৰ্ম পোৱাৰ লগে লগে জাউৰিয়ে জাউৰিয়ে অসম সাহিত্যসভাৰ জয়ধ্বনিৰে আকাশ বতাহ মুখৰিত হয়। শঙ্খ, উৰুলি, বেণ্ড, বাদ্য সমস্বৰে বাজিবলৈ ধৰে। সভাপতি তিনিজনাক মাল্যবিভূষিত কৰা হয়। তাৰ পিচত প্ৰায় এঘণ্টা কাল জুৰি সভাপতিক লৈ এটি বিৰাট সমদলে নগৰ পৰিভ্ৰমণ কৰে। সভাপতিক এনেদৰে যি আন্তৰিক ৰাজকীয় সম্বৰ্দ্ধনা ধুবুৰীৰ ৰাইজে জনালে তাৰ উত্তৰত শ্ৰীযুত শৰ্ম্মাদেৱৰ চকু আনন্দৰ লোতকেৰে উপচি পৰিছিল।

## বিষয় বাছনি—নতুন আচনি

সেইদিনাই আবেলি ৩ বজৰপৰা চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ মুকলি প্ৰাঙ্গণত আৰু সন্ধিয়া ৭ বজাৰপৰা ধুবুৰী অসম সজ্যৰ ভৱনত বিষয় বাছনি সভা বহে—নিৰ্ব্বাচিত সভাপতি শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ সভাপতিত্বত। প্ৰায় দুশ জন প্ৰতিনিধিয়ে যোগদান কৰে। এই সভাতে সম্পাদকৰ প্ৰতিবেদন, প্ৰস্তাৱ, নতুন বিষয়ববীয়া নিৰ্ব্বাচন আদি সভাৰ সকলো আনুষ্ঠানিক কাৰ্য্য নিৰ্ব্বিবাদে সমিলমিলভাৱে সম্পন্ন হয়। প্ৰধান সম্পাদকৰ বাবে শ্ৰীযুত দৰাপধৰ চলিহা আৰু শ্ৰীযুত গিৰিধৰ শৰ্ম্মাৰ নাম প্ৰস্তাৱিত হোৱাত এই একেটি মাথোন প্ৰসঙ্গত ভোট লবৰ আৱশ্যক হৈছিল, সিও বন্ধুত্বপূৰ্ণ পৰিবেশৰ মাজত। নিশা প্ৰায় এঘাৰ বজাত বিষয় বাছনি সভাৰ সামৰণি পৰে।

## দুৱাৰ মুকলি হল

সেই একে দিনাই আবেলি ৪ বজাত বিৰাট সভা-মণ্ডপৰ ওচৰতে পৰিপাটিকৈ সজোৱা প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিছিল "আৱাহন" যুগৰ প্ৰসিদ্ধ গল্প লিখক শ্ৰীযুত হৰিপ্ৰসাদ গোৰ্খা ৰায় ডাঙৰীয়াই। প্ৰদৰ্শনীত ৰাজ্য-চৰকাৰ আৰু বিভিন্ন অনুষ্ঠানৰ যোগেদি মুঠতে একুৰি ছখন প্ৰদৰ্শনী গৃহত শিক্ষা, শিল্প, কৃষিপদ্ধতি, হাতৰ কাম আদিৰ চানেকি দেখুওৱা হৈছিল। সময়ৰ লগত খোজ মিলাই কৃষ্টিকলাৰ প্ৰগতিৰ বিষয়ে উদ্বোধক শ্ৰীযুত গোৰ্খা-ৰায়ে এইদৰে মন্তব্য কৰিছিল—"আমি এতিয়া পুৰণি জহি যাব ধৰা আৰ্টকে খামোচ মাৰি ধৰি নেথাকি আৰু আগুৱাই যাব লাগিব। বৰ্ত্তমান যুগটো এটমৰ যুগ, পঞ্চশীলৰ যুগ। পুৰণিয়ে নতুনক বাট আগচি ধৰি ৰখাটো ব্ৰহ্মপুত্ৰৰ গতিৰোধ কৰি পুনৰ মানস সৰোবৰলৈ ওলোটাই পঠিওৱাৰ দৰে অসম্ভৱ।

সেয়েহে মই নিজে পুৰণিকলীয়া হলেও, নতুন আৰু পুৰণিৰ এই অপূৰ্ব্ব সমাবেশ দেখি, তাৰ অপৰূপ ছবি চাই পুৰণি স্মৃতিবিজড়িত এই অসম সাহিত্য সভা—যাক মই জাতীয় প্ৰতিনিধি সভা বুলি সমাদৰ জনাও, সেই সভাৰ প্ৰদৰ্শনীত দুৱাৰ মুকলি কৰি দিলো।"

## বন্দো কি ছন্দেৰে

২৭ ডিচেম্বৰ। পুৱা ৮॥ বজাত স্বাস্থ্য মন্ত্ৰী শ্ৰীযুত ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ অধিবেশন বহে। আজি "বন্দো কি ছন্দেৰে" সমদলীয় গীতেৰে সভাৰ কাৰ্য্য আৰম্ভ হয়। বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনদেৱৰ প্ৰস্তাৱ আৰু শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীদেৱৰ সমৰ্থনত শ্ৰীযুত ৰূপনাথ ব্ৰহ্মদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। তথ্যপূৰ্ণ দীঘলীয়া অভিভাষণত সভাপতি ব্ৰহ্মদেৱে গোৱালপাৰা আৰু গোৱালপাৰাবাসীৰ অতীত গৌৰৱৰ বিষয় তেখেতৰ ভাষণত উল্লেকিয়ায়। তেখেতে কয়—"বন্ধুসকল, আজি যি ঠাইত আপোনালোক সমৱেত হৈছে, এই ঠাই প্ৰাচীন কামৰূপ ৰাজ্যৰ এটা প্ৰধান আৰু অবিচ্ছেদ্য অংশ আৰু অসম গৌৰৱ কোচ ৰজাসকলৰ আদি পুৰুষ ডাম্বাধু মেচ, হাওৰীয়া মেচৰ বংশসম্ভূত মহাৰাজ বিশ্বসিংহৰ আদিম ৰাজ্য—যাৰ

সীমা আছিল—"পূৰ্ব্বত মান্যাহ যোগকোষ পশ্চিমত।
উত্তৰে ধৱলগিৰি দক্ষিণে লৌহিত্য ॥"

এই ধুবুৰী মহকুমাৰ উত্তৰ অঞ্চলত—হিমালয়ৰ পাদদেশত, চিকনা নামক অতীৱ ৰমণীয় ঠাইত এই কোচ ৰজাৰ আদি পুৰুষসকলৰ বাসস্থান আছিল।

বিভিন্ন প্ৰাকৃতিক পৰিবেষ্টনীৰ মাজত অসম তথা ভাৰতৰ নৰনাৰীয়ে ভিন ভিন ধৰ্ম্ম, ভাষা, সংস্কৃতিৰ অধিকাৰী হৈও একতাৰ বেদী গঢ়ি তুলিব পাৰে বুলি তেখেতে দঢ়াই দঢ়াই কয়—"অসমৰ ভৱিষ্যৎ বৰ উজ্জ্বল বুলিয়েই মোৰ অনুমান হয়। কিয়নো, স্বাধীনতা লাভ কৰাৰ পিচত, স্বাধীন ভাৰতৰ গুৰুত্বপূৰ্ণ সীমান্ত ৰাজ্য হিচাপে আৰু ইয়াত মানৱ সভ্যতাৰ উৎকৰ্ষ সাধনৰ উপাদান যোগাবলৈ প্ৰাকৃতিক সম্পদৰ অফুৰন্ত আকৰ বা ভাণ্ডাৰ থকাৰ কাৰণে অসমে অতীজতে যেনেকৈ সকলো বিষয়ত চৰম উৎকৰ্ষ সাধন কৰিছিল—আজিও তেনে উৎকৰ্ষ সাধন কৰি নৱভাৰতত অতুলনীয় স্থান অধিকাৰ কৰিবৰ যথেষ্ট সম্ভাৱনা বৈ আছে। মাত্ৰ আজি অসমৰ মাজত জাতি, ধৰ্ম্ম, সম্প্ৰদায়, দল আৰু স্থান নিৰ্ব্বিশেষে পৰিবৰ্ত্তিত মনোভাব লৈ সজ্ঘবদ্ধ হৈ সকলো ক্ষেত্ৰতে যুক্তভাৱে কাম কৰিবৰ প্ৰেৰণা জগাই তুলিব লাগিব।"

শিৱসাগৰৰ শ্ৰীযুত ভুবনচন্দ্ৰ সন্দিকৈদেৱে "অতীত অসমত কুটীৰ শিল্প আৰু খনিজ পদাৰ্থৰ স্থান" শীৰ্ষক দীঘলীয়া প্ৰবন্ধ এটি পাঠ কৰে। বৰ্ত্তমান গাৰৈৰ কবি শ্ৰীযুত যোগেন্দ্ৰনাথ সৰকাৰে "অসমৰ জয়গান" শীৰ্ষক কবিতাৰ মাজেৰে সুন্দৰভাৱে গোৱালপাৰা তথা অসমৰ ঐতিহাসিক বিশ্লেষণ এটি দাঙি ধৰে। গুৱাহাটী যাদুঘৰৰ বিষয়া শ্ৰীযুত প্ৰেমধৰ চৌধুৰীদেৱে লিখা" অসম ইতিহাসত খোদিত লিপিৰ স্থান" প্ৰবন্ধটি শ্ৰীযুত কমলেশ্বৰ বৰাদেৱে পাঠ কৰে। শ্ৰীযুত হৰকান্ত দাস আৰু শ্ৰীযুত চণ্ডীচৰণ বৰ্ম্মণে দুআষাৰ মান কয়। শ্ৰীযুত হৰিপ্ৰসাদ চক্ৰৱৰ্ত্তীৰ "পৌৰাণিক অসমৰ ভৌগোলিক বিৱৰণ" নামৰ প্ৰবন্ধটি পঠিত বুলি ধৰা হয়। বুৰঞ্জী শাখাৰ সম্পাদক শ্ৰীযুত কমলেশ্বৰ বৰাদেৱে শলাগৰ শৰাই আগবঢ়োৱাৰ পিচত বুৰঞ্জী শাখাৰ অধিবেশন সমাপ্ত হয়।

## মিলিল মাহেন্দ্ৰ ক্ষণ

নিয়লি দুই বজাৰপৰা মূল অধিবেশন আৰম্ভ হয়। সভাত প্ৰায় ৬।৭ হেজাৰমান মুনিহ, তিৰোতা আৰু দূৰণিৰটীয়া ৰাইজ সমবেত হৈছিল। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে ঘোষা পাঠ কৰাৰ পিচত আৰম্ভণি গীত গোৱা হয়। অধিবেশন উদ্বোধন কৰি কমল-কলিৰ কবি শ্ৰীযুত সীতানাথ ব্ৰহ্ম চৌধুৰী দেৱে তেওঁৰ ভাষণত, কয়—"আপোনালোকক অন্তৰৰপৰা আমি সাদৰ অভ্যৰ্থনা জনাইছো। অতি প্ৰাচীন কালৰপৰাই অসমৰ লগত গোৱালপাৰা জিলাবাসীৰ অন্তৰৰ সম্বন্ধ। আমাৰ এই অন্তৰৰ সম্বন্ধ কোনেও ছেদন কৰিব নোৱাৰে।" শ্ৰীযুত প্ৰথমনাথ চক্ৰৱৰ্ত্তীদেৱৰ প্ৰস্তাৱ, শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা, শ্ৰীযুত দীনেশৰঞ্জন সৰকাৰ ডাঙৰীয়াৰ সমৰ্থন অনুযায়ী লব্ধপ্ৰতিষ্ঠ সাহিত্যিক শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। তাৰ পিচত বিত্ত-মন্ত্ৰী শ্ৰীযুত মতিৰাম বৰা, শ্ৰীশ্ৰীগড়মূৰীয় অধিকাৰ গোস্বামী, শ্ৰীযুত (সকল) বসন্তকুমাৰী ৰাজখোৱানী, নলিনীবালা দেৱী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, সূৰ্য্যকুমাৰ ভূঞা, দুৰ্গেশ্বৰ শৰ্ম্মা, যতীন্দ্ৰনাথ দুৱৰা, পদ্মধৰ চলিহা, পাৰ্ব্বতীপ্ৰসাদ বৰুৱা, বিপিন বুঢ়াগোহাঁই, লক্ষেশ্বৰ শৰ্ম্মা, যোগেন হাজৰিকা, এছ, কে, মুখাৰ্জ্জী ৰাজ্যৰত্ন, ৰাম গোস্বামী (শিলং) ধনীৰাম তালুকদাৰ, কালীৰাম বৰ্ম্মণ, সতীশ কাকতী, কবিৰাজ হৰেশ্বৰ ভট্টাচাৰ্য্য (শিলচৰ), শৰৎ শৰ্ম্মা (ৱাটিং); ভবেন্দ্ৰনাৰায়ণ সিংহ, তীৰ্থনাথ গোস্বামী, হৰিনাৰায়ণ দত্তবৰুৱা, নকুলচন্দ্ৰ ভূঞা, বিজয় সেনগুপ্ত, বসন্তকান্ত বৰকাকতী, কুনৰমল আগৰৱালা, যোগেন্দ্ৰনাথ বৰকাকতী প্ৰভৃতি বহু বিশিষ্ট লোকে সভাৰ কৃতকাৰ্য্যতা কামনা কৰি পঠোৱা বাণীসমূহ শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীদেৱে পঢ়ি শুনায়। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত প্ৰথমনাথ চক্ৰৱৰ্ত্তী ডাঙৰীয়াই তেখেতৰ আদৰণি ভাষণ পাঠ কৰে। চক্ৰৱৰ্ত্তীদেৱে অসমৰ সোণালী ভৱিষ্যৎ কামনা কৰি ভাষণৰ সামৰণিত কয়—"আজিৰ ধুবুৰী আৰু আগৰ ধুবুৰী একে নহয়। আজিৰ ধুবুৰী বন্যাবিধ্বস্ত, দুৰ্ভিক্ষ প্ৰপীড়িত আৰু অৰ্থনীতিৰ হেঁচা-চেপাত জৰ্জ্জৰিত। আপোনালোক মহীয়ান, অসমীয়া সংস্কৃতি, সাহিত্য,



কৃষ্টি, শিল্প-কলাৰ পূত প্ৰবাহক। মই জানো, অসমীয়া সাহিত্য সংস্কৃতিৰ কল্যাণৰ নিমিত্তে আত্মাহুতি দিবলৈ আপোনালোক পশ্চাৎপদ নহয়। আপোনালোক বাগ-দেৱীৰ পূজাৰী, আপোনালোক আশুতোষ, এয়ে মোৰ ভৰসা। আপোনালোকে নিঃকিন অভ্যৰ্থনা সমিতিৰ ত্ৰুটী-বিচ্যুতি ক্ষমা কৰিব। আজি ত্ৰিশ বছৰ পিচত আপোনালোকক অভ্যৰ্থনা কৰিবলৈ পাই অকল অভ্যৰ্থনা সমিতিয়েই নহয়, সমগ্ৰ ধুবুৰীবাসী ধন্য হ'ল।

ভাষণৰ শেষত কাব্যভাৰতী শ্ৰীযুতা ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে লিখা 'পূজা-বন্দনা' নামৰ কবিতা শ্ৰীযুতা ললিতা ফুকননীয়ে আৰু পদ্মশ্ৰী শ্ৰীযুতা নলিনীবালা দেৱীৰ 'আইৰ পূজা' নামৰ কবিতা শ্ৰীযুতা দলী তালুকদাৰে পাঠ কৰে। বৰপেটা শঙ্কৰী কলা-সঙ্ঘৰ ফালৰপৰা এটি বৰগীত গোৱাৰ পিচত প্ৰায় ডেৰঘণ্টা সময় জুৰি সভাপতিদেৱে এখনি বসাল সুদীৰ্ঘ ভাষণ পাঠ কৰে। তেখেতে ধুবুৰী সম্মিলনৰ বীজমন্ত্ৰ সম্পৰ্কে কয়—"আজি আমাৰ যুগসন্ধি, ভাষা-সন্ধি আৰু মিলন-সন্ধিৰ তিনিমুনি বাটত থম-থমকৈ ৰহি থকা "বুঢ়া-ডাঙৰীয়াৰ" লেখ অপাৰ। সেইবোৰক সসন্মানে সিঁপাৰ কৰিবলৈ ধুবুৰী-ঘাটে আমাৰ নিষ্প্ৰাণ সাহিত্যত প্ৰাণ-শক্তিৰ সঞ্চাৰ কৰক। এয়ে আজি ধুবুৰী-ধ্যানৰ বীজ-মন্ত্ৰ।" নপুৰণিৰ অখণ্ডতা সম্পৰ্কে শ্ৰীশৰ্ম্মাদেৱে উদাহৰণেৰে সৈতে বুজাই দিয়ে। অন্যান্য প্ৰদেশত, প্ৰাদেশিক ভাষাৰ নামেৰেই সাহিত্য সম্মেলন বা পৰিষদৰ নাম। যেনে বঙ্গদেশৰ সম্মেলনৰ নাম বঙ্গীয় সাহিত্য সম্মেলন, গুজৰাটৰ গুজৰাটী সম্মেলন ইত্যাদি। অসম সাহিত্য সভাৰ নাম কিন্তু অসমীয়া নহয়, অসম হে। গতিকে, অসমেই যাৰ মাতৃভূমি আৰু অসমৰ অন্নেৰেই যি লালিত-পালিত সেই সকলোলৈকে অসম সাহিত্য সভাৰ দুৱাৰ মুকলি।" এইদৰে অসম সাহিত্য সভাৰ বিশেষত্ব সম্পৰ্কে কৈ শ্ৰীযুত শৰ্ম্মাদেৱে তেখেতৰ নিজস্ব অনন্যকৰণীয় ঠাচত লিখা ভাষণৰ সামৰণি মাৰে। অ'মোৰ আপোনাৰ দেশ' জাতীয় সঙ্গীতেৰে প্ৰথম দিনৰ মূল অধিবেশনৰ সিমানতে ওৰ পৰে।

## বিজ্ঞানৰ জিলিকনি

সেইদিনাই আবেলি ৫ বজাত স্থানীয় চৰকাৰী হাই-স্কুলত পতা বিজ্ঞান প্ৰদৰ্শনী মুকলি কৰে এই শাখাৰ নিৰ্ব্বাচিত সভাপতি শ্ৰীযুত লক্ষীনাথ দাস ডাঙৰীয়াই।

## জ্বলে দীপ-শিখা

২৮ ডিচেম্বৰ। "দীপ-শিখা জ্বালি পোহৰ বিচাৰি পৃথিবী ধুনীয়া হল" গীত গোৱাৰ পিচত পুৱা ৮॥ বজাত বিজ্ঞান শাখাৰ অধিবেশন আৰম্ভ হয়। শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাই সভাপতিৰ বাবে নাম প্ৰস্তাৱ কৰি শ্ৰীযুত লক্ষীনাথ দাসদেৱৰ চিনাকি দিয়ে আৰু শ্ৰীযুত মহেশচন্দ্ৰ হাজৰিকাই প্ৰস্তাৱ সমৰ্থন কৰাত গুৱাহাটীৰ বিশিষ্ট নীৰৱ বৈজ্ঞানিক শ্ৰীযুত লক্ষীনাথ দাস ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে। কায়খেলী অঙ্কৰ গৱেষণা কৰোতা বেলশৰৰ শ্ৰীযুত দণ্ডিৰাম দত্তদেৱে উদাহৰণৰ সৈতে কায়খেলী অঙ্কৰ চানেকি দেখুৱায়। তাৰ পিচত সভাপতিয়ে প্ৰাঞ্জল আৰু সহজ ভাষাত লিখা তেখেতৰ বৈজ্ঞানিক অভিভাষণখনি পাঠ কৰে। ভাষণৰ পিচৰ অংশ ডক্টৰ শ্ৰীযুত মহেশ্বৰ নেওগদেৱে দাসদেৱৰ হৈ পঢ়ি শুনায়। ভাষণৰ মোখনিত আছিল—"কোনে কব পাৰে সৃষ্টিধৰ্ম্মী মানুহৰ মনে কলা আৰু বিজ্ঞান প্ৰচেষ্টাৰপৰাই এদিন "জন-গণ-মন অধিনায়ক" বিশ্ব মনৰ লগত মিলিব নোৱাৰিবগৈ? আৰু যেতিয়ালৈকে মানুহ মানুহ হৈয়ে থাকিব, আমাৰ এই শুচি অশান্ত মনোভাব অনিৰ্ব্বাপ্য অগ্নি-শিখাৰ দৰে জ্বলি থাকি সেই অনন্তলৈ হেচি লৈ গৈ থাকিব।"

এটি সমস্বৰ সঙ্গীতৰ পিচত শ্ৰীযুত তাৰিণীকান্ত গোস্বামী এম-এছ-ছিয়ে উদ্ভিদৰ ৰহস্য" নামৰ এটি প্ৰবন্ধ পাঠ কৰি চিত্ৰ আঁকি কথাখিনি বুজাই দিয়ে। সম্পাদক শ্ৰীযুত সুধীৰচন্দ্ৰ চক্ৰৱৰ্ত্তী এম-এছ-ছিয়ে শলাগৰশৰাই আগবঢ়োৱাৰ পিচত 'আপোনাৰ দেশ' জাতীয় গীতেৰে এই সভাৰ অন্ত পেলোৱা হয়।

## বাজে পাঞ্চজন্য বিপুল নিনাদে

বিয়লি ২ বজাৰপৰা প্ৰায় দহ হাজাৰ জন সমাগমত দ্বিতীয় দিনাৰ মূল অধিবেশন মহাসমাৰোহেৰে আৰম্ভ হয়। পুনৰ শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে সুললিত কণ্ঠেৰে গোৱা নাম-

ঘোষাৰ পদেৰে। ইয়াৰ পিচত 'বন্দে মাতৰম' জাতীয় গীতটি সমবেতকণ্ঠে গোৱা হয়। প্ৰধান সম্পাদক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱৰ প্ৰতিবেদনখনি পাঠ কৰে শ্ৰীযুত যতীন গোস্বামীয়ে। প্ৰতিবেদনখনিত যোৱা বছৰ অসম সাহিত্য সভাৰ যোগেদি হোৱা সকলো কাৰ্য্যৰ আভাস দিয়া হৈছিল। কাৰ্য্য নিৰ্ব্বাহক সভা, আয়-ব্যয়, পত্ৰিকা, নেফা দিন পালন, ৰাজ্যপালৰ ওচৰত সঁজাতি দল, শাখা সভাৰ কাৰ্য্যাৱলী, চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্ত ন্যাস-সমিতি, পুৰণি স্মৃতি চিন, দিল্লীত পুথি প্ৰদৰ্শনী, ৰেলৰ সুবিধা, গ্ৰন্থ প্ৰকাশ, আদি বিবিধ শিতানত সাহিত্য সভাৰ বিষয়ে জনাব লগীয়া আৰু জানিবলগীয়া সকলো কথা এই প্ৰতিবেদনত সন্নিবিষ্ট কৰি সামৰণিত বিদায় মাগি শ্ৰীযুত হাজৰিকাই কয়—"অসম সাহিত্য সভাই বছৰে বছৰে উন্নতিৰ বাটত আগবাঢ়ি গৈ মোৰ চিৰচেনেহী অসমী আইৰ মলিন মুখত হাঁহিৰ ৰেখা বিৰিঙাই তোলক—এয়ে সদৌ শেহত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা। জয় অসম! জয় ভাৰত !!

প্ৰতিবেদন পাঠৰ অন্তত শ্ৰীশ্ৰীদক্ষিণপাটীয় গোস্বামী, সাহিত্য একাডেমীৰ সম্পাদক শ্ৰীকৃপালনি, শ্ৰীযুত অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰমুখ্যে লোকসকলৰ শুভেচ্ছামূলক বাণী পঢ়ি শুনোৱা হয়। বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনদেৱে অসমীয়া ভাষা সাহিত্য সম্পৰ্কে এটি ওজস্বিনী বক্তৃতা দিয়ে। তেখেতে কয় যে ধুবুৰীৰ এই ৰূপালী জয়ন্তী উৎসৱৰ কৃতকাৰ্য্যতা আনন্দ আৰু অসম সাহিত্য সভাৰ সোণালী জয়ন্তীৰ সপোন দুয়োটাকে বুকুত সাৱটি তেখেতে জীৱনৰ বাকী কেইটা দিন নিয়াব খোজে। কীৰ্ত্তন-ঘোষাৰ সুৰতে সুৰ মিলাই য'ত আজান ফকিৰে জিকিৰ ৰচিছিল তেনে ঠাইত হিন্দু-মুছলমান, শিখ-খৃষ্টীয়ান আটায়ে একমুঠ হৈ অসমাক আপোন বুলি সাৱটি লোৱা কথাত বিচিত্ৰতা একো থাকিব নোৱাৰে বুলি ফুকনদেৱে কয়। তাৰ পিচত শ্ৰীযুত ফণী তালুকদাৰে "নজনা সিমুঠি" নামৰ জাতীয় কবিতা এটি আবেগময়ী কণ্ঠেৰে আবৃত্তি কৰে। ১৯৫৭ৰ ছুৱাৰদলিত থিয় হৈ কবিয়ে এশ বছৰ আগৰ পৰা দেশৰ স্বাধীনতা ৰক্ষা কৰিবলৈ এতিয়ালৈকে ৰণদি থকা অজ্ঞাত হেজাৰ হেজাৰ দেশপ্ৰেমিকক সোঁৱৰে। স্থানীয় কবি শ্ৰীমকবুল আলিয়েও গুৱালপৰীয়া কথ্য ভাষাৰে 'হুচিয়াৰ' নামৰ কবিতা পাঠ কৰে। তাৰ পিচত সভাত সৰ্ব্বসন্মতিক্ৰমে তলত দিয়া ৮টি প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

১ম প্ৰস্তাৱ :—অসম সাহিত্য সভাৰ পঞ্চবিংশ অধিবেশনে তলত নাম দিয়া লোকসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি তেখেতসকলৰ আত্মাৰ সদ্গতিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

প্ৰাক্তন শিক্ষাধিকাৰ উমাকান্ত গোস্বামী, ডাক্তৰ ভুবনেশ্বৰ বৰুৱা, ধনাই বৰা, বাপুৰাম দত্ত হাজৰিকা ( নাজিৰা ), পণ্ডিত শিৱনাথ বুজৰবৰুৱা ( বড়িয়া ), বিদ্যাধৰ শৰ্ম্মা ( যোৰহাট ), প্ৰমোদ হাজৰিকা ( শিলচৰ ), কুন্তী ফুকননী (ডিব্ৰুগড়), ডাক্তৰ ললিত চৌধুৰী, চন্দ্ৰধৰ খাওন্দ ( দেৰগাঁও ), বাপুৰাম কচাৰী ( নিতাইপুখুৰী ), মুক্তাধৰ শৰ্ম্মা ( কৰৰা ), সেউতী বৰুৱা ( শিৱসাগৰ ), গোবিন্দদেৱ শৰ্ম্মা ( অভয়াপুৰী ), কুশচন্দ্ৰ শৰ্ম্মা ( নগাঁও ), দুৰ্গাপ্ৰসাদ বৰঠাকুৰ ( যোৰহাট ), গিয়াচুদ্দিন আহমদ ( ধুপধৰা ), বামদেৱ গোস্বামী ( পাটবাউসী সত্ৰ ), যাদৱচন্দ্ৰ দাস ( বৰপেটা ), ৰামচৰণ তালুকদাৰ ( বৰপেটা )

২য় প্ৰস্তাৱ—উত্তৰ-পূব সীমান্ত অঞ্চলৰ লগত অসমীয়া ভাষা সংস্কৃতি ওতঃপ্ৰোত ভাৱে জড়িত। আৰু সুদীৰ্ঘ দিন ধৰি এই জনজাতি সকলৰ মাজত শিক্ষাৰ মাধ্যম স্বৰূপে অসমীয়া ভাষাই চলি আহিছিল ; কিন্তু অলপতে সেই অঞ্চলৰ শিক্ষাৰ মাধ্যম ৰূপে হঠাতে হিন্দী প্ৰৱৰ্ত্তন কৰি সংশ্লিষ্ট কৰ্তৃপক্ষই জনজাতীয় ভাইসকলক অসমীয়া বাইজৰপৰা পৃথক কৰি ৰাখি জাতীয় ঐক্য ক্ষুণ্ণ কৰিবৰ যি প্ৰচেষ্টা চলাইছে তাৰ প্ৰতিবাদকল্পে অসম সাহিত্য সভাৰ পক্ষৰ পৰা সদৌ অসমৰ প্ৰবল আৰু সুস্থ জনমত আৰু সজাতি দলৰ যোগেদি এই দাবী ৰাজ্যপালৰ ওচৰত উত্থাপিত কৰাত ৰাজ্যপালৰ দ্বাৰা অন্যায় ব্যৱস্থা ওৰ পেলোৱা হব বুলি আশ্বাস পোৱা স্বত্বেও আজিকোপতি কৰ্ত্তৃপক্ষই পূৰ্ব্বৰ নীতি পৰিবৰ্ত্তন নকৰাত আজিৰ সভাই গভীৰ দুখ প্ৰকাশ কৰে আৰু অসমীয়া ভাষাক এই অঞ্চলৰ শিক্ষাৰ মাধ্যম ৰূপে পুনৰ প্ৰবৰ্ত্তন কৰিবলৈ কৰ্ত্তৃপক্ষক দাবী জনায়।



৩য় প্ৰস্তাৱ—অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি ক্ষেত্ৰত বহুবি স্থায়ী কাৰ্য্যৰ নিদৰ্শন ৰূপে উপযুক্ত পুথিৰ সংকলন, প্ৰকাশ আৰু প্ৰচাৰৰ সুগুত ব্যৱস্থা কৰিবলৈ এটি সাতজনীয়া প্ৰকাশন সমিতি গঠন কৰা হওক। সেই সমিতিত সভাপতি, প্ৰধান সম্পাদক আৰু পত্ৰিকা সম্পাদকৰ উপৰিও বিষয় বাছনি সভাত নিৰ্ব্বাচিত ৪ জন সভ্য থাকিব। তিনিজন সভ্য হলে ইয়াৰ মূল হব। এই সমিতিৰ কাৰ্য্যকাল তিনিবছৰীয়া হব কিন্তু আৱশ্যক হলে মুকলি অধিবেশনে এই কালৰ কম-বেছিও কৰিব পাৰিব। এই বিষয়ৰ আৱশ্যকীয় বিধি উপবিধি কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে যুগুত কৰি দিব।

এইবাৰ বিষয় বাছনি সভাৰ নিৰ্ব্বাচিত সভ্য শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ডক্টৰ শ্ৰীমহেশ্বৰ নেওগ।

৪ৰ্থ প্ৰস্তাৱ—ভাৰতৰ সকলো প্ৰেক্ষাগৃহতে দেখুউৱা ভাৰতীয় **News-reel** আৰু ডকুমেণ্টৰী ফিল্মৰ প্ৰসঙ্গত অন্যান্য ভাষাৰ লগতে অসমীয়া ভাষাকো সমান স্থান দি অসম তথা ভাৰতৰ সকলো প্ৰেক্ষাগৃহত প্ৰদৰ্শন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰী দপ্তৰক আজিৰ সভাই অনুৰোধ জনায়।

৫ম প্ৰস্তাৱ—শিক্ষা-দীক্ষা আদিত সুচল ব্যৱস্থা নথকা উত্তৰ-পূব সীমান্ত অঞ্চলৰ জন-জাতীয় লোকসকলৰ ছাত্ৰ-ছাত্ৰী আহি ভৈয়ামৰ ডিব্ৰুগড়, যোৰহাট, গুৱাহাটী আদি স্থান সমূহৰ শিক্ষালয়ত শিক্ষাৰ সুব্যৱস্থা কৰি দিবৰ বাবে উপযুক্ত ছাত্ৰাবাস স্থাপন কৰি প্ৰাথমিকৰ পৰা উচ্চ মহলালৈকে শিক্ষাদানৰ সুবিধাৰ্থে বছৰি সম্ভহতে অতিকমেও পঞ্চাশ জন উত্তৰ-পূব সীমান্ত অঞ্চলৰ জনজাতীয় ছাত্ৰ-ছাত্ৰীক অচিৰে উপযুক্ত বৃত্তি অনুদান আদিৰ ব্যৱস্থা কৰিবলৈ অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিৱেশনে অসম চৰকাৰক অনুৰোধ জনায়। এনে ব্যৱস্থাৰ দ্বাৰা জনজাতীয় ভাই-ভনী সকলক শিক্ষা দানত সুবিধা দিয়াৰ উপৰিও পৰ্ব্বত-ভৈয়াম সম্প্ৰীতি আৰু জাতীয় ঐক্য দৃঢ়তৰ হোৱাৰ বাট সুগম হব বুলি আজিৰ সভাই দৃঢ় মত প্ৰকাশ কৰে।

৬ষ্ঠ প্ৰস্তাৱ—১৯৫৬ চনত সাহিত্য একাডেমীৰ পক্ষৰ পৰা স্বীকৃত ভাষাসমূহৰ শ্ৰেষ্ঠ পুথিৰ পুৰস্কাৰ দান প্ৰসঙ্গত অসমীয়া ভাষাৰ পুথি একেবাৰে বাদ পৰাত আজিৰ সভাই আশ্চৰ্য্য প্ৰকাশ কৰে আৰু এই বিষয়ৰ বাছনি পদ্ধতি ত্ৰুটিপূৰ্ণ বুলি আশঙ্কা কৰে আৰু ভবিষ্যতে সাহিত্য একাডেমীয়ে অসম সাহিত্য সভাৰ সৈতে পোণপটীয়া যোগাযোগ ৰাখি এনে আশঙ্কাৰ বাট নেৰাখিব বুলি আশা ৰাখে।

৭ম প্ৰস্তাৱ—অসম পাঠ্য পুথি বাছনি সমিতিলৈ মনোনীত কৰা সদস্যসকলৰ ভিতৰত অসম সাহিত্য সভাৰ পক্ষৰ পৰা পূৰ্ব্বৰ পৰা থকামতে এজনো সদস্য নপৰাত আজিৰ সভাই দুখ প্ৰকাশ কৰে আৰু অসম সাহিত্য সভাৰ পক্ষৰ পৰা অন্ততঃ তিনি জন সভ্য এই সমিতিত লব লাগে বুলি অসম চৰকাৰক দাবী জনোৱা হয় আৰু আৱশ্যক হলে এই বিষয়ৰ ( পুথি বাছনি সমিতিৰ ) নিৰ্ব্বাচনী নিয়ম তন্ত্ৰৰ সালসলনি কৰি হলেও সাহিত্য সভাৰ উক্ত দাবী কাৰ্য্যত পৰিণত কৰিবলৈ অনুৰোধ জনায়।

৮ম প্ৰস্তাৱ—তলত দিয়া লোকসকলক লৈ নিয়মাৱলীৰ সালসলনি সমিতি গঠন কৰা হওক।

১ সভাপতি, ২ শ্ৰীপ্ৰেমধৰ ৰাজখোৱা, ৩ শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, ৪ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, ৫ শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, ৬ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী, ৭ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

প্ৰস্তাৱৰ পিচত শ্ৰীযুত মহাদেৱ শৰ্ম্মা ডাঙৰীয়াই আবেগময়ী কণ্ঠেৰে এটি চমু বক্তৃতা দি কয় যে গতিহীনতাই মৃত্যু—আনফালে অমৃতই জ্ঞান। জ্ঞান আহৰণৰ বাহন সাহিত্য। সেয়ে সাহিত্য সাধনাই অমৃতত্বৰ বাটত খোজ লোৱাত সহায় কৰে। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীযুত ৰূপচাঁদ বৰ্ম্মণ আৰু শ্ৰীযুত ৰামকমল চাহীয়ে ( উত্তৰ প্ৰদেশ ) দুই একেষাৰ কৈ শুনায়। ডিগবৈ সভাৰ পক্ষৰ পৰা শ্ৰীমেৰাজ হুছেইনে ধুবুৰীৰ এন-চি-চি আৰু স্বেচ্ছাসেৱক বাহিনীৰ কামৰ শলাগ স্বৰূপে এটি বঁটা আগবঢ়ায়। তাৰ পিচত পুৰণি বিষয়ববীয়াসকলে আনুষ্ঠানিক ভাৱে পদত্যাগ কৰে। শ্ৰীযুত পৰাগ চলিহাৰ নাম প্ৰধান সম্পাদকৰ বাবে প্ৰাক্তন সম্পাদক শ্ৰীযুক্ত অতুল হাজৰিকাই প্ৰস্তাৱ আৰু শ্ৰীযুত যতীন গোস্বামীয়ে সমৰ্থন কৰে। বাকীসকল বিষয়-ববীয়াৰ নাম ঘোষণা কৰা হয় আৰু সকলোখিনি সৰ্ব্বসন্মতিক্ৰমে

নিৰ্ব্বাচিত হয়। শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাসে এটি লোকগীতি গাই শুনায়। শ্ৰীযুত প্ৰেমধৰ ৰাজখোৱা দেৱে ইয়াৰ পিচত অধিবেশন তিনিচুকীয়ালৈ মাতি নিমন্ত্ৰণৰ শৰাই আগবঢ়ায়। শ্ৰীমৰিনা খাতুন আৰু মোমেৰ আলিয়ে এটি ভাৱাইয়া গীত গাই সভাস্থলীত সুৰৰ নিজৰা বোৱায়। শ্ৰীযুত জয়নাৰায়ণ ব্ৰহ্মই ছেৰজা ( বড়ো বাদ্য-যন্ত্ৰ ) বজায় আৰু তেওঁৰ সঙ্গীবৃন্দই বড়ো গীত গায়। সামৰণি ভাষণত শ্ৰীযুত শৰ্ম্মাদেৱে শ্ৰীযুত প্ৰমথনাথ চক্ৰৱৰ্ত্তী প্ৰমুখ্যে অভ্যৰ্থনা সমিতিৰ বিষয়-ববীয়া আৰু ধুবুৰী ৰাইজক এই জয়ন্তী উৎসৱৰ কৃতকাৰ্য্যতাৰ বাবে শলাগ জনায়। আৰু তেখেতে প্ৰত্যেক শাখা সভা আৰু সভ্যকে অসম সাহিত্য সভা আৰু পত্ৰিকাৰ উন্নতিৰ বাবে বৰঙণি যোগাবলৈ অনুৰোধ জনায়। অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা শ্ৰীযুত প্ৰমথনাথ চক্ৰৱৰ্ত্তী আৰু শ্ৰীযুত দীনেশৰঞ্জন সৰকাৰ ডাঙৰীয়াই প্ৰতিনিধি সকললৈ শলাগৰ শৰাই আগবঢ়ায়। প্ৰদৰ্শনী বিভাগৰ ফালৰ পৰা প্ৰদৰ্শনীত যোগ দিওতা সকললৈ ধন্যবাদ জনোৱা হয়। প্ৰতিনিধিৰ ফালৰ পৰা শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা আৰু মঙ্গলদৈৰ শ্ৰীযুত ভদ্ৰকান্ত শৰ্ম্মা ডাঙৰীয়াই শলাগৰ শৰাই আগবঢ়ায়। সামৰণিত শ্ৰীযুত ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াই সকলো সম্প্ৰদায়ৰ লোকে ৰূপালী জয়ন্তী অধিবেশন সুসম্পন্ন হোৱাত সহায় কৰাৰ কাৰণে সন্তোষ প্ৰকাশ কৰে। 'অ' মোৰ আপোনাৰ দেশ" জাতীয় সঙ্গীতেৰে অধিবেশনৰ সামৰণি কৰে।

## সুৰৰ নিজৰা উপচি পৰে

অসম সাহিত্য সভাৰ মূল অধিবেশনৰ লগতে সঙ্গীত-ওজা লক্ষ্মীৰাম বৰুৱা ডাঙৰীয়াৰ পুত্ৰ শ্ৰীযুত প্ৰফুল্ল বৰুৱা এম-পি দেৱৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সঙ্গীত সন্মিলনীত দেখা পোৱা গৈছিল অসমৰ পুব প্ৰান্তৰ পৰা পশ্চিমলৈ বিয়পি থকা সঙ্গীত-নৃত্য সম্ভাৰৰ এটি মোহন মোহনা।

অসমৰ সংস্কৃতিৰ "নাভিস্থল" ধুবুৰীত বহা অসম সাহিত্য সভাৰ পঞ্চবিংশতি অধিবেশনত পচিশ গছি বন্তিৰ পোহৰত আৰম্ভ হোৱা ২৭ আৰু ২৮ তাৰিখৰ দুখনি সঙ্গীত সন্মিলনীত প্ৰাচীন কামৰূপৰ বিভিন্ন শিল্পীদলৰ বিবিধ সঙ্গীত নৃত্য দেখি আমাৰ দেশৰ অতীতৰ বিৰাট নৃত্য-গীত ঐশ্বৰ্য্যৰ কথাই মনলৈ আহিছিল। এইখন দেশৰেই জীয়ৰী শোণিত কুঁৱৰী উষাই লাস্য নৃত্য সৰ্ব্বজনবিদিত কৰিছিল। এইখন দেশৰেই জীয়ৰী বেউলাই গীত-নাচেৰে পতি লখিন্দৰক জীয়াই তুলিছিল। এইবোৰ কিম্বদন্তী, বুলি আমি কব পাৰো। কিন্তু প্ৰশ্ন এইটোৱেই যে এনেবোৰ কিম্বদন্তী সকলো দেশতে আছে জানো? গোৱালপাৰা বা ধুবুৰীৰ সংস্কৃতি আজিৰ নহয়; ই অসমৰ সংস্কৃতি বুৰঞ্জীৰ দৰেই কৌটিকলীয়া পুৰণি। অতীজৰ পৰাই ই অসমৰ চাৰু কলা আৰু সাহিত্যৰ অন্যতম পীঠস্থান ৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। আজি এদল লোকে কোনো সঙ্কীৰ্ণ স্বাৰ্থৰ বশৱৰ্ত্তী হৈ গোৱালপাৰাক অসমৰ বুকুৰ পৰা আজুৰি নিবলৈ ওলাইছে যদিও এই ঠাইৰ প্ৰাচীন যুগ কীৰ্ত্তিয়ে সেই ক্ষয়ঙ্কৰী আৰু নীচ মনো-বৃত্তিৰ বিপক্ষে যে বাহু দাঙি উঠিব তাত অকণো সন্দেহ নাই। "ধুবুৰী মহকুমাৰ ভাষা, সংস্কৃতি; ৰীতিনীতি প্ৰাচীন কামৰূপৰ লগত এডাল সুতাৰে গ্ৰথিত" অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীপ্ৰমথনাথ চক্ৰৱৰ্ত্তীৰ আদৰণি সম্ভাষণত এই কথাই উচ্চাৰিত হৈছে।

অসমীয়া মনসা কাব্যৰ নেতাই ধুবুনীৰ ওচৰৰ চান্দৰ ডিঙ্গা নামৰ ব্ৰহ্মপুত্ৰৰ বুকুত অৰ্দ্ধজল—মগ্ন হৈ থকা পৰ্ব্বতখন মোগল বাহিনীৰ অধিনায়ক ৰজা ৰামসিংহৰ গা ধোৱা ঠাই 'খাটুলীৰ ঘাট' এই আটাইবোৰতেই প্ৰাচীন কামৰূপৰ জয়ধ্বজা উৰিব লাগিছে। সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ সঙ্গীত সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত সমগ্ৰ অসমৰ ২৮ জন শিল্পীৰ সমাৱেশত, গোৱালপাৰাৰ বড়োসকলৰ বিবিধ নৃত্য গীত, গৌৰীপুৰৰ শিল্পী দলৰ লোকগীতি নৃত্য, ভাৱাইয়া গীত, ৰাভা নৃত্য-গীত আৰু আন আন ঠাইৰ উচ্চাঙ্গ নৃত্য-গীত, বৈষ্ণৱী গীত-পদ নৃত্যই, কম সময়ৰ কাৰণে হলেও অসমীয়া গীত নাচৰ অফুৰন্ত ভাণ্ডাৰ মুকলি কৰি দিছিল। 'ৰামফল বিল খেৰাই আফাৎ'ৰ পৰা বড়োসকলৰ দাও থৈ লওনাই, ছথৌলি, খক্ৰিচিপনাই ইত্যাদি লোক নৃত্য শ্ৰীসতীশ বসুমতাৰীৰ পৰিচালনাত পৰিৱেশন কৰা হৈছিল। দাও থৈ লওনাইৰ অৰ্থ হল চৰাইৰ বৰু পান কৰি নচা নাচ। ( দাও চৰাই, থৈ বৰু, লওনাই পান কৰা ) ১১জনী গাভৰুৱে, তিনি



শাৰী হৈ ( দুই ফালে ৪ জনীকৈ মাজৰ শাৰীত ৩ জনী ) হাতত চৰাইৰ তেজ থকা একোটি বাটি লৈ, চুলি মেলি লয় লাস ভঙ্গীৰে দুটি মাদল, দুটি চিফুং এটি চেৰজা আৰু বিনিৰ তালে তালে ঘূৰি ঘূৰি নাচে। বড়োসকলৰ এই নৃত্য আমাৰ পৰিচিত দেওধাই নৃত্যৰ দৰেই। আৰাধ্য শক্তিৰ উপাসনাৰ পূৰ্ব্বে এই নৃত্য অনুষ্ঠিত হয়। সাধাৰণত বড়োসকলে এই নাচ গধূলিৰ লগে লগে আৰম্ভ কৰি ওৰে নিশা নাচি নাচি কটায়। ৰাতিপুৱাৰ লগে লগে নাচৰো ওৰ পৰে।

বড়োসকলৰ আন এটি মনোৰঞ্জক নৃত্য হ'ল ছথৌলি। এই নৃত্যটোত ১১ জনী নাচনীয়ে বিবিধ বাদ্যযন্ত্ৰৰ সুৰৰ তালে তালে দুই হাতত দুখনকৈ তৰোৱাল লৈ লয় লাসে নাচে। মাদলৰ চেও, চিফুং আৰু চেৰজাৰ সুৰ আৰু বিনিৰ তালত নচা গাভৰুসকলৰ ৰণচণ্ডী ৰূপৰ এই নৃত্যটো দেখি প্ৰাচীন কামৰূপৰ প্ৰতাপী জাতি বড়োসকলৰ পূৰ্ব্বৰ বল-বিক্ৰম আৰু ঐতিহ্যৰ কথা সুঁৱৰিব পাৰি। এই নৃত্যটো তৰোৱাল নৃত্য বা যুদ্ধ নৃত্য বুলিও কব পাৰি।

গৌৰীপুৰ শিল্পীদলৰ পৰা গোৱালপাৰাৰ বিবিধ লোক-নৃত্য যেনে কাৰ্ত্তিক নাচ সমদল নৃত্য, দাৱনী নৃত্য আদি আৰু লোকগীতিসমূহ যেনে,—ভাৱাইয়া গীত, লঘুসঙ্গীত আদি পৰিৱেশন কৰা হৈছিল। নৃত্য আৰু গীতৰাজি পৰিচালনা কৰিছিল গৌৰীপুৰৰ শ্ৰীবদীন অধিকাৰী আৰু শ্ৰীমতী অৰুণা অধিকাৰীয়ে। অসমৰ সংস্কৃতিত গৌৰীপুৰৰ অৱদান মন কৰিবলগীয়া।

অসমৰ আন ঠাইৰ স্বনামধন্য সঙ্গীতজ্ঞ পুৰুষসকলেও গৌৰীপুৰৰ জমিদাৰৰ সহায় সহানুভূতিত আগৰে পৰা উৎসাহ উদ্গনি পাই আহিছে। সঙ্গীত শাখাৰ সভাপতি শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা দেৱৰ ভাষণতো এই কথা উল্লেখ কৰা হৈছে।

গৌৰীপুৰ দলৰ নৃত্য-গীতসমূহ আটাইবোৰেই লোক-গীত বা নৃত্য। উচ্চাঙ্গ সঙ্গীত বা মাৰ্গীয় নৃত্য নাছিল। কিন্তু হলেও এইবোৰৰ এটি স্বকীয় আবেদন থকা যেন লাগিছিল। ইয়াৰ গীতসমূহৰ ভাষাও অসমৰ গোৱাল-পৰীয়া বা ৰাজবংশী উপভাষাৰেই চামিল। সৰ্ব্বজনবোধৰ কাৰণে এটি গীতৰ এফাকি তলত উদ্ধৃত কৰি দিয়া হ'ল।

"ৰালা টি টি পক্ষী কান্দে বালাতে পড়িয়া
মাহুতেৰ ঘৰণী কান্দে
ও মাখি ঘৰেতে বসিয়া কান্দেৰে
ও মোৰ······লাগিয়াৰে।
পুথুৰীতে নাইৰে পানী নৌকা কেমনে চলে
যে নাৰীৰ পুৰুষ নাই
ও সখি ৰূপে কি কাম কৰে সখিও
আকাশেতে নাইৰে চন্দ্ৰ কি কৰে তোৰ তাৰায়
যে নাৰীৰ সোৱামী নাই ও
সখি দিনে অন্ধিয়াৰা সখি ও

এই ধৰণৰ গীতবোৰক গোৱালপাৰাত ভাওৱাইয়া গীত বুলি জনা যায়।

হাতী ধৰাৰ পিচত হাতীক উপলক্ষ কৰি স্বামী-পত্নীৰ অন্তৰৰ বিৰহ-কোমল ভাৱৰাশিকেই এই গীত যোগে দি প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হয়।

এনে এটি গীত প্ৰদৰ্শনত শিল্পীসকলৰ লগতে গোৱাল-পাৰাৰ বিশিষ্ট সঙ্গীতজ্ঞ আৰু অভ্যৰ্থনা সমিতিৰ অন্যতম সহকাৰী সভাপতি শ্ৰীযুত মানগোবিন্দ চক্ৰৱৰ্ত্তী দেৱে নিজে বাদ্যযন্ত্ৰ বজাই সক্ৰিয় অংশ লোৱাত দৰ্শকসকলে বিশেষ আনন্দ লাভ কৰিছিল।

গৌৰীপুৰ দলৰ নৃত্যবোৰ সমবেত সঙ্গীতৰ যোগ ভানাচনীসকলে ৰূপায়িত কৰে।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুতপ্ৰমথনাথ চক্ৰৱৰ্ত্তীয়ে তেখেতৰ ভাষণত কৈছে "ধুবুৰীৰ মধুমালাৰ গান, কুশান গান, মনাই যাত্ৰা, ইয়াৰ লোকগীতি আদি অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ বুলি জনাজাত হব লাগে···।" গৌৰীপুৰৰ শিল্পী দলে এই নৃত্য-গীতসমূহ ভৱিষ্যতে আমাৰ আগত দাঙি ধৰিব পাৰিব বুলি আশা কৰিলো।

গৌৰীপুৰ শিল্পীদলৰ কাৰ্ত্তিক নৃত্য, দাৱনী নৃত্যসমূহেও যোগ্য স্থান আৰু সমাদৰ লাভ কৰিব পাৰিছে বুলিয়েই আমাৰ বিশ্বাস।

গোৱালপাৰা ৰাভা নৃত্যয়ো যথোচিত চৰ্চ্চা আৰু অনুশীলনৰ সুযোগ পালে সুপ্ৰতিষ্ঠিত নৃত্য ৰূপে গৃহীত নহবৰ কোনো কাৰণ নাই বুলি কব পাৰি। ইয়াৰ বাহিৰেও বৰপেটা শঙ্কৰী কলা সজ্মৰ দশাৱতাৰ নৃত্য, খিলং

কলা পৰিষদৰ শ্ৰীযুত জ্ঞানদা কাকতিৰ বনগীত আৰু আধুনিক গীত, কৃষ্ণমূৰ্ত্তি হাজৰিকাৰ ইন্দ্ৰনৃত্য, গুৱাহাটী সাহিত্য সভাৰ পৰা পৰিবেশন কৰা নন্দিতা বৰুৱাৰ ভাৰত নাট্যম আৰু মণিপুৰী নৃত্য, বীতা দত্তৰ চিকাৰী নৃত্য, কল্পনা দাসৰ কথক, কুজীদাহ ( নগাঁও ) শ্ৰীমন্ত শঙ্কৰ চ'ৰা কলা পৰিষদৰ চুটকলা আৰু যামদানি নৃত্য উপাদেয় হৈছিল।

নগাৱঁৰ শঙ্কৰ চ'ৰা কলা পৰিষদৰ চুটকলা আৰু যামদানি নৃত্য দুটি পৰিচালক খগেন বৰাই বহু কষ্ট কৰি বৈষ্ণৱ সত্ৰসমূহৰ পৰা উদ্ধাৰ কৰিছে বুলি জনা গৈছে। চুটকলা আৰু যামদানি দুজনী নাচনীৰ নৃত্য আঙ্গিক অভিনয় কৰা নাচ আৰু খোলতালৰ সংযোগত ৰূপায়িত কৰা হৈছিল। এই ন আবিষ্কৃত নৃত্য দুটিয়ে দৰ্শকসকলৰ পৰা উষ্ণ প্ৰশংসা আৰু সমাদৰো লাভ কৰে। চুটকলাত শ্ৰীকৃষ্ণক পাই গোপীসকল আনন্দত কেনেদৰে আপোন-পাহৰা হৈ পৰিছিল আৰু যামদানিত পুৰুষ-প্ৰকৃতিৰ মিলন সম্ভোগত প্ৰকাশ পোৱা ভাৱধাৰা ব্যক্ত কৰা হৈছিল। এই নৃত্য দুটিৰ মুদ্ৰা আৰু ভাৱৰাশি কপৌ, পাৰ চৰাই আদিৰ পৰাই গ্ৰহণ কৰা হৈছে বুলি জনা যায়।

টিহু পুৰঙ্গী সজ্ঘৰ বহুৱা নৃত্য আৰু ধুবুৰী মইনা পাৰিজাতৰ গোধন নৃত্যও প্ৰশংসনীয়।

সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীযুত পিযুষ দাসে এই বিস্তৃত কাৰ্য্যসূচী ৰচনা কৰি অসমৰ চুকে-কোণে সিঁচৰিত হৈ থকা বিবিধ নৃত্যগীতসমূহ একে ঠাই কৰি অসমীয়া জাতীয় অনুষ্ঠান এটিৰ বিৰাট উৎসৱ এটিত পৰিবেশন কৰা বাবে তেওঁ সকলোৰে ধন্যবাদৰ পাত্ৰ।

## চকুৰ পানীৰে দিলো বিদায়

২৯ ডিচেম্বৰ। সভাৰ আনুষ্ঠানিক কাম বিশেষ নাথাকিলেও সেইদিনা সভাপতি আৰু প্ৰতিনিধিসকলৰ বিদায় উচনৰ দিন আছিল বুলি কব পাৰি। সেইদিনা দুপৰীয়া সভাপতি শ্ৰীযুত শৰ্ম্মা আৰু জনদিয়েক প্ৰতিনিধিয়ে চৌতে থৰ মাৰি পাকিস্থান সীমান্তত থকা ছত্ৰশাল সত্ৰ পৰিদৰ্শন কৰি আহেগৈ। আবেলি প্ৰতিনিধি আৰু দৰ্শক সকলক বিদায় দিবলৈ পুনৰ ধুবুৰী ৰেল ষ্টেশ্যন লোকাৰণ্য হৈ পৰে। স্বেচ্ছাসেৱক, স্বেচ্ছাসেৱিকা আৰু অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াসকলৰ উপৰিও স্থানীয় বিশিষ্ট লোক সকলে অতিথিসকলক বিদায় দিবলৈ ষ্টেশ্যনত উপস্থিত হৈছিল। ৰেল এবাৰ লগে লগে সকলোৰে চকু চলচলীয়া হৈ উঠিছিল—এই বিদায় দৃশ্য ইমান কৰুণ হৈছিল যে তাক ভাষাৰে বৰ্ণাব নোৱাৰি। শাৰী পাতি শৃঙ্খলাবদ্ধ-ভাবে থিয় হৈ থকা স্বেচ্ছাসেৱক বাহিনীয়ে ৰেল নেৰালৈকে অসম সাহিত্য সভাৰ জয়ধ্বনিৰে বতাহত থলকনি তুলিছিল। ৰেলৰ ভিতৰৰ পৰা অতিথিসকলেও অভ্যৰ্থনা সমিতিৰ জয়, ধুবুৰী বাইজৰ জয়, গোৱালপাৰাৰ জয় আদি ধ্বনিৰে তাৰ সমিধান দিছিল।

ভাগি গল বীণাখনি ছিগি গল তাঁৰ
ৰই গল অন্তশেষ অমিয়া জোকাৰ।*


## নতুন কাৰ্য্যপালিকা

শ্ৰীবেণুধৰ শৰ্ম্মা ( সভাপতি ), শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ( উপ সভাপতি ), শ্ৰীপৰাগধৰ চলিহা ( প্ৰধান সম্পাদক ), শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা ( ধনভৰালী ), শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা ( পত্ৰিকা সম্পাদক ), শ্ৰীনিমাইপদ দস্তবৰুৱা, শ্ৰীচাহাবুদ্দিন আহমদ, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীফণী তালুকদাৰ, শ্ৰীমদা মড়ল, শ্ৰীপ্ৰেমধৰ ৰাজখোৱা, শ্ৰীভবানন্দ ৰাজখোৱা, শ্ৰীজগতচন্দ্ৰ শৰ্ম্মা, শ্ৰীবুদ্ধীন্দ্ৰ ৰাজখনিকৰ, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীবিশ্বনাথ ৰাজবংশী, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ দৰপুজাৰী, শ্ৰীমান প্ৰফুল্ল গোস্বামী।

* শ্ৰীযুত ফণী তালুকদাৰ শ্ৰীযুত বীৰেন তালুকদাৰ আৰু শ্ৰীযুত যতীন গোস্বামীৰ পৰা পোৱা সমলৰ সহায় লৈ এই বিৱৰণ যুগুত কৰা হৈছে। এই সম্পৰ্কীয় চিত্ৰ আদি ফটো শ্ৰীযুত দেৱব্ৰত গোস্বামী, শ্ৰীযুত দীনেশ সৰকাৰ আৰু শ্ৰীমান জিতেন্দ্ৰজিৎ মেধিৰ পৰা পোৱা হৈছে। সকলোলৈকে ধন্যবাদ—

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

অসম সাহিত্য সভা



শ্ৰীবেণুধৰ শৰ্ম্মা
কপালী জয়ন্তী অধিবেশনৰ সভাপতি



শ্ৰীৰূপনাথ ব্ৰহ্ম

সভাপতি—বুৰঞ্জী



শ্ৰীলক্ষ্মীনাথ দাস

সভাপতি—বিজ্ঞান



শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা

সভাপতি—সঙ্গীত



শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

প্ৰধান সম্পাদক

















তোৰণসমূহ



শ্ৰীদীনেশৰঞ্জন সৰকাৰ—যুটীয়া সম্পাদক



শ্ৰীপীযূষ দাস—সঙ্গীত সম্পাদক



শ্ৰীকমলেশ্বৰ বৰা—বুৰঞ্জী সম্পাদক



শ্ৰীহেমচন্দ্ৰ গোস্বামী—কোষাধ্যক্ষ



শ্ৰীতাৰাচৰণ মজুমদাৰ—বিত্ত সম্পাদক



শ্ৰীগিৰিবালা দেৱী—সহকাৰী সম্পাদিকা





শ্ৰীহৰেশ্বৰ বৰ্ম্মন—প্ৰচাৰ সম্পাদক



শ্ৰীআই. হোছেন—সমদল পৰিচালক



শ্ৰীদেৱদত্ত গোস্বামী—খাদ্য সম্পাদক
শ্ৰীসুধীৰ চক্ৰৱৰ্ত্তী—বিজ্ঞান সম্পাদক




শ্ৰীউমাপতি শৰ্ম্মা—স্বেচ্ছাসেৱক অধিনায়ক
শ্ৰীসুনীল চক্ৰৱৰ্ত্তী—খাদ্য তত্বাৱধায়ক




শ্ৰীগৌৰীকান্ত ব্ৰহ্ম—সহকাৰী সম্পাদক




শ্ৰীমধুসূদন দাস—সংগঠন সম্পাদক



ৰূপালী জয়ন্তী অধিবেশন, ধুবুৰী



শ্ৰীপ্ৰমথনাথ চক্ৰৱৰ্ত্তী
অভ্যৰ্থনা সমিতিৰ সভাপতি



## ৰূপালী জয়ন্তী অধিবেশন, ধুবুৰী















সভাপতিৰ আদৰণি




শ্ৰীসিদ্ধেশ্বৰ বুঢ়াগোহাঁই
( স্বাস্থ্য সম্পাদক )

শ্ৰীহৰিপ্ৰসাদ গোৰ্খা ৰায়
( প্ৰদৰ্শনী উদ্বোধক )




বিষয়-বাছনি সভা

## ৰূপালী জয়ন্তী অধিবেশন, ধুবুৰী











মূল সভাৰ দৃশ্যাৱলী



নেতাই-ঘাটত
সঙ্গীত-হাট,
সুৰৰ নিজৰা
বাগৰে তাত।











সুৰদি সঙ্গীত-সন্ধিয়া (১)
















সুৰদি সঙ্গীত-সন্ধিয়া (২)



গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ কবি-সন্মিলনী—১২।১।৫৭

কবিসকল—শ্ৰীপদ্মধৰ চলিহা, শ্ৰীৰত্নকান্ত বৰকাকতী, শ্ৰীৰঘুনাথ চৌধাৰী, শ্ৰীঅম্বিকাগিৰী ৰায়চৌধুৰী, শ্ৰীনীলমণি ফুকন, শ্ৰীনলিনীবালা দেৱী, শ্ৰীযতীন্দ্ৰনাথ দুৱৰা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীপ্ৰসন্নলাল চৌধুৰী আৰু শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

লগতে

অনাতাঁৰ কেন্দ্ৰৰ সহকাৰী ডিৰেক্টৰ শ্ৰীহৰিপ্ৰসাদ গোৰ্খা ৰায় ( আগত ) আৰু এটা পাৰিজাত


অসম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ... নং


# অসম সাহিত্য সভা পত্ৰিকা

[ ৰূপালী জয়ন্তী সংখ্যা ]


পঞ্চদশ বছৰ | ১৮৭৮ শক, পুহ-চ'ত | তৃতীয় সংখ্যা


## মহামোহকাব্য বিচাৰ


শ্ৰীযুত তীৰ্থনাথ শৰ্ম্মা


[ ১ ]

অসমীয়া বৈষ্ণৱকাব্যৰ ইতিহাসত মহামোহ-কাব্য সেইকালৰ প্ৰচলিত কাব্য-ঐতিহ্যৰপৰা ফালৰি কটা প্ৰচেষ্টাৰ এটা নিদৰ্শন। এই কাব্যৰ এক অংশ স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীয়ে তেখেতৰ সম্পাদিত আৰু কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত অসমীয়া সাহিত্যৰ চানেকিত তুলি দিছিল। কাব্যৰ বিষয়-বস্তু সম্পৰ্কে তাৰপৰা এটা চমু আভাস পালেও সমগ্ৰ কাব্যখন ছপা নোহোৱা পৰ্য্যন্ত তাৰ বিষয়ে আলোচনা কৰাৰ সুবিধা নাছিল। সম্প্ৰতি কিছুদিন আগত ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ সম্পাদনত লয়াৰ্ছ বুক ষ্টলৰপৰা ইয়াৰ এটা সুন্দৰ সংস্কৰণ প্ৰকাশিত হৈ ওলাইছে। বিশ্ববিদ্যালয়ৰ আই এ মহলাৰ পাঠ্যৰূপে এই গ্ৰন্থৰ পঠন-পাঠন চলিছে। গতিকে এই গ্ৰন্থৰ বিষয়ে কিছু আলোচনা কৰাৰ প্ৰয়োজন হৈছে। সম্পূৰ্ণ পুথিখন সুন্দৰকৈ সজাই-পৰাই ৰাইজৰ আগত দাঙি ধৰাত ডঃ বিৰিঞ্চি বৰুৱা আমাৰ শলাগৰ পাত্ৰ।

চলিত কাব্য-পথৰপৰা আঁতৰি আগফালেদি গতি কৰিলেও মহামোহকাব্যই পিচৰ কবি দুই চাৰিজনক সেইফালে মাতি নিব নোৱাৰিলে। ই এটা সুকীয়া কাব্য-ঐতিহ্যৰ সৃষ্টি কৰিব নোৱাৰাৰ ঘাই কাৰণ বোধ হয় এনে ধৰণৰ কাব্যৰ যোগে ৰস পৰিবেশন কৰিবলৈ যিমান কাব্য-প্ৰতিভা লাগে সিমানখিনি থকা কবিৰ অভাৱ। সংস্কৃত সাহিত্যত কৃষ্ণমিশ্ৰ যতিৰ

প্ৰবোধচন্দ্ৰোদয়ে এটা স্বকীয়া নাট্য-ধাৰাৰ প্ৰবৰ্ত্তন কৰিলে। প্ৰবোধচন্দ্ৰোদয়ৰ লগত ফেৰ মাৰিব নোৱাৰিলেও তাৰ পিচে পিচে যাব পৰা বহুতো নাটক সংস্কৃত সাহিত্যত ৰচিত হৈছিল। প্ৰকৃতপক্ষে কবলৈ গলে শান্তৰসক নাট্যোপযোগী বুলি বঢ়িয়াকৈ প্ৰমাণ কৰি দেখুৱালে প্ৰথম কৃষ্ণমিশ্ৰই। কৃষ্ণমিশ্ৰৰ প্ৰতিভাই পিচৰ নাট্যকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। মহামোহকাব্যৰ কবিৰ প্ৰতিভা আৰু ৰচনা-নৈপুণ্য সিমান ওপৰ খাপৰ নাছিল গতিকে তেওঁৰ পথেদি যাবলৈ পিচৰ কবিসকলক আকৰ্ষণ কৰিব নোৱাৰিলে। তথাপি এটা নতুন কাব্যৰূপ বুলি ইয়াৰ এটা বৈশিষ্ট্য আছে। তাতোকৈ বিশেষ কথা হৈছে ৰূপাখ্যানৰ যোগে প্ৰকট হোৱা ধৰ্ম্মতত্ত্ব। মহামোহকাব্যত অসমীয়া বৈষ্ণৱ-ধৰ্ম্মৰ এটা বিশেষ তত্ত্বৰ ৰূপ দিয়া হৈছে। সেই তত্ত্ব আন জনপ্ৰিয় বৈষ্ণৱ গ্ৰন্থত তেনেভাবে বিবৰি কোৱা হোৱা নাই। গতিকে কাব্যৰূপৰ বৈশিষ্ট্য আৰু তাৰ মাজেদি ৰূপ লোৱা ধৰ্ম্ম-তত্ত্বৰ গূঢ়তাই মহামোহকাব্যক অসমীয়া সাহিত্যত এটা স্বকীয়া গৌৰৱ দান কৰিছে। এই কাৰণেই এই কাব্যৰ বহল আলোচনাৰ প্ৰয়োজন আছে।

মহামোহকাব্যক প্ৰতীক-কাব্য নুবুলি ৰূপাখ্যান-কাব্য বোলাহে উচিত। প্ৰতীকত্ব ( Symbolism ) আৰু ৰূপাখ্যান ( Allegory ) একে বস্তু নহয়। অসমীয়া দেহবিচাৰৰ গীত কিছুমানক প্ৰতীক-কবিতা বুলিব পাৰি। আধুনিক বিদেশী সাহিত্যত প্ৰতীক-কাব্যৰ এটা ধাৰা সমৃদ্ধ হৈ পৰিছে। তাৰে অনুকৰণত আধুনিক ভাৰতীয় সাহিত্যতো নতুন প্ৰতীক-কবিতা ৰচিত হৈছে। অসমীয়া সাহিত্যতো দুই এজন কবিয়ে তেনে চেষ্টা কৰা দেখা গৈছে। ৰহস্যবাদী কবিতাৰ প্ৰতীকেই ঘাই উপকৰণ। এনে প্ৰতীকৰ প্ৰয়োগ বৈদিক সূক্তৰপৰা আৰম্ভ কৰি যুগে যুগে বহুত কাব্যত দেখা যায়। প্ৰতীকৰ কাম হৈছে জনাৰ সহায়তাৰে নজনাৰ অভাস দিয়া। বিবাহৰ প্ৰতীকেৰে আত্মা-পৰমাত্মাৰ মিলনৰ বা সুৰাৰ উল্লেখৰ দ্বাৰা প্ৰেমোন্মত্ততাৰ স্বৰূপ বুজাবলৈ কবিসকলে যেতিয়া চেষ্টা কৰে তেতিয়াই প্ৰতীকৰ আশ্ৰয় লোৱা হয়। প্ৰকৃত কথা, সাধক বা কবিয়ে নিজৰ অন্তৰৰ সূক্ষ্মানুভূতি প্ৰকাশ কৰিবলৈ শব্দশক্তিৰ যেতিয়া আশ্ৰয় লব লগা হয় তেতিয়া এনে শব্দ বাচি উলিয়ায় যিবোৰ শব্দই জনা বস্তুক বুজোৱাৰ উপৰিও সেই শব্দক আশ্ৰয় কৰি মানুহৰ যুগে যুগে সঞ্চিত হৈ থকা অনুভূতি আৰু আবেগবোৰো বহন কৰি আনে। শব্দৰ এইটো এটা বিশেষ শক্তি। কিন্তু সকলো সময়তে সেই শক্তিটোৰ প্ৰতি দৈনিক কথা-বতৰাত আমি সজাগ নাথাকিলেও কবিৰ প্ৰয়োগ-নৈপুণ্যৰ দ্বাৰা শব্দৰ ব্যঞ্জনা-শক্তিটোহে বেছি প্ৰবল হৈ উঠে। 'বিবাহ' শব্দটোৱে স্থূল অৰ্থত এজোৰা নাৰী-পুৰুষে একেলগে সংসাৰ কৰিবলৈ ঠিক কৰাকে বুজায়, কিন্তু আৰু গভীৰ অৰ্থত দেহ আৰু মনৰ আত্যন্তিক মিলনৰ সূচনা দিয়ে। সাধক-কবিয়ে যেতিয়া আৰাধ্যজনৰ পূৰ্ণ সান্নিধ্যৰ আনন্দ উপলব্ধি কৰে তেতিয়া সেই মিলনৰ কথা বুজিবলৈ উপযুক্ত শব্দ নাপাই এই বিবাহ শব্দৰ আশ্ৰয় লয়। সেইদৰে 'আহুতি' বুলিলে দেৱতাৰ উদ্দেশে নিবেদন কৰা দ্ৰব্যক বুজায়। কিন্তু দেৱতাৰ উদ্দেশে দিয়া ঘিউ তিল আদি দ্ৰব্যৰ উপৰিও এই শব্দক বেৰি লৈ আৰু বহুতো ভাবে আশ্ৰয় কৰিছে। ত্যাগ, পবিত্ৰতা, যজ্ঞৰ আবেষ্টনী এই সকলোবোৰ আহুতি শব্দৰ লগত ওতঃপ্ৰোতভাবে জড়িত। মুঠ কথাত, এনেকুৱা কিছুমান



শব্দৰ একোটা স্বীয় পৰিবেশ আছে। এই পৰিবেশটোৱে একোটা শব্দক আশ্ৰয় কৰি একোখন মহাভাৰত ৰচি থয়। কবিয়ে এই মহাভাৰতখনৰ তাৎপৰ্য্যলৈ লক্ষ্য ৰাখি সেই শব্দৰ প্ৰয়োগ কৰে। প্ৰতীক-কাব্যৰ ৰস পাবলৈ সেই কাৰণে শব্দবোৰৰ ভিতৰপকীয়া অৰ্থৰ লগত পৰিচয় থকাৰ উপৰিও পাঠকৰ ভাবয়িত্ৰী প্ৰতিভাৰ প্ৰয়োজন হয়। ৰূপাখ্যান কিন্তু এনে শব্দশক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। প্ৰতীক-কাব্যত কবিয়ে আনভাবে নিজৰ মনৰ কথা কব নোৱাৰিহে প্ৰতীকৰ আশ্ৰয় লয়। ৰূপাখ্যানৰ কবিয়ে তেওঁ কব খোজা কথা আনভাবে ইচ্ছা কৰিলেও কব পাৰে। সম্ভৱতঃ আৰু মুকলিকৈহে কব পাৰে; তথাপি ৰূপাখ্যানৰ সহায়তাৰে সূক্ষ্ম-কথাক কিছু স্থূলভাবে কবলৈ চেষ্টা কৰে। প্ৰতীক-কাব্যৰ দৰে ই শব্দশক্তিৰ আশ্ৰয় নলয়, কিন্তু সূক্ষ্ম আৰু তত্ত্বমূলক কথাবোৰক একোটা জীৱন্ত ৰূপ দি দাঙি ধৰিব খোজে।(১) সেই ফালৰপৰা চালে পঞ্চতন্ত্ৰ বা ইছপৰ সাধুকথাকে কোনো কোনো ক্ষেত্ৰত ৰূপাখ্যান বুলিব পাৰি।

মহামোহকাব্যত মানুহৰ মনৰ মুমুক্ষুপ্ৰকৃতি আৰু তাৰ পৰিপন্থী অসৎ বৃত্তিবোৰৰ মাজত হৈ

(১) Symbolism in Poetry (1898) নামৰ প্ৰবন্ধত কবি ইট্‌ছে এজন বিশিষ্ট জাৰ্ম্মান প্ৰতীকবাদীৰ কথা তুলি দিছে। তাত Symbolism আৰু Allegoryৰ মাজৰ পাৰ্থক্যৰ বিষয়ে এইদৰে কৈছে :—

"Symbolism said things which could not be said so perfectly in any other way and needed but a right instinct for its understanding; while allegory said things which could he said as well, or better, in another way, and needed a right knowledge for its understanding."

থকা অন্তৰ্দ্বন্দ্ব আৰু তাৰ কল্যাণময় পৰিসমাপ্তি কিভাবে হব পাৰে তাৰে এটা ব্যাখ্যা বৈষ্ণৱ সাধনাৰ ফালৰপৰা দেখুওৱা হৈছে। ইয়াত অন্তৰৰ সৎ আৰু অসৎ প্ৰবৃত্তিবোৰক একোটা তেজ-মঙহৰ শৰীৰধাৰী পুৰুষ স্বৰূপে কল্পনা কৰি অন্তৰ্দ্বন্দ্বক যুদ্ধৰূপে দেখুৱাই কাব্য-বস্তুৰ সংঘটন কৰা হৈছে। গতিকে ইয়াক প্ৰতীক কাব্য বুলিব নোৱাৰি, কাৰণ ই প্ৰতীকৰ উপকৰণ লৈ ভাব প্ৰকাশ কৰা নাই, কিন্তু তত্ত্ববোৰক মনুষ্য ৰূপ দি সূক্ষ্মক স্থূল কৰিছে। মহামোহকাব্যক সেইদেখি ৰূপাখ্যান-কাব্য বোলাহে উচিত।

অসমীয়া সাহিত্যত নতুন বস্তু হলেও এই কাব্য ভাৰতীয় কাব্য-সাহিত্যৰ স্বকীয়া ধাৰা এটাৰ প্ৰবাহ মাথোন। এঠাইত কবিয়ে নিজেই স্বীকাৰ কৰিছে যে "বাৰাণসী হন্তে আইলা ইটো শাস্ত্ৰ।" কবিয়ে কিন্তু শাস্ত্ৰখনৰ নাম কোৱা নাই। কাৰণ এনে ধৰণৰ সংস্কৃত গ্ৰন্থ বহুত ৰচিত হৈছিল। সেইবিলাকৰ বস্তু-উপস্থাপনৰ প্ৰণালী একে। চৰিত্ৰবিলাকৰ নামো প্ৰায়ে একে। আনকি গ্ৰন্থবোৰৰ নামবো অত্যন্ত সাদৃশ্য আছে, যদিও ভিতৰৰ প্ৰতিপাদ্য ধৰ্ম্ম আৰু দৰ্শনৰ তত্ত্ব লৈ ভেদ আছে। সেই গ্ৰন্থবোৰৰ ভিতৰত এইবিলাকৰ নাম কব পাৰি—প্ৰবোধচন্দ্ৰোদয়, সঙ্কল্পসূৰ্য্যোদয়, চৈতন্যচন্দ্ৰোদয়, বিবেকবিজয়, মোহৰাজপৰাজয়, পূৰ্ণপুৰুষাৰ্থচন্দ্ৰোদয় ইত্যাদি।(২) বৰ্ত্তমান কাব্যৰ আধাৰ-গ্ৰন্থ মহামোহ নামৰ অঙ্কীয়া নাট। আৰু সেই মহামোহ নাটৰ আধাৰ-গ্ৰন্থ আছিল বাৰাণসীৰপৰা অহা শাস্ত্ৰ। এই কথা কবিয়ে নিজেই কৈছে ( পৃঃ ৫০ )। কাশীৰপৰা অহা

(২) মাদ্ৰাছ বিশ্ববিদ্যালয়ৰ ডঃ ৰাঘৱনৰ "The Number of Rasas' নামৰ গ্ৰন্থত শান্ত ৰসৰ আলোচনা প্ৰসঙ্গত এনে গ্ৰন্থ ৩৮ খনৰ নাম দিছে ( পৃঃ ৩৬—৪১ )।

গ্ৰন্থখনৰ নামো মহামোহ নাটকেই আছিল নে নাই কবিয়ে এই বিষয়ে একো কোৱা নাই। বৰ্ত্তমান ছপা হোৱা মহামোহকাব্যৰ বিদ্বান সম্পাদকে ইয়াৰ মূল প্ৰবোধচন্দ্ৰোদয় নাটক বুলি ঠাৱৰ কৰিছে। গ্ৰন্থৰ নাম-পত্ৰত গ্ৰন্থৰ বৰ্ণনাৰূপে লিখিছে—“A metrical rendering in the Assamese of Krishna Misra’s Prabodha Chandrodaya···”। ওপৰে ওপৰে চালে প্ৰবোধচন্দ্ৰোদয় নাটকেই মূল গ্ৰন্থ যেন লাগিলেও এই সিদ্ধান্ত ঘপৰাই মানি লবলৈ টান। তাৰ কেইবাটাও কাৰণ আছে :

(ক) দুই গ্ৰন্থৰ চৰিত্ৰ কেইটামানৰ নাম একে হলেও প্ৰবোধচন্দ্ৰোদয়ত থকা প্ৰধান চৰিত্ৰ পুৰুষ, বিষ্ণুভক্তি আদি কেইবাটাও চৰিত্ৰৰ বাহিৰেও আৰু বহুত চৰিত্ৰ মহামোহকাব্যত নাই।

(খ) উপস্থাপিত বস্তু আৰু ঘটনা-পৰম্পৰা সম্পৰ্কেও দুয়োখনৰ যথেষ্ট প্ৰভেদ আছে।

(গ) প্ৰতিপাদ্য তত্ত্ব আৰু দাৰ্শনিক ভিত্তিও দুয়োখন গ্ৰন্থৰ বেলেগ বেলেগ। এই বিষয়ে সম্প্ৰতি বহল আলোচনাত নানামি ইয়াকে কৈ থব পাৰি যে প্ৰবোধচন্দ্ৰোদয়ত বিবেক আৰু মহা-মোহ মনৰ দুটা বৃত্তি। আত্মাক ইয়াত পুৰুষ-ৰূপে উলিয়াইছে। কাম-ক্ৰোধাদিক জয় কৰি বিবেকৰ উপনিষৎ অনুশীলন কৰাৰ পিচত অপৰোক্ষ-জ্ঞানাত্মিকা অন্তঃকৰণবৃত্তি উৎপন্ন হয় ; ইয়াকে বিদ্যা বোলে। তাৰ লগে লগে প্ৰবোধ অৰ্থাৎ বিষ্ণুজ্ঞান জন্মে। বিষ্ণুজ্ঞান জন্মিলেই পুৰুষ “সোঽহংগ্ৰহ হৈ” কৃতকৃত্য হয় আৰু ব্ৰহ্মৰূপ স্থিতি লাভ কৰে। এই উপলব্ধিৰ পথত বিষ্ণু-ভক্তি পৰম সাধিকা।(৩) মহামোহকাব্যৰ মতেৰে বিবেক শুদ্ধজীৱৰপৰা হোৱা আৰু মহামোহ মনৰপৰা হোৱা। বিবেকৰ ধৰ্ম্ম সৎসঙ্গ আৰু হৰি-ভক্তি, মনৰ ধৰ্ম্ম দুঃসঙ্গ আৰু কাম-ক্ৰোধাদি। সৎসঙ্গ আৰু হৰিভক্তিৰ দ্বাৰা বিবেকে দুঃসঙ্গ আৰু কাম-ক্ৰোধাদিৰ মূল মহামোহক পৰাজয় কৰি বশ কৰে। শেহত মন আৰু জীৱ এক হৈ পৰমাত্মাৰ সান্নিধ্য লাভ কৰে (৪) প্ৰবোধচন্দ্ৰো-দয়ৰ মতে বিবেক আৰু মহামোহ মনৰে দুই প্ৰবৃত্তি। মহামোহকাব্যৰ মতে বিবেক শুদ্ধজীৱ মহামোহ হল মন। মহামোহ ক্ষৰৰ অধিকাৰী, বিবেক অক্ষৰৰ আৰু কৃষ্ণ পৰমাত্মাৰূপে সবাৰো ওপৰত।

‘ক্ষৰ পদে দেহা ইটো অহঙ্কাৰে ভৈলা
অক্ষৰ শবদে জীৱ-ব্ৰহ্ম বুলি থৈলা।

(৩) ষষ্ঠ অঙ্কত উপসংহাৰত পুৰুষৰ বচন চাওক—

মোহান্ধকাৰমবধূয় বিকল্পনিদ্ৰাম্
উন্মথ্য কোঽপ্যজনি বোধতুষাৰৰশ্মিঃ
শ্ৰদ্ধাবিবেকমতিশান্তিযমাদিকেন
বিশ্বাত্মকঃ স্ফুৰতি বিষ্ণুৰহং স এবঃ ॥

প্ৰবোধচন্দ্ৰোদয়—৬।৩০

তাতে আকৌ চাওক—

বিষ্ণুভক্তিঃ—(সহৰ্ষমুপসৃত্য) চিৰেণ খল্বস্মাকং সম্পন্নাঃ সৰ্ৱে মনোৰথাঃ। যেন প্ৰশান্তাৰাতিং ভৱন্তমৱলোকয়ামি।

পুৰুষঃ—দেব্যাঃ বিষ্ণুভক্তেঃ প্ৰসাদাৎ কিং নাম দুষ্কৰম্।

(৪) চাওক—মঃ মোঃ কাব্য, পৃঃ ১০৭

শুদ্ধ জীৱ নিগদতি শুনা মন মহামতি
হৰি ভকতৰ যেন বল।
সৎসঙ্গৰ দুঃসঙ্গৰ তুমি আমি মুলভূত
তাক পুছে কহিব সকল ॥
• • • •
পাপৰ সঙ্গতি যত মহামোহ আদি কৰি
দিলে সঙ্গ সবে সমদল।
ধৰ্ম্মৰ সঙ্গতি ভক্ত বিবেকে জিনিলে তাক
দেখা কেনে ভকতিৰ বল ॥



কিন্তু—

ক্ষৰ যে অক্ষৰ দুয়ো বিচাৰত সম।’
দুই হান্তে কৰিয়া পৰমাত্মাসে উত্তম ॥—পৃঃ ৮৮-৮৯

মন কাম-ক্ৰোধাদিৰ পৰিহাৰৰ দ্বাৰা শুদ্ধ হৈ জীৱাত্মাৰ লগত মিলি যায় আৰু এই অৱস্থাত পৰমাত্মাৰ সঙ্গ লাভ হয়।

‘মনে জীৱে একে ভৈলা সৎসঙ্গ নগৰে বৈলা
ভৈলা পৰমাত্মাৰ সঙ্গতি।’ (পৃঃ ১০৯)

পৰমাত্মাৰ সঙ্গ লাভ কৰাই মহামোহকাব্যৰ ধ্যেয়। প্ৰবোধচন্দ্ৰোদয়ৰ উদ্দেশ্য ব্ৰহ্ম আৰু আত্মাৰ ঐক্যানুভূতিৰূপ অদ্বৈতসিদ্ধান্ত, কিন্তু মহামোহকাব্যৰ উদ্দেশ্য পুৰুষ ( জীৱ ) প্ৰকৃতিৰ ( মনদেহ ) মিলনত হৰিভক্তিৰূপ সিদ্ধি—সাংখ্যানুকূলসিদ্ধান্ত। গতিকে দুয়ো তত্ত্ব আৰু সিদ্ধান্তৰ মাজত এটা গভীৰ ব্যৱধান আছে।

এতেকে কেৱল কেইটামান চৰিত্ৰৰ নামৰ ঐক্যৰ ওপৰতে হয়ভৰ দি মূল গ্ৰন্থ কি ঠাৱৰাব লগা হলে প্ৰবোধচন্দ্ৰোদয় কিয় ‘সংকল্পসূৰ্য্যোদয়’ বা ‘চৈতন্যচন্দ্ৰোদয়’ আদিলৈকো আঙুলিয়াব পাৰি। প্ৰকৃত কথা, শ্ৰীৰামানন্দই অঙ্কীয়া নাটৰ ৰূপ দিওঁতে বৰ্ত্তমান কাব্যৰ সিদ্ধান্তানুকূল কোনো বৈষ্ণৱ নাট থাকিবও পাৰে। অথবা এনেও হব পাৰে, প্ৰবোধচন্দ্ৰোদয়কে আৰ্হি স্বৰূপে ৰাখি শ্ৰীৰামানন্দই নিজৰ সিদ্ধান্তৰ লগত খাপ খোৱাকৈ ‘মহামোহ’ নামেৰে এখন মৌলিক নাটকেই লিখিছিল। সেই নাটৰ কাব্যৰূপ বৰ্ত্তমান মহামোহকাব্য। গতিকে মহামোহকাব্যক প্ৰবোধচন্দ্ৰোদয়ৰ পদ-ভাঙনি আখ্যা দিয়া সমূলি যুক্তিসঙ্গত নহব ; কিন্তু প্ৰবোধচন্দ্ৰোদয়ৰ নাটকীয় আৰ্হিত এখন স্বতন্ত্ৰ অসমীয়া অঙ্কীয়া নাট শ্ৰীৰামানন্দই লিখিছিল, এনে সিদ্ধান্ত কৰাহে যুগুত হব।

মহামোহকাব্যৰ গ্ৰন্থকাৰ সম্বন্ধেও অলপ আলোচ্য আছে। এই কাব্যৰ ৰচক দ্বিজ ৰামানন্দ বুলি ধৰা হৈছে। ভণিতাত ৰামানন্দ নাম পাওঁ কিন্তু গ্ৰন্থৰ ক’তো কবিয়ে নিজকে দ্বিজ বোলা নাই অথবা “দ্বিজ ৰামানন্দ” বুলি ভণিতা পেলোৱাও নাই। আন পুৰণি পুথিতো এনে সঙ্কেত পোৱা নাই যাৰ ওপৰত নিৰ্ভৰ কৰি মহামোহকাব্যৰ লিখকক দ্বিজ বুলি ঠাৱৰাব পাৰি। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীয়ে কি প্ৰমাণৰ বলত মহামোহকাৱক দ্বিজ বুলি গৈছে নাজানো। মূল হাতে-লিখা পুথিতো ক’তো দ্বিজ বুলি উল্লেখ নিশ্চয় নাই, থাকিলে ছপাপুথিত বাদ পৰিব কেনেকৈ ? ছপা-পুথিৰ পাতনিতো ৰামানন্দক দ্বিজ বুলি ধৰি লোৱা হৈছে, কিন্তু এই বিষয়ে কোনো আলোচনা কৰা হোৱা নাই।

আলোচ্য কাব্যত আমি দুজন ৰামানন্দৰ নাম পাওঁ। এজন মহামোহকাব্যৰ আধাৰ মহামোহ অঙ্কীয়া নাটৰ ৰচয়িতা শ্ৰীৰামানন্দ আৰু আনজন সেই অঙ্কীয়া নাটৰ অভিনয় চাই তাৰ কথাবস্তুখিনি লৈ কাব্যৰূপ দিওঁতা “পুত্ৰ ৰামানন্দ”

‘ভণে পুত্ৰ ৰামানন্দ, তযু পদ মকৰন্দ
ৰসে ৰতি মন হোক পূৰ ( পৃঃ ১০৩ )

কেৱল “ভণে ৰামানন্দ ডাকি বোলা ৰাম ৰাম।” বুলিও ভণিতা এটা আছে ( পৃঃ ৬৮ )। শ্ৰীৰামানন্দ বুলি যিজন মহামোহ অঙ্কীয়া নাটৰ ৰচয়িতাৰ কথাৰ উল্লেখ আছে তেওঁ আলোচ্য কাব্যৰ ৰচক নহয়, এই কথা নিশ্চয়কৈ কব পাৰি ; কাৰণ তেওঁ নিজেই এই বিষয়ে স্পষ্ট ইঙ্গিত দিছে। তেওঁ লিখিছে—

“বাৰাণসীৰপৰা এই শাস্ত্ৰ আহিল, তাক আনে পোৱা নাছিল। শ্ৰীৰামানন্দই জগতৰ উদ্ধাৰৰ মনেৰে

ইয়াক প্ৰকাশ কৰিলে আৰু নাট কৰিবলৈ কথা গীত শ্লোক ভটিমা পয়াৰ আদি গ্ৰন্থি দি মহামোহ নাম দি নাট লিখিলে। সত্ৰত এবাৰ ভাওনা হৈছিল (কোন সত্ৰ সবিশেষ উল্লেখ নাই) কিন্তু তাৰ পাছৰপৰা বহুত দিনলৈ এই নাটৰ ভাওনা কৰোঁতা নোলাল। কিছুদিন পাছত যেতিয়া আউনীআটী সত্ৰত নিৰঞ্জনদেৱ অধিকাৰ হ'ল তেতিয়া কামৰূপৰ কাকতিৰ মন্দিৰত ইয়াৰ ভাওনা কৰিলে। (এইখিনিতে সেই ভাওনাৰ অংশ লওঁতা-সকলৰ নাম দিছে) অমৃতৰ ভাও এই মহামোহ নাটৰ কথা গীত আদি শুনি বৃদ্ধসৱে বৰকৈ প্ৰশংসা কৰিছিল। সেই প্ৰেমৰসতে মোৰো ৰতি উপজিল; সেইদেখি ভক্ত বৈষ্ণৱৰ অনুমতি লৈ নিজেই গাবলৈ মন কৰিছোঁ। ইয়াৰ পূৰা অৰ্থ নুবুজি কথাৰ আশয় নাজানি আগ পাচ কৰিও দিলোঁ। এই দোষৰ ক্ষমা বিচাৰিছোঁ।" (৫)

ওপৰত দিয়া উদ্ধৃতিৰপৰা দৃঢ় প্ৰমাণ পোৱা যায় যে শ্ৰীৰামানন্দ আৰু বৰ্ত্তমান কাব্যৰ লিখক ৰামানন্দ বেলেগ ব্যক্তি। পোনৰ জন ৰামানন্দৰ আগৰ 'শ্ৰী'টো সম্মানাৰ্থক নে নাই ঘাই নামৰে অংশ এই কথা বুজা নাযায়। তথাপি কথাৰ ধৰণলৈ চাই সম্মানাৰ্থক যেনেই লাগে। (৬)

এতিয়া কথা হ'ল মহামোহকাব্যৰ ৰচয়িতা 'পুত্ৰ ৰামানন্দ' কোন আৰু তেওঁ কাৰেই বা পুত্ৰ? এই কথাৰ সম্ভেদ কৰিয়ে আমাক দিয়া নাই। তথাপি দুই ৰামানন্দৰ বেমেজালি ভাঙিবলৈকে যে নিজৰ নামটোৰ আগত পুত্ৰ শব্দটো বিশেষণৰূপে জুৰিব লগা হৈছে, এনে অনুমান কৰিব পাৰি। ইয়াতোকৈ পুত্ৰৰূপ বিশেষণৰ আৰু কিবা তাৎপৰ্য্য আছে নেকি? এই কথা আলোচনা কৰাৰ আগতে গ্ৰন্থৰ কাল সম্বন্ধে আলোচনা কৰিব লাগিব।

স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীদেৱে পুথিৰ শেহত উল্লেখ থকা শকাব্দকে সাৰোগত কৰি সেই শক গ্ৰন্থকাৰৰ নে লিপিকাৰৰ তাক বিচাৰ নকৰি 'Appears to have been written not later than 1766 Saka or 1844 A. D.' বুলি থোৱতে সামৰি থৈছে। কিন্তু শক যে গ্ৰন্থকাৰৰ হব নোৱাৰে তাৰ প্ৰমাণ গ্ৰন্থকাৰৰ নিজৰ বিৱৰণৰপৰাই পোৱা যায়। আউনীআটীৰ প্ৰথম অধিকাৰ নিৰঞ্জনদেৱ। আউনীআটী সত্ৰ স্থাপিত হয় ১৫৭৮ শক বা ইং ১৬৫৬ চনত—কোনো কোনোৰ মতে ১৫৭৬ শক ১৬৫৪ চনত। তাৰ পিচত কামৰূপৰ কাকতিৰ নামঘৰত আউনীআটী সত্ৰৰ ভকতসকলে কৰা ভাওনা আমাৰ গ্ৰন্থকাৰে দেখে। গতিকে খৃঃ সপ্তদশ শতিকাৰ দ্বিতীয় ভাগত আমাৰ গ্ৰন্থকাৰ জীৱিত আছিল। এই বিষয়ে কোনো দ্বিধা থকাৰ কথা নাছিল কিন্তু কথাৰ আউল লাগিল গ্ৰন্থৰ পৰিসমাপ্তিত আউনীআটী সত্ৰৰ অধিকাৰ প্ৰভুসকলৰ ক্ৰমান্বয়ে নামোল্লেখ কৰি দত্তদেৱ প্ৰভুত শেষ কৰা পদকিটাৰপৰা। ওপৰত উল্লিখিত ১৭৬৬ শক বা ১৮৪৪ চন দত্তদেৱ অধিকাৰ প্ৰভুৰ সময়, গতিকে পুথি-ৰচনাৰ কালো সেইটোৱেই বুলি ভুল হোৱা স্বাভাৱিক। পিচে, আউনীআটী সত্ৰৰ অধিকাৰসকলৰ নামোল্লেখ থকা শেহৰ পদ কেইফাকি ফঁহিয়াই চালে এই ভুল হব নালাগে। এই পদ কেইফাকিৰ শেহত ভণিতা আছে—"কহে ৰামদাস, সাধুত বিশ্বাস, মুখে বোলা ৰাম ৰাম।" ইয়াত ৰামদাস এটা নাম বুলি নধৰি ৰামৰ দাস এই অৰ্থ গ্ৰহণ কৰাৰ কোনো কাৰণ নাই। 'ৰামদাসে

(৫) মঃ মোঃ কাব্য—পৃষ্ঠা ৫০—৫২ চাওক।

(৬) ৰাৰাণসী হন্তে আইলা ইটো শাস্ত্ৰ
নাপাইলন্ত একো জনে।
শ্ৰীৰামানন্দে প্ৰকাশিলা আৰু
জগত উদ্ধাৰ মনে॥

এই কথা কেইটা যে ভক্তিশ্ৰদ্ধাপ্লুত তাত সন্দেহ নাই।



কয় সাধুত বিশ্বাস ৰাখি মুখেৰে ৰাম ৰাম বোলা'—এইটোৱেই সুগম আৰু পোন অৰ্থ। ৰামদাসৰ গুৰু নমস্কাৰখিনি যে পিচত জোৰা দিয়া তাৰ প্ৰমাণ আৰু এটা আছে। কৃষ্ণাৰ্পণ কৰি অপৰাধ-মৰ্ষণ প্ৰাৰ্থনা কৰাৰ পিচতে স্বভাৱতে গ্ৰন্থ-সমাপ্তি ঘটে। আনকি নাম-প্ৰসঙ্গ শেষ হলেও "অপৰাধ ক্ষমা কৰি, তুমি দয়াশীল হবি, ভৃত্যক ৰক্ষা কৰিয়ো সদায়" বুলি অপৰাধ-মাৰ্জ্জন কৰাৰ পিচত আৰু একো নাথাকে। বৰ্ত্তমান কাব্য প্ৰকৃততে তলত দিয়া পদ দুফাকিৰ লগতে শেষ হোৱা যেন লাগে।

'ইটো অপৰাধ মোৰ মিলৈ অহঙ্কাৰ ঘোৰ
নাজানি সমুদ্ৰে দিলোঁ ঝাম্প।
এহি দোষ ক্ষমা কৰি উদ্ধাৰিয়ো দেৱ হৰি
তযু পাৱে সমৰ্পিলো বাপ॥
মই মহা বুদ্ধি হত নাজানো ইহাৰ তত্ব
কোন অৰ্থ কিমতে আছয়।
আপোন কুশল অৰ্থে তথাপি ৰচিয়া চাইলোঁ।
সৰ্ব্বদোষ ক্ষমা কৃপাময়॥'

ইয়াৰ পিচতো আকৌ দামোদৰীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰুপৰম্পৰাৰ উল্লেখ কৰি আউনীআটীয়া সত্ৰাধিকাৰসকলৰ প্ৰতি সেৱা জনোৱাটো থাপ নোখোৱা যেন লাগে। তাৰ উপৰি, পিচৰ পদ কেইটাৰ ৰচনাভঙ্গীতো আপেক্ষিক আধুনিকতাৰ গোন্ধ আছে। "নিজ ভৃত্য বুলি, অধম জীৱটি, তাৰিয়া যশস্যা থোঞা" অথবা "স্বভাৱে প্ৰসন্ন হোঞা" আদি বাক্যৰ নিৰ্দ্দিষ্টবোধক স্নেহাৰ্থক 'টি' অথবা অকাৰান্ত বা আকাৰান্ত ধাতুৰ অনুজ্ঞাৰ ৰূপ 'হোঞা' 'থোঞা' আদি আধুনিক ৰূপ প্ৰকৃত গ্ৰন্থদেহত পোৱা নাযায়। পুৰণি অসমীয়া 'টো' আৰু 'টি'ৰ ঠাইত গোট বা গুটি শব্দৰ প্ৰয়োগ দেখা যায়; যেনে—গদাগোট, পুত্ৰগুটি ইত্যাদি। মহামোহকাব্যতে আন এঠাইত আছে—"ইসে নষ্ট হই জীৱগুটি স্থিৰভৱ" (পৃঃ ৬৫)। অকাৰান্ত বা আকাৰান্ত ধাতুৰ অনুজ্ঞাত 'থৈয়ো' 'যায়ো' আদিহে পুৰণি ৰূপ, যেনে—"ঘুমটি যায়োৰে আৰে কানাই"। এইবোৰ কাৰণতে দত্তদেৱ প্ৰভুৰ উল্লেখ, পিচৰ জোৰা দিয়া কথা আৰু শেহৰ শকটো লিপিকাৰৰ গ্ৰন্থ লিখি আঁতোৱাৰ তাৰিখ বুলি ধৰি লোৱা যুক্তিসঙ্গত বুলি ভাবিছোঁ আৰু মহামোহৰ প্ৰকৃত গ্ৰন্থকাৰ খৃঃ সপ্তদশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ কবি বুলি ঠাৱৰ কৰিছোঁ। লিপিকাৰ সম্ভৱতঃ আউনীআটী সত্ৰৰ ভকত আছিল।

এতিয়া আমি সপ্তদশ শতিকাৰ শেষাৰ্দ্ধত থকা যি কেইজন ৰামানন্দ পাওঁ তাৰ ভিতৰত বংশীগোপালৰ চৰিতকাৰ ৰামানন্দ কিছুকাল আগৰ। শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দ আৰু বৰযত্নমণিৰপৰা আজ্ঞা পোৱা আন এজন ৰামানন্দৰ নামো সত্ৰৰ বংশাৱলীত পোৱা যায়। আন এজন ৰামানন্দ আছিল ভৱানীপুৰীয়া গোপাল আতাৰ পৰিনাতি (৭)। বংশীগোপালৰ চৰিতকাৰ অলপ আগৰ হলেও কেউজন ৰামানন্দ আমাৰ আলোচিত কালছোৱাত পৰিব পাৰে। গোপাল আতাৰ পৰিনাতি সম্বন্ধে এই কথা সাহসেৰে কব নোৱাৰি।

মহামোহকাব্যৰ ৰামানন্দ বৰযত্নমণিৰ শিষ্য আছিল—এনে সঙ্কেত পুথিৰ কেইবা ঠাইতো পোৱা যায়। মহামোহকাব্যৰ ধৰ্ম্মতত্বত গোপাল আতাৰ প্ৰৱৰ্ত্তিত কালসংহতিৰ তত্বৰ পূৰ্ণ পৰিচয়

(৭) গোপাল দেৱৰ পৰিনাতি একজন
ৰামানন্দ ঠাকুৰ পৰম বিতোপন।

শ্ৰীতীৰ্থনাথ গোস্বামী সম্পাদিত শ্ৰীশ্ৰীগোপালদেৱ চৰিত্ৰ (পৃঃ—৩১২)

পোৱা যায়। এই বিষয়ে পিচত সবিশেষ আলোচনা কৰিম। এই পন্থমতে সাধনাৰ প্ৰথম ধাপত গুৰুকে সাকাৰ পৰমাত্মাৰূপে গ্ৰহণ কৰা হয়। গোপাল আতাৰ চৰিত্ৰত গোপালে বৰযদুমণিক এই বুলি উপদেশ দিছে—

'অমূৰ্ত্তক জ্ঞানমূৰ্ত্তি হোৱে মায়াময়।
মূৰ্ত্তিত ভজিলে জ্ঞান বিজ্ঞান ঘটয় ॥
সাকাৰত হন্তে নিৰাকাৰক চিনয়।
সাকাৰ গুচিয়া নিৰাকাৰ বোধ হয় ॥
পৰিপূৰ্ণৰূপে হৃদয়ত প্ৰকাশয়।
এতেকেসে হৰিগুৰু ভিন্ন নক হয় ॥' (৮)

এই পন্থৰে 'সন্তসাৰ' নামৰ আন এখন পুথি আছে। ইয়াৰ ৰচকো ৰামানন্দ। এই পুথি বহুত দিন আগতে লখিমপুৰ জিলাৰ জয়পুৰৰপৰা প্ৰকাশিত হৈছিল। তাত গুৰু-শিষ্যৰ তত্ত্ব এইদৰে আছে—

'গুৰুক ঈশ্বৰ বুলি কহিলো তোমাত।
হৃদয়ৰ আত্মা যেন মানিবা মনত ॥'
সন্তসাৰ—পদ ১০৮

আলোচ্য গ্ৰন্থতো গুৰু-শিষ্যৰ সম্বন্ধ একেৰূপে প্ৰতিপন্ন কৰিছে—

'এহিমতে শিষ্যে গুৰুৰ মৰ্য্যাদা ৰাখন্ত।
আপুনি আপোন হুয়া আপুনি জানন্ত ॥
গুৰু-শিষ্য ধৰ্ম্মসাৰ যিজনে জানন্ত।
যান্ত পৰে সংসাৰত নাহি ভাগ্যৱন্ত ॥'
মঃ মোঃ কা—( পৃঃ ৩ )

আৰু আন এঠাইত আছে—

বেদপাল গোপালত ভকতি মাগিয়া।
যদুমণি পাৱে ৰতি পীৰিতি লাগিয়া ॥
অভেদ সনেহা ইটো গাৱত চড়াই
দুঃসঙ্গৰ সেনা মানে ভয়তে পলায়।
( পৃঃ—৬৭ )

গ্ৰন্থকাৰে গোপাল আতাৰ সম্প্ৰদায়ৰ কথাও কেইবা ঠাইতো উল্লেখ কৰিছে আৰু বৰযদুমণিৰ পাৱত নিজৰ ৰতিৰ কথা ভক্তিৰে প্ৰকাশ কৰিছে। বৈষ্ণৱ ধৰ্ম্মৰ সম্প্ৰদায় উল্লেখতো গোপাল আৰু যদুমণিক বিশেষ প্ৰাধান্য দিছে। তলত প্ৰয়োজনীয় অংশ তুলি দিয়া গল। প্ৰথমতে শ্ৰীনাৰায়ণ-ব্ৰহ্মা-নাৰদ-ব্যাস-সূত-শৌনক এই অনুক্ৰমে পৰম্পৰা উল্লেখ কৰি পিচত লিখিছে—

'শৌনকত হন্তে ধৰ্ম্ম শঙ্কৰে লভিলা।
দুঃসঙ্গ খণ্ডিয়া সুখ সৎসঙ্গ কহিলা ॥
মাধৱ স্বৰূপে মথি ইহাৰ ৰসক।
কৰাইলা কৰিলা পান সুধা অমৃতক ॥
নিগম বৃক্ষৰ ফল নাভাগিল ডালে।
দুই সম্প্ৰদায়ে ৰৈ আছে ভালে ভালে ॥
শ্ৰীমন্ত গোপালে ধৰ্ম্ম সেতু বান্ধিলন্ত।
লোকক কৃপায়ে সেই পথ চলাইলন্ত ॥
সেহি অনুক্ৰমে যদুমণি ধৰ্ম্ম ধৰি।
জনাইলা কৃষ্ণৰ ভক্তি পৰিপূৰ্ণ কৰি ॥
শ্ৰীমন্ত শঙ্কৰৰূপে জগত তাৰিলা।
সেই মূল ধাম মানি সমস্তে ধৰিলা ॥'
( পৃঃ—৩ )

ইয়াত শ্ৰীশঙ্কৰৰপৰা হোৱা দুই সম্প্ৰদায় বুলি উল্লেখ কৰিলেও গোপাল আতা প্ৰবৰ্ত্তিত সম্প্ৰদাৰহে বিশেষভাৱে উল্লেখ কৰিছে, বাকী সম্প্ৰদাৰ কথা বিশেষৰূপে বৰ্ণোৱাও নাই আৰু নামো উল্লেখ কৰা নাই। এঠাইত বিবেক ৰজাই ধৈৰ্য্য আদি বীৰসকলক ধৰ্ম্মোপদেশ দিওঁতে গোপাল আতাৰ সম্প্ৰদাৰ উল্লেখ আৰু গুৰুশিষ্যৰ অভেদতাৰ কথা আওপকীয়াভাৱে প্ৰকাশ কৰিছে। ইয়াত ওপৰে ওপৰে গোপাল আৰু যদুমণি অৰ্থে কৃষ্ণক বুজালেও গূঢ়াৰ্থত গোপাল আতা আৰু যদুমণিৰহে ইঙ্গিত দিছে।

(৮) শ্ৰীতীৰ্থনাথ গোস্বামীৰ সম্পাদিত গোপাল আতাৰ চৰিত (পৃ—১৮৬)।



'বেদপাল গোপালত ভকতি মাগিয়া
যদুমণি পাৱে ৰতি পীৰিতি লাগিয়া
অভেদ সনেহা ইটো গাৱত চৰাই।'
( পৃঃ—৬৭ )

কৃষ্ণ অৰ্থত বেদ-গোপাল আৰু যদুমণিৰ অভেদত্বৰ কথা কোৱাৰ কোনো সকামেই নাছিল। গোপাল আৰু যদুমণিৰ অভেদ স্নেহৰ কথাৰপৰাই গুৰু গোপাল আৰু শিষ্য যদুমণিৰ ইঙ্গিত ধৰিব পাৰি। ইয়াতকৈও বিশেষ কথা হৈছে মহামোহকাব্যকাৰে বিবেক চৰিত্ৰৰ মুখে স্পষ্টভাৱে কালসংহতিৰ ধৰ্ম্ম ধৰিবলৈ উপদেশ দিছে—

'সঙ্গতি সম্প্ৰদা নাম ৰূপ অনুসৰি।
কালসূত্ৰে ভ্ৰমিয়ো ধৰ্ম্মৰ সূত্ৰে ধৰি ॥
মাধৱৰ পদৰেণু শিৰত ধৰিয়া।
আপুনি গোপালে কহে শৰণ পশিয়ো ॥' (৯)

মহামোহকাব্যত উজাৰি লুকোৱা নিৰ্দ্দেশ আৰু এটা আছে। গ্ৰন্থকাৰে কৃষ্ণ বা পৰমাত্মাৰ কথা কব লাগিলেই 'যদুবৰ গুৰু' বুলি কৈছে। 'যদুবৰ গুৰু' বুলি কৃষ্ণক উল্লেখ কৰাটো সিমান প্ৰচলিত প্ৰসিদ্ধি নহয়। এনে স্থলত ইয়াত আমি কৃষ্ণ আৰু গুৰুৰ অভেদকল্পে বৰযদুমণিৰ ইঙ্গিত ধৰা যেনহে পাওঁ। এঠাইত "নৰৰূপে আত্মা যদুবৰ" বুলিও কোৱা হৈছে। ইয়াৰপৰা মহামোহকাব্যৰ ৰচয়িতা বৰযদুমণিৰ শিষ্য বুলিয়ে দৃঢ় অনুমান হয়। সেয়ে হলে বৰযদুমণিৰপৰা আজ্ঞা পোৱা ৰামানন্দই আমাৰ গ্ৰন্থৰ কবি বুলি ধৰি লব পাৰি। শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দ হোৱা হলে গোপালৰ পিচতে বৰযদুমণিৰ নাম লোৱাৰ লগতে শ্ৰীৰাম আতাৰ নামো বাদ নপৰিলহেঁতেন, কাৰণ শ্ৰীৰাম আতাও গোপালৰ প্ৰসিদ্ধ শিষ্য।

ৰামানন্দৰ ৰচিত গোপাল আতাৰ সম্প্ৰদায়ৰ 'সন্তসাৰ' নামৰ ভকতীয়া গ্ৰন্থ আন এখনৰ কথা আমি আগেয়ে উল্লেখ কৰিছোঁ। ধলৰ সত্ৰৰ অধিকাৰ শ্ৰীতীৰ্থ নাথ গোস্বামীদেৱে 'সাধু-সঙ্গ নিৰ্ণয়' নামৰ আৰু এখন ভকতীয়া গ্ৰন্থ ছপাই প্ৰকাশ কৰিছিল। 'সন্তসাৰ' আৰু 'সাধু-সঙ্গ নিৰ্ণয়' প্ৰায় একে গ্ৰন্থই, কেৱল দীঘলীয়া পাঠভেদে দুয়োখনক বেলেগ গ্ৰন্থ যেনকৈ দেখুৱাইছে। ধলৰ সত্ৰৰপৰা প্ৰকাশ হোৱা পুথিৰো ৰচক ৰামানন্দ। কামৰূপ অনুসন্ধান সমিতিয়ে সংগ্ৰহ কৰা ৰামানন্দ কৃত 'ভক্তিসাৰ' আমি দেখা নাই বা তাৰ প্ৰতিলিপিখন পঢ়িবলৈকো সুযোগ কৰিব পৰা নাই। গতিকে সেইখন সম্বন্ধে একো আলোচনা কৰিব নোৱাৰিলোঁ। মুঠ কথা, কাল-সংহতি ভক্তিতত্ত্বৰ ব্যাখ্যা কৰি লিখা কেবাখনো ভকতীয়া গ্ৰন্থৰ গ্ৰন্থকাৰ এজন ৰামানন্দ আছিল। খুব সম্ভৱ এওঁ বৰযদুমণিৰ আজ্ঞা পোৱা এজন বিদ্বান ভক্ত। মহামোহকাব্যও বৰযদুমণিৰ শিষ্য ৰামানন্দই ৰচনা কৰিছিল—এই কথাও ভৱিষ্যৎ দৃঢ়তৰ প্ৰমাণ সাপেক্ষে গ্ৰহণ কৰিব পৰা যায়।

মহামোহকাব্যৰ আধাৰ-গ্ৰন্থ মহামোহ নাটৰ লিখক শ্ৰীৰামানন্দ কোন আছিল এই বিষয়ে 'মহামোহ নাট' নোপোৱালৈকে একো মীমাংসা কৰিব নোৱাৰি। তথাপি ইয়াৰ দ্বিতীয় অভিনয় নিৰঞ্জনদেৱৰ দিনত আউনীআটী সত্ৰৰ ভকতৰ দ্বাৰা সমাৰোহেৰে অনুষ্ঠিত হোৱালৈ চাই এই শ্ৰীৰামানন্দ বংশীগোপালৰ চৰিত ৰচয়িতা বিদ্বান

(৯) 'মাধৱৰ পদৰেণু শিৰত ধৰিয়া'—এই ফাকিৰ অনুৰূপ পদ গোপাল আতাৰ ৰচিত জন্মযাত্ৰা আৰু উদ্ধৱ-জান নামৰ নাটতো ভণিতাৰূপে আছে—
'মাধৱৰ চৰণৰেণু শিৰে পৰশিয়ে, দীন গোপালে এহু ভণে।'
—জন্মযাত্ৰা
'মাধৱৰ পদৰেণু শিৰ পৰশি দীন গোপালে গায়।'
—উদ্ধৱজান

ভক্ত ৰামানন্দ দ্বিজেই হয় যেন লাগে। অৱশ্যে শ্ৰীৰামানন্দ দ্বিজৰ কৃত মূল মহামোহ নাটৰপৰা মহামোহকাব্য বহুত আঁতৰি গৈছে—এই কথা প্ৰকাৰান্তৰে কাব্যকাৰে নিজেই স্বীকাৰ কৰিছে। মূল মহামোহ নাটৰ তত্ব কাব্যত প্ৰকট হোৱা তত্বতকৈ কিছু বেলেগ হবও পাৰে। এনে এটা কিজানিৰ ভিত্তিতহে বংশীগোপালৰ সেৱক ৰামানন্দ দ্বিজ মহামোহ অঙ্কীয়া নাটৰ নাট্যকাৰ আছিল বুলি অনুমান কৰা হৈছে।

মহামোহ ৰূপাখ্যানৰ ৰূপকদেহৰ অন্তৰত লুকাই থকা তাত্বিক সিদ্ধান্তৰ বিষয়ে অলপ আলোচনা কৰি এই প্ৰবন্ধৰ সামৰণি মাৰিম।

[ ২ ]

**মহামোহকাব্য—হৰচন্দ্ৰ সংবাদ**

মহামোহকাব্যৰ আন এটা নাম কৱিয়ে মাজে মাজে উল্লেখ কৰিছে। তেওঁ এই কাব্যক 'হৰচন্দ্ৰ সংবাদ' বুলিও কৈছে। পিচে 'হৰচন্দ্ৰ সংবাদ' শিৱ আৰু চন্দ্ৰৰ কোনো পৌৰাণিক কাহিনী বা কথোপকথন নহয়। হৰ বা শিৱ হল জীৱ, কাৰণ জীৱক শিৱস্বৰূপ বোলা হৈছে—"হৰি আত্মা জীৱ শিৱস্বৰূপে দেখাইলা ( পৃঃ ৫৭ )। আকৌ "দক্ষ নামে প্ৰজাপতি, জীৱ শিৱ বৈৰী হুয়া, মহামোহ ৰাজা ইজন্মত।" চন্দ্ৰ মনৰ অধিপতি সেই কাৰণে চন্দ্ৰ হল মন। (১০) এতেকে 'হৰচন্দ্ৰ সংবাদ' মানে জীৱ আৰু মনৰ ভিতৰত যি আধ্যাত্মিক কথা-বতৰা হৈছে সেয়ে। মহামোহকাব্যৰ জীৱেই গুৰুৰূপে কৈছে, মনে শিষ্যৰ দৰে শুনিছে। গ্ৰন্থত প্ৰায় প্ৰতি অধ্যায়ৰ আৰম্ভণিতে "অনন্তৰে জীৱে মনক সম্বুধি, পুনু কহিবাক লৈলা, শুদ্ধ জীৱ নিগদতি শুনা মহামতি" এনে ধৰণে ওৰা পাতিছে। কেতিয়াবা জীৱ নুবুলি কেৱল 'শুদ্ধ' বুলিয়ে জীৱক বুজাইছে। জীৱক শুদ্ধ বোলাৰ কাৰণ পিচত আলচিম। সমস্ত কাহিনী জীৱই মনৰ আগত কৈছে, কিন্তু জীৱই এই কাহিনী পোনতে শুদ্ধ পুৰুষ অৰ্থাৎ পুৰুষোত্তমৰপৰা শুনিছিল, তাক মনৰ আগত কৈছে। ১১ গতিকে মহামোহকাব্যত প্ৰবক্তা, বক্তা আৰু শ্ৰোতাৰ উল্লেখৰ মাজেদিয়ে গ্ৰন্থকাৰে তেওঁৰ প্ৰতিপাদ্য পুৰুষোত্তম কৃষ্ণ, জীৱ আৰু মন এই তিনি তত্বৰ সূচনা দিছে। এই তিনি তত্বৰ পৰস্পৰ সম্বন্ধ আৰু কৰ্ম্মই গ্ৰন্থৰ প্ৰতিপাদ্য বিষয়।

'ক্ষৰ পদে দেহা ইটো অহঙ্কাৰে ভৈলা।
অক্ষৰ শবদে জীৱ ব্ৰহ্ম বুলি থৈলা॥
ক্ষৰ যে অক্ষৰ দুয়ো বিচাৰত সম।
দুই হান্তো কৰিয়া পৰমাত্মাসে উত্তম॥
পৰম গহন মহামোহ নাট সাৰ।
সাৰশেস অৰ্থ কোনে জানিবে ইহাৰ॥'
( পৃঃ ৮৯)

ইয়াত ক্ষৰক দেহ মন বুদ্ধি অহঙ্কাৰ—অৰ্থাৎ প্ৰকৃতি বুলি ধৰা হৈছে—মহামোহকাৰে মনক প্ৰকৃতি স্বৰূপ বুলি ধৰি লৈছে ( পৃঃ ১০১ )। জীৱ আৰু প্ৰকৃতি বিচাৰত সমান বুলি কোৱাৰ অৰ্থ হৈছে দুয়ো পৰমাত্মাৰ অধীন। জীৱক ব্ৰহ্ম বুলি মহামোহকাৰে ধৰা নাই কিন্তু ব্ৰহ্ম-অংশ বুলিহে ধৰিছে। 'হৰি অংশ ( জীৱ ) নিগদতি, শুনিয়োক সাধু মন, হৰচন্দ্ৰ সংবাদ বৰ্ণাওঁ ( পৃঃ ২৭ )।' জীৱৰ স্বতন্ত্ৰ সত্তা স্বীকাৰ কৰিছে, জীৱৰ মূল পুৰুষাৰ্থ হৰিভক্তি। শুদ্ধ জীৱই মনক উপদেশ দি কৈছে—"পাপ কৰ্ম্ম এৰিয়োক, সবে হৰি ভক্ত হোক, তেবেসে আমাৰ কৃত্য দুই।" অৰ্থাৎ হৰিভক্তিয়েই জীৱৰ কৃত্য বা পুৰুষাৰ্থ। মন কিন্তু পাপকৰ্ম্মকাৰী—কেৱল ৰজ-তমৰ দ্বাৰা প্ৰভাৱিত। জীৱহে শুদ্ধ সত্ব। এই তিনি তত্বৰ এনে ধৰণৰ সম্বন্ধ স্বীকাৰ কৰি লৈ মহামোহকাব্যৰ আধ্যাত্মিক সিদ্ধান্ত নিৰ্ণীত হৈছে। এই সিদ্ধান্তৰ সকলো কথা কোনো প্ৰসিদ্ধ ভাৰতীয় দৰ্শনৰ অনুগামী নহয়। কোনো বিষয়ত সাংখ্য, দ্বৈত বা বিশিষ্টাদ্বৈতৰ লগত মিল থাকিলেও মহামোহৰ বিচাৰ কিছু স্বতন্ত্ৰ। এই বিচাৰধাৰা অসমৰ ভকতীয়া পন্থত বহু আগৰেপৰা গুৰু-পৰম্পৰাই চলি অহা বুলি ধাৰণা হয়। কাৰণ ভকতীয়া ফকৰা আৰু দেহবিচাৰৰ গীতবোৰত এনে বিচাৰধাৰা পোৱা যায়, আনকি ব্যৱহাৰ কৰা প্ৰতীক আৰু বিশেষণবোৰো প্ৰায়ে মিলে। জীৱক শুদ্ধ জীৱ বোলা, মনকে প্ৰকৃতি বোলা গীত বহুত আছে। এনে গীত কাল-সংহতি পন্থৰ কোনো কোনো ভকতৰ মুখেই বেছিকৈ শুনা যায়। ইয়াৰপৰা ধাৰণা হয় পিণ্ড-ব্ৰহ্মাণ্ড তত্বৰ বৈষ্ণৱী ব্যাখ্যাযুক্ত এটা বিচাৰ-ধাৰা অসমত বহুত আগৰেপৰা চলি আহিছে। তাক কোনো এটা বিশেষ দৰ্শন-প্ৰস্থানৰ লগত খাপ খুৱাব নোৱাৰি, কিন্তু ইটো বা সিটোৰ প্ৰভাৱ অৱশ্যে দেখুৱাব পাৰি। বৈষ্ণৱ বেদান্তৰ অনুকূলে জীৱক হৰি-অংশ বুলিছে যদিও মন তথা প্ৰকৃতি আৰু জীৱক স্ব স্ব কৰ্ম্মানুসাৰে পৃথক্ আৰু স্বতন্ত্ৰ বুলি গ্ৰহণ কৰি সাংখ্য মতৰো ওচৰে ওচৰে গৈছে। আকৌ জীৱক সকলো সংকৰ্ম্মৰ কৰ্ত্তা বুলি ধৰাটোও সাংখ্যানুকূল মত নহয়।

(১০) মনকে চন্দ্ৰ বুলি কৱিয়ে উল্লেখ কৰিছে—
(ক) প্ৰথমতে কামে মন চন্দ্ৰক জিনিলা।
( পৃঃ ৩১ )
(গ) তোমাতে ৰহিল চন্দ্ৰ জানা নিষ্ঠ কৰি।
( পৃঃ ১৯ )
ইয়াতে 'তোমাতে' বোলোতে মনক সম্বুধি কৈছে।
(ঘ) সবাতো অধিক দুষ্ট চন্দ্ৰবংশী মন। (পৃঃ ৬৫)

(১১) গ্ৰন্থৰ ১ পৃষ্ঠাৰ ১৩—২০ শাৰী চাওক।



**ব্ৰহ্মবিৰাট আৰু ক্ষুদ্ৰবিৰাট**

এটা দেহ-বিচাৰ গীতত আছে—"দেহাৰ ভিতৰে, প্ৰথমে বুজিবা, বাহিৰে বুজিবা পাচে।" মহামোহকাব্যতো আছে—"চৈধ্য ব্ৰহ্মাণ্ডৰ অৰ্থ, ভাগৱত পৰমাৰ্থ, একস্থানে দেহাতে বিদিত।" (পৃঃ ১১১)। ব্ৰহ্মাণ্ডৰ কল্পনা এই দেহতে কৰি লৈ ব্ৰহ্মাণ্ডৰ মূল তত্ব বুজিবলৈ চেষ্টা কৰাৰ এক সাধন-প্ৰণালী ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰেপৰা আছে। অথৰ্ব্ব বেদতো ইয়াৰ উল্লেখ পোৱা যায়। মহামোহকাব্যতো দেহৰূপী ক্ষুদ্ৰবিৰাটত অহৰহঃ চলি থকা এক ৰাম-ৰাৱণৰ যুদ্ধৰ বৰ্ণনাক কাব্যৰূপ দিয়া হৈছে :

'ৰাম ৰাৱণৰ যুদ্ধ ভৈলা যেন মতে॥
সেহি মতে শুনা যুদ্ধ বিবেক মোহৰ।
ক্ষুদ্ৰ বিৰাটতে ৰণ ভৈলা ভয়ঙ্কৰ॥'

এই ক্ষুদ্ৰবিৰাটৰ কথা কৱিয়ে নায়ক বিবেকৰ মুখেৰে পৰাস্ত প্ৰতিনায়ক মহামোহক দিয়া উপদেশৰ ছলেৰে এইদৰে কৈছে :

'যি কালত ঈশ্বৰ সৃষ্টিত ইচ্ছা ভৈলা।
চৈধ্যয় ব্ৰহ্মাণ্ডৰ প্ৰাণী এক স্থান ভৈলা॥
সৃজাইলা অনেক দেহা কুচাণ্ড কুভাণ্ড।
পাচত নিৰ্ম্মিলা ইটো মনুষ্যৰ ভাণ্ড॥
তাহাতে নিৰ্ম্মাণ কৰিলন্ত দুয়ো থান।
বাৰাণসী বিবেক নগৰ পুৰীখান॥
একাদশ ইন্দ্ৰিতত্ব সত্ব ৰজ তম।
চন্দ্ৰ সূৰ্য্য অগ্নি বায়ু প্ৰজাপতি যম॥
ব্ৰহ্ম বিৰাটত জীৱ সৃজি আছে যত।
সমস্তকে সমৰ্পিলা ক্ষুদ্ৰ বিৰাটত॥
নৱখান দ্বাৰত নিৰ্ম্মিলা দশদ্বাৰ।
কোন পাপ কোন পুণ্য কৰিয়া বিচাৰ॥

সেই দুই নগৰত তুমি আমি ৰজা।
পাপ পুণ্য ফল ভুঞ্জে দুয়োদল প্ৰজা ॥
সবাৰে উপৰি গুৰু যদুবৰ ৰাই।
হৃদয় কমলে বসি আছে ৰঙ্গ চাই ॥'
( পৃঃ—১০২ )

ক্ষুদ্ৰ-ব্ৰহ্মাণ্ড দেহৰ ভিতৰতে বিৰাট ব্ৰহ্মাণ্ডৰ দেৱতাসকল, পৃথিবীৰ হিমালয়, গঙ্গা, যমুনা আদি সকলো আছে। মনৰূপে চন্দ্ৰ, চক্ষুৰূপে সূৰ্য্য, বাক্‌ৰূপে অগ্নি, শ্ৰৱণৰূপে বায়ু, গুহ্যৰূপে যম, উপস্থৰূপে প্ৰজাপতি এই দেহত বাস কৰিছে। তাতে জীৱও থাকে। দেহৰ ভিতৰত দুখন নগৰৰ কল্পনা কৰা হৈছে। ইন্দ্ৰিয়সমে নখন দুৱাৰ-যুক্ত দেহটোকে বাৰাণসী নগৰ বুলিছে। এই নগৰৰ অধিপতি মন। শৰীৰটোক কাশীক্ষেত্ৰ বোলা হয়। "কাশীক্ষেত্ৰং শৰীৰং ত্ৰিভুৱনজননী ব্যাপিনী জ্ঞানগঙ্গা।" কাশীক্ষেত্ৰৰ ভিতৰতে আৰু এখন সুগুপ্ত নগৰ আছে; সেইখনৰ নাম 'হৃদিপুৰ'। ইয়াৰ অধিপতি জীৱ। তাৰো ওপৰত হৃদয়-কমলত আছে কৃষ্ণ-পৰমাত্মা। "পদ্মৰ ওপৰত যি পদ্ম ফুলিছে" বুলি ভকতে ইয়াৰ কথাকে কয়।

জীৱ শিৱস্বৰূপ কল্যাণময়, ই শুদ্ধ অৰ্থাৎ সত্ত্বাত্মক। "যদুবৰগুৰু বুলি, পৰমাত্মা চিনাইলোহোঁ, বিবেকেসে জীৱ তান অংশ"। ( পৃঃ ১০৮ )। যদুবৰ কৃষ্ণ পৰমাত্মাৰ শুদ্ধসত্ত্বত আশ্ৰয় কৰা ৰূপ—তাৰে অংশৰূপে জীৱো শুদ্ধ সত্ত্বাত্মক। জীৱই বিবেক ৰূপেৰে সমস্ত সৎ আৰু পুণ্য কৰ্ম্মৰ অনুষ্ঠান কৰে। সেই দেখি বিবেক ভক্তিমুখী ( পৃঃ ৯৯ ) আৰু সৎসঙ্গৰ মূল ( পৃঃ ১০৭ )। বিবেকৰ প্ৰজা হল সকলো সত্ত্বগুণ, ক্ষমা, দয়া, তুষ্টি, বৈৰাগ্য ইত্যাদি।

প্ৰকৃতিৰ অধিপতি মন। প্ৰকৃতি ত্ৰিগুণাত্মিকা। মনো ত্ৰিগুণাত্মক, কিন্তু ৰজ আৰু তম অতিকৈ প্ৰবল হোৱা কাৰণে মনে মহামোহ ৰূপেৰে সমস্ত অসৎ কৰ্ম্মৰ অনুষ্ঠান কৰে। এঠাইত বিবেকে মহামোহৰূপী 'ইন্দ্ৰপতি' মনক কৈছে—

'বিবেক বদতি শুনা ইন্দ্ৰপতি
কহো মঞি তত্ত্বসাৰ।
ব্ৰহ্মা শঙ্কৰত যি বৰ লভিলা
ত্ৰিভুৱনে চমৎকাৰ ॥'

ব্ৰহ্মা ৰজোগুণ, শঙ্কৰ তমোগুণ। ব্ৰহ্মা আৰু শঙ্কৰৰ বৰ পোৱা মানে এই দুজনৰ বেছিকৈ কৃপা লাভ কৰা। প্ৰকৃত অৰ্থ হল মনৰ ওপৰত ৰজ আৰু তমোগুণৰ প্ৰাবল্য ইমান বেছি যে সত্ত্ব পূৰ্ণ-ভাৱে অভিভূত হৈ থাকে। মহামোহ ৰূপেৰে মনে সেই কাৰণে কাম ক্ৰোধ লোভ দম্ভ আদিৰ সাহচৰ্য্যত কুক্ৰিয়া কৰি বিবেকৰ কামত বাধা জন্মায়।

বিবেক আৰু মহামোহৰ সংঘাত হল সৎসঙ্গ আৰু দুঃসঙ্গৰ সংঘাত :

'শুদ্ধজীৱ নিগদতি শুনা মন মহামতি
হৰি ভকতিৰ যেন বল।
সৎসঙ্গৰ দুঃসঙ্গৰ তুমি আমি মূলভূত
তাকে পুষ্টে কহিব সকল ॥' ( পৃঃ ১০৭ )

মহামোহকাব্যত সত্ত্বময় জীৱ আৰু ৰজ-তমৰ দ্বাৰা অভিভূত মনক বিবেক আৰু মহামোহ-ৰূপে নায়ক প্ৰতিনায়ক কৰি ধৰ্ম্মৰ আৰু পাপৰ অন্তৰ্দ্বন্দ্বক কাহিনীৰূপে বৰ্ণনা কৰিছে। বিবেকে ধৈৰ্য্যৰ দ্বাৰা কাম, ক্ষমাৰ দ্বাৰা ক্ৰোধ, তুষ্টিৰ দ্বাৰা লোভ আৰু বিৰক্তিৰ দ্বাৰা মোহক পৰাস্ত কৰি মহামোহক সম্পূৰ্ণ কৈ পৰাজিত কৰে। পৰাজিত মহামোহে বিবেকৰ শৰণ পশে। বিবেকে তেওঁক ক্ষমা কৰি গ্ৰহণ কৰে আৰু দুয়োৰো মিলন হয়।

বিবেক আৰু মহামোহৰ মিলন অৰ্থে জীৱ



আৰু মন একে হোৱা। জীৱ আৰু মনেৰে এক হৈ ভক্তি কৰি পৰমাত্মাৰ সঙ্গতি বা সান্নিধ্য পায় :

'মনে জীৱে একে ভৈলা
সৎসঙ্গ নগৰে ৰৈলা
ভৈলা পৰমাত্মাৰ সঙ্গতি।' ( পৃঃ ১০৯ )

**মনে জীৱে একে ভৈলা**

এই যে মন আৰু জীৱৰ মিলন ইয়াৰ প্ৰকৃত তাৎপৰ্য্য কি ?

আগেয়েই কৈ আহিছো যে ৰজোৰূপী ব্ৰহ্মা আৰু তমোৰূপী শঙ্কৰৰ বেছিকৈ কৃপালাভ কৰি মন সত্ত্ববিমুখ হৈ পৰিল। বিবেকৰ সৈন্য ধৈৰ্য্য ক্ষমা আদিয়ে মহামোহৰ প্ৰধান সেনাপতি কাম-ক্ৰোধাদিক বধ কৰাত মহামোহৰ দুষ্টবল নিঃশেষে ক্ষয় পোৱাত মনৰ ৰজ-তমও ধ্বংস হল। পৰাস্ত মহামোহক বিবেকে কৈছে—

'কাম ক্ৰোধ লোভ মোহ, পূৰ্ব্বৰ স্বভাৱ ত্যজি
আৰে তুমি হুয়ো শুদ্ধমতি।'

এইভাৱে মন সত্ত্বত প্ৰতিষ্ঠিত হলেই শুদ্ধসত্ত্ব জীৱৰ ধৰ্ম্ম হৰিভক্তি সম্ভৱ হয় ; কাৰণ তেতিয়া পূৰ্ব্বৰ স্বভাৱ এৰি আন আন ইন্দ্ৰিয়সকলেও ভক্তিৰ অনুকূল কৰ্ম্মহে কৰিব ধৰে :

'এহিমতে শুদ্ধ জীৱে মনক বুঝাইবে লৈলা
মনেয়ো মানিলা নিৰন্তৰ।
সমস্ত ইন্দ্ৰিয়গণ জীৱৰ সৰতি ভৈল
ধৰিলন্ত ভকতি কৃষ্ণৰ ॥'

বেদান্তৰ মতে কিন্তু প্ৰত্যক্-জ্যোতিলাভৰ নিৰ্ব্বিকল্প সমাধিত মন সম্পূৰ্ণ উপশান্ত হয় বা লয় পায়। মহামোহৰ বিচাৰ মতে ধ্বংস নহয় কিন্তু জীৱৰ অনুকূল হৈ হৰিভক্তিৰ আনন্দ উপভোগ কৰে।

সত্ত্বস্থ মন-যুক্ত হৈ জীৱই এইদৰে হৰিভক্তি কৰি পৰমাত্মাৰ সঙ্গতি লাভ কৰে। জীৱ আৰু মন একে হোৱাকে ভকতীয়া ভাষাত প্ৰকৃতি পুৰুষৰ মিলন বোলে। প্ৰকৃতি পুৰুষৰ মিলন সংঘটিত হলেহে সবাৰ উপৰি যি কৃষ্ণগুৰু আছে তেওঁকো লগ পাব পাৰি। ইয়ে আমি সদায় শুনা ভকতীয়া ফকৰা—

'তিৰী পুৰুষে হৈৰা একমতি।
তেহে সিজিৰ কৃষ্ণত ভকতি ॥'

---

# মধ্য যুগৰ অসমত বৈষ্ণৱ ধৰ্ম্ম

শ্ৰীযুত মহেশ্বৰ নেওগ

## তাম্ৰ-শাসনৰ যুগ

তাম্ৰ-শাসনৰ যুগৰ কামৰূপৰ হিন্দু ৰজাসকল শৈৱ-ধৰ্ম্মী ; কিন্তু তেওঁলোকৰ বংশ বৰাহ-ৰূপী বিষ্ণু আৰু ধৰিত্ৰী দেৱীৰপৰা উদ্ভৱ হোৱা বুলি ঘোষণা কৰা হৈছে। বাণভট্টৰ "হৰ্ষচৰিত"তো ভাস্কৰবৰ্ম্মাক "বৈষ্ণৱ-বংশ" আখ্যা দিয়া হৈছে। নগাৱঁৰ বৰগঙ্গা নৈৰ পাৰত এটা পুৰণি মন্দিৰৰ ধ্বংসাৱশেষৰ ঠাইলৈ সোমোৱা বাটত থকা এটা প্ৰকাণ্ড শিলৰ গাত ২৩৪ গুপ্তাব্দত ( সম্বৎ ) খোদিত চাৰিশাৰী লেখা পোৱা গৈছে। এই শিলা-লিপি ভাস্কৰবৰ্ম্মাৰ আজোককাকৰ পিতৃ মহাভূতি বৰ্ম্মাৰ বিষয়ামাত্য আৰ্য্যগুণৰ আশ্ৰমৰ চিন। লিপিত ভূতিবৰ্ম্মাক "শ্ৰীপৰমদৈৱত-পৰমভাগৱত-মহাৰাজাধিৰাজাশ্বমেধযাজিন্" বোলা হৈছে। কিন্তু ভাস্কৰবৰ্ম্মাই "শশিশেখৰ পিনাকী ভস্মকণাবিভূষিত" শিৱকহে তেওঁৰ ফলিত বন্দনা কৰিছে। একে বংশৰে নৱম শতিকাৰ আগ-ছোৱাৰ হৰ্জ্জৰবৰ্ম্মা, পিচছোৱাৰ বনমালবৰ্ম্মা, দশম শতিকাৰ বলবৰ্ম্মা আৰু পাল বংশৰ একাদশৰ ৰত্নপালেও পিনাকপাণিকহে তেওঁলোকৰ ফলিত বন্দিছে। পিচে, ধৰ্ম্মপাল ৰজাৰ স্বৰচিত পুষ্পভদ্ৰা লিপিত ( তেওঁৰ দ্বিতীয় লিপি ) এটা বৰ চকুতলগা কথা ওলাইছে—বন্দনাত শিৱৰ নাম সমূলঞ্চে নাই, আছে "বসুমতী মণ্ডলালীঢ়-দংষ্ট্ৰ" বৰাহৰূপৰহে স্তুতি। ইয়াৰ উপৰি এই ফলিত মাটি-বৃত্তি পোৱা "সকলবিপ্ৰকুল-প্ৰদীপ" শ্ৰীমান মধুসূদনে ল'বা-বয়সৰেপৰা বিষ্ণু পূজা কৰি আহিছিল [ বাল্যতঃ প্ৰভৃতি মাধৱ-পাদ-পদ্ম-পূজাপ্ৰপঞ্চ-ৰচনা(ং) সুচিৰং চকাৰ ]। সম্ভৱতঃ পৰিণত বয়সত ধৰ্ম্ম-মতৰ পৰিবৰ্ত্তন কৰি ধৰ্ম্মপাল বৈষ্ণৱ হৈছিল। অৱতাৰবাদ গুপ্ত যুগৰ বৈষ্ণৱ ধৰ্ম্মৰ এক বৈশিষ্ট্য। কামৰূপৰ তামৰ ফলিবোৰতো বৰাহ, নৰসিংহ, জামদগ্ন্য ৰাম, দাশৰথি ৰামৰ উল্লেখ আছে। নন্দ-যশোদা, বসুদেৱ-দৈৱকী, গোপ-গোপীয়ে সৈতে কৃষ্ণ-লীলাৰ আভাসো আছে। 'নাৰায়ণৰ হৃদয় চাৰু যাহাৰ নিৱাস-স্থান', সেই লক্ষ্মীদেৱীৰ কথাৰো ইয়াত ইঙ্গিত আছে। এই ফলিবোৰৰ যোগে জমি আদি ভোগ কৰা ব্ৰাহ্মণসকলৰ নামবোৰো মন কৰিবলগীয়া—কেশৱ, জনাৰ্দ্দন, মাধৱ, সংকৰ্ষণ, মধুসূদন, ইত্যাদি।

সমসাময়িক ভাস্কৰ্য্য-স্থাপত্যয়ো তামৰ ফলিৰ যুগৰ বৈষ্ণৱ ধৰ্ম্মৰ বীজৰ অস্তিত্বৰ প্ৰমাণ দিয়ে। গোলাঘাটৰ দেওপানীৰ ওচৰত পোৱা, খোদিত আখৰ থকা "ভগৱতো নাৰায়নস্য শৈলী প্ৰতিমা ভওয়স্তুং ( ভক্তানাম্ )" অৰ্থাৎ বিষ্ণুমূৰ্ত্তি নৱম শতিকাৰ বুলি আৰু ডিব্ৰুগড়ৰ ওচৰৰ পুৰণি মন্দিৰ এটিৰপৰা পাই অনা ( বৰ্ত্তমানে অসম যাদুঘৰত সংৰক্ষিত ) পিতলৰ বিষ্ণু মূৰ্ত্তি একাদশ-দ্বাদশ শতিকাৰ বুলি কাশীনাথ দীক্ষিতে ঠিৰাং কৰিছে। শিৱসাগৰ পুখুৰীপাৰৰপৰা সংগৃহীত শিলৰ মূৰ্ত্তি আৰু স্থাপত্যৰ নিদৰ্শন চাই দীক্ষিতে দশম-একাদশ শতিকামানত নিৰ্ম্মিত শিৱসাগৰ



অঞ্চলত এটি বিষ্ণু মন্দিৰ আছিল বুলি অনুমান কৰিছে। উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত মন্দিৰৰ অনন্তশায়ী বিষ্ণুমূৰ্ত্তি ৺কনকলাল বৰুৱাৰ মতে দ্বাদশ শতিকাৰ। শুক্ৰেশ্বৰৰ বিষ্ণু-জনাৰ্দ্দন মূৰ্ত্তি অষ্টম কি নৱম শতিকাৰে হব পাৰে বুলি ভবা হৈছে। কামাখ্যা মন্দিৰৰ চাৰিফালৰ দেৱালৰ পশ্চিমে দুৱাৰৰ শিলত কটা বেণুগোপালৰ মূৰ্ত্তি সপ্তম-অষ্টম শতিকাৰ বুলি অনুমান কৰা হৈছে।* নগাৱঁৰ ডবকা অঞ্চলৰপৰা নটি বিষ্ণুমূৰ্ত্তি উদ্ধাৰ কৰা হৈছে ; এই মূৰ্ত্তিবিলাকো প্ৰায় এই যুগৰে বুলি অনুমান হয়। বৰপেটাৰ ন-সত্ৰৰ ভঁাজ-ঘৰত শক্তিয়ে সৈতে চতুৰ্ভুজ বিষ্ণুৰ কলা শিলত কটা এটি সুন্দৰ মূৰ্ত্তি ; এইটি দশম শতিকাৰ পিচৰ কোনো প্ৰকাৰে হ'ব নালাগে।

## তন্ত্ৰৰ যুগ

"কালিকা-পুৰাণ" আৰু "যোগিনী-তন্ত্ৰ"ত যদিও দেৱীৰ মহিমা কীৰ্ত্তন কৰা আৰু দেৱীৰ থান আৰু দেৱীৰ পূজা-বিধিৰ বিৱৰণ দিয়াই ঘাই উদ্দেশ্য, দুইখনিতে বিষ্ণু আৰু তেওঁৰ স্থান-মাহাত্ম্যও নোহোৱা নহয়। শঙ্কৰদেৱেও এবাৰ কৈছিল—"কালিকা-পুৰাণে"ও হৰিৰ কথাকে কৈছে,—

'কালিকা পুৰাণে দেখাইবোহো তিনি ঠাই ॥
আনো শাস্ত্ৰ সমস্তত হৰিকেসে কয়।
সমস্তে শাস্ত্ৰৰ জানা এহিসে নিৰ্ণয় ॥' (ৰামানন্দ)

এই উপপুৰাণত আছে, দেৱ জগৎপতিয়ে বৃদ্ধগঙ্গাৰ পাৰৰ বিশ্বনাথৰ ওচৰত হয়গ্ৰীৱ অসুৰক বধ কৰি মণিকূট গিৰি শোভা কৰি ৰয় ( ৮৩. ২৪-২৫ )। একে পুৰাণৰ আন এঠাইত আকৌ আছে, বিষ্ণুৱে হয়গ্ৰীৱৰূপে জ্বৰাসুৰক বধি মণিকূটত স্থিত হয় (৮১-৭৬-৭৮)। দিক্কৰবাসিনী অঞ্চলত বাসুদেৱ বিষ্ণুৰ পূজাৰ বিশদ বিধি দিয়া হৈছে ( ৮৩. ৮৮-১৯৪ )। "যোগিনী-তন্ত্ৰ"ত এই বিধি বা দিক্কৰবাসিনী-পীঠৰ বাসুদেৱ পূজাৰ কোনো উল্লেখ নাই। আনফালে "কালিকা-পুৰাণে" প্ৰাধান্য নিদিয়া মণিকূটৰ হয়গ্ৰীৱ-পূজাত তন্ত্ৰখনে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ৰঘুদেৱ ৰজাৰ তত্ত্বাৱধানত হয়গ্ৰীৱ-মন্দিৰৰ পুনৰ্নিৰ্ম্মাণেই এই নৱাৰোপিত গুৰুত্বৰ কাৰণ হ'ব পাৰে।

মণিকুট আৰু দিক্কৰবাসিনী-পীঠৰ হয়গ্ৰীৱ আৰু বাসুদেৱ ৰূপৰ বাহিৰেও আৰু তিনি ঠাইত বিষ্ণুৰ প্ৰকাশ কালিকা-পুৰাণত আছে। মণি-কূটত পূবৰ মৎস্যধ্বজ কুলাচলত মৎস্যৰূপী বিষ্ণুৰ অধিষ্ঠান। বক্ষঃকূট পৰ্ব্বতৰ পূব দিশত পাণ্ডুনাথ নামে ভৈৰৱৰূপী মাধৱৰ ঠাই। পাণ্ডুনাথৰ পূবলৈ চিত্ৰহৰ পৰ্ব্বতত বিষ্ণুৱে বৰাহ ৰূপ ধৰি সততে থাকে। ইয়াৰ উপৰি সন্ধ্যাচলৰ পূবৰ ভগৱান্ পৰ্ব্বতত লিঙ্গৰূপে, আৰু দিক্কৰবাসিনীৰ পীঠত শিলাৰূপে বিষ্ণু থকাৰ কথাও "কালিকা-পুৰাণে" উল্লেখ কৰিছে।

নৱ-বৈষ্ণৱধৰ্ম্ম প্ৰচাৰৰ বুৰঞ্জীৰ পৰিপ্ৰেক্ষীত হয়গ্ৰীৱ আৰু বাসুদেৱ-পূজাৰ অলপ বহল আলোচনাৰ আৱশ্যক।

## বাসুদেৱ-পূজা

কামৰূপত বাসুদেৱ-ধৰ্ম্ম সম্পৰ্কীয় আমাৰ জ্ঞান "কালিকা-পুৰাণ"ৰ (৮৩. ৮৯-১৮৭) বিৱৰণৰ ভিতৰতে আবদ্ধ। বাসুদেৱ-পূজাৰ বিহিত স্থান দিক্কৰবাসিনী-পীঠ, কামৰূপৰ পূৰ্ব্বাংশ যত দেৱী দিক্কৰবাসিনী ললিতকান্তা আৰু কৈঁচাইখাতী তীক্ষ্ণকান্তা, এই দুই ৰূপত বিৰাজ কৰে। এই পীঠত শম্ভু আৰু ব্ৰহ্মা লিঙ্গৰূপে আৰু বিষ্ণু

* A. R. A. S. I, 1936-37

শিলাৰূপে বিৰাজমান। যি ইয়াত পৱিত্ৰ নদী সিত-গঙ্গাত ( বগা নৈ ? ধল নৈ ? ) স্নান কৰি শিৱ, বিষ্ণু আৰু ব্ৰহ্মাক দৰ্শন কৰে আৰু ললিত-কান্তাক পূজা কৰে, তেওঁৰ পুনৰ্জ্জন্ম নহয় ( ৮৩. ৩১-৩৬)। "যোগিনী-তন্ত্ৰ"ই ( ১, ১১ ) কামৰূপৰ নৱযোনিৰ মাজত বিষ্ণু-পীঠ এখনৰো উল্লেখ কৰিছে, কিন্তু তাৰ স্থান-স্থিতি নিৰ্ণয় কৰা নাই। উপপুৰাণখনৰ দিক্কৰবাসিনী-পীঠ তন্ত্ৰখনৰ সৌমাৰ-পীঠৰ ভিতৰত পৰে।

বাসুদেৱ-পূজাৰ তিনি প্ৰকাৰ মন্ত্ৰ ; বীজ-মন্ত্ৰ— "ওঁ নমো নাৰায়ণায়" ; দ্বাদশাক্ষৰ অঙ্গমন্ত্ৰ—"ওঁ নমো ভগৱতে ৱাসুদেৱায়" আৰু অষ্টাদশাক্ষৰ প্ৰত্যঙ্গমন্ত্ৰ "ওঁ নমো ৱিষ্ণৱে সুৰপতয়ে মহাবলায় স্বাহা।" আধাৰশক্তি প্ৰমুখে আসন দেৱতা, গ্ৰহ, দিক্‌পাল, বিষ্ণুৰ অস্ত্ৰ, অলঙ্কাৰ, নিৰ্ম্মাল্যধাৰী বিষ্বকসেনৰ মন্ত্ৰ আদিৰো বিধান আছে। এই বিষয়ত নাৰদকৃত পাঞ্চৰাত্ৰত বিহিত মন্ত্ৰ, "তদ্বিষ্ণোঃ" মন্ত্ৰ আৰু স্তুতিৰ ভিতৰত পুৰুষ-সূক্তলৈ আঙুলিয়াই দিয়া হৈছে। মন্ত্ৰৰ এই বাহুল্য আৰু বৈষ্ণৱ তন্ত্ৰ পাঞ্চৰাত্ৰৰ প্ৰামাণ্য উদ্ধৃতি বিশেষ মন কৰিবলগীয়া।

বীজমন্ত্ৰ, অঙ্গমন্ত্ৰ আৰু প্ৰত্যঙ্গমন্ত্ৰ অনুসৰি বিষ্ণুৰ তিনিটি ৰূপ দিয়া হৈছে। পাঞ্চৰাত্ৰ-সংহিতাৰ বিৱৰণৰ ফালৰপৰা এই ৰূপো বিচাৰ কৰিবলগীয়া। বীজমন্ত্ৰৰ ৰূপ—

পূৰ্ণচন্দ্ৰোপমঃ শুক্লঃ পক্ষিৰাজোপৰি স্থিতঃ।
চতুৰ্ভুজঃ পীতৱস্ত্ৰৈস্ত্ৰিভিঃ সংৱীতদেহভৃৎ॥
দক্ষিণোৰ্দ্ধে গদাং ধত্তে তদধো ৱিকচাম্বুজম্।
ৱামোৰ্দ্ধে চক্ৰমত্যুগ্ৰং ধত্তে অধঃ শঙ্খমেৱ চ॥
শ্ৰীৱৎসৱক্ষাঃ সততং কৌস্তুভং হৃদি চাংশুমৎ।
ধত্তে কক্ষে হ্যধোৱামে তূণীৰম্বাণপূৰিতম্॥
দক্ষিণে কোষগং খড়্গং নন্দকং সশৰাসনম্।
শীৰ্ষে কিৰীটং সুদ্যোতং কৰ্ণয়োঃ কুণ্ডলদ্বয়ম্॥
আজানুলম্বিনীং চিত্ৰাং ৱনমালাং গলে স্থিতাম্।
দধানং দক্ষিণে দেৱীং শ্ৰিয়ং পাৰ্শ্বে তু ৱিভ্ৰতম্॥
সৰস্বতীং ৱামপাৰ্শ্বে চিন্তয়েদ্বৰদং হৰিম্।

এই ধ্যানত মন কৰিবলগীয়া বিষ্ণুৰ পূৰ্ণ চন্দ্ৰৰ দৰে শুক্ল বৰ্ণ। শঙ্খ, চক্ৰ, গদা, পদ্মৰ উপৰিও পাঞ্চৰাত্ৰৰ বৈকুণ্ঠৰ পৰ দেৱতাৰ আন আন অস্ত্ৰ আৰু দেহৰ ভূষণ—শ্ৰীৱৎস, কৌস্তুভ, বাওঁ কাষলতিত কাঁড়েৰে পূৰ তূণ আৰু সোঁ কাষলতিত খাপে সৈতে তৰোৱাল, দুই কাণত কুণ্ডল আৰু আজানুলম্বী বনমালা। বিষ্ণুৰ বাহন পক্ষিৰাজ গৰুড়—পাঞ্চৰাত্ৰৰ 'বিহগেন্দ্ৰ', পৰম ব্যোমত ঈশ্বৰৰ তিনি পাৰিষদৰ এজন। হৰিৰ দুই শক্তি লক্ষ্মী আৰু সৰস্বতীৰ ভিতৰত দ্বিতীয় শক্তি তান্ত্ৰিক মূলৰ বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে।

অঙ্গমন্ত্ৰৰ ৰূপ নীলোৎপলৰ দলৰ দৰে শ্যাম বৰ্ণৰ। প্ৰত্যঙ্গমন্ত্ৰৰ ৰূপ ত্ৰিবিক্ৰম বা দধিবামন—পূৰ্ণচন্দ্ৰৰ দৰে শুক্লবৰ্ণ, বাঁও হাতত পীয়ূষ-পূৰিত ঘট, সোঁ হাতত দধি-অন্নখণ্ডেৰে স্বৰ্ণ ভাজন। তেওঁ চন্দ্ৰমণ্ডলৰ মধ্যত স্থিত। বাসুদেৱৰ তিনিটি ৰূপৰ ভিতৰত দধিবামন দ্বিভুজ, বাকী দুটি চতুৰ্ভুজ। মন কৰিবলগীয়া যে গোপাল-কৃষ্ণৰ ৰূপৰ ধাৰণা ইয়াত নাই।

বগা, হালধীয়া, ৰঙা, শ্যাম আৰু হৰিত বৰ্ণৰ চতুষ্কোণ মণ্ডল কৰাৰ বিধানো দিয়া হৈছে। পূজা সম্পৰ্কে নিয়ম কৰা হৈছে যে শম্ভু, গৌৰী, ব্ৰহ্মা, ৰাম আৰু কৃষ্ণক সততে পূজা দিব লাগে; শম্ভু গৌৰীৰ বিয়োজন হব নালাগে। এই পঞ্চ-দেৱতাৰ পূজাই বাসুদেৱৰ পূজাক পিচৰ বৈষ্ণৱ ধৰ্ম্মৰপৰা পৃথক কৰি ৰাখিছে। ইয়াৰ উপৰি, বাসুদেৱৰ আঠজন যোগীকো মণ্ডলত ন্যাস কৰিব লাগে—বলভদ্ৰ, কামদেৱ, অনিৰুদ্ধ, নাৰায়ণ,



ব্ৰহ্মা, বিষ্ণু, নৰসিংহ আৰু বৰাহ। মণ্ডলৰ কৰ্ণিকাৰ ভিতৰত বাসুদেৱ নায়ক আৰু বিমলা নায়িকা। মণ্ডলত যোগীৰ লগত আঠগৰাকী যোগিনীও থাকিব—উৎকৰ্ষিণী, জ্ঞেয়া, জ্ঞানা, ইত্যাদি। বাসুদেৱৰ প্ৰীতিকৰ দল হ'ল তুলসীদল আৰু বিল্বদল। বিষ্ণুৰ অস্ত্ৰ, অলঙ্কাৰ, শক্তি, গৰুড়, বিষ্বক্‌সেন আদি সকলোৰে পূজা কৰ্ত্তব্য। পাঞ্চ-ৰাত্ৰ সংহিতাসমূহত বিষ্বক্‌সেন ঈশ্বৰৰ একপ্ৰকাৰ প্ৰধান পাত্ৰৰ দৰে।

ওপৰৰ বিৱৰণৰপৰা দেখা যায় বাসুদেৱ পূজাত মন্ত্ৰ, বীজ, যন্ত্ৰ, ন্যাস, মুদ্ৰা আদি তান্ত্ৰিক প্ৰক্ৰিয়া মুখ্যৰূপে চলিছিল। তাৰ উপৰি "বাসুদেৱ-পূজাৰ বৈষ্ণৱ মতত পঞ্চদেৱতাৰ পূজাৰ ভিতৰত মাতৃৰ ছাঁ আছিল।" ই পাঞ্চৰাত্ৰ তন্ত্ৰৰ লগত জড়িত। পুৰণি পাঞ্চৰাত্ৰ সাহিত্য আৰু দৰ্শনত পুৰুষ-সূক্তৰ বিশেষ স্থান আছিল।

## হয়গ্ৰীৱ-তন্ত্ৰ

হয়গ্ৰীৱৰ বিষয়ে দুটা বেলেগ কাহিনী "কালিকা-পুৰাণে" ইঙ্গিত কৰা আমি ওপৰত পাই আহিছো। কিন্তু ইয়াৰ পূৰ্ব্বৰ হয়গ্ৰীৱ-কাহিনীবোৰৰ ভিতৰতো পৰস্পৰ মিল দেখা নাযায়। মহাভাৰতৰ শান্তি-পৰ্ব্বত আছে বিষ্ণুৱে মধুকৈটভক মাৰি চাৰি বেদ উদ্ধাৰ কৰে। বিষ্ণু-পুৰাণত আছে, ভদ্ৰাশ্ববৰ্ষত বিষ্ণুৱে হয়শিৰা ৰূপ ধৰি থাকে। হৰিবংশত কৈছে হয়গ্ৰীৱ নৰকৰ এজন সেনাপতি, কৃষ্ণৰ দ্বাৰা যুদ্ধত নিহত হয়। ভাগৱত পুৰাণমতে বিষ্ণুৱে মৎস্য অৱতাৰত হয়গ্ৰীৱ অসুৰক মাৰি বেদ উদ্ধাৰ কৰে। মৎস্য-পুৰাণৰ বৰ্ণনামতে মৎস্য অৱতাৰৰ আগত বিষ্ণুৰ হয়গ্ৰীৱ অৱতাৰে বেদ, বেদাঙ্গ, ন্যায়-বিস্তৰ, মীমাংসা আৰু ধৰ্ম্মশাস্ত্ৰবোৰ পুনৰ্বিভাগ কৰে। মাৰ্কণ্ডেয়-পুৰাণৰ কথা বিষ্ণু-পুৰাণৰ অনুৰূপ ; কিন্তু তাত কোৱা হৈছে ঘোঁৰাৰ মূৰেৰে জনাৰ্দ্দনৰ আগ ঠেং ঘোঁৰাৰ আগ ঠেঙৰ দৰে আৰু চকু তিনটা। বামন-পুৰাণত আকৌ আছে, বামনে কৃষ্ণা নদীৰ পাৰত হয়শিৰাৰূপে আৰু মহোদয়ত হয়গ্ৰীৱৰূপে থাকে। স্কন্দ-পুৰাণৰ ধৰ্ম্মাৰণ্য-খণ্ডত আছে, কৃষ্ণৰ শিৰ নিজৰ ধেনুৰ গুণে কাটি পেলায় ; বিশ্বকৰ্ম্মাই সূৰ্য্যৰ ৰথৰ ঘোঁৰাৰ মূৰ এটা আনি কটা কান্ধত লগাই দিয়ে আৰু কৃষ্ণই ধৰ্ম্মাৰণ্যত তপস্যা আৰম্ভ কৰে। সাত্বত-তন্ত্ৰমতে হৰিৰ হয়শিৰা লীলা অৱতাৰে মধুকৈটভৰ হাতৰ-পৰা বেদ উদ্ধাৰ কৰে। দেৱী ভাগৱতমতে হয়গ্ৰীৱ বিষ্ণুৱে হয়গ্ৰীৱ অসুৰক বধ কৰে।

"যোগিনী-তন্ত্ৰ"ত কোৱা হৈছে ( ২-৯ ) বিষ্ণু মণিকূটত হয়গ্ৰীৱৰূপে থাকে। ব্ৰহ্ম-পুৰাণত শ্ৰীক্ষেত্ৰৰ জগন্নাথ মন্দিৰৰ কৃষ্ণ, বলভদ্ৰ আৰু সুভদ্ৰাৰ মূৰ্ত্তিৰ বিষয়ে যি কাহিনী গ্ৰথিত হৈছে, এই তন্ত্ৰতো হয়গ্ৰীৱ মাধৱ সম্পৰ্কে তেনে এটি কাহিনী সৃষ্টি কৰিবৰ কাৰণে যত্ন কৰা হৈছে। এই যত্ন তন্ত্ৰখনতে প্ৰথম যেন লাগে। তদুপৰি তাৰ, বিশেষ এই অধ্যায়টোত ( ২-৯ ), ব্ৰহ্ম-পুৰাণৰ শ্লোকৰ অনুকৰণ আৰু প্ৰতিধ্বনি বহুত আছে। কাহিনীভাগত কোৱা হৈছে, ইন্দ্ৰদ্যুম্ন ৰজাই এনিশা সপোন দেখিলে পুৰা এজোপা নাম নোহোৱা গছ সাগৰৰ পাৰত উটি অহা দেখা যাব, আৰু তাকে তেওঁ কুঠাৰ এখন লৈ টুকুৰা কৰি কাটি আনিব লাগিব। যেনে স্বপ্ন, পিচদিনা তেনে কাজ। দুটুকুৰা কাঠ কামৰূপলৈ অনা হ'ল ; আৰু এটুকুৰা অনা হ'ল মণিকূটলৈ হয়গ্ৰীৱ-মাধৱৰ মূৰ্ত্তি গঢ়িবৰ কাৰণে। ১৬০৮ শকত বৰ্ত্তমান শিৱসাগৰৰ দিলীহ নৈৰ পাৰৰ কেন্দুগুৰিৰ ৰামচন্দ্ৰ বৰপাত্ৰই অনুবাদ কৰা

যোগিনীতন্ত্ৰৰ পদত এই আখ্যানকে দিয়া হৈছে। এই পদ-পুথিত আৰু আছে, প্ৰাচীন কালত উৰ্ব্ব ঋষিয়ে তপস্যা কৰি বিষ্ণুৰ সাক্ষাৎ লাভ কৰিলে আৰু প্ৰাৰ্থনা কৰিলে যেন মণিকূটত থকা জয়াসুৰক বধ কৰি জগতৰ পাপ-সংহাৰৰ হকে তাতে বাস কৰে। ঋষিৰ তুতিমতে মাধৱে এখন ডাঙৰ যুজত হয়াসুৰক বধ কৰে। অসুৰে শেষ মুহূৰ্ত্তত মাধৱত শৰণ পশি তেওঁ যেন মণিকূটত তাৰ ৰূপ গ্ৰহণ কৰে, এই মিনতি জনায়। বিষ্ণু-দৰ্শনৰ ফলস্বৰূপে অসুৰ বৈকুণ্ঠলৈ গ'ল। মাধৱে হয়গ্ৰীৱ ৰূপ ল'লে, আৰু স্বয়ং অনন্তই মণিকূট-গিৰি ৰূপ ধৰি হয়গ্ৰীৱ মাধৱৰ আধাৰ হৈ থাকিল। অসমৰ তান্ত্ৰিক লেখক-সকলে এনেভাৱে পুৰাণৰ অনুকৰণত হয়গ্ৰীৱ-আখ্যান প্ৰতিষ্ঠা কৰিলে। জগন্নাথ দাৰু-মূৰ্ত্তিৰ লগত খাপ খুৱাবলৈ হয়গ্ৰীৱ মাধৱৰ মূৰ্ত্তিক "শিলাময় দাৰুময়" বুলিও কৈ থোৱা হৈছে। মাধৱৰ মন্দিৰৰ পূজা-উছৱ আদিতো "জগন্নাথ-মন্দিৰৰ আৰ্হি" ৰাখিবলৈ যত্ন কৰা হৈছে।

বৈষ্ণৱ পাঞ্চৰাত্ৰ তন্ত্ৰসমূহৰ ভিতৰত হয়গ্ৰীৱ-সংহিতা" নামে এখনিও আছে। আনফালে বৌদ্ধ তন্ত্ৰসমূহত হয়গ্ৰীৱ নামে এজন দেৱতাৰ বিশেষ স্থান দেখা যায়। ডঃ কাকতিয়ে হয়গ্ৰীৱক বৌদ্ধ তন্ত্ৰৰপৰা আমদানি কৰা বুলি ভাবিব খোজে। অৱশ্যে "কালিকা-পুৰাণ"ৰ হয়গ্ৰীৱৰ ধ্যানৰ লগত বৌদ্ধ তন্ত্ৰ হয়গ্ৰীৱৰ বিবিধ ৰূপৰ কোনো মিল নাই। হিন্দু তন্ত্ৰৰ হয়গ্ৰীৱৰ ৰূপ এই উপপুৰাণত এইদৰে আছে—

'কৰ্পূৰকুন্দধৱলঃ সিতপদ্মোপৰি স্থিতঃ।
চতুৰ্ভুজঃ কুণ্ডলাদিনানালঙ্কাৰভূষিতঃ॥
ৱৰদাভয়হস্তস্তৱামহস্তদ্বয়েন তু।
পুস্তকং সিতপদ্মঞ্চ ধত্তে হস্তদ্বয়েঽপৰে॥
শ্ৰীৱৎসকৌস্তুভোৰস্কঃ ক্বচিচ্চ গৰুড়াসনঃ

বজ্ৰযানৰ সাধনবোৰত হয়গ্ৰীৱক আমি কেইবাভাবেও লগ পাওঁ। এঠাইত তেওঁ তাৰা আৰু আন দুজন দেৱতাৰে সৈতে খসৰ্পণ নামে দেৱৰ সঙ্গী। হয়গ্ৰীৱ আৰু তাৰা আকৌ লোক-নাথৰ সঙ্গী। অক্ষোভ্যৰপৰা হোৱা নজন পুৰুষ দেৱতাৰ ভিতৰত হেৰুক আৰু হয়গ্ৰীৱও দুজন। হয়গ্ৰীৱৰ তিনটা ৰূপ পোৱা যায়—এটাৰ শিৰত অমিতাভ, এটাৰ অক্ষোভ্য আৰু আনটোৰ পৰমাৰ্থ হয়গ্ৰীৱ। হয়গ্ৰীৱৰ ৰূপ সাধনবোৰত উগ্ৰ ধৰণৰ, এটি মাথোন "কালিকা পুৰাণ"ৰ ধ্যানৰ কাষ চাপে—হয়গ্ৰীৱ লোকেশ্বৰ : তেওঁ বজ্ৰপৰ্য্যঙ্ক আসনত এটি পদুমৰ ওপৰত আসীন। তেওঁৰ চাৰি ভুজ, তাৰে ঘাই দুখনি হাতত ব্যাখ্যান মুদ্ৰা। বাকী দুখন হাতত সোঁহাতে জপমালা, বাঁওহাতে পদুম। মুঠতে বৈষ্ণৱ হয়গ্ৰীৱৰ লগত বজ্ৰযানী হয়গ্ৰীৱৰ বেছি মিল নাই।

হয়গ্ৰীৱ মাধৱৰ মন্দিৰ কোনো সময়ত বৌদ্ধ আছিল বুলি জানিবৰ কোনো উপায় বৰ্ত্তমানে নাই। কেপ্টেইন্ ডেল্টন্ চাহাবে সম্ভৱতঃ কিম্বদন্তীৰপৰা লিখিছে যে নৰনাৰায়ণে এই মন্দিৰ হাবিৰ মাজত পৰিত্যক্ত অৱস্থাত আৱিষ্কাৰ কৰে। তেওঁ মন্দিৰটোৰ পুনঃসংস্কাৰ কৰাই পূজাৰি, গায়ন-বায়ন, নটী আৰু মাটি-বৃত্তি আদি দিয়ে ১৫৫০ খ্ৰীষ্টাব্দতে। ১৫৮৩ চনতহে ৰঘুদেৱ নাৰায়ণে এই মন্দিৰ পুনৰ্নিৰ্ম্মাণ কৰোৱা কথা ৰাজবংশাৱলী আৰু মন্দিৰৰ গাৰ ফলিৰপৰা জনা যায়। দৈত্যাৰি ঠাকুৰৰ গুৰু-চৰিতত মাধৱ-দেৱ হাজোলৈ যোৱা আৰু গোসাঁই চাই "হয়গ্ৰীৱ ৰূপক বৰ্ণায়া কৰি সেৱ পঢ়িলন্ত অনেক শ্লোকক" বুলি উল্লেখ কৰা হৈছে। এই "অনেক শ্লোক"



প্ৰকৃততে "যোগিনী-তন্ত্ৰত" ( ২. ৯. ২০১—৯ ) দিয়া হয়গ্ৰীৱৰ সপ্তস্তোত্ৰই হ'ব পাৰে। স্থানীয় বিশ্বাসমতে মাধৱদেৱে মন্দিৰৰ ভিতৰ নোসোমাই দুৱাৰ-মুখৰপৰাই গোসাঁইৰ দৰ্শন লাভ কৰিছিল আৰু দুৱাৰৰ শিলত তেওঁৰ হাতৰ চিন বৈ যায়।

হয়গ্ৰীৱ পূজাৰ মন্ত্ৰ—"ওঁ নমো নাৰায়ণায়," ওপৰৰ বাসুদেৱ পূজাৰ দৰে পুৰুষ-সূক্ত মন্ত্ৰ, দ্বাদশাক্ষৰ বীজ-মন্ত্ৰ, কৃষ্ণৰ বীজ-মন্ত্ৰ আৰু আন আন বৈষ্ণৱ মন্ত্ৰ। মণ্ডলত বিবিধ মন্ত্ৰেৰে ন্যাসৰ বিধি দিয়া হৈছে। আৱাহনৰ মন্ত্ৰ—

'মীনৰূপো ৱৰাহশ্চ নৰসিংহোঽথৱা পুনঃ।
আয়াতু দেৱো ৱৰদো মম নাৰায়ণোঽগ্ৰতঃ॥
সুমেৰোশ্চাপাদপীঠে পদ্মকল্পিতমাসনম্।
সৰ্বসত্বহিতাৰ্থায় তিষ্ঠ ত্বং মধুসূদন॥'

এইদৰে অৰ্ঘ্য, পাদ্য, মধুপৰ্ক, আচমনীয়, স্নান, বিলেপন, নৈবেদ্য দিয়াৰ সুকীয়া সুকীয়া মন্ত্ৰ আছে। হয়গ্ৰীৱৰ সপ্তস্তোত্ৰত দেৱতাৰ ৰূপৰ কল্পনা সহস্ৰ-বাহু, সহস্ৰ-ৰশ্মি, শশাঙ্ক-সূৰ্য্যায়ত বিশ্ব-মূৰ্ত্তি, জ্যোতীৰূপ সনাতনৰূপে। আনফালে হয়গ্ৰীৱ চতুৰ্ভুজ—ৱৰদমুদ্ৰা, পাশ, পুস্তক আৰু শ্বেতপদ্ম ধৰি শশধৰ-শুভ্ৰমূৰ্ত্তি আৰু পদ্মৰ ওপৰত আসীন।

পদ্ম, শঙ্খ, শ্ৰীৱৎস, গদা, গৰুড়, চন্দ্ৰ, চক্ৰ আৰু সাৰঙ্গ—এই আঠটিক মুদ্ৰা বোলা হৈছে। পাঞ্চৰাত্ৰ সংহিতাত পৰদেৱৰ নবিধ অস্ত্ৰ আৰু অলঙ্কাৰ জগতৰ মূল তত্ত্ববোৰৰ প্ৰতীকৰূপে থিয় হয়; যেনে কৌস্তুভ জীৱাত্মাৰ প্ৰতীক, শ্ৰীৱৎস প্ৰকৃতিৰ, গদা মহৎতত্ত্বৰ, শঙ্খ সাত্বিক অহঙ্কাৰৰ, ইত্যাদি।

হয়গ্ৰীৱ মূৰ্ত্তিৰ স্নান, উদ্বৰ্ত্তন ( সুগন্ধ তেলেৰে মাৰ্জ্জন ), কুৰ্চ্চ-কাৰ্য্য ( বুৰুজ মৰা ), পৰিধাপন, মলয়চন্দন গোপীচন্দন আদিৰে তিলক দান আদিৰ বিস্তৃত বিধান তন্ত্ৰত দিয়া হৈছে।

ন্যাসৰ বিধানত পাঞ্চৰাত্ৰৰ মূল চাৰি মূৰ্ত্তি বা চতুৰ্ব্যূহক স্থাপন কৰা হৈছে—বাসুদেৱ, সঙ্কৰ্ষণ প্ৰদ্যুম্ন আৰু অনিৰুদ্ধ।* গৰুড়, অস্ত্ৰ, অলঙ্কাৰ, শক্তি ( লক্ষ্মী, পুষ্টি, ভূমি আদি ) আদিকো মণ্ডলত ন্যাস কৰিব লাগে। ইয়াৰ উপৰি পীঠৰ ঈশান আৰু তেওঁৰ শক্তিসমূহ, গ্ৰহসমূহ আৰু দিক্‌পতিসকলকো পূজা দিব লাগে। পূজাৰ শেষত মুদ্ৰা আৰু মূলমন্ত্ৰেৰে জপ কৰিব লাগে।

"যোগিনীতন্ত্ৰ"ত নানাবিধ ফল, শাক আৰু ধানৰ নামেৰে হয়গ্ৰীৱৰ উপহাৰ দ্ৰব্যৰ তালিকা দিছে। গৰুৰ গাখীৰ, হৰিণ, ছাগ, শালন ( ? ) শহাৰ মাংস হয়গ্ৰীৱ বিষ্ণুৰ বিশেষ প্ৰিয়। ম'ৰা, কপৌ আদি চৰাই উপহাৰ বিশেষ।

১৬০৮ শকত ৰচিত ৰামচন্দ্ৰ বৰপাত্ৰৰ পুথিৰ-পৰা দেখা যায় শ্ৰীশঙ্কৰী ধৰ্ম্মৰ প্ৰচাৰৰ ফলত মাধৱৰ মন্দিৰৰ পূজা-উৎসৱ আদিয়ে নতুন বোল ধৰে। সত্ৰীয়া প্ৰসঙ্গ আৰু প্ৰসাদৰ পদ্ধতি ইয়াৰ ভিতৰত সোমাই পৰে।

## চতুৰ্দ্দশ-পঞ্চদশ শতিকাৰ তাম্ৰশাসনত পুনৰ বাসুদেৱ-পূজা

"কালিকা পুৰাণ"ৰ দিক্কৰবাসিনী পীঠৰ ( বৰ্ত্তমানৰ উত্তৰ-পূৱ অসম ) মাহাত্ম্য কমি আহিবলৈ ধৰে। ষোড়শ শতিকাৰ "যোগিনী-তন্ত্ৰ"ত আমি দিক্কৰবাসিনী ( তীক্ষ্ণকান্তা, ললিত-কান্তা ) দেৱী আৰু এই পীঠৰ বাসুদেৱ পূজাৰ কথাৰ উল্লেখ নাপাওঁ। বাসুদেৱৰ পূজা সম্ভৱতঃ ৰহিত হোৱাত পূজাৰ থানবো চিন হেৰাল।

* ছপা যোগিনীতন্ত্ৰত অনিৰুদ্ধৰ ঠাইত ত্ৰিবিক্ৰম নাম পোৱা গৈছে ( ২. ৯. ১৮৫ ); কিন্তু এই পাঠ বিভ্ৰাট যেন হে লাগে। এই শ্লোকৰ মিল থকা আৰু সম্ভৱতঃ তাৰ মূল ব্ৰহ্মপুৰাণৰ শ্লোকত ( ৬১. ৩৯ ) অনিৰুদ্ধই আছে।

উত্তৰ লখিমপুৰ মহকুমাত পোৱা দুখন তামৰ ফলিয়ে চতুৰ্দ্দশ শতিকাৰ একেবাৰেই শেষ ভাগ আৰু পঞ্চদশ শতিকাৰ একেবাৰেই আগ ভাগত এই অঞ্চলত বাসুদেৱ-পূজাৰ চলতিৰ আভাস দিয়া যেন লাগে। ইয়াৰ প্ৰথমখন ফলি ঢকুৱাখানাৰ ঘিলামৰাৰ ওচৰৰ ধনুখনা নামৰ ঠাইৰ এখন বিলত ১৯১০ চনত পোৱা যায়, দ্বিতীয়খন ১৯৩২ চনত ঘিলামৰাৰ ওচৰত ন-ভাওতী মাটিত কোৰ মাৰোঁতে এজন কছাৰী মানুহে পায়। প্ৰথমখন ফলি সধয়াপুৰীৰ নন্দীৰ পুত্ৰ সত্যনাৰায়ণ ৰজাৰ; দ্বিতীয়খন সত্যনাৰায়ণৰ পুত্ৰ লছমীনাৰায়ণৰ। প্ৰথমখনত কাশ্যপ গোত্ৰৰ সঙ্কৰ্ষণ দ্বিজৰ পুত্ৰ নাৰায়ণ দ্বিজক ১৩১৪ শকত ধৰলি নৈৰ আৰত লুহুমিমাৰি ( পথাৰত ) ৬০০ পুটি ( পুৰা ? ) মাটি খাটোৱাল মানুহে সৈতে ( বৃত্তিকাৰজনৈঃ সাৰ্ধম্ ) আৰু দুই কুণ্ডাৱলী (?) নাও ৰখা থকা ঠাই দান কৰা হৈছে। এই তাম্ৰশাসনতে আকৌ লিখা হৈছে যে পানীৰে সৈতে গোটাপৰা নামে বিখ্যাত গাৱঁত দুই কুণ্ডাৱল নাৱৰ ঠাই মাটি সলনি কৰি দিলে; তাৰে সৈতে ব্যাঘ্ৰমাৰিত ছশ পুটি প্ৰত্যক্ষনাৰায়ণ ৰজাই দিলে। এই ফলিৰ সধয়াপুৰীক এতিয়াও চিনাক্ত কৰা হয় হোৱা নাই। ধৰলি নৈ উত্তৰ লখিমপুৰৰ ধল নৈ ( "কালিকা-পুৰাণ"ৰ সিতগঙ্গা ? ) হোৱাই সম্ভৱ। এই নৈৰ পাৰৰ ঘটাপৰাই ফলিৰ গোটাপৰা হ'ব পাৰে। এই অঞ্চলৰে বাঘমুৰী গাৱেঁই ফলিৰ ব্যাঘ্ৰমাৰি হোৱা অসম্ভৱ নহ'ব। ঘটাপৰাৰ মাটিৰ তলত কোষা, অৰ্ঘা, মূৰ্ত্তি আদি পোৱা গৈছে। এই ফলিখনৰ ঠায়ে ঠায়ে আখৰ নোহোৱা হ'লেও আদিতে গণপতিক নমস্কাৰ কৰাৰ পিচত দৈত্যাৰি বাসুদেৱ ( দিতিসুতনিৱহঃ ৱাসুদেৱঃ ), ঈশান আৰু হিমালয়নন্দিনী অম্বাক ( তুহিনগিৰিসুতাং সুৰ্ৱন্দ্যামম্বাং ) স্মৰণ কৰা পোৱা গৈছে। মন কৰিবলগীয়া কথা যে "কালিকা-পুৰাণ"ৰ বিহিত পঞ্চদেৱতা-পূজাৰ ভিতৰত এই তিনিওজনা দেৱতাই পৰে। ফলিৰ ক্ষয় যোৱা অংশত বাকী দুজন দেৱতাৰ ( ব্ৰহ্মা, ৰাম ) নাম আছিল বুলি ভাবিবৰ থল আছে। এনেভাবে এই ফলিৰ দান তান্ত্ৰিক বাসুদেৱ-পূজাৰ লগত জড়িত যেন লাগে।

দ্বিতীয়খন তামৰ ফলিত লক্ষ্মীনাৰায়ণ ৰজাই শাণ্ডিল্য গোত্ৰৰ হৰিৰ পুত্ৰ ৰবিদিৱক পুণ্য বিষুৱ দিনা দুশ পুটি মাটি ৰখলা গাৱেঁ সৈতে উছৰ্গি দিছে। তাৰে পূৰ্ব্বে স্বৰ্ণদী, দক্ষিণে পোকামৰী। ফলিখনৰ তাৰিখ ১৩২৩ শক। এই বৰ্ণনাৰ স্বৰ্ণদী "যোগিনী-তন্ত্ৰ"ত উল্লিখিত স্বৰ্ণদীয়েই, আনন্দচন্দ্ৰ আগৰৱালাই দেখুওৱা মতে সম্ভৱ সোৱণশিৰিয়েই। সোৱণশিৰিৰ পশ্চিম পাৰৰ ৰথামুখ ফলিৰ ৰখলা গাওঁ হ'ব পাৰে; ঘুণাসুঁতি বেবেজীয়াৰ দক্ষিণৰ পকীমুৰী বিলৰ নামেই ফলিৰ যুগত পোকামৰী থাকিব পাৰে। ফলিখনত বিশেষ মন কৰিবলগীয়া ৰবিদেৱৰ পিতৃ হৰি বাসুদেৱ-পূজাপৰ—"ৱাসুদেৱাৰ্চ্চনে ৰতঃ।" মুঠতে দুইখন ফলিৰ দান বাসুদেৱ-পূজাক উৎসাহ দিবৰ বাবেই কৰা বুলি ভাবিলে বোধ হয় ভুল নহ'ব।

বৰ্ত্তমান উত্তৰ লখিমপুৰ নগৰৰ ১৮ মাইলমান পূবলৈ কঢ়া ( চামপৰা বা চাওপৰাৰ শাখা ) নৈ আৰু চাৰিকৰীয়া নৈৰ মাজ ভাগত বাসুদেৱৰ থান নামে এক থান আছে। এই থান প্ৰকৃততে নৰোৱা গোসাঁইৰ সত্ৰ আছিল। এতিয়াও সেই গোসাঁইৰ বংশৰ লোকেই এই থানৰ অধিকাৰী।

---

# অসমীয়া বুৰঞ্জী সাহিত্যৰ ভূমিকা

শ্ৰীযুত লীলা গগৈ

বুৰঞ্জী সাহিত্য অসমীয়া কথা-সাহিত্যৰ আপুকগীয়া, অনুপম, সুণীয়া সঁফুৰা। যেতিয়া ভাৰতৰ আধুনিক ভাষাবোৰৰ কথা-সাহিত্যৰ গোঁৰ-পাখি গজা নাছিল, তেতিয়া অসমীয়া ভাষা উৰণীয়া,—সুৱদি, মৌ-মিঠা কলকণ্ঠৰ অধিকাৰী। অসমৰ গাৱেঁ-ভূঞে, পানী-বাটত, নাম-ঘৰত হেজাৰ-বিজাৰ পুথি এতিয়াও দেও পূজাদি পূজি আছে আৰু সেইবোৰতেই অসমীয়া সংস্কৃতিৰ এছোৱা লিপিত খাই আছে। ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম কথা-সাহিত্যৰ বাটকটীয়া। "Prose was very rarely cultivated in the modern Indian languages in their early periods. Exceptions are early Assamese, which developed a prose-style in the histories of Sino-Tibetan (Ahom) inspiration (the Buranji literature) from the 17th century." (Dr. Suniti Kumar Chatterji)

ভট্টদেৱৰ কথা-গীতা আৰু কথা-ভাগৱত বুৰঞ্জী সাহিত্যতকৈ পুৰণি হলেও ইয়াৰ ভাষা আৰু বুৰঞ্জীৰ ভাষাৰ লগত মিল নাই। কথা-ভাগৱতৰ ভাষাত শাস্ত্ৰীয় প্ৰভাৱ আৰু ধৰ্ম্মনৈতিক ভাব অঙ্কন কৰাত ইয়াৰ শব্দাৱলীত তৎসম শব্দৰ পৰিমাণ সৰহ আৰু থূলমূল ভাষা সংস্কৃতগন্ধি। কিন্তু বুৰঞ্জীসমূহৰ ভাষা সেই কালৰ কথিত গদ্যৰ ভেঁটিত ৰচনা কৰা। মুঠতে বুৰঞ্জী সাহিত্য কথিত ভাষাৰ পলসত সজীৱ হৈ উঠা কথা-সাহিত্যৰ সেউজীয়া নতুন দুবৰি। সেয়েহে আজিও অসমীয়া কথা-সাহিত্যই প্ৰতিযোগিতাৰ পথাৰত সোণাতলী ৰচনা কৰি উৰ্ব্বৰা শক্তিৰ চানেকি দাঙি ধৰিছে।

অসমীয়া বুৰঞ্জী সাহিত্য অসমীয়াৰ গৌৰৱৰ সম্পত্তি। ৰাৰীৰ ঘাঁহে গোহালিৰ গৰুৱে ৰাহি নহাৰ নিচিনাকৈ আমি সুণীয়া সঁফুৰাত সোণৰ চেকুৰা বিচাৰি নেপালেও, সাত সাগৰ তেৰ নদাৰ সিপাৰৰ ভাষাতত্ত্ববিদ ডাঃ গ্ৰীয়েৰ্ছন চাহাবে "Linguistic Survey of India"ত লিখি থৈ গৈছে—"Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as a rule is curiously defficient. The historical works are numerous and voluminous." ভাৰতৰ বিভিন্ন ৰাজ্যৰ পণ্ডিত-সকলেও পুৰণি অসমীয়া গদ্যৰ চানেকি বুৰঞ্জী পুথি দেখি তবধ মানিছে আৰু অসমীয়া সংস্কৃতিৰ সম্পদ দেখি শতমুখে প্ৰশংসা কৰিছে।

বুৰঞ্জী সাহিত্য এহাতে নিৰহ-নিপানী বুৰঞ্জী, আনহাতে অনুপম সাহিত্য। ভাষাৰ মাধুৰ্য্য, শব্দ-যোজনা, বাক্য-ৰীতি, অলঙ্কাৰ আদি ফঁহিয়াই চালে বুৰঞ্জী আৰু সাহিত্যৰ মূল্য সমান। বুৰঞ্জীক অতি পৱিত্ৰ আৰু বহুমূলীয়া সম্পদ বুলি আবুৰত আটোম-টোকাৰিকৈ ৰাখিছিল। "আৰু ৰহস্যে ৰাখিব। মন নেপালে পুত্ৰকো নিদিব। অবৈৰ মিত্ৰ

হলে তাক দেখাব। ৰাজাৰ বিশ্বাস-ভঙ্গ, পণ্ডিতৰ বাধা। আৰ বিশ্বাস ভাঙিলে মাতৃ-পৰিহাস পাপে পায়। হেন জানি বিশ্বাসে ৰাখিব। বিশেষত অগাধ-শাস্ত্র, আৰ কোনে অন্তক পায় ? মহা মহা পণ্ডিতে যাতে মহামোহক পায় ; তথাপি মতি অনুসাৰে যিমান পায়, তাক লেখাইছোঁ। আত পণ্ডিতে হঠাতকাৰ দোষণ নধৰিবা। ধৰিলে দোষণ বিস্তৰো পায়।"

বুৰঞ্জী অসমলৈ অহা টাইসকলৰ পোন-পতীয়া সাংস্কৃতিক অৱদান। উত্তৰবৰ্ম্মাৰ শ্যান-সকলে তামৰ পাতত সোণালী ৰহণেৰে নতুবা সোণৰ পানী চৰাই বুৰঞ্জী লিখিছিল। অসমতো টাইসকলে তামৰ পাতত লিপি লিখি দিছিল আৰু মুগা আৰু পাটৰ কাপোৰত সোণালী ৰহণেৰে আহোম আখৰেৰে বুৰঞ্জী লিখিছিল। আপুৰুগীয়া পুথি এতিয়াও আছে। ডাঃ গ্ৰীয়েৰ্ছন চাহাবে লিখিছে—"Ahom is rich in history. The remarkable series of historical works which forms the glory of Assamese literature is no doubt due to the influence of the Ahoms." (Linguistic Survey of India, Vol. II)

তেৰ শতিকাৰ এটা সোণালী ৰাতিপুৱা পাটকাই পাৰ হৈ স্বৰ্গদেৱ চুকাফাই সৌমাৰপীঠত ভৰি দিলেহি। পৰ্ব্বত-ভৈয়াম একে-কঠি কৰি বহল অসম গঢ়িবলৈ টাইসকলে নিজৰ ভাষা এৰি অসমৰ থলুৱা ভাষা গ্ৰহণ কৰিলে আৰু অসমীয়া ভাষাৰে বুৰঞ্জী লিখিবলৈ ধৰিলে। অসমৰ বুৰঞ্জী-সমূহ কেইবা ভাগতো ভগাব পাৰি। (১) আহোম লিপি আহোম ভাষাৰে ; ( ২ ) অসমীয়া লিপি আৰু অসমীয়া ভাষাৰে ; ( ৩ ) অসমীয়া লিপি আৰু আহোম ভাষাৰে। আহোম বুৰঞ্জী দুবিধ :— ( ক ) লাইলিক্ বুৰঞ্জী ( লাই=ডাঙৰ, লিক্= পুথি ) আৰু ( খ ) লীং বুৰঞ্জী ( লীং=সৰু )। আহোম ভাষাৰে লিখা বুৰঞ্জী এখন মাথোঁ ১৯৩০ চনতে ছপা হৈ ওলাইছিল। পাঁচজন দেওধাই পণ্ডিতৰ সহায়ত ৺গোলাপ বৰুৱাই সম্পাদনা আৰু ইংৰাজী অনুবাদ কৰিছিল। ৺হেমচন্দ্র গোস্বামীয়ে সম্পাদনা কৰা "পুৰণি অসম বুৰঞ্জীখনেই" এতিয়ালৈকে প্ৰকাশিত পুৰণি বুৰঞ্জী বুলি পৰিগণিত হৈছে।

পুৰণি বুৰঞ্জীসমূহৰ ভাষা চমৎকাৰ। "দেওধাই অসম বুৰঞ্জীত" আহোম ভাষাৰ যথেষ্ট প্ৰভাৱ পৰিছিল। মুংৰিমুংৰামৰত ৰাজত্ব কৰা খুনলাইৰ পুতেক আইজেপ্ তেংফা। তেওঁৰ অভিষেকৰ দিন ধৰি এটা শঁক বা লাক্নি গণনা কৰা হয়। ইয়াকে "আইজেপী" লাক্নি বোলে। আহোম দেওধাই-মহন বা বৰুৱা বা ডা-ডাঙৰীয়াৰ তত্বাৱধানত লিখোৱা আগতীয়া বুৰঞ্জীসমূহত আইজেপী লাক্নি ব্যৱহাৰ কৰিছিল। ৰজাঘৰীয়া বুৰঞ্জীসমূহ চিৰিং ফুকনে লিখাইছিল আৰু ৰাজমন্ত্ৰীৰ প্ৰত্যক্ষ দৃষ্টিৰ অধীনত আছিল। কিন্তু লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই বুৰঞ্জী দাহ কৰাৰ সময়ৰেপৰা বুৰঞ্জী লিখা কাম বৰবৰুৱাৰ অধীনলৈ আনে। তাৰ পিচতে ওঠৰ শতিকাত ৰঙাচিলা ছুৱৰাৰ ঘৰৰ শ্ৰীনাথ ছুৱৰা বৰবৰুৱাই "তুঙ্গখুঙ্গীয়া বুৰঞ্জী" সঙ্কলন কৰে। এইখন বুৰঞ্জী এহাতে যেনেকৈ নিখুঁত নিৰপেক্ষ বুৰঞ্জী, আন-হাতে ওঠৰ শতিকাৰ অসমীয়া কথা-সাহিত্যৰ নিভাঁজ চানেকি। "দেওধাই বুৰঞ্জী"ত ভালেমান আহোম শব্দ আৰু চন-তাৰিখ ব্যৱহাৰ কৰা হৈছে। যেনে :—হেঙ্গদান, এনায়েক, পুথাৰেক, থেম, চৌখাম্, স্লেদাম স্লেকু, খুতচিঙ্গা, ৰিক্‌খন্-মুংখন, লাংকুৰি, খুৰ খুন, থেম খাম, ইত্যাদি।



অসমীয়া বুৰঞ্জীসমূহৰ ভাষা প্ৰাঞ্জল, ভাব সৰল, কথাৰ আঁৰ নাই। অনাৱশ্যকীয় অলঙ্কাৰ, শব্দ বা কথাৰ ঠাই নাই। আনহাতে অতিৰঞ্জনৰ প্ৰচেষ্টা নাই। সত্যৰ পোহৰত যি জিলিকে তাকেহে বুৰঞ্জীত ঠাই দিয়ে। কোনো একোটা একোটা ভাবৰ গভীৰতা বঢ়াবলৈ "চূড়ান্ত" অলঙ্কাৰযুক্ত একোটা সাহিত্যৰ ৰসেৰে টুপটুপীয়া হৈ থকা ভাবব্যঞ্জক বাক্য লিখিছে—"কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব, মই কথাৰ গড় বান্ধি দিছোঁ, প্ৰাণ পৰিভুগী ৰব।" এইটো বাক্য আলঙ্কাৰিক অৰ্থত যেনে সুন্দৰ, ভাবাদৰ্শতো সিমান চহকী। অকল সেয়ে নহয় ; কেতিয়াবা একোটা ক্ৰিয়াহীন এটীয়া শব্দৰ বাক্যৰেই ভাব প্ৰকাশ কৰে। আনহাতে বুৰঞ্জীৰ বাক্যবোৰ সাধাৰণতেই সৰল বাক্য।

কৰতীয়া গঙ্গাকে সীমা কৰি ৰাজ্য মাৰিবলৈ দিহা কৰি স্বৰ্গদেৱ ৰুদ্ৰসিংহই চুবুৰীয়া ৰাজ্য-সমূহলৈ কটকী পঠাইছিল। সেই সময়তে ৰত্নকন্দলী আৰু অৰ্জ্জুনদাস বৈৰাগী নামৰ দুজন কটকী ত্ৰিপুৰালৈ গৈছিল আৰু তেওঁবিলাকে ত্ৰিপুৰা ৰাজ্যৰ বিৱৰণ আৰু বুৰঞ্জী সমন্বিতে এখন বুৰঞ্জী লিখিছিল। ১৬৪৬ শকত এই পুথিখন লিখা হৈছিল। এইখনেই "ত্ৰিপুৰা বুৰঞ্জী।" এইখন বুৰঞ্জীৰ ভাষা আৰু বাক্যৰীতি ইমান প্ৰাঞ্জল যে এইবোৰ আঢ়ৈশ বছৰৰ আগৰ অসমীয়া ভাষা বুলিলে উচাপ খাই উঠিব লাগে। ইয়াৰ বৰ্ণনা অতি ফটফটীয়া আৰু ৰসাল ; ভাষাও মৰমলগা। "ৰৰচ'তি, ফুলচ'তি, ফুকামৰ চ'তি এইসকলতো সোণৰ ৰূপৰ বৰৈএৰে মুৰালী থোপা আৰিছিলে। চালৰ চাৰিওফালে কুহুম-বুলীয়া কৰি তিনিশৰীয়াকৈ পান কাটি দিছিলে, তাতে ৰূপৰ বৰৈ দিছিলে। চ'ৰাৰ ভিতৰত মহাৰাজ বহিবলৈ আনদিন বহা দুই ভিঁটিৰ মাজত মাটিৰ ভিঁটি বান্ধিছিলে। তাতে পাটী পাৰি বানত পাৰি-ছিলে। তাৰ ওপৰত সিংহাসন পাৰিছিলে। তাতে সোণৰ খুটাএৰে চাঙ্গটি চন্দোৱাৰ তৰিছিলে। সোণে পোৱালে গঁথা চাকিত ৰাখৰপতা কোখত বৰৈ দিয়া এনে জঁটীয়া জাল এখান সিংহাসনত আৰিছিলে। ওপৰত সাতখন চন্দোৱাৰ তৰি-ছিলে।" ওপৰুক্ত কথা কেইশাৰীয়েই সেই যুগৰ কথা-সাহিত্যৰ ঠাঁচ দাঙি ধৰিব পাৰে।

অসমীয়া বুৰঞ্জী লিখকে নিজৰ দেশৰ বুৰঞ্জী লিখাৰ উপৰিও দাঁতি-কাষৰীয়া অন্যান্য দেশৰো বুৰঞ্জী লিখিছিল। কছাৰী বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, পাদশ্যাহ বুৰঞ্জী আৰু জয়ন্তীয়া বুৰঞ্জীয়েই ইয়াৰ জলজল্ পটপট্ উদাহৰণ। পাদ্‌শ্যাহ বুৰঞ্জীত মোগলৰ আচাৰ-ব্যৱহাৰ আদি প্ৰকাশ কৰিবলৈ ভালেমান যাৱনিক শব্দ ব্যৱহাৰ কৰিবলগীয়া হৈছে। খোদা, নিকাহ, বিলায়ত, হাৰামজাদা, হাৰামখোৰ, গয়ৰহ, নজদগী, কবুল, চিপহ চালাৰ, ফৰমান ইত্যাদি।

অসমীয়া বুৰঞ্জী সাহিত্য পত্ৰ-সাহিত্যতো চহকী। বিভিন্ন দাঁতিয়াল ৰাজ্যৰ লগত বা-ৰাতৰি, চিঠি-পত্ৰ, যুদ্ধ-সন্ধি আদি ঘোষণাৰ লিখিত পত্ৰ আদি আদান-প্ৰদান হৈছিল আৰু সেই চিঠিপত্ৰবোৰ স্বৰ্গদেৱৰ ৰাজ-ভঁৰালত গন্ধীয়া বৰুৱাই সংৰক্ষণ কৰিছিল। চিঠিৰ সম্বোধনবাচক কথাখিনি দীঘল সন্ধি-সমাস-অলঙ্কাৰগধুৰ সংস্কৃত ভাষাৰ আৰু মূল চিঠিখন অসমীয়া, ফাৰ্চী, সংস্কৃত, দাঁতিয়াল ৰাজ্যৰ ভাষামিশ্ৰিত অসমীয়াৰ। ৰুদ্ৰসিংহৰ দিনত জয়ন্তীয়া ৰজালৈ দিয়া চিঠিত এইদৰে আছে—"গড়গাওঁ জয়ন্তা দুই নাহয়। সত্যনিবন্ধনপূৰ্ব্বক একঘৰ প্ৰায় সম্বন্ধ-প্ৰীতিতে চলি গৈছে হেন যি লিখিছা, অদ্যাপিও আমি

সেই পূৰ্ব্ব অভেদ প্ৰীতিতে ৰহিছোঁ।” মোগল, কোচ, কছাৰী, জয়ন্তা, ভোট, ত্ৰিপুৰা, মণিপুৰ আদি ৰজালৈ দিয়া চিঠি আৰু ইয়াৰ উত্তৰসমূহ সন্নিবিষ্ট কৰা আছে।

বুৰঞ্জীৰ ৰিজনি, উপমা আৰু ভাবগধুৰ খণ্ড-বাক্যবোৰ আজিৰ ভাষাতকৈ বেছি ভাবব্যঞ্জক আৰু ৰসাল। উদাহৰণ স্বৰূপে কেইটামান উদ্ধৃত কৰিলোঁ। ‘একে চোঙতে দুটা বাঘ নেথাকে; লাউ ফুল ফুলোঁতে চিকণ দেখি, সৰোঁতে একে তিলে সৰে; জালুক মিঠা নহয়মানে কথা নেৰিব; তিতাগছৰ আগো তিতা, গুৰিও তিতা; পিঠি দিলে হাতী-পৰ্ব্বতকো নেদেখি; খাৰৰ নামে এপেৰাও নাই, গুলিৰ নামে চাৰিপেৰাও নাই, কাঁড় নামে এককাঠিও নাই; হাতী চাৰি লাদকো নিদিওঁ, আগৰ কাঠ চাৰি জগা কাঠকো নিদিওঁ, মৰিচ চাৰি তাৰ চেইকো নিদিওঁ, সোণ চাৰি লুইতৰ বালিকো নিদিওঁ; বাৰীৰ ভিতৰত পুখুৰী সিচোঁতেও আঠোটা দহোটা মানুহক শিঙীয়ে ফুটে, ৰণত দুই-চাৰি মানুহ নপৰিবনে? পহুখেদা কুকুৰে খোজ যদি পালে, সি পহু নেপায় মানে এৰে নেকি, হাতীৰ দাঁত ওলালে হেঁচুকিলে নেকি সোমায়; মূৰৰ চুলি দুই-এডাল পকিলে, তাক কাঢ়িলে শোভা দেখি, সকল যদি পকিল তাক কাঢ়িলে আপোনাৰ মূৰত দুখ পাবলৈহে আছে; এন্দুৰৰ গাঁতত হাতী সোমাব পাৰিলেহে ডফলা জয় কৰিব পাৰি; থাউনি পানীতহে জাকৈ বাৰি, অথাউনি পানীত কিকৈ বাৰি; কেচা বৰলক জোকালে গা সাৰিবলৈ টান হব; ই মানুহক এৰিলে স্বৰ্গদেৱে নেজকটা বাঘকেহে এৰিলে; বুঢ়াৰ হাতত চেঙেলি পৰিলে কমনে এৰাইতে পাৰি; দশমৰ পদ মইহে কৰিছোঁ, তয়ো কৰিবি; লগুণৰ গুৰি লেকাইচেতিয়া; এদাতিৰপৰা কিছু কিছুকৈ খালে ভাতো টুটে ভোকো গুচে; সিবোৰ হৈছে বাঘ, আমি হৈছোঁ পহু; বন্দীয়ে মুগাৰ ঠেনাকৈ সূত কাটি মৰে; সিংহই শিয়ালৰ আজ্ঞাৰে হাতীক নেমাৰে; হস্তীৰ পেটত শত কুম্ভ জল থাকে, কষ্টতো এক কুম্ভ থাকে; শিয়াল-কুকুৰৰ বাটে হাতী কি কৈ যায়? নাৱৰ গুৰি তল গলে, আগতল নেযায় নেকি; বেজী হলেহে বটীয়া, ম'ৰা হলেহে চালি; সাগৰ-তলো কি নাই; জোঁৱাই হলে শহুৰ, জেঠেৰী বৈনাই, এইসকল সহিতে দন্দ কৰিলে আপোনা-ৰহে ভাৰ্য্যা হেৰায়; লাউ তল যাব, শিল উপঙিব, কোৱা বগা হব, বগ ক'লা হব, ব্ৰহ্মপুত্ৰে উভতি গতি কৰিব, তেবে কি মোৰ কবুল ছাৰিবে; আপদত ছাগৰো পাৰ পথালি, ইত্যাদি।

ব্যাকৰণৰ দৃষ্টিভঙ্গীৰে চালেও বুৰঞ্জীসমূহ চহকী আছিল। নতুন শব্দ সৃষ্টি, প্ৰত্যয় প্ৰয়োগ, বিশেষণ আদি মন কৰবলগীয়া। সুণীয়া হেঙ্গদান, টুপীয়া জাপি, চাউল-সমলীয়া, সোণাৰলী পটুকা, ৰূপাৰলী পটুকা, বাৰুৰতি, ডাঙ্গৰী ভুনি, আদানি (ডবল পইচা) ইত্যাদি। ঐতিহাসিক সত্য, ভাষা, প্ৰকাশভঙ্গী, বাক্যৰীতি, শক্তিশালী শব্দপ্ৰয়োগ আৰু নিবহ-নিপানীকৈ লিখা কথাৰ সমন্বয়ত অপূৰ্ব্ব সাহিত্যৰ সৃষ্টি হৈছে। বুৰঞ্জীত ব্যৱহাৰ কৰা ভালেমান শব্দ আমালৈ আচহুৱা হৈ পৰিছে, নতুবা বাক্যৰীতি খোকোজা লগা বিধৰ হৈছে। কিন্তু, বঙলুৱা, বিজতৰীয়া ভাব অনুকৰণৰ দিনত বুৰঞ্জী সাহিত্যই নিজস্ব ৰক্ষা কৰিবলৈ আৰু চহকী বোলাবলৈ অকুণ্ঠচিত্তে সমল দিব পাৰে। বুৰঞ্জীৰ বাক্যৰীতি, সৰলবাক্য প্ৰয়োগ, পৰদেশী শব্দ ধাৰ কৰা আদি বিষয়ত আধুনিক লিখক-সকলকো আদৰ্শ দিব পাৰে। বুৰঞ্জীত ব্যৱহাৰ হোৱা আৰু আজিকালি অপ্ৰচলিত শব্দ উদ্ধাৰ



আৰু ব্যৱহাৰ কৰিও ভাষা চহকী কৰিব পাৰি। যেনে—বিলৈগুটি, সুণীয়া, সোণাৰলী, লেহেতিয়া, গোণাওঁতা, আগাৰি, ঠেনা, কুকলি, খাৰছাই, ফুকহা খোৱা, হাউহি মাৰি, হুহি দি, ওল, ঠগ, চৰীয়া ইত্যাদি।

কথা-সাহিত্যৰ ইমান পুৰণি অথচ নতুন ঠাঁচ আৰু ভাষাৰ সম্পদ ভাৰতৰ অন্যান্য ৰাজ্যত নাই। বুৰঞ্জী সাহিত্য চৰ্চ্চা আৰু গৱেষণা কৰিবলৈ আমাৰ বহল পলসুৱা পথাৰ পৰি আছে। ইয়াৰ বুকুত অজস্ৰ মাণিক মুকুতা থুন্দ খাই আছে। বুৰঞ্জী সাহিত্যৰ যোগেদি আজিও আমি অসমীয়া সাহিত্য আৰু শব্দ-ভঁৰাল চহকী কৰিব পাৰোঁ। যি মৰাণী বুৰঞ্জীক কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই দুবছৰে পুৰিও অন্ত পেলাব নোৱাৰিলে সেই বুৰঞ্জীয়ে আজিও অসমীয়াক সাংস্কৃতিক গৌৰৱৰ সমল দিছে, ভাষাৰ চানেকি দিছে, শব্দৰ ভঁৰাল দিছে, বাক্যৰীতিৰ ঠাঁচ দিছে; তাকে অনুকৰণ কৰি আমি নিভাঁজ, নিজা অসমীয়া কথা-সাহিত্যৰ সৃষ্টি কৰিব পাৰোঁ। অৱশেষত সত্য আৰু ন্যায়ৰ পৰাকাষ্ঠাৰে ডঃ সুনীতি কুমাৰ চেট্টাৰ্জ্জীয়ে কৰা উক্তিৰে সামৰণি মাৰোঁ—“অসমৰ প্ৰাচীন বুৰঞ্জী-সাহিত্য ভাৰতীয় আন ভাষাবিলাকৰ মাজত একক আৰু অতুলনীয়।”*

* অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশন (১৯৫৫)ৰ বুৰঞ্জী শাখাৰ সভাত পঠিত।

# পণ্ডিত নীলাম্বৰাচাৰ্য্য

শ্ৰীযুত মনোৰঞ্জন শাস্ত্ৰী

যিসকল বিদগ্ধ পণ্ডিতে নিজৰ জ্ঞানজ্যোতিৰে প্ৰাচীন কামৰূপ ৰাজ্য আলোকিত আৰু ইয়াৰ ইতিহাস গৌৰৱোজ্জ্বল কৰি থৈ গৈছে—তাৰ ভিতৰত মহাপণ্ডিত নীলাম্বৰাচাৰ্য্য অন্যতম। অসমৰ চুকে-কোণে এতিয়াও সংস্কৃত শাস্ত্ৰ চৰ্চ্চাত ৰত থকা প্ৰাচীন পণ্ডিতসকলৰ মাজত এই নাম সুপৰিচিত। কামৰূপীয় স্মৃতি-নিবন্ধকাৰসকলৰ ভিতৰত নীলাম্বৰাচাৰ্য্যৰ নাম যাউতিযুগীয়া হৈ আছে। সমগ্ৰ ভাৰতৰে অদ্বৈতবাদী বৈষ্ণৱ দাৰ্শনিকসকলৰ ভিতৰতো নীলাম্বৰৰ স্থান অগ্ৰ-গণ্য বুলি কলে অত্যুক্তি কৰা নহয়। পুৰণি কালত অৰ্থাৎ ভাৰতত প্ৰাক্‌খ্ৰীষ্টীয় যুগত আৰু অসম ৰাজ্যত প্ৰাক্‌শঙ্কৰী যুগত প্ৰচলিত ধৰ্ম্মত, দাৰ্শনিক চিন্তাধাৰা, সামাজিক গঢ় আদি বিষয়ে আলোচনা কৰিবলৈ হ'লে তাত এই পণ্ডিতজনাৰ গ্ৰন্থই প্ৰচুৰ ৰৰঙনি যোগাব। সেই কালত ভাৰতৰ অন্যান্য দেশতো এই পণ্ডিতজনাৰ নাম আৰু খ্যাতি বিয়পি পৰিছিল। ভাৰতৰ আন আন দেশৰ স্মৃতি-নিবন্ধকাৰসকলৰ গ্ৰন্থত নীলাম্বৰাচাৰ্য্যৰ নাম আৰু মতৰ উল্লেখ পোৱা যায়।

এতিয়ালৈকে এই পণ্ডিতজনাৰ ৰচিত চাৰি-খন গ্ৰন্থৰ সম্বাদ পোৱা গৈছে:—

১। বিখ্যাত বৈষ্ণৱ গ্ৰন্থ বিষ্ণুপুৰাণৰ "অংশ-প্ৰকাশিকা" নামৰ টীকাগ্ৰন্থ এখন। গ্ৰন্থকাৰ ৰচিত "শ্ৰাদ্ধ-প্ৰকাশ" গ্ৰন্থৰ ভিতৰত স্বৰচিত গ্ৰন্থ বুলি ইয়াৰ উল্লেখ কৰা হৈছে। (১) আমি অনুসন্ধান কৰিও এই গ্ৰন্থৰ কোনো পুথি, অসমৰ ভিতৰত নাপালোঁ। ইয়াৰ একমাত্ৰ সাঁচিপতীয়া পুথি এখন "বেঙ্গল এছিয়াটিক ছোছাইটি"ৰ—গ্ৰন্থাগাৰত ৰক্ষিত আছে।

২। "কালকৌমুদী"— বাৰ্ষিক ধৰ্ম্মকৃত্য বিষয়ক স্মৃতি-নিবন্ধ। ইয়াৰ উল্লেখ বঙ্গ আৰু অসমৰ স্মৃতিনিবন্ধ গ্ৰন্থবিলাকত প্ৰচুৰ পোৱা যায়। দহবছৰমান আগতে ইয়াৰ পুথিও আমাৰ দেশৰ সংস্কৃত পণ্ডিতসকলৰ বহুতৰে ঘৰত পোৱা গৈছিল। এই কেইবছৰৰ ভিতৰতে সেইবিলাক পুথি লোপ পালে। দুই এখন আছে যদিও অজ্ঞ মালিকৰ হাতত পৰিছে; তাক আনক চাবলৈকে নিদিয়ে। বহু যত্নৰ ফলত ইয়াৰ এখন মাত্ৰ জীৰ্ণ পুথি, কামৰূপৰ বালিসত্ৰৰ পণ্ডিত শ্ৰীৰমেশচন্দ্ৰ গোস্বামী ব্যাকৰণতীৰ্থৰ সৌজন্যত পোৱা গৈছে। এতিয়া সেই পুথি "কামৰূপ সংস্কৃত সঞ্জীৱনী সভা"ৰ গ্ৰন্থাগাৰত নলবাৰী সংস্কৃত কলেজত ৰক্ষিত আছে। ইয়াৰো প্ৰথম পাতটো নাই, শেষৰ পাতটোও প্ৰায় নষ্ট হৈছে।

৩। আনখন পুথিৰ নাম "শ্ৰাদ্ধপ্ৰকাশ" বা "শ্ৰাদ্ধভাষ্য"—কাত্যায়নৰ শ্ৰাদ্ধকল্পসূত্ৰৰ ভাষ্য-গ্ৰন্থ। এই গ্ৰন্থৰো উল্লেখ বিভিন্ন দেশৰ স্মৃতি-নিবন্ধ গ্ৰন্থত পোৱা যায়। ইয়াৰ পুথি দুখন "কামৰূপ সংস্কৃত সঞ্জীৱনী সভা"ৰ গ্ৰন্থাগাৰত আনি ৰখা হৈছে। ইয়াৰ এখন কামৰূপ জিলাৰ বাঁহজানি গাৱঁৰ—(বৰ্ত্তমানে মঙ্গলদৈ চৰকাৰী হাই স্কুলৰ সংস্কৃত শিক্ষক) পণ্ডিত শ্ৰীযুত ধৰ্ম্মনাথ শাস্ত্ৰীদেৱৰ আৰু আনখন কামৰূপৰে ধুবকুছি গাৱঁৰ পণ্ডিত শ্ৰীযুত অম্বিকানাথ ভট্টাচাৰ্য্য ব্যাকৰণতীৰ্থ মহাশয়ৰ সৌজন্যত পোৱা গৈছে। (২)

৪। চতুৰ্থখন গ্ৰন্থৰ নাম "চন্দ্ৰপ্ৰভা"—প্ৰায়শ্চিত্ত বিষয়ক স্মৃতি-নিবন্ধ। বৈষ্ণৱ যুগৰ সুপণ্ডিত কবি অনন্ত কন্দলীয়ে তেওঁৰ ৰচিত "প্ৰায়শ্চিত্তকল্পদ্ৰুম"ত, (৩) আৰু খৃষ্টীয় সপ্তদশ শতকৰ কামৰূপীয় স্মৃতি-নিবন্ধকাৰ বিপুণ্ডয়ে "পূৰ্ণচন্দ্ৰ" (৪) গ্ৰন্থত এই গ্ৰন্থৰ উল্লেখ কৰি উদ্ধৃতি দিছে। কিন্তু এই মূল্যবান্ গ্ৰন্থখনৰ কোনো পুথি আজি পৰ্য্যন্ত আমাৰ চকুত পৰা নাই।

এই পণ্ডিতজনা যে পুৰণি অসমৰ লোক আছিল এই বিষয়ে কোনো মতানৈক্য হোৱাৰ

(১) "অস্যাৰ্থোংশস্বকৃতবিষ্ণুপুৰাণটীকায়ামনুসন্ধেয়ঃ।" [কাঃ সং সঃ সভাৰ পুথি নং ৬, পত্ৰসংখ্যা ৬৯, পৃঃ ১]

(২) ধৰ্ম্মশাস্ত্ৰৰ ইতিহাসত মহামহোপাধ্যায় পি. ভি, কানে মহাশয়ে ৰয়েল এছিয়াটিক ছোছাইটিৰ বোম্বাই শাখাৰ পুথিৰ বিৱৰণপত্ৰ (Descriptive Catalogue of Sanskrit Mss., Bombay Branch, Royal Asiatic Society) কাত্যায়নীয় শ্ৰাদ্ধকল্পসূত্ৰৰ 'প্ৰকাশ' নামৰ ভাষ্যটো, সঙ্কৰ্ষণৰ পুত্ৰ হলায়ুধৰ ৰচিত বুলি লিখিছে। [History of Dharma Shastra, Sec. 72, p 301] অনুসন্ধান কৰি দেখা গ'ল যে এই পুথি নীলাম্বৰাচাৰ্য্য কৃত 'শ্ৰাদ্ধপ্ৰকাশ'ৰ লগত অভিন্ন। হলায়ুধ আৰু নীলাম্বৰ এই দুয়োটাই শ্ৰীকৃষ্ণৰ অগ্ৰজ বলভদ্ৰৰ নাম। সম্ভৱতঃ সেই কাৰণেই লিপিকাৰৰ প্ৰমাদ বশতঃ তাত নীলাম্বৰৰ ঠাইত হলায়ুধৰ নাম লিখা হৈছে।

(৩) কাঃ সং সঃ সভাৰ গ্ৰন্থাগাৰত ৰক্ষিত পুথি, পাত ৫, পৃঃ ১, দ্ৰষ্টব্য।

(৪) কাঃ সং সঃ সভাৰ পুথি; পাত ৬, পৃঃ ১, আৰু পাত ১৭, পৃঃ ১, দ্ৰষ্টব্য।



খবৰ আমি নাপাওঁ। বঙ্গদেশৰ সংস্কৃত শিক্ষা পৰিষদৰ "কামৰূপীয় স্মৃতি"—বিষয়ৰ পৰীক্ষাৰ আৰম্ভৰপৰাই নীলাম্বৰাচাৰ্য্যৰ "কালকৌমুদী" নামৰ গ্ৰন্থখন পাঠ্যৰূপে নিৰ্দ্দিষ্ট হৈ আছে।

এওঁৰ ৰচিত "শ্ৰাদ্ধপ্ৰকাশ" বা "শ্ৰাদ্ধভাষ্য"ৰ, —"মহাশল্ক ইতি বৃহন্নিচ্ছল ইতি যস্য ৰূঢ়িঃ"— [শ্ৰাঃ ভাঃ—কাঃ সং সঃ, ৬নং পুথি, পাত ৫০, পৃঃ ১] অৰ্থাৎ—মহাশল্ক মানে যাক "বৰ নিছলা" বোলা হয়; আৰু "ভূস্তৃণং গন্ধচানাখ্যশাক-বিশেষঃ"—[তথা পাত ৫০, পৃঃ ১] অৰ্থাৎ ভূস্তৃণ মানে গন্ধচানা নামৰ এবিধ শাক,—এই কথাই পণ্ডিতজনা পুৰণি অসমৰ আছিল বুলি নিঃসন্দেহে প্ৰমাণ কৰে। মহাশল্ক মানে ডাঙৰ মিছা মাছ। এতিয়াও মধ্য অসমৰ মঙ্গলদৈ অঞ্চল আৰু কামৰূপ জিলাত মিছা মাছক নিছলা বা নিছিলা মাছ বোলে। গন্ধচানা এবিধ কচুজাতীয় সুগন্ধ শাক। এতিয়াও কামৰূপৰ কবিৰাজসকলে ৰোগীক গন্ধচানা বা গোন্ধচেনাৰ আঞ্জা খাবলৈ ব্যৱস্থা দিয়ে। অসমৰ কোনো কোনো ঠাইত ইয়াক 'গোন্ধ-কচু' বোলে। ভাৰতৰ আন কোনো ভাষাত নিছলা মাছ আৰু গন্ধচানা শব্দৰ ব্যৱহাৰ থকাৰ খবৰ পোৱা নাযায়।

"যুগ্মানাসয়েৎ—" এই কাত্যায়ন-সূত্ৰৰ ব্যাখ্যা প্ৰসঙ্গত গ্ৰন্থকাৰে কৈছে যে, "যদি ইয়াত 'স'ৰ পৰিবৰ্ত্তে 'শ' পাঠ কৰা হয় অৰ্থাৎ—"যুগ্মানাশয়েৎ"—এইদৰে পাঠ কৰা হয় তেন্তে আশয়েৎ—মানে ভোজন কৰাব লাগে এনে অৰ্থ হব। "তালব্যশকাৰপক্ষে তু যুগ্মান্ ভোজয়ে-দিত্যৰ্থঃ"—[তথা পত্ৰসংখ্যা ৬৮, পৃঃ ১] ভাৰতৰ আন প্ৰদেশত তালব্য 'শ' আৰু দন্ত্য 'স'ৰ উচ্চাৰণভেদ সহজে ধৰা পৰে—অনা-অসমীয়া গ্ৰন্থকাৰৰ পক্ষে এনেকুৱা সংশয় হোৱাৰ সম্ভাৱনা নাই আৰু 'শ' আৰু 'স'ৰ তালব্য-দন্ত্য বিশেষণ দিয়াৰো সাৰ্থকতা নাথাকে। অসমত 'শ' আৰু 'স'ৰ ভেদ লিখাত হে আছে, কোৱাত হলে তালব্য আৰু দন্ত্য বিশেষণৰ দ্বাৰা সেই ভেদ প্ৰকাশ কৰা হয়। গ্ৰন্থকাৰ অসমীয়া হোৱাৰ কাৰণে এই কথাটো ভালকৈ জানিছিল আৰু সেই কাৰণেই তেখেতে 'শ' আৰু 'স'ৰ ভেদ বুজাবলৈ 'তালব্য' আৰু 'দন্ত্য' বিশেষণ ব্যৱহাৰ কৰিছে।

বিশেষণহীন 'মাস' শব্দটোৱে মুখ্যভাবে সৌৰমাসক বুজায় নে চান্দ্ৰমাসক বুজায়—এই প্ৰশ্নৰ আলোচনা কৰি গ্ৰন্থকাৰে অৱশেষত,—তেতিয়াৰ বঙ্গদেশ আৰু অসমত চিৰদিন চলি থকা সৌৰবাদ অৰ্থাৎ 'মাস' শব্দই সাক্ষাৎভাবে শক্তিৰ দ্বাৰা সৌৰমাসক বুজায়—এই পক্ষ খণ্ডন কৰি চান্দ্ৰবাদ অৰ্থাৎ মাস শব্দৰ মুখ্য অৰ্থ চান্দ্ৰ-মাস এই পক্ষ সমৰ্থন কৰিছে। তেখেতৰ মতে বিশেষণহীন 'মাস' শব্দটোৱে মুখ্য অৰ্থত চান্দ্ৰমাস অৰ্থাৎ শুক্লপ্ৰতিপদাদি অমাবাস্যান্ত মাসক হে বুজায়। যেতিয়া ই (মাস শব্দই) সৌৰমাসক বুজায় তেতিয়া লক্ষণাৰ দ্বাৰা গৌণভাবেহে তাক বুজায়। এই মত সমৰ্থন কৰি যে তেওঁ কামৰূপত চিৰপ্ৰচলিত পুৰণি মতৰ বিৰোধ কৰিছে এই কথা নিজে বুজিছিল আৰু তাৰ কাৰণে প্ৰাচীন-পন্থী সকলক লক্ষ্য কৰি এই দৰে প্ৰাৰ্থনা কৰিছে যে "নীলাম্বৰাচাৰ্য্যই শাস্ত্ৰৰ অনুসৰণ কৰিছে এই কথা আপোনাসকলক বুজাইছে। হে বুদ্ধিমান সজ্জনসকল, আপোনাসকলে মাৎসৰ্য্যদোষ ত্যাগ কৰি এই কথাৰ প্ৰতি মনোযোগ দিয়ক"। (৫)

(৫) ইতি শাস্ত্ৰাবিৰোধেন নীলাম্বৰাববোধিতে।
দত্তাবধানং ধীমন্তো ভবন্তু গতমৎসৰাঃ॥
(কালকৌমুদী, কাঃ সং সঃ পুথি, পাত ২১, পৃঃ ২)

য'ত চান্দ্ৰবাদ আগৰপৰা চলি আছে, কোনো নতুনত্বৰ প্ৰশ্ন উঠা নাই তেনে ঠাইৰ গ্ৰন্থকাৰৰ পক্ষে এনেকৈ প্ৰাৰ্থনা কৰাৰ কোনো হেতু দেখা নাযায়।

বঙ্গদেশতো পুৰণি কালত সৌৰবাদ চলাৰ প্ৰমাণ আছে। শূলপাণিয়ে বিশেষকৈ স্মাৰ্ত্ত ৰঘুনন্দন ভট্টাচাৰ্য্যই হে সৌৰবাদ পূৰাভাবে খণ্ডন কৰি তাত চান্দ্ৰবাদ চলালে। এতিয়াও বঙ্গদেশত সৌৰবাদ অনুসৰণ কৰিয়ে পঞ্জিকাত মাহবিলাকৰ নাম লিখা হয়। শূলপাণি আৰু ৰঘুনন্দন উভয়ে নীলাম্বৰাচাৰ্য্যৰ যুক্তিৰ অনুসৰণ কৰা দেখা যায়। বঙ্গদেশ আৰু কামৰূপ পৰস্পৰ চুবুৰীয়া প্ৰদেশ। গতিকে বঙ্গৰ নিবন্ধকাৰ অসমত আৰু অসমৰ নিবন্ধকাৰ বঙ্গত সমাদৃত হোৱাটো স্বাভাৱিক। অসমৰ বেদাচাৰ্য্য আদি স্মৃতি-নিবন্ধকাৰসকলৰ ওপৰত ভৱদেৱ ভট্ট আদি বঙ্গীয় স্মৃতি-নিবন্ধকাৰসকলৰ প্ৰভাৱ পৰাৰ দৰে বঙ্গৰ কোনো কোনো নিবন্ধ-কাৰৰ ওপৰতো কামৰূপৰ নিবন্ধকাৰসকলৰ অলপ নহয় অলপ প্ৰভাৱ পৰাৰ পৰিচয় পোৱা যায়। শূলপাণি আৰু ৰঘুনন্দন ভট্টাচাৰ্য্য দুয়োজনেই নীলাম্বৰাচাৰ্য্যৰ পৰবৰ্ত্তী লোক। গতিকে সেই দুয়োজন নিবন্ধকাৰেই চান্দ্ৰবাদৰ সমৰ্থকৰূপে নীলাম্বৰাচাৰ্য্যৰ প্ৰভাৱত পৰিছিল বুলি নিঃসন্দেহে কব পাৰি। বঙ্গ-অসমৰ ভিতৰত ঘাইকৈ নীলাম্বৰাচাৰ্য্যইহে প্ৰথমতে সৌৰমত খণ্ডন কৰি চান্দ্ৰবাদৰ প্ৰতি যুক্তিৰে সমৰ্থন জনাইছে। ৰক্ষণশীল অসমৰ প্ৰাচীনপন্থী সমাজত সেই মতৰ আদৰ নহল। বেদাচাৰ্য্য দামোদৰ মিশ্ৰ, শ্ৰীধৰ মিশ্ৰ, পীতাম্বৰ সিদ্ধান্তবাগীশ আদি কামৰূপীয় আন নিবন্ধকাৰসকলেও সেইমত গ্ৰহণ কৰি প্ৰকাশ্যে তাৰ প্ৰতিবাদ কৰিলে। গতিকে অসমত নীলাম্বৰাচাৰ্য্যৰ সমৰ্থিত চান্দ্ৰমত নিটিকিল। প্ৰগতিশীল বঙ্গদেশত হলে শূলপাণি, ৰঘুনন্দন ভট্টাচাৰ্য্য আদি নিবন্ধকাৰসকলৰ সহযোগত সেই মতে প্ৰতিষ্ঠা লাভ কৰিলে।

দায়ভাগ আদি নিবন্ধৰ গ্ৰন্থকাৰ জীমূত-বাহনক প্ৰধানতঃ জনশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰি ৰাঢ় (বঙ্গ) দেশৰ আছিল বুলি নিৰ্ণয় কৰা হৈছে। বিবাহ-ঘটকসকলৰ কল্পিত আৰু অতিৰঞ্জিত কুলপঞ্জীৰ আখ্যানক বাদ দি জীমূতবাহনৰ নিজৰ ৰচিত গ্ৰন্থ আৰু তেওঁৰ পূৰ্ব্ববৰ্ত্তী তথা পৰবৰ্ত্তী কালত ৰচিত বঙ্গ আৰু কামৰূপৰ নিবন্ধ-গ্ৰন্থ-বিলাকৰ ভিতৰুৱা কথাবিলাক আলোচনা কৰিলে জীমূতবাহন পুৰণি কামৰূপীয় নিবন্ধকাৰ আছিল বুলি কোৱাৰ পক্ষেও অধিক সবল যুক্তি পোৱা যায়। যদি জীমূতবাহনক বঙ্গদেশৰ নিবন্ধকাৰ বুলি স্বীকাৰ কৰা হয় তেন্তে তেওঁৰ লেখাত কামৰূপীয় সৌৰবাদৰ সমৰ্থন আছে হেতুকে বঙ্গদেশত যে সেই কালত সৌৰবাদ প্ৰচলিত আছিল তাত কোনো সন্দেহৰ অৱকাশ নাথাকে। জীমূত-বাহনৰ ওপৰত সৌৰবাদী জিতেন্দ্ৰিয়, শঙ্খধৰ, সম্ভ্ৰমভট্ট, বালোক, যোগ্লোক আদি কামৰূপীয় নিবন্ধকাৰসকলৰ তথা স্মৃতিমীমাংসা, ধৰলসংগ্ৰহ আদি কামৰূপীয় স্মৃতি-নিবন্ধৰ প্ৰভাৱ পৰিছিল বুলি সহজে বুজা যায়। জীমূতবাহনৰ উল্লিখিত বালোক, যোগ্লোক, অন্ধুক, সম্ভ্ৰম, জিতেন্দ্ৰিয় আৰু শঙ্খধৰ এইসকল গ্ৰন্থকাৰক যি যুক্তিত বঙালী বুলি কোৱা হৈছে তেওঁবিলাকক পুৰণি অসমৰ বুলি কবৰ কাৰণে কামৰূপৰ অপ্ৰকাশিত স্মৃতি-নিবন্ধ গ্ৰন্থৰপৰা তাতকৈ অধিক সবল যুক্তি দৰ্শাব পাৰি। প্ৰবন্ধান্তৰত আলোচনা কৰাৰ আশাত এই বিষয়ে আৰু অধিক আগবাঢ়িব খুখুজিলোঁ। গতিকে নীলাম্বৰাচাৰ্য্যৰ গ্ৰন্থৰ



ভিতৰুৱা প্ৰমাণৰপৰাও, পুৰণি কামৰূপৰ অৰ্থাৎ বৰ্ত্তমান অসমৰে কোনো ঠাইত নীলাম্বৰাচাৰ্য্যৰ জন্ম হৈছিল বুলি নিশ্চয়কৈ বুজা যায়।

নীলাম্বৰাচাৰ্য্যৰ জীৱিতকাল খৃষ্টীয় ত্ৰয়োদশ শতকৰ শেষাৰ্দ্ধ আছিল বুলি নিৰ্ণয় কৰিব পাৰি। নীলাম্বৰাচাৰ্য্যৰ গ্ৰন্থত কল্পতৰু ( ১১০০—১১৫০ খৃষ্টাব্দ ), জীমূতবাহন ( ১০৯০—১১৩০ খৃষ্টাব্দ ), কামধেনু ( ১১০০—১১৫০ খৃষ্টাব্দ ), গোবিন্দৰাজ (১০৫০—১০৮০ খৃষ্টাব্দ), পশুপতি ( ১১৭০—১২০০ খৃষ্টাব্দ ), আৰু ভৱদেৱ ভট্টৰ (১১৭৫—১২০০ খৃষ্টাব্দ ) নাম আৰু মতৰ উল্লেখ আছে। ইয়াৰ দ্বাৰা, এই গ্ৰন্থকাৰজন কোনোমতে খৃষ্টীয় ত্ৰয়োদশ শতকৰ পূৰ্ব্ববৰ্ত্তী নহয় বুলি বুজা যায়। ইপিনে, বিখ্যাত স্মৃতি-নিবন্ধকাৰ শূলপাণি (১৩৭৫—১৪৬০খৃষ্টাব্দ), ৰায়মুকুট (১৪০০—১৪৫০খৃষ্টাব্দ), গোবিন্দানন্দ ( ১৫০০—১৫৪০ খৃষ্টাব্দ ), ৰঘুনন্দন ভট্টাচাৰ্য্য ( ১৫১০—১৫৬৫ খৃষ্টাব্দ ), দামোদৰ মিশ্ৰ ( ১৪০০—১৪৬৫ খৃষ্টাব্দ ), আৰু পীতাম্বৰ সিদ্ধান্তবাগীশ (১৫৫০—১৬১৫ খৃষ্টাব্দ) (৬) আদিৰ গ্ৰন্থত নীলাম্বৰাচাৰ্য্যৰ নাম আৰু গ্ৰন্থৰ উল্লেখ তথা উদ্ধৃতি পোৱা যায়। ইয়াৰ দ্বাৰা, এই গ্ৰন্থকাৰজন যে খৃষ্টীয় ত্ৰয়োদশ শতকৰ পৰবৰ্ত্তী নাছিল অৰ্থাৎ চতুৰ্দ্দশ শতকৰ পূৰ্ব্ববৰ্ত্তী আছিল সেইটো নিঃসন্দেহে বুজা যায়।

"শ্ৰাদ্ধপ্ৰকাশ" গ্ৰন্থত সূৰ্য্য তুলা ৰাশিত থকা অৱস্থাত সৌৰ কাতি মাহত মলমাস হব পাৰে নে নোৱাৰে—এই বিষয়ে কবলৈ গৈ গ্ৰন্থকাৰে জীমূতবাহনৰ মত উল্লেখ কৰি কৈছে যে "৯৫৫ শকত কাতিৰপৰা চ'তলৈ এই ছমাহৰ ভিতৰতে দুটা মলমাসৰ লক্ষণাক্ৰান্ত মাস হৈছিল। এনেকুৱা ব্যভিচাৰ অৰ্থাৎ অনিয়ম সাধাৰণতে নঘটে এই কথা জীমূতবাহনে কৈছে। আমি কিন্তু নিজেই ১১৯৯ শকত এনেকুৱা অনিয়ম ঘটা দেখা পাইছোঁ—"অস্মাভিস্ত্ত এতাদৃশ এৱ ব্যভিচাৰো-ঽষ্দেকন্যূনদ্বাদশশতশকাব্দে দৃষ্টঃ" [ শ্ৰাঃ প্ৰঃ, কাঃ সং সঃ সভাৰ পুথি, পাত ৩, পৃঃ ১ ]। ইয়াৰ দ্বাৰা, তেওঁ যে ১১৯৯ শকত অৰ্থাৎ ১২৭৭ খৃষ্টাব্দত জীৱিত আছিল সেইটো নিশ্চয়কৈ বুজা যায়।

শ্ৰাদ্ধপ্ৰকাশৰ লেখাৰ ভঙ্গী আৰু তাত বিষ্ণু-পুৰাণৰ টীকাৰ উল্লেখৰপৰা এই গ্ৰন্থখন, গ্ৰন্থ-কাৰৰ ৰচিত চাৰিখন গ্ৰন্থৰ ভিতৰত শেষৰ বুলি বুজা যায়। গতিকে আমি যদি বিভিন্ন শাস্ত্ৰৰ অধ্যয়নত গ্ৰন্থকাৰক পঁচিশ বছৰ দিওঁ, এই কেইখন গ্ৰন্থ ৰচনা কৰাত কম পক্ষেও দহ বছৰ লাগিছিল বুলি ধৰো, আৰু গ্ৰন্থৰচনাৰ পাছত অন্ততঃ তিনি বছৰ তেওঁ জীৱিত আছিল বুলি ধৰো, তেন্তে ১২৪২ ৰপৰা ১২৮০ খৃষ্টাব্দলৈকে নীলাম্বৰাচাৰ্য্যৰ জীৱিতকাল বুলি নিৰ্ণয় কৰিব পাৰো।

গ্ৰন্থকাৰজন যে বিভিন্ন দৰ্শনশাস্ত্ৰ, জ্যোতিষ, ধৰ্ম্মশাস্ত্ৰ আদি নানা শাস্ত্ৰত পাৰ্গত, বিদগ্ধ পণ্ডিত আছিল, সেইবিষয়ে তেওঁৰ গ্ৰন্থৰ ভিতৰত নিৰ্ভৰযোগ্য নিদৰ্শন আৰু প্ৰমাণ আছে। আচাৰ্য্যজনে তেওঁৰ ৰচিত গ্ৰন্থৰ ভিতৰত যৎসামান্য হে নিজৰ পৰিচয় দিছে। 'কালকৌমুদী'ৰ আৰম্ভৰ

---

(৬) দামোদৰ মিশ্ৰ আৰু পীতাম্বৰ সিদ্ধান্তবাগীশ—এই অসমীয়া নিবন্ধকাৰ দুজনৰ বাহিৰে আন নিবন্ধকাৰ-সকলৰ সময় মহামহোপাধ্যায় পি, ভি, কানে মহাশয়ৰ ধৰ্মশাস্ত্ৰৰ ইতিহাসৰ ( History of Dharmashastra ) পৰা দিয়া হৈছে। দামোদৰ মিশ্ৰৰ সময়ৰ বিষয়ে লিখকৰ Journal of the Gauhati University, 1955 ত প্ৰকাশিত "মহামহোপাধ্যায় ৰাজগুৰু দামোদৰ মিশ্ৰ" শীৰ্ষক প্ৰবন্ধ চাওক। পীতম্বৰ সিদ্ধান্তবাগীশৰ সময় তেওঁৰ ৰচিত গ্ৰন্থৰাশিৰ ভিতৰুৱা প্ৰমাণৰপৰা লিখকৰ বিবেচনামতে নিৰ্ণয় কৰি দিয়া হৈছে।

পাতটো আমি পোৱা নাই, ইয়াত শেষৰ পাতৰ লেখাও নষ্টপ্ৰায় হৈছে যদিও অতিকষ্টে তাৰ পাঠোদ্ধাৰ কৰা হৈছে। স্বৰ্গীয় পূজনীয় ৺শিৱনাথ স্মৃতিতীৰ্থ গুৰুদেৱৰ কণ্ঠস্থ শ্লোকাংশই এই পাঠোদ্ধাৰত প্ৰভূত সাহায্য কৰিছিল। 'চন্দ্ৰপ্ৰভা' গ্ৰন্থখনতো একেবাৰে পোৱাই নগ'ল। আমাৰ দেশৰ পুৰণি সংস্কৃত পণ্ডিতসকলৰ তিৰোধানৰ লগে লগে তেওঁলোকৰ বিষয়ে সাম্প্ৰদায়িকভাবে প্ৰচলিত থকা কথবিলাকৰো ওৰ পৰিল। গতিকে এই ৭০০শ বছৰৰ আগৰ পণ্ডিতজনৰ বিষয়ে জানিবলৈ আমাৰ প্ৰচুৰ আগ্ৰহ থাকিলেও তাৰ যথেষ্ট উপাদান পোৱা নাযায়।

গ্ৰন্থকাৰে 'শ্ৰাদ্ধপ্ৰকাশ' গ্ৰন্থৰ অন্তত নিজৰ পৰিচয় দি কৈছে যে, "যিজনে গঙ্গাসাগৰ সঙ্গমত স্বেচ্ছাই প্ৰাণত্যাগ কৰি সংসাৰ-বন্ধনৰপৰা মুক্ত হৈছিল আৰু যাৰ সেই অনন্যসাধাৰণ আচৰিত কৰ্ম্ম দেখি সেই কালৰ জ্ঞানীসকলে অতীতৰ ঋষিবিলাকৰ আচৰিত কৰ্ম্মবিলাক সঁচা বুলি পতিয়াব পাৰিছিল তেনে এজন সংকৰ্ম্মৰ অনুষ্ঠানৰ সুযোগ্য পাত্ৰৰূপে জনাজাত, পুণ্যবান্‌সকলৰ প্ৰথম অৱতাৰস্বৰূপ, বিপুল যশস্যাৰে দিগ্-দিগন্ত উদ্ভাসিত কৰোঁতা, সঙ্কৰ্ষণ নামেৰে খ্যাত, শ্ৰেষ্ঠ ব্ৰাহ্মণ আছিল। তেওঁৰ সুপণ্ডিত পুত্ৰ নীলাম্বৰ সকলো শাস্ত্ৰতে ব্যুৎপন্ন আছিল যদিও ন্যায়-শাস্ত্ৰৰ বহস্য বিষয়ত অধিক নিপুণ আছিল। তেৱেঁ পিতৃকৰ্ম্মৰ প্ৰদীপ স্বৰূপ এই গ্ৰন্থখন প্ৰণয়ন কৰিছে, ইয়াৰ দ্বাৰা লোকৰ অজ্ঞান-অন্ধকাৰ নাশ হওক। (৭)

"কাল-কৌমুদীৰ" অন্তত কোৱা হৈছে যে, "স্মৃতি শাস্ত্ৰত বৰ্ণিত অৰ্থত বিশেষভাবে নিষ্ঠাবান্, জ্ঞান সমুদ্ৰ সদৃশ, আচৰিত কাৰ্য্যানুষ্ঠানৰ সমৰ্থ, সুপণ্ডিত, সঙ্কৰ্ষণ নামেৰে জনাজাত এজন ব্ৰাহ্মণ আছিল। তেওঁৰ পুত্ৰ আছিল মহাপণ্ডিত, গ্ৰন্থকৰ্ত্তা, সাক্ষাৎ অদ্বৈত-জ্ঞানসম্পন্ন, বিবেকৰ দ্বাৰা নিৰ্ম্মল, শ্ৰীমান্ নীলাম্বৰ। তেওঁ (নীলাম্বৰে) পিতাকৰ ওচৰত মনু আদিৰ প্ৰণীত সকলো শাস্ত্ৰ অধ্যয়ন কৰি সমস্ত শাস্ত্ৰতে প্ৰতিষ্ঠা লাভ কৰিছিল। সকলো শাস্ত্ৰাৰ্থত বিশেষজ্ঞ তেওঁ কাল বিবেচনাৰ অৰ্থে এই কৌমুদী সদৃশ (জোনৰ পোহৰৰ নিচিনা) গ্ৰন্থখন প্ৰণয়ন কৰিলে। জীমূতবাহন আদিৰ প্ৰণীত এনেকুৱা গ্ৰন্থ বহুত থকা সত্ত্বেও বলভদ্ৰানুজৰ (শ্ৰীকৃষ্ণৰ) প্ৰীতিৰ অৰ্থে এই "কালকৌমুদী" নামৰ গ্ৰন্থখন প্ৰণয়ন কৰিছিল। (৮)

বিষ্ণুপুৰাণৰ টীকাৰ আৰম্ভতে, 'পিতাকে কৰা

(৭) স্বঃসিন্ধুসিন্ধোঃ পৰিতসমাগমে ত্যজন্নসূন্
সংসৃতিমপ্যহাসীৎ।
যস্য ক্ৰিয়াঃ বীক্ষ্য বিপশ্চিতোঽপি সত্যং বদন্তি স্ম
মহৰ্ষিচেষ্টাম্॥
আসীদসীমৱসুধামৰমুখ্যভূতঃ সৎকৰ্মণাং প্ৰৱৰ-
পাত্ৰতয়া প্ৰসিদ্ধঃ।
সঙ্কৰ্ষণেতি ৱিদিতঃ প্ৰথিতোৰুকীৰ্ত্তিমুক্তোতয়ন্
সুকৃতিনাং প্ৰথমাৱতাৰঃ।
তস্যাত্মজঃ সকলশাস্ত্ৰপৰায়ণোঽপি যঃ পক্ষপাত-
মধিকং কৃতৱান্ কৃতীন্দ্ৰঃ।
আন্বীক্ষিকীৰহসি তেন ৱিনিৰ্মিতোঽয়মাস্তাং
তমোঽপনয়নে পিতৃকৰ্মদীপঃ।

(৮) স্মাৰ্ত্তাৰ্থনিষ্ঠাৰ্থৱিশেষনিষ্ঠো ৱিশেষৱিজ্ঞান-
চয়াম্বুৰাশিঃ।
অভূদভূতাৰ্থকৃতিঃ কৃতীন্দ্ৰঃ সঙ্কৰ্ষণাখ্যো ভুৱি
ভূমিদেৱঃ।
অদ্বৈতানুভৱঃ সাক্ষাদ্ ৱিৱেকাদেৱ নিৰ্ম্মলঃ।
তস্মাজ্জজ্ঞে মহাপ্ৰাজ্ঞঃ শ্ৰীমন্নীলাম্বৰঃ কৃতী॥



ব্যাখ্যাক আশ্ৰয় কৰি সেই গ্ৰন্থ প্ৰণয়ন কৰা বুলি কোৱা হৈছে।(৯)

এইখিনি কথাৰপৰা, নীলাম্বৰাচাৰ্য্যৰ পিতাকৰ নাম সঙ্কৰ্ষণ আছিল; সঙ্কৰ্ষণো এজন যশস্বী, সুপণ্ডিত, সৰ্ব্বশাস্ত্ৰত পাৰ্গত আৰু স্বধৰ্ম্মনিষ্ঠ লোক আছিল; নীলাম্বৰাচাৰ্য্যাই পিতাকৰ ওচৰতে সকলো শাস্ত্ৰ অধ্যয়ন কৰিছিল; তেওঁৰ অধিক নৈপুণ্য আছিল; পিতাকৰ ব্যাখ্যাক আশ্ৰয় কৰিয়ে তেওঁ বিষ্ণুপুৰাণৰ ব্যাখ্যা কৰিছিল—এই কেইটা কথা বুজা গ'ল।

গ্ৰন্থকাৰ যে এজন পৰম বৈষ্ণৱ অদ্বৈতবাদী দাৰ্শনিক আছিল, এই কথাৰো ইঙ্গিত, বিষ্ণুপুৰাণৰ টীকা আৰু শ্ৰাদ্ধভাষ্যৰ মঙ্গলাচৰণ আৰু কালকৌমুদীৰ সমাপ্তি শ্লোকৰপৰাই পোৱা যায়। বিষ্ণুপুৰাণৰ টীকাৰ প্ৰাৰম্ভতে গ্ৰন্থকাৰে বেদান্ত প্ৰতিপাদ্য অদ্বৈত ব্ৰহ্মক প্ৰাৰ্থনা কৰি 'যাৰ উদৰত সমগ্ৰ বিশ্ব নিহিত থাকে সেই দেৱতাসকলৰ উপাস্য, অসুৰগণৰ বিপক্ষ, গৰুড় বাহনত উপবিষ্ট, নৱমেঘ সদৃশ শ্যামবৰ্ণ, শুভ্ৰ দশন-পংক্তিৰ কিৰণেৰে সুশোভিতমুখ, হৃদয়-পঙ্কজৰ মধ্যৱৰ্ত্তী ভগৱান বিষ্ণুক প্ৰণাম কৰিছে। (১০) 'শ্ৰাদ্ধপ্ৰকাশ'ৰ আৰম্ভৰ শ্লোকটোত, ব্ৰহ্ম আৰু ধৰ্ম্মৰ প্ৰকাশ কৰাটোৱে যি বেদৰ প্ৰয়োজন, তথন অঙ্গ-শাস্ত্ৰৰে সৈতে সেই বেদবিলাক যাৰ নিশ্বাসৰূপে প্ৰকট হৈছে সেই ব্ৰহ্মক প্ৰাৰ্থনা কৰা হৈছে।(১১) 'কাল-কৌমুদী'ৰ সমাপ্তি শ্লোকত বলভদ্ৰানুজ শ্ৰীকৃষ্ণৰ প্ৰীতিৰ অৰ্থে এই গ্ৰন্থ ৰচনা কৰা বুলি কৈ স্পষ্টভাবে নিজৰ বৈষ্ণৱত্ব ঘোষণা কৰা হৈছে।

বিষ্ণুপুৰাণৰ "অংশপ্ৰকাশিকা" টীকাৰ প্ৰথম শ্লোকত বেদান্ত দৰ্শনৰ "তত্তু সমন্বয়াৎ"—[১।১।৩] এই তৃতীয় সূত্ৰৰ আৰু 'শ্ৰাদ্ধপ্ৰকাশ'ৰ আৰম্ভ শ্লোকত "শাস্ত্ৰযোনিত্বাৎ"—[বেঃ দঃ—১।১।৪] এই চতুৰ্থ সূত্ৰৰ, শ্ৰীশঙ্কৰাচাৰ্য্যৰ ভাষ্যানুসাৰী অৰ্থ প্ৰকাশ কৰা হৈছে। 'কালকৌমুদী'ৰ শেষৰ শ্লোকৰ "অদ্বৈতানুভৱঃ সাক্ষাৎ"—এই কথাৰ দ্বাৰা নিজক অদ্বৈতবাদী বুলি স্পষ্টতঃ প্ৰকাশ কৰা হৈছে। 'কালকৌমুদী'ৰ আৰম্ভ শ্লোক আৰু "চন্দ্ৰপ্ৰভা" গ্ৰন্থখন আমি পোৱা নাই। সম্ভৱতঃ তাৰ আৰম্ভ শ্লোকত গ্ৰন্থকাৰে বেদান্ত দৰ্শনৰ চতুঃসূত্ৰীৰ প্ৰথম আৰু দ্বিতীয় সূত্ৰৰ অদ্বৈত-বাদসম্মত অৰ্থৰ ইঙ্গিত দিছে। বেদান্ত দৰ্শনৰ চতুঃসূত্ৰীতে সংক্ষেপে বেদান্ত সিদ্ধান্ত প্ৰকাশ কৰা হৈছে। বেদান্ত দৰ্শনৰ এই বিদগ্ধ পণ্ডিতজনৰ পক্ষে স্বৰচিত চাৰিখন গ্ৰন্থৰ আৰম্ভত বেদান্তৰ চতুঃসূত্ৰীৰ অৰ্থ প্ৰকাশ কৰাৰ সুযোগ গ্ৰহণ নকৰি প্ৰথম দ্বিতীয় সূত্ৰক বাদ দি, কেৱল তৃতীয় চতুৰ্থ সূত্ৰৰ অৰ্থ প্ৰকাশ কৰিয়ে ক্ষান্ত থকাটো

তাতাদধীত্যাখিলমানৱাদিশাস্ত্ৰেষু সৰ্ৱেষু গতঃ
প্ৰতিষ্ঠাম্।
চকাৰ শাস্ত্ৰাৰ্থৱিশেষৱেত্তা স কৌমুদীং কাল-
ৱিৱেচনাৰ্থাম্॥
সংস্বপ্যপনিবন্ধেষু জীমূতাদিকৃতেষ্বথ।
বলভদ্ৰানুজপ্ৰীত্যৈ কৃতেয়ং কালকৌমুদী॥

(৯) অস্তি ৱ্যাখ্যাশতং পূৰ্ৱং কৃতং সূৰিভিৰদ্ভুতম্।
দৃষ্ট্বাপ্যবোধাদ্দৃতঃ প্ৰবৃত্তোঽয়ং মমোত্তমঃ॥
এতাৱত্যাৰ্থগহনে কথং স্যাদয়মুত্তমঃ।
পিতুৰ্ৱ্যাখ্যাৱিশেষশ্চেন্মানসে মম নাশ্ৰয়েৎ॥

(১০) ঈক্ষত্যাদিপদোপাত্তহেতুভিৰ্যৎসমন্বয়ঃ।
ৱেদান্তানাং ৱিপশ্চিদ্ভিকচ্যতে শন্তনোতু নঃ॥
জঠৰনিহিতৱিশ্বং ৱিষ্ণুমিড়্যং সুৰেশৈৰসুৰকুলৱিপক্ষং
পক্ষিৰাজোপৱিষ্টম্।
হৃদয়নলিনসংস্থং শ্যামলাম্ভোদৱৰ্ণং ৱিশদদশনদীপ্ত্যা
ভাসিতাস্যং নমামি॥
[ অংশপ্ৰকাশিকা, মঙ্গলাচৰণ ]

(১১) ব্ৰহ্মধৰ্ম্মপ্ৰকাশাৰ্থা যস্যামী ৱেদৰাশয়ঃ।
ষড়্ভিৰঙ্গৈৰ্যুতাঃ শ্বাসা ব্ৰহ্ম তচ্ছ্ৰেয়সেঽস্তু নঃ॥
[ শ্ৰাদ্ধপ্ৰকাশ, মঙ্গলাচৰণ ]

স্বাভাৱিক কথা নহয়। বিষ্ণুপুৰাণৰ টীকাৰ ভিতৰ-তো শ্ৰীশঙ্কৰাচাৰ্য্যৰ মত অনুসৰণ কৰি বিষ্ণুভক্তি-বাদ সমৰ্থন কৰাৰ সুস্পষ্ট নিদৰ্শন পোৱা যায়।

শ্ৰীমন্ত শঙ্কৰ আদি মহাপুৰুষসকলৰ প্ৰতিষ্ঠা-পিত বৈষ্ণৱ ধৰ্ম্মও যে অদ্বৈতবাদৰ ওপৰতে প্ৰতিষ্ঠিত এই কথাটো আমাৰ "অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা" গ্ৰন্থত যুক্তিৰে আলোচনা কৰা হৈছে। নীলাম্বৰাচাৰ্য্যৰ গ্ৰন্থৰপৰাও তেওঁৰ অভিমত বৈষ্ণৱ ধৰ্ম্ম সম্প্ৰদায়টো অদ্বৈতবাদৰ ওপৰত প্ৰতিষ্ঠিত আছিল বুলিয়ে বুজা গ'ল। শ্ৰীধৰ স্বামীও অদ্বৈতবাদৰ অনুগামী দাৰ্শনিক আছিল। তেৰাৰ প্ৰতিষ্ঠাপিত বিষ্ণুভক্তিবাদো অদ্বৈত দৰ্শনৰ ওপৰতে প্ৰতিষ্ঠিত। শ্ৰীধৰস্বামী নীলাম্বৰাচাৰ্য্যৰ পৰৱৰ্ত্তী লোক। শ্ৰীশঙ্কৰদেৱ আদি অসমৰ বৈষ্ণৱ যুগৰ লেখকসকলৰ লেখাত নীলাম্বৰাচাৰ্য্যৰ নাম বা গ্ৰন্থৰ উল্লেখ পোৱা নাযায়। তেওঁবিলাকে বিশেষকৈ শ্ৰীধৰ স্বামীৰ মতৰহে উল্লেখ আৰু পূৰাভাৱে অনুসৰণ কৰিছে। ইয়াৰ দ্বাৰা, শ্ৰীশঙ্কৰদেৱ আদি বৈষ্ণৱ-সকলে নীলাম্বৰাচাৰ্য্যৰ গ্ৰন্থ দেখা নাছিল বুলি বুজা যায়। এই দুশ বছৰৰ ভিতৰতে হয়তো নীলাম্বৰাচাৰ্য্যৰ "অংশপ্ৰকাশিকা" গ্ৰন্থ অসমত দুষ্প্ৰাপ্য হৈ পৰিছিল। এই প্ৰসঙ্গত এই কথাটোও ভাবিব পাৰি যে, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ যুগৰ বৈষ্ণৱ লিখকসকলৰ গ্ৰন্থত আনৰ মতৰ উল্লেখ কৰা নিয়মটো প্ৰায় নাছিলেই। তেওঁবিলাকে পদে পদে শ্ৰীধৰস্বামী বিষ্ণুপুৰী আদিৰ গ্ৰন্থৰ উদ্ধৃতি বা মতানুবাদ কৰিছে, কিন্তু অতি কম ঠাইত হে তেওঁবিলাকৰ নামোল্লেখ কৰা দেখা যায়। তেওঁবিলাকৰ গ্ৰন্থৰ ভিতৰত সেইদৰে নামোল্লেখ নোহোৱাকৈ হয়তো ক'ৰবাত নীলাম্বৰাচাৰ্য্যৰ গ্ৰন্থৰ উদ্ধৃতি বা মতানুবাদ থাকিবও পাৰে। এনেকুৱা উদ্ধৃতি নাপালেও শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱৰ শ শ বছৰ আগতো যে অসমত সুস্থ সবল দাৰ্শনিক ভিত্তিত প্ৰতিষ্ঠিত, পৰিপূৰ্ণাঙ্গ বৈষ্ণৱ ধৰ্ম্ম আৰু সম্প্ৰদায় এটা আছিল সেই বিষয়ে আমি এতিয়া নিঃসন্দেহ হ'ব পাৰো। গতিকে শ্ৰীমন্ত শঙ্কৰ আদি নৱবৈষ্ণৱ যুগৰ প্ৰৱৰ্ত্তকসকলে অসমত পূৰ্ব্বৰপৰা চলি থকা অদ্বৈত জ্ঞানাশ্ৰিত ভক্তি-বাদৰপৰা আঁতৰি নগৈ যে শ্ৰীধৰস্বামী আদিৰ প্ৰদৰ্শিত যুক্তিৰ সহায়েৰে আৰু স্থানান্তৰীয় বৈষ্ণৱ-সকলৰপৰা সংগৃহীত প্ৰসাধনেৰে সেই পূৰ্ব্ব প্ৰচলিত বৈষ্ণৱধৰ্ম্মকে পৰিপুষ্ট আৰু সুসজ্জিত কৰি তুলি-ছিল এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই।

শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱলৈকে অসমত সেই বৈষ্ণৱ ধৰ্ম্মৰ সোঁত অবাধে চলি আছিল। তাৰ মাজতে মহাপুৰুষৰ আবিৰ্ভাৱ ঘটিছে। ওপজা দিনৰপৰাই শ্ৰীশঙ্কৰদেৱে সুদৃঢ় যুক্তিবাদ বা দাৰ্শনিক ভিত্তিত প্ৰতিষ্ঠিত বৈষ্ণৱ ধৰ্ম্ম বা বিষ্ণু-ভক্তিবাদৰ সম্পৰ্ক লাভ কৰিছিল। তাৰপৰাই তেৰাৰ উৰ্ব্বৰ হৃদয়ভূমিত বিষ্ণুভক্তি অঙ্কুৰিত আৰু ক্ৰমশঃ পৰিবৰ্দ্ধিত হৈছিল। গতিকে নৱবৈষ্ণৱ ধৰ্ম্মৰ পটভূমিৰ সন্ধান বিচাৰি দেশান্তৰলৈ নগৈ অসমৰ ভিতৰতে বিচাৰি চালে সহজে পোৱা যায়। নীলাম্বৰাচাৰ্য্যৰ বিষ্ণুপুৰাণৰ টীকাটি প্ৰকাশিত আৰু আলোচিত হ'লে প্ৰাগ্‌বৈষ্ণৱ যুগৰ অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ স্বৰূপ, প্ৰচাৰ, প্ৰতিষ্ঠা আৰু দাৰ্শনিক পটভূমিৰ বিষয়ে অনেক নতুন তথ্যৰ সন্ধান পোৱা যাব বুলি আশা কৰা যায়। অসম সাহিত্য সভা, অসম চৰকাৰ আৰু অসমৰ দেশপ্ৰেমিক-সকলে স্বদেশৰ গৌৰৱময় ঐতিহ্যৰ নিদৰ্শনস্বৰূপ এই গ্ৰন্থখন সংগ্ৰহ কৰাই প্ৰকাশ কৰাৰ ব্যৱস্থা অবিলম্বে হাতত লোৱাটো একান্ত বাঞ্ছনীয়।

---

# সংস্কৃত কাব্যত কোচবেহাৰৰ ৰাজকুমাৰ

**শ্ৰীযুত বিশ্বনাৰায়ণ শাস্ত্ৰী**

প্ৰাচীন কালৰ অনেক কবি আৰু নাট্যকাৰে স্বৰচিত কাব্য-নাটক আদিত নিজৰ আশ্ৰয়দাতা পৃষ্ঠপোষকৰ নাম, বংশ আদিৰ উল্লেখ কৰি তেওঁ-লোকক অমৰ কৰি কৃতজ্ঞতাৰ পৰিচয় দি গৈছে। মধ্যযুগৰ কোনো কোনো ৰজা আৰু ৰাজকুমাৰ এনে কবিৰ কাব্য আৰু নাটকৰ নায়ক হৈ পৰিছে। সপ্তম শতিকাৰ হৰ্ষচৰিত, গৌড়-বহোৰপৰা সপ্তদশ শতিকাৰ শেষলৈকে সিঁচৰতি-ভাৱে এনে উদাহৰণ পোৱা যায়।

কবি-নাট্যকাৰসকলে পৃষ্ঠপোষক ৰজা বা ৰাজকুমাৰৰ গুণাৱলী বৰ্ণনা কৰিলেও, তেওঁলোকৰ জীৱনৰ ঘটনাৱলী হুবহু বিবৃত কৰা নাই। শাৰীৰিক শক্তি আৰু সৌন্দৰ্য্য বৰ্ণনা, দেশজয়, শত্ৰুদমন আদি বীৰত্বব্যঞ্জক ঘটনা, প্ৰেম আৰু ত্যাগৰ অতিৰঞ্জিত বৰ্ণনাৰে এনে কাব্য আদি ভৰপূৰ। সেইবাবেই এনে কাব্য আদি ব্যক্তি আৰু স্থানবিশেষৰ হৈয়ো সাৰ্ব্বজনীনভাৱে উপভোগ্য হ'ব পাৰিছে। গতিকে এইবিলাকৰ ঐতিহাসিক মূল্যতকৈ সামাজিক আৰু কাব্যিক মূল্যহে বেছি।

ৰামায়ণ, মহাভাৰত আৰু অনেক পুৰাণত নৰকাসুৰ, ভগদত্ত, বাণাসুৰ আদি কামৰূপৰ ৰজা মহাৰজা আদিৰ উল্লেখ আছে যদিও পোনপ্ৰথমে বাণৰ হৰ্ষচৰিততে কামৰূপাধিপতি ভাস্কৰ বৰ্ম্মাৰ সংক্ষিপ্ত হ'লেও নিৰ্ভৰযোগ্য বিৱৰণ পোৱা যায়। কৰলৈ গ'লে বাণভট্টই তেওঁৰ অমৰ কাব্য হৰ্ষ-চৰিতৰ যোগেদি কামৰূপেশ্বৰক সৰ্ব্বভাৰতীয় স্বীকৃতি দি পৃথিবীৰ সাহিত্যামোদীসকলৰ আগত প্ৰকট কৰিলে। ইয়াৰ পিচৰ কোনো সংস্কৃত কাব্য-নাটকতে কামৰূপৰ কোনো ৰজা বা ৰাজকুমাৰৰ উল্লেখযোগ্য বিৱৰণ পোৱা নাযায়। আকস্মিকভাৱে থকা দুই এটা উল্লেখ নগণ্য।

মোগল সম্ৰাট ছাহজাহানৰ আশ্ৰিত কবি পণ্ডিতৰাজ জগন্নাথে (১) কোচবেহাৰৰ ৰাজকুমাৰ প্ৰাণনাৰায়ণৰ প্ৰশস্তিমূলক ( Eulogy ) এখন খণ্ডকাব্য ৰচনা কৰে। এই কাব্যখনত মুঠতে ৫৩ টা শ্লোক আছে। সকলোবিলাক শ্লোকৰ ছন্দ একে নহয়—বিবিধ ছন্দত ৰচিত। পণ্ডিত-ৰাজ জগন্নাথৰ সমাসাঢ্য প্ৰৌঢ় বৰ্ণনাৰ পৰিচয় ইয়াত পোৱা যায়। কোচবেহাৰৰ যুৱৰাজ প্ৰাণনাৰায়ণৰ নাম আৰু তেওঁৰ কাল্পনিক

---

(১) পণ্ডিতৰাজ জগন্নাথ মোগল সম্ৰাট্ ছাহজাহানৰ (১৬২৭—১৬৫৮ খৃঃ) সমসাময়িক আৰু আশ্ৰিত। এওঁ তৈলঙ্গ দেশীয় ব্ৰাহ্মণ পেৰুভট্টৰ পুত্ৰ আৰু কাশীত থাকি শিক্ষা দীক্ষা লাভ কৰে। পিচত মোগল ৰাজদৰবাৰৰ সম্পৰ্কত বাস কৰে। ছাহজাহানে এওঁৰ পাণ্ডিত্যৰ প্ৰতিভাত মুগ্ধ হৈ এওঁক পণ্ডিতৰাজ উপাধি দিয়ে। জগন্নাথে বিবিধ বিষয়ৰ কেবাখনো গ্ৰন্থ ৰচনা কৰে। তাৰ ভিতৰত (১) ৰসগঙ্গাধৰ আৰু (২) চিত্ৰমীমাংসা খণ্ডন—অলঙ্কাৰ বিষয়ক; (৩) ভামিনী-বিলাস (খণ্ড কাব্য)—মোগল নাৰীৰ সৌন্দৰ্য্য বৰ্ণনামূলক। (৪) জগদাভৰণ আৰু (৫) আসফবিলাস—ক্ৰমে দাৰাশিকো আৰু আসফ্‌খান নামৰ বিষয়াৰ প্ৰশংসামূলক। (৬) মনোৰমা-কুচমৰ্দ্দন—ব্যাকৰণ সম্পৰ্কীয় নিবন্ধ।

গুণাৱলীৰ অতিৰঞ্জনপূৰ্ণ বৰ্ণনাৰ বাহিৰে কোনো ঐতিহাসিক তথ্য পোৱা নাযায়। জগন্নাথে "ৰামণীয়কতা"ক কাব্যৰ প্ৰাণ বুলি অভিহিত কৰিছে। এনে ৰামণীয়কতা প্ৰকাশ কৰিবলৈকে বেছি ভাগ বৰ্ণনাত মনোযোগ দিয়া যেন দেখা যায়। সেইবাবেই প্ৰাঞ্জলতা বা শ্ৰুতিমাধুৰ্য্য বিশেষভাৱে সাধাৰণ পাঠকৰ অনুভৱলৈ নাহে।

কোচবেহাৰৰ বুৰঞ্জীৰপৰা জনা যায় যে মহাৰাজ নৰনাৰায়ণৰ জীৱিত কালতে চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱে সোণকোষ নৈৰ পূব অংশৰ ৰাজ্যত বেলেগে ৰাজত্ব কৰে। ৰঘুদেৱৰ পুত্ৰ পৰীক্ষিত নাৰায়ণে প্ৰথমে বাপেকৰ বিৰুদ্ধে বিদ্ৰোহ কৰে আৰু বাপেকৰ মৃত্যুৰ পিচত ৰজা হৈ নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ সৈতে যুদ্ধবিগ্ৰহত লিপ্ত হয়। তেতিয়া ছুয়ো পক্ষই আহোম ৰজাৰ সহায় লয়; কিন্তু সেই সাহায্য বিশেষ কাৰ্য্যকৰী যেন নেদেখি লক্ষ্মীনাৰায়ণে মোগল সম্ৰাটৰ আশ্ৰয় গ্ৰহণ কৰে। এয়ে দিল্লীৰ ৰাজদৰবাৰৰ সৈতে কোচৰজাৰ সম্বন্ধৰ সূত্ৰপাত। এই সূত্ৰতে লক্ষ্মীনাৰায়ণে তেওঁৰ জীয়েক এগৰাকীক মোগল সম্ৰাটৰ প্ৰতিনিধি ৰামসিংহলৈ বিয়া দিয়ে (১৫৯৭ খৃঃ)। লক্ষ্মীনাৰায়ণৰ পুত্ৰ বীৰনাৰায়ণ আৰু বীৰনাৰায়ণৰ পুত্ৰ প্ৰাণনাৰায়ণ। প্ৰাণনাৰায়ণ ১৬৩৩ খৃষ্টাব্দত ৰাজপাটত উঠে আৰু ১৬৬৬ খৃষ্টাব্দত তেওঁৰ মৃত্যু হয়।

প্ৰাণনাৰায়ণ কেতিয়া দিল্লীলৈ গৈছিল আৰু কিমান দিন দিল্লীৰ মোগল দৰবাৰত আছিল সঠিক জনা নাযায় যদিও অনুমান কৰিব পাৰি যে তেওঁ ৰাজপাটত বহাৰ আগতে কূটনৈতিক সম্বন্ধত বা প্ৰতিভূৰূপে মোগল দৰবাৰত ঘনিষ্ঠ সম্পৰ্কত বাস কৰিছিল। 'প্ৰাণাভৰণ' ৰচনাৰ কাল সঠিককৈ নিৰ্ণয় কৰিব নোৱাৰিলেও আনুমানিক সময় থিৰ কৰিব পৰা যায়। 'আসফ-বিলাস' কাব্য আসফ্‌খানৰ প্ৰশস্তি। আসফ্‌খান খান্‌খানান্ নামেও জনাজাত। ১৬৪১ খৃষ্টাব্দত এওঁৰ মৃত্যু হয়। খুব সম্ভৱ জগন্নাথে এই সময়তে 'আসফ্‌বিলাস' লিখে। 'প্ৰাণাভৰণ' ইয়াৰ আগৰ ৰচনা বুলি থাৱৰ কৰিবৰ থল আছে। মুঠতে ১৬৩০-১৬৩৩ খৃষ্টাব্দৰ ভিতৰত এই সৰু কাব্যখন ৰচিত হৈছিল।

মন কৰিবলগীয়া কথা এইটোহে যে সুদূৰ কোচবেহাৰৰ এজন কোৱঁৰে কি গুণৰ দ্বাৰা মোগল দৰবাৰৰ খ্যাতি-সম্পন্ন কবি জগন্নাথক আকৃষ্ট কৰিছিল? খণ্ডেকীয়া স্থিতিৰ দ্বাৰা এনে প্ৰভাৱ বিস্তাৰ কৰিব পৰাটো নিশ্চয় উল্লেখ-যোগ্য কথা।

---

# ৺বেজবৰুৱাদেৱৰ চিঠি

Sambalpur
8. 3. 18.

My dear Jatindra,

তুমি মোক কি ভাবিছা কোৱাঁ? কবই লাগিব। নকলে ধৰি লম যে তোমাৰ চিঠিৰ উত্তৰ দিয়া নাই দেখি, তুমি ভাবিছা মই আভজা, মই পাহৰা ধানৰ ভাত খোৱা ভতুৱা, এলাহৰ নিহালিৰ তলত ফস্তি জুৰি শুই থকা এলেহুৱা, কথাৰ চাউলকঠা ৰাখিব নজনা ভিকহু, মৰমৰ শীতল পানী ৰাখিব নোৱৰা ফুটা লাওৰ ভাব ৰওঁতা ভাৰী, মৰম কৰোতাক মৰমৰ খুদ্‌কণ এটাকে দিব নোৱাৰা কট্‌কিনা, পকৰাৰ মূৰৰ-পৰাও চেনেহৰ ঘিউকণ কাঢ়ি লৈ নিজৰ চেনেহৰ ঘিউৰে মৰমৰ জনক ভোজনি এটাকে দিব নোৱৰা চিকটা, আৰু ইত্যাদি ইত্যাদি। তুমি কৈছা, মই ব্যস্ত আছোঁ, মইও আসৈ নামাতোঁ যে মই ব্যস্ত আছোঁ; কিন্তু সেই বুলি জানো মই ভাত খোৱা নাই, শোৱা নাই, হহাঁ নাই, নাইবা মোৰ মৰমৰ জীহঁতক চুমা খোৱা নাই, সিহঁতৰ মূৰৰ চুলিৰ ভিতৰত আঙুলি বুলাই মৰম কৰি মূৰ শুঙা নাই? আৰু তাতোকৈ "ব্যস্ত সমস্তৰ" কাম বাঁহী লেখা নাই? এতেকে মোৰ দোষৰ মৰিষণ, অপৰাধৰ বিনাশন কেনেকৈ হল? তাৰ বাবে মই কি কৰিম ভাবি পোৱা নাই। সকলোৱে এনে আছুকালত পৰি অনুতাপ কৰে; ময়ো এবাৰ তেনেকুৱা অনুতাপ তনুতাপ এটাকে কৰিমনে? তুমি কি বোলা? তুমি যিহকে কোৱা, মই তাকে কৰিম—নিশ্চয়, নিশ্চয়, নিশ্চয়; আন নালাগে অসমীয়াৰ অসাধ্য কাম আমাৰ ইয়াৰ পদূলি মূৰত দাড়ি জোকাৰি লৰি ফুৰা ভোবোলা ছাগলী এটাকে যদি লৰি ঢাপৰি গৈ ধৰিবলৈ কোৱা তাকে ধৰিবলৈ লৰিম, আৰু ধৰিব পাৰিলে, তোমাৰ অভিপ্ৰায় বুজি তাক Pound অত (থানাত) দিবলৈকো ওলাম। ঘূৰি ডাকত তোমাৰ অনুমতি-পত্ৰৰ অপেক্ষাত থাকিলোঁ।

"মাজু" মোৰ ইয়ালৈ নাহিল। কলিকতাৰ-পৰাই তীৰ্থ কৰিবলৈ গল! আৰু কি মই মোৰ কাষত "মাজুক" পাম! সংসাৰৰ বান্ধোনবোৰ এইদৰে এডালি এডালিকৈ কোনে ছিঙে? হায়!

১০ম সংখ্যা বাঁহী আজি তোমালৈ পঠিয়ালোঁ, বন্ধাই থৰা, তোমাৰ ওচৰতে সি থাকক, শান্তি পাব; এখন এখন বাঁহী, এই নিঃকিনৰ এডোখৰ এডোখৰ!

মই বনবাসী বনৰীয়া। বনত বন-ফুল দেখোঁ। কিন্তু তুলিব নোৱাৰোঁ, উপভোগ কৰিব নোৱাৰোঁ, উপভোগ কৰাৰ আগেয়ে তাক সপৰিবাৰে উজাৰ কৰিবলৈ তাৰ গুৰিত বৰ-কুঠাৰ মাৰোঁ। মোৰ কাৰ্য্য দেখি দৈত্যই হাঁহে, দেৱতাই কান্দে। মই থিৰাংকৈ কব পাৰোঁ, তুমি আৰু "মাজুৱেও" দেখিলে কান্দিবাহঁক। এই ব্যাধে কোমল হৰিণা-পোৱালিৰ গাত কঠিন শৰ হানে, ক্ৰৌঞ্চমিথুনৰ এটিক বধ কৰে, আহত গছৰ তলত ৰঙা চৰণ ছুখনি মেলি বহি থকা কৃষ্ণচন্দ্ৰৰ ৰঙা চৰণক হৰিণৰ মুখ বুলি ভ্ৰম কৰি তাত চোকা কাঁৰ হানে? এনে গুৰুতৰ অপৰাধ কৰি এই ব্যাধৰ মুখৰপৰা এষাৰ স্তুতি নোলায়, এটি শোকৰ

শ্লোক মুফুটে আৰু চকুৰপৰা এটুপি লো নজৰে। এনে লোকক তুমি এতিয়া কি বুলিবা ?

বিষয় বিষাক্ত সাপ বুলি সাধুসকলে কয়। মোৰ আৰু কবলৈ একো মুখত নোলায়, কাৰণ বিষত মুছ্‌ কচ্‌ গৈ আছোঁ।

ইয়াত আজিকালি বৰ ৰ'দ, বৰ ঘাম। কিন্তু পাপৰ ৰ'দ ঘামতকৈও ই বেছিনে ? আসামলৈ মনত পৰে। তোমাৰ আসাম নিবাস দেখি সেই অৱস্থা পাবৰ মন যায়। কিন্তু—"দশন বিহীন কুক্তা যেন, হাড় চোবাইবাক নপাৰয়" মাথোন হাড় ডোখৰ মুখত লৈ "জিভা লৰবৰ" কৰাৰ বাহিৰে আন কি হব পাৰে ?

তোমাৰ সূচনি ভাল ; বহাগৰপৰা বাঁহীৰ নতুন বছৰ কৰিম। বাঁহী চলোৱা যে কি লেঠাৰ কাম হৈছে, তাক আৰু চিঠিত লেখি কি জনাম। মোৰ নাই আহৰি, মোৰ নাই বাঁহীৰ জন্মস্থানত নিবাস, নাই সেই কামত সহায় কৰোতা মানুহ, মোৰ নাই বাঁহীৰ গ্ৰাহকসকলৰপৰা ধনৰ সহায় ; মোৰ আছে মাথোন বাঁহী চলাই থাকিবৰ মন আৰু অদম্য উছাহ। আমি ভালে আছোঁ। তোমাৰ সোনকালে লেখিবা।

মৰমৰ—

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

Sambalpur
16. 2. 33.

বিৰিঞ্চি বোপা,

তোমাৰ ২২।১২।৩২ তাৰিখৰ চিঠিৰ টোপ্‌টো গিলি কেনি ফাট মাৰিলোঁ তুমি নাজানি,—অন্ততঃ তাৰ সম্পৰ্কে বুবুৰ্বণি এটাকো ক'তো নেদেখি কিজানি তুমি ভাবিছা—এইটো কি "নিমখহাৰাম" বুঢ়া ঐ ! টোপো খালে, পলায়ো গল !

সেইদৰে ভাবিবৰ অধিকাৰ তোমাৰ আছে। কাৰণ আসৈ মাতিব নোৱাৰি, তোমালোকৰ "মৰম-নিমখ" এই বুঢ়াই খাইছে। সেই "নিমখ" বুঢ়াই "হাৰাম" কৰিছেনে নাই তাৰ বিচাৰৰ ভাৰ তোমালোকৰ গাত নাথাকিবৰ কাৰণ নাই।

মই নৰিয়া পৰিছিলোঁ, তুমি জানাই। নৰিয়াটো বুজনেই হৈছিল। গল ডিচেম্বৰৰ মাজ ডোখৰতে বেজ-জ্ঞানীৰ কথামতে সেইদেশি changeৰ নিমিত্তে সম্বলপুৰ এৰি বৰদালৈ গলোঁ এই আশাত তাত জী-জোঁৱাইৰ প্ৰতিপালত যদি গাটো টঙাই লব পাৰোঁ। আশা ফলিয়ালে। পৰশুইহে সম্বলপুৰলৈ উভতি আহিছোঁ। বৰ দীঘলীয়া বাট। আহোঁতে ৰেলত চাৰিদিন লাগিছিল বুলিবকে লাগে। ভাগৰি আহিছোঁ।

"অৰুণ" দেখিছোঁ। তোমালোকৰ হাতত পৰি অৰুণ বঢ়িয়া হৈছে। মই জিৰাই-শতাই লৈ পাৰিলে লেখিম। নোৱাৰিলে ক্ষমা মাগিম। আৰু দায় ধৰিলে নিৰুপায়ত পৰিম।

মোৰ আশীৰ্ব্বাদ আৰু মৰম "ডাক-যোগে" পঠিয়ালোঁ। লোৱা-থোৱা যি হয় এটা কৰিবা।


ইয়াৰ লগতে জাপি দিয়া সিখন কাকতত তোমাৰ প্ৰশ্ন কেইটাৰ উত্তৰ দিলোঁ।

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা



ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা



# প্ৰাগ্‌জ্যোতিষাধিপতি বলবৰ্ম্মদেৱৰ তাম্ৰশাসন

শ্ৰীযুত প্ৰতাপচন্দ্ৰ চৌধুৰী

কামৰূপৰ ৰজা বলবৰ্ম্মাৰ এই তাম্ৰশাসনখন অসমৰ বৰ্ত্তমান মন্ত্ৰী মাননীয় শ্ৰীযুত ৰূপনাথ ব্ৰহ্ম আৰু সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাৰ্ব্বত্য অঞ্চলৰ জিলাধিপতি শ্ৰীযুত গণেশচন্দ্ৰ ফুকনৰ সৌজন্যত অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে অলপতে সংগ্ৰহ কৰিছে। শাসনখন প্ৰায় পাঁচ বছৰ আগতে নমাটিৰ উত্তৰ বৰবিলৰ ( হাওৰাঘাট, মিকিৰ পাহাৰ ) খেতিয়ক এজনে পাইছিল। এওঁৰপৰা শ্ৰীযুত প্ৰকাশচন্দ্ৰ আচাৰ্য্যৰ হাতলৈ আহে প্ৰায় তিনি বছৰ আগতে, আৰু এওঁ তেতিয়াৰেপৰা ৰজাৰ মোহৰ থকা হস্তিমূৰ্ত্তিক গণেশৰ বিগ্ৰহ বুলি ভাবি উপাসনা কৰি আছিল। অসম গৱৰ্ণমেণ্টৰ কৰ্ম্মচাৰী শ্ৰীযুত এম্ এম্ চক্ৰবৰ্ত্তীয়ে আজি কেদিনমান আগতে শাসনখন উদ্ধাৰ কৰি শ্ৰীযুত ফুকনক দিছিল, আৰু শ্ৰীযুত ফুকনে নিজে গুৱাহাটীলৈ আহি অনুগ্ৰহ কৰি আমাক দিয়ে। শ্ৰীযুত চক্ৰবৰ্ত্তীৰ চেষ্টাতহে ইয়াক উদ্ধাৰ কৰা সম্ভৱ হৈছে।

এই তাম্ৰশাসনৰ ফলি তিনিখন, আঙুঠিৰে বন্ধা; প্ৰত্যেকখনৰ জোখ দীঘলে ১০″ আৰু প্ৰস্থই ৬১/২″ ইঞ্চি। প্ৰথম আৰু তৃতীয় ফলিত এফালে আৰু মাজৰ ফলিত দুয়ো ফালে দেৱনাগৰী আখৰেৰে সংস্কৃত ভাষাত লিখা। প্ৰথম তিনি পৃষ্ঠাত ১৪ আৰু শেষৰ পৃষ্ঠাত ১২ শাৰীকৈ লিপিবদ্ধ কৰা আছে। শাসনৰ ৰচনা প্ৰাঞ্জল আৰু কবিত্বপূৰ্ণ; ভুল নাই বুলিলেই হয়। ঠায়ে ঠায়ে মহাকবি কালিদাসৰ ৰচনা ব্যৱহাৰ কৰা হৈছে। শাসনৰ ৰচক এজন পণ্ডিত লোক আছিল, ইয়াত সন্দেহ নাই।

ৰজা বলবৰ্ম্মাৰ আৰু এখন তাম্ৰশাসন (ৰাজত্বৰ ৮ম বছৰত কৰা ) নগাওঁৰ সুতৰগাওঁৰপৰা স্বৰ্গীয় মহামহোপাধ্যায় পণ্ডিত ধীৰেশ্বৰ ভট্টাচাৰ্য্যই উদ্ধাৰ কৰি প্ৰকাশ কৰিছিল। ডাক্তৰ হৰ্ণ্‌লি চাহাবে এছিয়াটিক ছছাইটিৰ পত্ৰিকাত ১৮৯৭ খৃষ্টাব্দত ইংৰাজী অনুবাদ কৰি পাঠোদ্ধাৰ কৰিছিল। (১) স্বৰ্গীয় পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদে তেওঁৰ 'কামৰূপ শাসনাৱলী'ত শাসনৰ পাঠ বঙালী অনুবাদেৰে প্ৰকাশ কৰিছে। (২) এইখনৰ নিচিনা নতুনকৈ পোৱা তাম্ৰশাসনতো ৰজাৰ বংশাৱলীৰে সৈতে যোগ্যতাৰ প্ৰশংসা কৰা হৈছে। এই শাসনৰ দ্বাৰা ৰজাই বিধিমতে ভূমি দান কৰিছিল সকলো গুণসম্পন্ন শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ শ্যামদেৱক; এওঁৰ দুই উপৰি পুৰুষৰ বংশাৱলী লিপিবদ্ধ কৰা আছে। এইখিনিতে কব পাৰি, ৫ম-৬ষ্ঠ শতাব্দীৰপৰাই প্ৰাচীন কামৰূপৰ ৰজাসকলে পণ্ডিত সং ব্ৰাহ্মণক মাটি-বৃত্তি দান কৰি হিন্দু ধৰ্ম্ম, সভ্যতা আৰু শিক্ষাৰ পৃষ্ঠপোষকতা কৰি ইয়াৰ বহুল প্ৰচাৰ কৰাইছিল; এই বিষয়ত এই ঠাইৰ ৰজাসকল ভাৰতৰ অইন প্ৰাচীন ৰাজ্যৰ ৰজাসকলতকৈ কোনো গুণেই পিচপৰা নাছিল।

---

( ১ ) এছিয়াটিক পত্ৰিকা, ১৮৯৭, প্ৰথম খণ্ড, পৃঃ ২৮৫—৯৭

( ২ ) কামৰূপ শাসনাৱলী, পৃঃ ৭৯—৮০

এই তাম্ৰশাসনৰ দ্বাৰা ৰজাই ভূমি দান কৰিছিল ৰাৱাসেপত্তন বিষয়ৰ (৩) ভিতৰত থকা বপাদেৱ পাটকত। দ্বাদশ শতাব্দীৰ ৰজা বৈদ্যদেৱৰ কমৌলি শাসনৰ দ্বাৰা ভূমিদান কৰা হৈছিল ৰাৱা বিষয়ৰ ভিতৰত থকা শান্তিপাটক আৰু মন্দৰা নামে গাওঁত ( প্ৰাগ্‌জ্যোতিষভুক্তৌ কামৰূপমণ্ডলে ৰাৱা-বিষয়ে ) (৪)। কমৌলি শাসনৰ ভূমি বৰ্ত্তমান বৰপেটা মহকুমাৰ অন্তৰ্গত বুলি পণ্ডিতসকলে বিশ্বাস কৰে।(৫) অনুমান হয়, ৰাৱাসেপত্তন বিষয় আৰু ৰাৱা বিষয়ে একে অঞ্চলকে বুজায়, আৰু বপাদেৱ পাটক বৰ্ত্তমান বৰপেটা মহকুমাৰে অন্তৰ্গত। পাটক শব্দই ডাঙৰ গাওঁৰ আধা, গাওঁৰ একণ্ড বা সৰুগাওঁ এখনক বুজায়। হেমচন্দ্ৰৰ 'অভিধানচিন্তামণি'ৰ মতে পাটক গাওঁৰ আধা ( পাটকস্তু তদৰ্দ্ধে স্যাৎ ), কিন্তু দুই হাজাৰ ধান উৎপন্ন হোৱা মাটিৰ পৰিমাণ কি সঠিক কোৱা টান। কামৰূপৰ ৰজাৰ শাসনমতে মাটিৰ পৰিমাণ এনেদৰেই নিৰ্দ্দেশ কৰা আছে। কাৰো কাৰো মতে এক পৰিমাণে এদোণক ( আগৰ দ্ৰোণ ) বুজায়। বৰ্ত্তমান এদোণৰ ওজন /৫ সেৰ; (৬) আৰু যদি ধৰি লোৱা হয়, প্ৰাচীন কালতো এই একে অৰ্থতেই দোণৰ ওজন ধৰা হৈছিল, তেন্তে দুই হাজাৰৰ পৰিমাণ ( ২০০০ × ৫ ) ৫০/ মোণ হয়। আকৌ যদি ধৰি লোৱা হয়, এবিঘা মাটিত গড়ে ১০/ মোণকৈ ধান উৎপন্ন হৈছিল, তেন্তে বুজিব লাগিব ব্ৰাহ্মণক দান কৰা মটিৰ পৰিমাণ আছিল ৫ বিঘা; আৰু যদি এদোণৰ পৰিমাণে এবিঘা মাটিক বুজায়, দান কৰা মাটিৰ পৰিমাণ দুই হাজাৰ বিঘা হয়। কিন্তু পাছৰ অনুমানতকৈ আগৰ অনুমান বেছি সম্ভৱপৰ যেন লাগে; কাৰণ ৫০/ মোণ ধান উৎপন্ন হোৱা মাটি সেই সময়ত এজন ব্ৰাহ্মণৰ ভৰণ-পোষণৰ কাৰণে যথেষ্ট আছিল।

তাম্ৰশাসনখন ৰজাৰ ৰাজত্বৰ ৫ম বছৰত কৰা হৈছিল। আগৰখনৰ অক্ষৰ আলোচনা কৰি ডাক্তৰ হৰ্ণ্‌লি চাহাবে শাসনৰ সময় নিৰ্দ্ধাৰিত কৰিছিল খৃঃ ৯৭৫। এই সিদ্ধান্ত যে কেৱল আনুমানিক আৰু শুদ্ধ নহয়, এই কথা ৰজা হৰ্জ্জৰবৰ্ম্মাৰ তেজপুৰ শিলালিপিয়ে প্ৰমাণ কৰে; এই শাসনৰ সময় গুপ্তাব্দ ৫১০ বা খৃঃ ৮২৯-৩০ হয়। বলবৰ্ম্মা হৰ্জ্জৰৰপৰা পুৰুষানুক্ৰমে পৰবৰ্ত্তী চতুৰ্থ ৰজা; গতিকে হৰ্জ্জৰৰ ৰাজত্বৰ শেষ সময় আনুমানিক খৃঃ ৮৩৫ হলে, বলবৰ্ম্মাৰ সিংহাসনা-ৰোহণৰ সময় ( বনমাল আৰু জয়মালৰ প্ৰত্যেকৰে ৰাজত্বৰ সময় গড়ে ২৫ বছৰকৈ ধৰা হলে ) ৮৩৫ + ৫০ = খৃঃ ৮৮৫ হয়, আৰু সেয়ে হলে নতুনকৈ পোৱা তাম্ৰশাসনৰ সময় অনুমান খৃঃ ৮৮৭ হয়; গতিকে বলবৰ্ম্মাৰ ৰাজত্বৰ সময় নৱম শতাব্দীৰ শেষভাগ আৰু দশম শতাব্দীৰ আৰম্ভণিতে বুলি ধৰিলে ভুল কৰা নহব।

শাসনৰ হস্তিমূৰ্ত্তিৰে সৈতে থকা ৰজাৰ মোহৰত লিখামতে বলবৰ্ম্মা প্ৰাগ্‌জ্যোতিষৰ

(৩) বিষয় শব্দই আজিৰ মহকুমাক বুজায়; অৱশ্যে ৰাজ্যৰ আয়তনৰ লগত ইয়াৰো ব্যতিক্ৰম ঘটিছিল।

(৪) এপিগ্ৰাফিয়া ইণ্ডিকা, ( শাৰী ৪৮-৪৯ ) পৃ: ৩৪৭-৫৮

(৫) কনকলাল বৰুৱা, জে. এ. আৰ, এছ্, দ্বিতীয় খণ্ড, পৃঃ ৮৭

(৬) পণ্ডিত ভট্টাচাৰ্য্যৰ মতে এদোণৰ ওজন ৩০ সেৰ ( কামৰূপ শাসনাৱলী, পৃঃ ৭২ ); প্ৰাচীন সংস্কৃত সাহিত্যত দ্ৰোণৰ ওজন বেলেগ বেলেগকৈ দিয়া আছে।



অধিপতি আছিল; ( স্বস্তি শ্ৰীমান্ প্ৰাগ্‌জ্যোতি-ষাধিপান্বয়ো মহাৰাজাধিৰাজশ্ৰীবলবৰ্ম্মদেৱঃ ) কাৰো কাৰো মতে শালস্তম্ভৰ বংশৰ ৰজা-সকলৰ ৰাজধানী আছিল হাৰুপেশ্বৰ নগৰত, আৰু প্ৰাগ্‌জ্যোতিষ শব্দই ৰাজ্যকহে বুজায়। (৭) কিন্তু মন কৰিবলগীয়া কথা হৰ্জ্জৰবৰ্ম্মাৰ হায়ুংথল শাসনত হাৰুপেশ্বৰক কেৱল 'জয়স্কন্ধাবাৰ'হে ( Victorious camp ) আখ্যা দিয়া হৈছে। এওঁৰে তেজপুৰ শিলালিপিত হাৰুপেশ্বৰক 'পুৰ' কোৱা হৈছে। ৰজা বনমালৰ তেজপুৰ তাম্ৰ-শাসনত ৰজা প্ৰালম্ভক প্ৰাগ্‌জ্যোতিষৰ অধিপতি বোলা হৈছে; আৰু বলবৰ্ম্মাৰ আগৰ নগাওঁ তাম্ৰশাসনত বৰ্ত্তমানখনৰ নিচিনা হাৰুপেশ্বৰক 'পৈতামহকটক' ( ancestral camp ) আখ্যা দিয়া হৈছে। শালস্তম্ভৰ বংশৰ ৰাজশাসন হাৰুপেশ্বৰৰপৰা কৰা হৈছিল এই কথা সঁচা; কিন্তু ইয়াৰপৰা সিদ্ধান্ত কৰিব নোৱাৰি যে ৰজা-সকলৰ ৰাজধানীও সেই ঠাইতেই আছিল। নিধানপুৰ তাম্ৰশাসনত গৌড়াধিপতি শশাঙ্কৰ ৰাজধানী কৰ্ণসুবৰ্ণক কামৰূপৰ ৰজা ভাস্কৰবৰ্ম্মাৰ 'জয়স্কন্ধাবাৰ' আখ্যা দিয়া হৈছে যদিও সেই ঠাইতেই কামৰূপৰ ৰজাৰ ৰাজধানীও আছিল বুলি কলে ভুল কৰা হব। আনফালে বৰ্ম্মন ৰজাসকলৰ নিচিনা শালস্তম্ভৰ বংশৰ ৰজাসকলক প্ৰাগ্‌জ্যোতিষৰ অধিপতি বুলি কোৱা হৈছে; আৰু প্ৰাগ্‌জ্যোতিষ শব্দই ৰাজ্য বুজোৱাতকৈ ৰাজধানী বুজোৱাটোৱেই বেছি সমীচীন যেন লাগে। আমাৰ মতে প্ৰাচীন হিন্দু ৰজাসকলৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰতেই আছিল আৰু হাৰুপেশ্বৰ সম্ভৱতঃ ৰজাৰ সাময়িক বাসস্থান আছিল। এইটোও হব পাৰে, ৰজা হৰ্জ্জৰ, বনমাল আৰু বলবৰ্ম্মাৰ ৰাজত্বকালত হাৰুপেশ্বৰত দ্বিতীয় ৰাজধানী পতা হৈছিল। এখনতকৈ অধিক ৰাজধানী থকা ৰাজ্যৰ উদাহৰণ গুপ্ত ৰজাসকলৰপৰা পোৱা যায় (৮)। গতিকে কলে ভুল কৰা নহব যে অন্ততঃ চতুৰ্থ শতাব্দীৰপৰা ত্ৰয়োদশ শতাব্দীলৈকে পুৰণি অসম সাধাৰণতে কামৰূপ নামেৰেহে খ্যাত আছিল।

শালস্তম্ভৰ বংশৰ ৰজাসকল বৰ পৰাক্ৰমী আছিল। অষ্টম শতাব্দীৰ দিগ্বিজয়ী ৰজা হৰ্ষদেৱৰ দিনৰেপৰা কামৰূপ ৰাজ্যৰ আয়তন বাঢ়িবলৈ ধৰে। নৱম শতাব্দীৰ মাজ ভাগত হৰ্জ্জৰ আৰু বন-মালে ৰাজ্যবিস্তাৰত একে পথ অনুসৰণ কৰিছিল, আৰু এই শতাব্দীৰ শেষভাগত ৰাজাধিৰাজ বলবৰ্ম্মাৰ ৰাজ্য পশ্চিমে উত্তৰবঙ্গৰ বৰ্ত্তমান দিনাজপুৰ অঞ্চললৈকে বিস্তৃত আছিল বুলি পণ্ডিতসকলে কয় (৯)। পূবফালে বৰ্ত্তমান দৰঙ্, নগাওঁ, মিকিৰ পাহাৰ আৰু অন্ততঃ শিৱসাগৰলৈকে বিস্তৃত আছিল বুলি অনুমান কৰিব পাৰি। এৱেঁই এই বংশৰ শেষ প্ৰতিভা-শালী ৰজা আছিল। এওঁৰ তাম্ৰশাসনেই ইয়াৰ জ্বলন্ত প্ৰমাণ।

ইয়াৰ লগতে আমি শাসনৰ পাঠ আৰু অসমীয়া অনুবাদ প্ৰকাশ কৰিলোঁ। পুৰণি তাম্ৰশাসন পঢ়া অভ্যাস আছে যদিও, এনেকৈ পাঠোদ্ধাৰ কৰা প্ৰয়াস এয়েই প্ৰথম। গতিকে আসোঁৱাহ থকাটো স্বাভাৱিক। জটিল সংস্কৃত শব্দৰ অনুবাদ কৰাত অধ্যক্ষ শ্ৰীযুত মনোৰঞ্জন শাস্ত্ৰী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰিয়ান শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্ম্মা, এম, এ দেৱে মোক যথেষ্ট সহায়

(৭) কামৰূপ শাসনাৱলী, ( ভূমিকা ) পৃঃ ২২, ২৫

(৮) আহোম ৰজাৰ দিনতো এখনতকৈ অধিক ৰাজধানী আছিল। ( তুংখুঙ্গীয়া বুৰঞ্জী, ইংৰাজী সঙ্কলন )

(৯) পণ্ডিত ৺পদ্মনাথ ভট্টাচাৰ্য্য

কৰিছে। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ডাইৰেক্টৰ মাননীয় ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱৰ চেষ্টা আৰু সদুপদেশেহে এই প্ৰবন্ধটি ৰাইজৰ আগলৈ আগবঢ়াবৰ উদগনি দিছে। এওঁলোক সকলোকে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

(১০) সময় আৰু সুবিধা লৈ তাম্ৰশাসনখনৰ ঐতিহাসিক মূল্য বিস্তৰ আলোচনা কৰিবৰ ইচ্ছা থাকিল।

## শাসনৰ পাঠ

### প্ৰথম ফলি

### প্ৰথম পাঠ

১। ৎ স্বস্তি। ভৱতু ভৱতিমিৰভিদুৰং তেজো ৰৌদ্ৰং প্ৰশান্তয়ে জগতঃ পৰিৱৰ্ত্ততে সমগ্ৰং কল্পান্ত [1]নি—

২। শাৱসানে যৎ ॥ ১ ॥

সুৰকৰিমদচক্ৰকিতং সলিলং লৌহিত্যৱাৰিধেৰমলং। কৈলাসকটকমৃগমদ—

৩। —ৱাসিতমপহৰতু দুৰিতম্বঃ ॥ ২ ॥

সুৰকৰিমদচক্ৰকিতং সলিলং লৌহিত্যৱাৰিধেৰমলং। কৈলাসক —

৪। —টকমৃগমদৱাসিতমহপহৰতু দুৰিতেম্বঃ [2] ॥ ৩ ॥

প্ৰলয়পয়োধৌ মগ্নামুদ্ধৰতো ৱসুমতীমুপেন্দ্ৰস্য।

৫। নৰক ইতি সুতৰাসীদসুৰসুদ্ধং ক্ৰোৰৰূপ-ধৃতঃ ॥ ৪ ॥ ত্ৰৈলোক্যবিজয়তুঙ্গং [3]

৬। যেনাপহৃতং যশো মহেন্দ্ৰস্য। অদিতেঃ কুণ্ডলযুগলং কপোলায়িতং হৰতা তা—॥ ৫ ॥

৭। —ধুলৱল্লীপৰিণদ্ধপূগং কৃষ্ণাগুৰুস্কন্ধনিৱেশিতৈলং। স কামৰূপে জিতকাম—

৮। —ৰূপঃ প্ৰাগ্‌জ্যোতিষাখ্যং [4] পুৰমধ্যুৱাস ॥ ৬॥

মদান্ধগন্ধদ্বিপকৰ্ণতালনৃত্যাম্ম—

৯। —যুৰোপৱনে স তস্মিন্ [5]। ৱসন্ সমাসাস্থ মুৰাৰিচক্ৰং ৰণে ৰণৈৰী দিৱমা—

১০। —ৰুৰোহ ॥ ৭ ॥

ভূপালমৌলিমণিচুম্বিতপাদপীঠস্তস্যাত্মজোভূদ্ভগদত্তনামা। ৰাজা প্ৰজাৰঞ্জন [6]ল—

১১। —ব্ধৱৰ্ণো ৱৰ্ণাশ্ৰমাণাং গুৰুৰেকৱীৰঃ ॥ ৮।

উপগতৱতি সুৰলোকস্তস্মিন্তস্যাত্মজোভৱদ্ভূমেঃ। পতিৰ—

১২। —মলভক্তিৰীশে যং প্ৰাহুৰ্ব্বজ্ৰদত্ত ইতি কৱয়ঃ ॥ ৯ ॥

তদ্বংশে ৱনৱপ্ৰাং পৰিখীকৃতসাগৰাং মহীং ভুক্ত্বা। অস্ত—

১৩। —ঙ্গতেষু ৰাজসু শালস্তম্ভোভৱন্নৃপতিঃ [7] ॥১০॥

পালকৱিজয় [8] প্ৰভৃতিষু [9] সমতিক্ৰান্তেষু [10] তস্য ৱংশে—

১৪। —ষু। অভৱদ্ভুৱি নৃপচন্দ্ৰো দ্বিষজ্জৱো হৰ্জ্জৰো নাম ॥ ১১ ॥

অহমহমিকয়া বিৱন্দিষুণাং [11] সংসদি যস্য নৃপ—

### দ্বিতীয় ফলি

### প্ৰথম পৃষ্ঠা

১৫। —প্ৰভাপ্ৰতানৈঃ। ন মুকুটমণয়ো ৱিভান্তি ৰাজ্ঞাং ৰৱিকৰসম্বলিতা ইৱ প্ৰদীপাঃ ॥ ১২ ॥

তস্যাত্মজঃ শ্ৰীৱ—

১৬। —নমালদেৱো ৰাজা ভক্তিপৰো ভৱেভূত্। বিশালৱক্ষাস্তৰুত্তমধ্যঃ পিনদ্ধকণ্ঠঃ পৰিৱাভ—

১৭। —ৰাহুঃ [12] ॥ ১৩ ॥

(১) ফলিত ‘ক’ অক্ষৰ বাদ পৰিছে; দিয়া আছে ‘ল্পান্ত’।

(২) দুই আৰু তিনি শাৰীত একে কথা দিয়া আছে।

(৩) ফলিত আছে ‘তুংগ’।

(৪) ফলিত আছে ‘প্ৰাগ্‌জ্যোতিশাখ্যং’।

(৫) ফলিত আছে ‘তস্মিং’।

(৬) ফলিত আছে ‘ৰংজন’।

(৭) ফলিত আছে ‘সালস্তম্ভো ভৱনৃপতি’।

(৮) ফলিত আছে ‘ৱিজয়ঃ’। ফলিত আছে ‘প্ৰভৃতিষুঃ’। (১০) ফলিত আছে ‘সমতিক্ৰাংতেষু’। (১১) ফলিত আছে ‘বিবন্দিশূণাং’। (১২) ফলিত



ন ক্ৰুদ্ধং ৱিকৃতাস্যং ন চ ন হসিতং ন চ ৱচঃ শ্ৰুতং নীচাং। ন চ কিঞ্চিদুক্তমহিতম্ মহিতং [13] নী—

১৮। —লং সদৈৱ যস্যাভূৎ ॥ ১৪ ॥

যেনাতুলাপি সতুলা জগতি ৱিশালাপি ভূৱিকৃতশালা। প্ৰাসাদানা—

১৯। —ম্ কৃতৱিচিত্ৰাপি সচ্চিত্ৰা ॥ ১৫ ॥

তস্যাত্মজঃ শ্ৰীজয়মালদেৱঃ [14] ক্ষীৰাম্বুৰাশেৰিৱ শীত-ৰশ্মিঃ ৱভূৱ য—

২০। স্যামলিতং ভ্ৰমন্তি যশাংসি কুন্দেন্দুসমপ্ৰভাণি ॥ ১৬ ॥

স শ্ৰীমান্ ৱনমালোপি ৰাজা

২১। ৰাজীৱলোচনঃ। [15] অৱেক্ষ্য [16] ৱিনয়োপেতং তনুজং প্ৰাপ্তযৌৱনং ॥ ১৭ ॥

ছত্ৰং শশধৰ—

২২। —ধৱলং চামৰযুগলান্বিতং প্ৰদায়াস্মৈ। অনশন-ৱিধিনা ৱীৰস্তেজসি মা—

২৩। —হেশ্বৰে লীনঃ [17] ॥ ১৮ ॥

প্ৰাপ্তৰাজ্যেন তেনোঢ়া ৰাজ্ঞা শ্ৰীৱীৰবাহনা কুলেন কান্ত্যা ৱয়—

২৪। —সা অত্মানামাত্মনঃ সমা ॥ ১৯ ॥

তেনোদপাদি তস্যামৰণাৱিৱ পাৱকঃ [18] প্ৰয়োগ-ৱিদা। বলৱৰ্ম্মেতি প্ৰ—

২৫। —থিতঃ শ্ৰীমত্তনয়ঃ সমগ্ৰগুণযুক্তঃ ॥ ২০ ॥

অসিতসৰোৰুহচলদলনিভনয়নঃ [19] পীনকন্ধৰঃ সুভু

২৬। —জঃ। অভিনৱদিনকৰকৰহতৱিদলিতনৱ-নলিনকান্তিসচ্ছায়ঃ [20] ॥ ২১ ॥

গচ্ছতি তিথিমতি কা—

২৭। —লে স কদাচিৎ কৰ্ম্মণাং ৱিপাকৱশাৎ। [21] ৰাজা কল্পাভিভূতো লংঘিতভিষজ্ঞা ৰণস্তম্ভঃ ॥ ২২ ॥

নিসাৰং সদা—

২৮। —ৰং জললৱলোলক জীৱিতং পুসাং [22]। ৱিগণয্য ৱীৰবাহুঃ কৰ্ত্তৱ্যমচিন্তয়চ্ছেষং ॥ ২৩ ॥

অথ পুণ্যেহনি—

### দ্বিতীয় ফলি

### দ্বিতীয় পৃষ্ঠা

২৯। নৃপতিস্তনয়স্তমুদগ্ৰৱিগ্ৰহং ৱিধিৱৎ। কেশৰি-[23] কিশোৰসদৃশং সিংহাসন [24] মৌলিতামনয়ৎ ॥ ২৪ ॥

৩০। তদনন্তৰমধিগম্য প্ৰাজ্যং তদ্ৰাজ্যমাজ্যমিৱ ৱহ্নিঃ। বলৱৰ্ম্মাপি দিদীপে প্ৰোচ্ছাৰিতসকলৰিপুতিমি—

৩১। — ৰঃ ॥ [25] ॥ অভৱজ্জয়কৰিকুম্ভস্খলিতোৰ্ম্মৰ-মলয়াৱিধেস্তস্য। লৌহিত্যস্য সমীপে তদেৱ পৈতা—

৩২। —মহং কটকং ॥ ২৬ ॥

(গদ্য)—তত্ৰ শ্ৰীমতি হৰপেশ্বৰ [25]নামনি কটকে কৃত-ৱসতিকংখাতাসিলতামৰীচিনি—

৩৩। —চয়মেচকিতেন বাহুনা ৱিজিতসকলদিক্-চক্ৰৱালো ধীৰঃ প্ৰধনে ভীৰুৱশি তীক্ষ্ণো ৱি—

৩৪। —পুষু মৃদুতৰো গুৰুষু। সত্যৱাগৱিসম্বাদী কৃত্যাৱিকত্থনঃ স্থূললক্ষ্যো।

৩৫। মাতাপিতৃপাদানুধ্যানধৌতকল্মষঃ। [26] পৰ-মেশ্বৰঃ পৰমভট্টাৰকো ম—

৩৬। —হাৰাজাধিৰাজঃ শ্ৰীবলৱৰ্ম্মদেৱঃ কুশলী ॥ • ॥

ৱাৰাসেপন্তন—

আছে ‘ৰাহ’। (১৩) ফলিত আছে ‘কিঞ্চিদুক্তমহিত-মহিতং’। (১৪) ফলিত আছে ‘শ্ৰীজয়মালদেৱ’। (১৫) ফলিত আছে ‘ৰাজীৱলোচন’। (১৬) ফলিত আছে ‘অৱেক্ষ’। (১৭) ফলিত আছে ‘লীন’। (১৮) ফলিত আছে ‘পাৱক’। (১৯) ফলিত আছে ‘নয়ন’। (২০) ফলিত আছে ‘সচ্ছায়’। (২১) ফলিত ‘পা’ অক্ষৰ পৰি গৈছে; দিয়া আছে ‘বিকশাৎ’। (২২) ফলিত আছে ‘পুন্সান্’। (২৩) ফলিত আছে ‘কেসৰি’। (২৪) ফলিত আছে ‘সিংহাসন’। (২৫) হৰ্জ্জৰ বৰ্ম্মাৰ তাম্ৰশাসনত হাটপেশ্বৰ, বলৱৰ্ম্মাৰ নগাওঁ শাসনত হাৰুপেশ্বৰ আৰু বনমালৰ তেজপুৰ শাসনত হৰপেশ্বৰ দিয়া আছে।

(২৬) ফলিত ‘পা’ অক্ষৰ বাদ পৰিছে; দিয়া আছে ‘মাতাপিতৃদানুধ্যানধৌতকল্মশঃ’।

৩৭। —ৱিষয়াস্তঃপাতিৱপাদেৱ[২৭] পাটকাদপকৃষ্ট-[২৮] ধান্যৱিসহস্রোৎপত্তিকভূমৌ—

৩৮। যথাযথৎ সমুপস্থিতব্রাহ্মণাদিৱিষয়কৰণব্যৱহাৰিক-প্রমুখজানপদান্। ৰাজৰা—

৩৯। —ক্ষীৰাণকাধিকৃতানন্যানপি ৰাজানকৰাজপুত্র-ৰাজৱল্লভপ্রভৃতীন্। যথাকাল—

৪০। —ভাৱিনোপি সৰ্ব্বান্ মাননাপূৰ্ব্বকং সমাদিশতি ৱিদিতমস্ত ভৱতাং ভূমিৰিয়ং ৱা—

৪১। —স্বকেদাৰস্থলজলগোপ্রচাৰাৱকৰাদ্যপেতা যথাসংস্থা স্বসীমোদ্দেশপ—

৪২। —র্য্যন্তা হস্তিৱন্ধনৌকাৱন্ধচৌৰোদ্ধৰণ-দণ্ডপাশোপৰিকৰনানানিমিত্তোৎখেটন—

## তৃতীয় ফলি

৪৩। হস্ত্যশ্বোষ্ট্রগোমহিষাজাৱিকপ্রচাৰপ্রভৃতীনাং ৱিনিৱাৰিতসৰ্ব্বপীড়া[২৯] শাসনীকৃত্য॥

৪৪। অভূদশেষশ্রুতিশাস্ত্রৱিম্বৈধঃ কৃতী ৱিজেন্দ্রো ভৃশমৌপমন্যৱঃ। অৱাপ কাষ্বো যজু—

৪৫। —ষাং নিৱাসভূস্ সুৰালয়ং যঃ খলু গৰ্গসংজ্ঞকঃ। ঋচোহ্থসামানি যজূংষি তস্য যঃ পপা—

৪৬।—ঠ সূক্তানি সকৰ্ম্মপদ্ধতীঃ[৩০]। ৱিৱেদ শাস্ত্রাণি কৃতাধ্বৰস্ সুতো গভিষ্টিৰো নাম বভূৱ ধ—

৪৭। —ৰ্ম্মজঃ॥ ২৭ ॥

কুলোদ্ভৱা সোমলতেৱ পাৱনী ৱশিষ্ঠভাৰ্য্যেৱ[৩১] পতি-ব্রতাহি যা। শচীৱ গৰ্ভে—

৪৮। —ঋৱিকা শতক্রতোঃ প্রিয়াভৱত্তস্য ধৱেৱ ধৈৰ্য্যতঃ॥ ২৮ ॥

অৱাপ্তপুণ্যঃ শ্রু—

৪৯। —তিশাস্ত্রপাৰগঃ প্রিয়ম্বদঃ প্রাপ্তযশা ৱসুপ্রদঃ। হিতায় তাভ্যাগ্ননিতো দ্বিজ—

৫০। —ন্মনাং হি শ্যামদেৱস্তুহুজো মহাতপাঃ॥ ২৯ ॥

পিত্রোঃ পুণ্যায়াস্মৈ ভদ্রায়[৩২] ত—

৫১। —থাত্মনোঽপূজায়াং শক্রোত্থানে ৱিধিনা। ভূশং দত্তা পঞ্চমৱৰ্ষে ময়া ৱা—

৫২। —জ্যে॥ ৩০

অস্যাস্ সীমা[৩৪] পূৰ্ব্বেণ বিকঙ্কত[৩৩]স্তূপঃ।

পূৰ্ব্বদক্ষিণেন শাল্মলীবৃক্ষঃ।

দক্ষিণেন ত্রিপত্রক বৃক্ষঃ।

৫৩। দক্ষিণপশ্চিমেন কদম্ববৃক্ষঃ।

পশ্চিমেন ক্ষেত্রালিস্থবেতসবৃক্ষঃ।

পশ্চিমোত্তৰেণ বিটি—

৫৪। স্তূপস্থাশ্বত্থবৃক্ষঃ।

উত্তৰেণ জম্বুবৃক্ষঃ।

উত্তৰপূৰ্ব্বেণ সুৱৰ্ণদাৰুবৃক্ষশ্চেতি॥ × ॥ ৩৩

## অসমীয়া অনুবাদ

প্রণাম। পৃথিৱীৰ অন্ধকাৰনাশকাৰী ৰুদ্রৰ তেজ জগতৰ শান্তিৰ কাৰণে হওক; ( যাৰ কাৰণে ) নিশাৰ পাছত প্রভাত হোৱাৰ নিচিনা সকলো হৈ থাকে॥ ১ ॥

যি দেৱহস্তীৰ মদজলৰ দ্বাৰা ময়ূৰৰ চকা সদৃশ শোভা পোৱা আৰু যি কৈলাসৰ অধিবাসী হৰিণৰ কস্তুৰী-গোন্ধেৰে সুবাসিত, সেই লৌহিত্যৰ নিৰ্ম্মল পানীয়ে ( সকলোৰে ) পাপ দূৰ কৰক॥ ২ ॥

আগৰ শাৰীৰ নিচিনা॥ ৩ ॥

প্রলয়জলত বুৰ গৈ থকা বসুমতীৰ উদ্ধাৰকৰ্ত্তা উপেন্দ্রৰ নৰক নামে এজন অসুৰবন্ধু পুত্র আছিল॥ ৪ ॥

(২৭) ৰাৰাদেপত্তন বিষয় আৰু ৰপাদেৱ পাটকৰ বৰ্ত্তমান স্থিতি সম্পৰ্কে আগতেই আলোচনা কৰা হৈছে।

(২৮) অপকৃষ্ট ভূমিৰ অৰ্থ নানাভাবে কৰা হয়; ডঃ হৰ্ণলিৰ মতে কম উৰ্ব্বৰা ঠাইক বুজায়।

(২ ) ফলিত আছে 'সৰ্ব্বপীৰা'।

(৩০) ফলিত আছে 'সকৰ্ম্মপৰ্দ্ধতীঃ'।

(৩১) ফলিত আছে 'ৱসিষ্ঠভাৰ্যিৱ'।

(৩২) 'ভদ্রায়' শব্দৰ মাজৰ অক্ষৰটো ঠিকভাবে লিখা হোৱা নাই। এই পাঠ নিৰ্ভুল বুলিও কোৱা টান।

(৩৩) ফলিত আছে মাত্র 'তীমা'।

(৩৪) ফলিত আছে 'বৈকঙ্ক'; এই শব্দৰ অৰ্থ পোৱা নাযায়। পুৰণি পুথিত বৈকণ্টক শব্দৰ প্রয়োগ আছে, আৰু ইয়াৰ অৰ্থ এবিধ কাইটীয়া গছ।



যি অদিতিৰ কপোলত লাগি থকা এজোৰ কুণ্ডল হৰণ কৰি ত্রিভুবনবিজয়ী ইন্দ্রৰ যশস্যা অপহৰণ কৰিছিল॥ ৫ ॥

কামদেৱতকৈ অধিক ৰূপবান ( নৰকে ) কামৰূপৰ প্রাগ্জ্যোতিষ নামে নগৰত বাস কৰিছিল, যি ( নগৰৰ ) তামোলগছবোৰ পাণলতাৰে আগুৰা আছিল আৰু কলা অগুৰুগছৰ ডালৰপৰা এলাচি ওলমি আছিল॥ ৬ ॥

সেই ঠাইৰ উপবনত মদান্ধ গন্ধগজৰ কাণৰ জোকাৰণিৰ তালে তালে ম'ৰা চৰাই নাচিছিল, য'ত বাস কৰি যুদ্ধপ্রিয় (নৰক ) বিষ্ণুচক্রৰ দ্বাৰা আহত হৈ মৃত্যুমুখত পৰে॥ ৭ ॥

তেওঁৰ পুতেকৰ নাম আছিল ভগদত্ত, যাৰ পাদপীঠ ৰজাসকলৰ শিৰোৰত্নৰ দ্বাৰা চুম্বিত হৈছিল, যি প্রজাক সন্তোষ দিয়াত পাৰ্গত, যি সকলো বৰ্ণাশ্রমৰ গুৰুৰ নিচিনা আৰু যি অদ্বিতীয় বীৰ আছিল।

তেওঁ স্বৰ্গী হোৱাত তেওঁৰ ভায়েক ৰজা হৈছিল, যাৰ মহাদেৱত পবিত্র ভক্তি আছিল আৰু যাৰ নাম কবিসকলে বজ্রদত্ত বুলি কয়॥ ৯ ॥

সেই বংশত বন আৰু সাগৰক সীমা কৰি ৰাজ্য ভোগ কৰি বহুত ৰজাৰ মৃত্যু হোৱাৰ পাছত শালস্তম্ভ ৰজা হৈছিল॥ ১০ ॥

পালক, বিজয় আদি সেই বংশীয় ৰজাৰ পাছত শত্রুনাশী হৰ্জ্জৰ নামে এজন চন্দ্রতুল্য ৰজা হৈছিল॥ ১১ ॥

'মই আগে, মই আগে' ( এই বুলি ) প্রাৰ্থনা কৰাত ইচ্ছুক ৰজাসকলৰ মুকুটমণি তেওঁৰ ( হৰ্জ্জৰৰ ) ৰাতুল পাদনখৰ পোহৰত বেলিৰ পোহৰত অলোৱা চাকিৰ নিচিনা হীনপ্রভ হৈছিল॥ ১২ ॥

তেওঁৰ পুত্র শিৱভক্ত বনমালদেৱ বহুদিন ৰজা হৈ আছিল; ( তেওঁৰ ) বুকু বহল, কঁকাল সৰু কিন্তু বৃত্তাকাৰ, কণ্ঠ দৃঢ় আৰু বাহু পৰ্ব্বতৰ নিচিনা আটিল আছিল॥ ১৩ ॥

( তেওঁৰ ) মুখ খঙে বিকৃত কৰা নাছিল আৰু ( মুখত ) হাঁহি নোহোৱা হোৱা নাছিল, ( তেওঁ ) নীচলোকৰ কথা শুনিছিল, অহিত কথা নকৈছিল আৰু তেওঁৰ চৰিত্র সদায় মহান আছিল॥ ১৪ ॥

তেওঁ এনেকুৱা শাৰীয়ে শাৰীয়ে ৰাজপ্রাসাদ নিৰ্ম্মাণ কৰাইছিল যি জগতত তুলনাহীন হলেও ঠিক জোখত নিৰ্ম্মিত, বিশাল হলেও বহুত শালাযুক্ত আৰু চিত্র-বিচিত্র হলেও ধুনীয়া ছবি লগোৱা আছিল॥ ১৫ ॥

ক্ষীৰসাগৰৰপৰা চন্দ্র ওপজাৰ নিচিনা তেওঁৰো এজন শ্রীজয়মালদেৱ নামৰ পুত্র জন্মিছিল, যাৰ কুন্দ ফুল আৰু চন্দ্রৰ প্রভাৰ নিচিনা নিৰ্ম্মল যশস্যা ( আজিও ) অবিচলিত হৈ ৰৈ আছে॥ ১৬ ॥

সেই কমললোচন ৰজা শ্রীমান বনমালে পুত্র (জয়মালক) উপযুক্ত শিক্ষিত আৰু যৌবনপ্রাপ্ত দেখি, ॥ ১৭ ॥

চন্দ্রৰ নিচিনা শুভ্র ৰাজছত্র এজোৰ চামৰেৰে সৈতে প্রদান কৰি অনশন ব্রত পালন কৰি বীৰ ( বনমাল ) মহাদেৱত লীন গৈছিল॥ ১৮ ॥

ৰাজ্য লাভ কৰি আৰু ৰাজদায়িত্ব বহন কৰি বীৰবাহুৱে ( জয়মালে ) বংশ, ৰূপ আৰু বয়সত নিজৰ অনুৰূপ অম্বা নামে যুৱতীক বিবাহ কৰিছিল॥ ১৯ ॥

প্রয়োগবিদ্যা জনা ৰজাই (জয়মালে) সেই ৰাণীত এডোখৰ কাঠৰপৰা ওলোৱা জুইৰ নিচিনা বলবৰ্ম্মা নামে বিখ্যাত সকলো গুণযুক্ত শ্রীমান পুত্র জন্মাইছিল॥ ২০ ॥

তেওঁৰ চকু নীলপদ্মৰ চঞ্চল পাহিৰ নিচিনা, কান্ধ সুপুষ্ট, বাহু সুঠাম, আৰু বদনশ্রী নতুনকৈ উঠি অহা সূৰ্য্যৰ কিৰণৰ স্পৰ্শত প্রস্ফুটিত হোৱা নৱপদ্মৰ নিচিনা আছিল॥ ২১ ॥

দিনে দিনে সময় অতিবাহিত হোৱাৰ পাছত যুক্তত স্তম্ভৰ নিচিনা ৰজাই ( বীৰবাহুৱে ) কোনো সময়ত কৰ্ম্মৰ বিপাকত বৈদ্যৰ চেষ্টাবিফলকাৰী ৰোগৰ দ্বাৰা আক্রান্ত হৈছিল॥ ২২ ॥

সংসাৰ অসাৰ আৰু মানৱ জীৱন জল-বিন্দুৰ নিচিনা চঞ্চল বুলি ভাবি বীৰবাহুৱে শেষ কৰ্ত্তব্য চিন্তা কৰিছিল॥ ২৩ ॥

ইয়াৰ পাছত শুভ দিনত ৰজাই সিংহপোৱালিৰ দৰে আৰু উন্নত দেহৰ পুত্রক নিয়ম অনুযায়ী সিংহাসনত বহুৱাই মুকুট পিন্ধাইছিল॥ ২৪ ॥

ইয়াৰ পাছত, প্রচুৰ ঘিউ পাই জুই জ্বলি উঠাৰ দৰে বলবৰ্ম্মায়ো ৰাজ্য লাভ কৰি অন্ধকাৰ সদৃশ শত্রুকুল নাশ কৰি প্রভা বিস্তাৰ কৰিছিল॥ ২৫ ॥

যাৰ ঢৌ বিজয়হস্তীৰ কুম্ভৰপৰা ওলোৱা মদজলেৰে

মিহলি হৈছিল, নিৰ্ম্মল পানীযুক্ত সেই লৌহিত্য নদীৰ ওচৰত তেওঁৰ পিতৃপুৰুষে স্থাপন কৰা কটক আছিল ॥ ২৬॥

গল্প—সেই সুন্দৰ হৰপোখৰ নামে কটকত বাস কৰি যি ( ৰজাই ) উন্মুক্ত তৰোৱালৰ ঘৰ্ষনিত কলা পৰা বাহুৰ দ্বাৰা সকলো দিক্ বিদিক্ জয় কৰিছিল সেই যুদ্ধত স্থিৰ, কলঙ্কৰ প্ৰতি ভীৰু, শত্ৰুৰ প্ৰতি উগ্ৰ, গুৰুজনৰ প্ৰতি অতিশয় নম্ৰ, সত্যবাদী, বিসংবাদত বিমুখ, কাৰ্য্যত অহঙ্কাৰহীন, অতি দানশীল, মাতা-পিতাৰ চৰণসেৱাৰ দ্বাৰা নিস্পাপ, পৰমেশ্বৰ পৰমভট্টাৰক মহাৰাজাধিৰাজ কল্যাণীয় শ্ৰীবলবৰ্ম্মদেৱ।

বাৰাসেপস্তন বিষয়ৰ ভিতৰত থকা বপাদেব পাটকৰপৰা দুই হাজাৰ ধান উৎপন্ন হোৱা ভূমি সম্পৰ্কে ( বা আছে ) ইয়াত উপস্থিত ( ওচৰত ) থকা ব্ৰাহ্মণাদি, বিষয়কৰণ, ব্যাৱহাৰিক, প্ৰধান জনপদবাসী, ৰজা, ৰাণী, ৰাণক (?) সম্বন্ধীয় অইন অইন কৰ্ম্মচাৰী, ৰাজানক, ৰাজপুত্ৰ, ৰাজবল্লভ প্ৰভৃতিক আৰু ( এই ঠাইৰ ) ভৱিষ্যৎ অধিবাসীসকলক যথাযোগ্য সম্মানেৰে আদেশ কৰে :—

আপোনালোকে এই কথা জানিব, ঘৰবস্তি, শস্যপথাৰ জল-স্থল, গোপচাৰ, পতিত ভূমি প্ৰভৃতি নিৰ্দ্দিষ্ট সীমা ধাৰ্য্য কৰালৈকে ( এই ভূমি ) হস্তিবন্ধনকাৰী, নৌকাবন্ধনকাৰী, চোৰধৰা কৰ্ম্মচাৰী, উপৰিকৰ, উৎখেটকাদি (?) নানা উপায়ে কৰ আদায়কাৰীৰ, হাতী, ঘোৰা, উট, গৰু, মহ, ছাগলী আৰু ভেৰাৰখীয়া আদি উপদ্ৰৱকাৰীৰ উপদ্ৰৱৰপৰা মুক্ত।

সকলো শ্ৰুতিশাস্ত্ৰ জনা, যাগ-যজ্ঞত খ্যাতিসম্পন্ন, উপমন্যু গোত্ৰীয় এক শ্ৰেষ্ঠ ব্ৰাহ্মণ আছিল; কাণ্ব-শাখাধ্যায়ী যজুৰ্ব্বেদৰ আশ্ৰয়স্বৰূপ গৰ্গ নামৰ সেই ব্ৰাহ্মণ স্বৰ্গী হয়।

তেওঁৰ গভিষ্টিৰ নামৰ এজন ধৰ্ম্মজাত পুত্ৰ আছিল, যি ঋক্ সাম যজুঃসূক্ত আৰু কৰ্ম্মপদ্ধতি অধ্যয়ন কৰিছিল, সকলো শাস্ত্ৰ আয়ত্ত কৰিছিল, আৰু যজ্ঞানুষ্ঠান কৰিছিল ॥ ২৭॥

( গভিষ্টিৰৰ ) সোমলতাৰ নিচিনা পবিত্ৰ, বশিষ্ঠৰ ভাৰ্য্যাৰ নিচিনা পতিব্ৰতা, ইন্দ্ৰপত্নী শচীৰ নিচিনা সুগৰ্ভধাৰিণী, পৃথিবীৰ নিচিনা ধৈৰ্য্যশীলা এগৰাকী পত্নী আছিল ॥ ২৮॥

সেই দুয়োজনে দ্বিজাতিৰ কল্যাণাৰ্থে পুণ্যবান শ্ৰুতিশাস্ত্ৰ জনা, প্ৰিয়বাদী, যশস্যাশালী অৰ্থদানকাৰী আৰু মহাতপস্বী শ্ৰামদেৱ নামৰ এক পুত্ৰ লাভ কৰিছিল ॥ ২৯॥

এওঁক ( শ্ৰামদেৱক ) পিতৃ-মাতৃৰ পুণ্যাৰ্থে, আৰু নিজৰ কল্যাণাৰ্থে বিধি অনুযায়ী কৰা বাৰ্ষিক পূজা শক্ৰোত্থান উপলক্ষে মই ( ৰজাই ) ৰাজত্বৰ ৫ম বছৰত বহুত দান কৰি ( ভূমি ) দান কৰিলোঁ ॥ ৩০॥

ইয়াৰ ( ভূমিৰ ) সীমা—

পূবে সুমথিৰা গছৰ ঝাৰণি।
পূব-দক্ষিণে শিমলু গছ।
দক্ষিণে বেল গছ।
দক্ষিণ-পশ্চিমে কদম গছ।
পশ্চিমে খেতিৰ আলিত থকা ভেহ গছ।
পশ্চিম-উত্তৰে পীতচন্দনৰ ঝাৰণিত থকা আহত গছ।
উত্তৰে জামু গছ।
উত্তৰ-পূবে সোণাৰু গছ ॥ ৩১॥

---

• ৰজা বলবৰ্ম্মাৰ এই শাসনখন সংগ্ৰহ কৰি, তাৰ পাঠ উদ্ধাৰ কৰি প্ৰকাশ কৰিব পৰা অৱস্থালৈ আনি বুৰঞ্জী আৰু পুৰাতত্ত্ববিভাগে এটি প্ৰশংসনীয় কাম কৰিছে। আমি জনাত ভালেমান অপ্ৰকাশিত প্ৰাচীন গ্ৰন্থ এই বিভাগটোৱে যত্নেৰে ৰক্ষা কৰি আহিছে। সেইবোৰ পোহৰলৈ আনিব পাৰিলে দেশৰ মুখ উজ্জ্বল হব। আশা কৰো, জাতীয় চৰকাৰে অকুণ্ঠিত অৰ্থদান দি এইবোৰ প্ৰকাশ হোৱাত সহায় কৰিব।—সম্পাদক।

---

# ভাৰতীয় দৰ্শনত যদৃচ্ছাবাদ আৰু স্বভাৱবাদ

শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী

বিশ্ব-ব্ৰহ্মাণ্ডৰ অন্তৰালত স্ৰষ্টা, পালন্তা আৰু নিয়ন্তা হিচাবে ভগবানৰ অস্তিত্ব অস্বীকাৰ কৰা মতবাদকে সাধাৰণতে নাস্তিকবাদ বুলিলেও দাৰ্শনিক পৰিভাষাত বেদৰ অপৌৰুষেয়ত্ব আৰু স্বতঃপ্ৰামাণ্য স্বীকাৰ নকৰা মতবাদবিলাককহে ভাৰতীয় দৰ্শনত নাস্তিকবাদ বোলা হয়। ভাৰতীয় দৰ্শনক অকল হিন্দুদৰ্শন বুলিব নোৱাৰি। হিন্দুধৰ্ম্মৰ সকলো শাখা-প্ৰশাখা বেদৰ ওপৰত প্ৰতিষ্ঠিত আৰু বেদেই হিন্দুধৰ্ম্মৰ মূল উৎস। কিন্তু দাৰ্শনিক চিন্তাধাৰাৰ ইতিহাসত অহিন্দু বা হিন্দুধৰ্ম্ম বিৰোধী মতবাদৰো প্ৰভাৱ কম নহয়। চাৰ্ব্বাক, জৈন আৰু বৌদ্ধ দৰ্শন ভাৰতীয় দৰ্শন হলেও এই কেইবিধ দৰ্শন হিন্দুধৰ্ম্মৰ পৰিপোষক নহয়।

ভাৰতীয় দৰ্শনক মূলতঃ আস্তিক আৰু নাস্তিক এই দুই ভাগত ভগোৱা হয়। বেদৰ অপৌৰুষেয়ত্ব আৰু প্ৰামাণ্য স্বীকাৰ কৰা দাৰ্শনিক পদ্ধতি কেইটাক নাস্তিক দৰ্শন বোলা হয়। ষড়্ দৰ্শন অৰ্থাৎ ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত এই ছয়বিধ দৰ্শনক আস্তিক দৰ্শন আৰু চাৰ্ব্বাক, জৈন আৰু বৌদ্ধ দৰ্শনক নাস্তিক দৰ্শন বোলা হয়। এই দ্বিধাৰা চিন্তাস্ৰুতিৰ প্ৰবাহত ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাৰ প্ৰাচুৰ্য্য বহুমুখিত আৰু বৈচিত্ৰ্যই বিকাশ পাইছে। নাস্তিক দাৰ্শনিক পদ্ধতি কেইটাৰ উপৰিও অনেক সৰু-সুৰা নাস্তিক মতবাদৰ পুলি-পোখা ভাৰতীয় চিন্তা ধাৰাত প্ৰকাশ পাইছিল। প্ৰথমতে নাস্তিক মতবাদ আস্তিক দৰ্শন আৰু বৈদিক যাগ-যজ্ঞ আৰু আচাৰ-নিষ্ঠাৰ প্ৰতিক্ৰিয়া হিচাবে প্ৰকাশ পায়। এই প্ৰতিক্ৰিয়া সন্দেহ, অবিশ্বাস আৰু সমালোচনাৰপৰা আৰম্ভ হৈ অৱশেষত ৰচনাত্মক দাৰ্শনিক পদ্ধতিত পৰিণত হয়।

বৈদিক দৰ্শনৰ আৰু সেই চিন্তাধাৰাই গঢ় দিয়া জীৱন-নীতি, ধৰ্ম্ম-কৰ্ম্ম, যাগ-যজ্ঞ আদিৰ প্ৰতি বিৰোধ ভাব অতি প্ৰাচীন কালৰপৰাই চলি থকাৰ উল্লেখ আছে। পণ্ডিতসকলে এনে ধৰণৰ চিন্তাধাৰাক বৈদিক যুগৰ স্বাধীন চিন্তা বুলিছে। এই চিন্তাৰ সমল আৰু বিকাশ বেদৰ ওপৰত প্ৰতিষ্ঠিত নহয়, বৰং বেদোক্ত তত্ত্ব, ধৰ্ম্ম, আচাৰ আদিৰ প্ৰতি সমৰ্থন নথকা মনোবৃত্তিৰ অঙ্কুৰ হিচাবেহে এইবোৰ প্ৰকাশ পাইছিল। গতিকে এই ধৰণৰ চিন্তাৰপৰা জন্ম পোৱা তথ্য-পাতি বেদশিক্ষাৰ অন্তৰ্ভুক্ত নাছিল, বৰং এনে চিন্তা পোষণকাৰীসকলক ব্ৰহ্মদ্বিষ্, দেবনিদ্, অপব্ৰত আদি ভাষাৰে গৰিহণা দিয়া হৈছিল আৰু ঘিণ কৰিছিল। এই চিন্তাধাৰা কোনো সময়ত সন্দেহ আৰু কোনো সময়ত অবিশ্বাসৰূপে প্ৰকাশ পাইছে। যিভাবেই প্ৰকাশ নাপাওক বেদৰ অপ্ৰামাণ্য আৰু বৈদিক চিন্তাৰ প্ৰতি অনাস্থা এই চিন্তাত প্ৰকাশ পাইছে।

ঋগ্বেদৰ মন্ত্ৰ এটাত এনেদৰে আছে—"আমাক বিশ্বাসযুক্ত কৰা।"[১] অবিশ্বাসৰ ছাঁ নাথাকিলে নাইবা অবিশ্বাসৰ পৰিবেশ

---

১। দশম মণ্ডল, ১৫১ সূক্ত, ৫ম ঋক্
শ্ৰদ্ধাং প্ৰাতৰ্হবামহে শ্ৰদ্ধাং মধ্যন্দিনং পৰি।
শ্ৰদ্ধাং সূৰ্য্যস্য নিম্ৰুচি শ্ৰদ্ধে শ্ৰদ্ধাপয়েহ নঃ॥

নাথাকিলে এই মন্ত্ৰৰ যৌক্তিকতা প্ৰতিপাদন নহয়। আৰু এঠাইত বৈদিক দেৱতা ইন্দ্ৰৰ সাৰ্ব্বভৌমত্বত অবিশ্বাস কৰাসকলক আত্ম-প্ৰবঞ্চক বুলি উল্লেখ কৰিছে। এনে উদাহৰণ আৰু দিব পৰা যায়। মুঠতে এইবিলাক উক্তিয়ে বৈদিক ধৰ্ম্মৰ বিৰোধিতা যে বেদৰ যুগতে আছিল তাৰ সঙ্কেত দিয়ে। এনে ধৰণৰ বিৰোধ ভাব উপনিষদৰ যুগত আৰু তীব্ৰ হয়। জৈন আৰু বৌদ্ধধৰ্ম্মৰ শাস্ত্ৰতো এনে ভাবৰ অলেখ উদাহৰণ পোৱা যায়। ইতিহাস-পুৰাণতো নৃপতিসকলৰ ৰাজসভাত থকা বিশিষ্ট পণ্ডিতসকলৰ ভিতৰতো কিছুমানে অবৈদিক নানা মতবাদ পোষণ কৰা আৰু প্ৰচাৰ কৰাৰ উল্লেখ আছে। যাস্কৰ নিৰুক্তত কৌৎস[২] নামে এজন পণ্ডিতে বেদক স্ববিৰোধী আৰু অৰ্থহীন বুলি সমালোচনা কৰাৰ উল্লেখ আছে। কল্পসূত্ৰতো নাস্তিকবিলাকক পাপমতি বুলি গালি পাৰিছে। এতেকে বেদৰ যুগতে যে বেদবিৰোধী চিন্তা প্ৰচলিত আছিল তাক নুই কৰিব নোৱাৰি।

এনে মত পোষণকাৰীসকল সাধাৰণতে পুৰোহিত বা যাজক সম্প্ৰদায়ৰ বাহিৰৰ লোক আছিল। কিন্তু এই মত যে অব্ৰাহ্মণসকলৰহে আছিল এনে নহয়। অৰণ্যবাসী ব্ৰাহ্মণসকল যাজক সম্প্ৰদায়ৰ লোক নাছিল আৰু এই সংসাৰ-ত্যাগী ব্ৰাহ্মণ পণ্ডিতসকলহে সাধাৰণতে এই স্বাধীন চিন্তাৰ পোষক আছিল। ব্ৰাহ্মণ আৰু শ্ৰমণসকলে একেলগে আৰু একেধৰণে আত্মাৰ অমৰত্ব, আত্মাৰ দেহান্তৰ প্ৰাপ্তি, পুনৰ্জন্ম আদিত অবিশ্বাস কৰা কথাৰ প্ৰমাণ বৌদ্ধ সাহিত্যৰপৰা পোৱা যায়। ভাৰতীয় দৰ্শনত এনে বিমুক্ত চিন্তাধাৰাৰ অৱদান সুদূৰপ্ৰসাৰী আৰু আস্তিক নাস্তিক দুয়োবিধ দৰ্শনে পৰস্পৰক প্ৰভাৱান্বিত কৰিছে।

ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাত অবৈদিক বা নাস্তিক মতবাদৰ প্ৰভাৱ যথেষ্ট পৰিলেও এই চিন্তাধাৰাৰ আটাইবিলাক ৰূপেই সমন্বিত দাৰ্শনিক পদ্ধতিৰ প্ৰতিষ্ঠা লাভ কৰা নাই। আনকি প্ৰাচীন সংস্কৃত সাহিত্যতো এই মতবিলাকে যথেষ্ট সমাদৰ লাভ কৰিব পৰা নাই। এই মত-বিলাকৰ বিক্ষিপ্ত বিৱৰণ বা উল্লেখ থাকিলেও সেইবোৰ ভাৰতীয় জীৱনদৰ্শনৰ মূলত খোপনি পুতিব নোৱাৰাৰ বাবে সমাদৃত হোৱা নাছিল, বৰং অনাদৰ আৰু ঘৃণাৰ বস্তুহে আছিল। এই মতবিলাকৰ খণ্ডন প্ৰসঙ্গতহে মতবিলাকৰ উল্লেখ কৰা হৈছিল, সমৰ্থন কৰি তাৰ যৌক্তিকতা প্ৰতিপাদন কৰা হোৱা নাই। শ্বেতাশ্বতৰ উপনিষদত প্ৰায় ছটা এনে নাস্তিক মতৰ উল্লেখ আছে। এই নাস্তিক মতবাদবিলাকৰ অন্তৰালত আকৌ দুটা মূল তত্ত্বৰ প্ৰভাৱ দেখা যায়। এই তত্ত্ব দুটাৰ প্ৰভাৱ অকল নাস্তিকবাদতেই আবদ্ধ হৈ থকা নাই। ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাত প্ৰত্যক্ষভাবেই হওক বা পৰোক্ষভাবেই হওক ই এক প্ৰকাৰ স্বীকৃতি লাভ কৰিছে।

এই দুটা তত্ত্বক **যদৃচ্ছাবাদ, অনিমিত্তবাদ** বা **আকস্মিকবাদ** (Accidentalism) আৰু **স্বভাৱবাদ** (Naturalism) বোলা হয়। শ্বেতাশ্বতৰ উপনিষদত যদৃচ্ছাবাদ আৰু স্বভাৱবাদ বেলেগে বেলেগে উল্লেখ কৰিছে। ন্যায়সূত্ৰতো অনিমিত্ত-বাদৰ উল্লেখ পোৱা যায়। যদৃচ্ছাবাদ বা অনিমিত্ত-বাদ মতে এই জগত অনিয়ন্ত্ৰিত, অব্যৱস্থিত আৰু অনিসৰ্গক্ৰম। ইয়াত বাহ্যতঃ যি শৃঙ্খলা বা

২। 'যদি মন্ত্ৰাৰ্থপ্ৰত্যায়ায়ানৰ্থকং ভৱতীতি কৌৎসোঽনৰ্থকা হি মন্ত্ৰাস্তদেতেনোপেক্ষিতব্যম্ ..। নিৰুক্ত ১।১৫



ব্যৱস্থা আমাৰ দৃষ্টিত পৰে সি সম্পূৰ্ণ আকস্মিক ঘটনাক্ৰমে সংঘটিত। জগত-প্ৰপঞ্চৰ অন্তৰালত কোনো উদ্দেশ্য নাই আৰু ই কোনো অন্তৰ্নিহিত অভিপ্ৰায়ৰ অভিব্যক্তি নহয়। জগতৰ বিভূতি-বিলাক আপোনা-আপুনি মূল উপাদানৰপৰা ওলাইছে আৰু পৰস্পৰ সম্বন্ধ হৈছে। জগতত সংঘটিত ঘটনাবিলাক সম্পূৰ্ণ অনিয়ন্ত্ৰিত আৰু অনিৰ্দ্দিষ্ট। যদৃচ্ছাবাদত অপ্ৰাকৃতিক, অলৌকিক বা নিসৰ্গাতিৰিক্ত কোনো সত্তাৰ স্থান নাই। এই মতবাদত কাৰ্য্যকাৰণ সম্বন্ধৰো নিৰ্দ্দিষ্ট স্থান নাই।

চাৰ্ব্বাক দৰ্শন বা লোকায়ত দৰ্শন এই যদৃচ্ছাবাদৰ ওপৰত প্ৰতিষ্ঠিত। জগতত যিবিলাক বস্তু বা বিভূতি প্ৰকাশ পাইছে বা যিবিলাক ঘটনা ঘটিছে তাৰ কোনো অৱশ্যম্ভাৱী কাৰণ নাই। বাহ্য প্ৰত্যক্ষৰপৰা বস্তুৰ অৱশ্যম্ভাৱিতা বা নিয়ত সম্বন্ধ অনুমান কৰা কল্পনা মাত্ৰ। জগতৰ মূল উপাদানবিলাকৰ সংযোগ আৰু বিয়োগ হবই লাগিছে। এই সংযোগ বিয়োগ আপোনা-আপুনি বা যদৃচ্ছাবশতঃ হব লাগিছে। ইয়াৰ অন্তৰালত কাৰো কোনো অভিপ্ৰায় নিহিত নাই। কোনো এটা ঘটনা কিয় ঘটে তাৰ কাৰণ পূৰ্ব্ব নিয়ন্ত্ৰিত বা পূৰ্ব্বনিৰ্দ্দিষ্ট নহয়। কাইটৰ কিয় তীক্ষ্ণ ধাৰ, পশু-পক্ষীৰ কিয় বিচিত্ৰ স্বভাৱ, কিয় সিহঁতৰ গাৰ বং বেলেগ বেলেগ, চেনি কিয় মিঠা, নিমপাত কিয় তিতা—এইবিলাকৰ কোনো পূৰ্ব্বনিৰ্দ্দিষ্ট কাৰণ নাই। এইবোৰ স্বয়ংপ্ৰবৰ্ত্তিত বা যাদৃচ্ছিক। এই জগত আৰু জগতৰ বিভূতি কোনো অলৌকিক বা অতীন্দ্ৰিয় সত্তাৰ বা ঈশ্বৰৰ আভিপ্ৰায়িক সৃষ্টি নহয়। বিশ্বব্ৰহ্মাণ্ড আকস্মিক ঘটনাপ্ৰবাহৰ সঙ্গমস্থল আৰু প্ৰকৃতিৰ উপাদান-বিলাকৰ যাদৃচ্ছিক বা আকস্মিক সংমিশ্ৰণ মাথোন।

যদৃচ্ছাবাদমতে এই বিশ্বব্ৰহ্মাণ্ড আৰু ইয়াৰ সকলো বিভূতি আকস্মিক ঘটনা-প্ৰবাহৰ সমাবেশ মাত্ৰ। এই মতবাদে কাৰ্য্যকাৰণ সম্বন্ধৰ নিয়ত সম্পৰ্ক স্বীকাৰ নকৰে। স্বভাৱবাদমতে আনপিনে আকৌ জাগতিক সকলো বস্তু সিহঁতৰ অন্তৰ্নিহিত স্বভাৱমতেই সংঘটিত হয়। প্ৰত্যেক বস্তুৰেই একোটা স্বকীয়া স্বভাৱ বা প্ৰকৃতি আছে আৰু সেই স্বভাৱ বা প্ৰকৃতিৰ তাড়নাত বস্তুটোৱে এক প্ৰকাৰ স্বকীয়াভাৱে জগতত বিকাশ পায়। বস্তুৰ এই স্বাভাৱিক নীতি কোনোৱে প্ৰবৰ্ত্তন কৰা নাই। যদৃচ্ছাবাদ মতে জগতৰ বস্তু বা ঘটনা-প্ৰবাহৰ অন্তৰালত কোনো নিমিত্ত কাৰণ নাই আৰু এই জগত-প্ৰপঞ্চ কোনো নিমিত্তকাৰণৰ আভিপ্ৰায়িক অভিব্যক্তি নহয়। স্বভাৱবাদে সাৰ্ব্বজনীন কাৰ্য্য-কাৰণ সম্বন্ধৰ অস্তিত্ব স্বীকাৰ কৰে আৰু এই কাৰ্য্যকাৰণ সম্বন্ধৰ কাৰণে এটা বস্তুৱে আন এটা বস্তুৰ ওপৰত ক্ৰিয়া কৰে বা প্ৰভাৱ বিস্তাৰ কৰে। কিন্তু এই সম্বন্ধ বস্তুৰ স্বভাৱ-অতিৰিক্ত আন কোনো ইচ্ছাৰ প্ৰক্ষিপ্ত প্ৰক্ৰিয়া নহয়। বস্তুৰ পৰিবৰ্ত্তন, বিকাৰ, বিবৰ্ত্তন বা পৰিণাম বস্তুৰ স্বাভাৱিক অৱস্থাৰ পৰিণতি মাথোন আৰু ইয়াৰ কাৰণ বস্তুটোতেই নিহিত আছে। জগতৰ সকলো বস্তু বা অৱয়বে এটা স্বকীয়া ব্যক্তিত্ব বা বিশেষত্ব আছে আৰু এই বিশেষত্বৰ ইতিহাস বস্তুটোৰ স্বাভাৱিক বিকাশৰ ক্ৰম মাথোন।

স্বভাৱবাদ মতে বস্তু এটাৰ স্বাভাৱিক পৰিণতিৰ ক্ৰম আন কোনো বাহ্য ইচ্ছাৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱা নাই; ই স্বভাৱ-নিয়ন্ত্ৰিত বা আত্মনিয়ন্ত্ৰিত। এই নিয়ন্ত্ৰণৰ বাবে প্ৰত্যেক বস্তুৱে নিজ নিজ নীতি ৰক্ষা কৰি চলে আৰু সেই কাৰণে জগতত শৃঙ্খলা বা ব্যৱস্থাৰ

প্ৰবৰ্ত্তন হৈছে। কিন্তু এই ব্যৱস্থা প্ৰবৰ্ত্তনত কোনো বাহ্যশক্তিৰ ইচ্ছা আৰোপিত হোৱা নাই আৰু এই শৃঙ্খলা বহিৰ্নিয়ন্ত্ৰিত নহয়। স্বভাৱ-বাদমতে জগত-প্ৰপঞ্চ অনিয়ন্ত্ৰিত নহয়, ই আত্মনিয়ন্ত্ৰিত বা স্বভাৱনিয়ন্ত্ৰিত।

স্বভাৱবাদমতে বস্তুৰ নিয়তসম্বন্ধ আছে; কিন্তু এই সম্বন্ধৰ অৱশ্যম্ভাৱিতা বা অনিবাৰ্য্যতা কোনো বাহ্যশক্তিৰ দ্বাৰা প্ৰক্ষিপ্ত বা জাপি দিয়া সম্বন্ধ নহয়, ই বস্তুৰ স্বভাৱপ্ৰসূত বা স্বাভাৱিক ৰূপ। বস্তুৰ স্বভাৱৰ প্ৰকৃত আৰু সম্যক জ্ঞান নথকাৰ বাবেহে আমি ইহঁতৰ কাৰ্য্য বাহ্যনিয়ন্ত্ৰিত বুলি অনুমান কৰো। আচলতে কোনো বস্তুৰ ক্ৰিয়া সেই বস্তুৰেই স্বভাৱৰ বাহ্য ক্ৰমবিকাশ।

স্বভাৱবাদী আৰু যদৃচ্ছাবাদীসকলে বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টিতত্ত্বত বিশ্বাস নকৰে। এই জগৎ কোনো অদৃশ্য শক্তিৰ সৃষ্ট বস্তু নহয়, ই প্ৰাকৃতিক উপাদানৰ ক্ৰমবিকাশ। এই বিশ্বজগৎ কোনো অলৌকিক শক্তি বা সৰ্ব্বশক্তিমান ঈশ্বৰৰ আভি-প্ৰায়িক কাৰ্য্য নহয়। এই বিশ্বব্ৰহ্মাণ্ডৰ অন্তৰালত কোনো অতীন্দ্ৰিয়, অলৌকিক বিশ্বনিয়ামক শক্তি থকা বুলি স্বীকাৰ নকৰে আৰু এই বিশ্বজগতৰ বিভূতি কোনো বাহ্য শক্তিৰ নিয়ন্ত্ৰণাধীন নহয়।

স্বভাৱবাদ এটা অতি প্ৰাচীন মতবাদ আৰু ইয়াৰ উল্লেখ উপনিষদ, মহাভাৰত আদিতো পোৱা যায়। স্বভাৱবাদ অদৃষ্টবাদৰ বিৰুদ্ধ মতবাদ। কোনো আধিদৈৱিক বা অতিপ্ৰাকৃত সত্তাত বিশ্বাসৰ স্থান ইয়াত নাই। এই মতবাদত জাগতিক বা ব্যৱহাৰিক দৃষ্টিভঙ্গীৰ প্ৰাধান্য পদে পদে প্ৰতীয়মান। মন্ত্ৰ, যাগ-যজ্ঞ আদিৰ অলৌকিক শক্তিত এই মতবাদীসকলে বিশ্বাস নকৰে আৰু এই কাৰণেই বৈদিক ধৰ্ম্মানুষ্ঠান-বিলাকৰ সাৰ্থকতাত বিশ্বাস নকৰে। আত্মাৰ অস্তিত্ব পোনপটীয়াকৈ অস্বীকাৰ নকৰিলেও স্বভাৱবাদে আত্মাৰ দেহান্তৰ প্ৰাপ্তি অস্বীকাৰ কৰে। কৰ্ম্মবাদ, অদৃষ্টবাদ নামানিলে দেহান্তৰ-প্ৰাপ্তিৰ যৌক্তিকতা প্ৰতিপাদন কৰিব নোৱাৰি।

স্বভাৱবাদ অধ্যাত্মবাদৰ সম্পূৰ্ণ বিৰোধী চিন্তাধাৰা। অধ্যাত্মবাদে আত্মাৰ অস্তিত্ব, অমৰত্ব আৰু অবিনাশিত্ব স্বীকাৰ কৰে আৰু এই সমস্ত ব্যক্ত জগৎ এক পৰম অধ্যাত্ম শক্তিৰ বিকাশ বুলি প্ৰতিপাদন কৰিছে। স্বভাৱবাদে এই বিষয়ত চাৰ্ব্বকদৰ্শনে পোষণ কৰা মতবাদকে মোটামুটি-ভাৱে মানি লৈছে। আত্মা দেহযন্ত্ৰৰ নিয়ন্তা আৰু দেহৰ বিনাশৰ পিচত আত্মাৰ পৃথক অস্তিত্ব নাথাকে। আত্মাৰ অমৰত্ব অস্বীকাৰ কৰিলেই কৰ্ম্মবাদ বা অদৃষ্টবাদ নিৰৰ্থক হৈ পৰে। "মূলতঃ কৰ্ম্মৈৰ নাস্তি, স্বভাৱসিদ্ধঃ সৰ্ব্বোপ্যায়ং জগৎপ্ৰপঞ্চঃ" ইতি (ষড়দৰ্শন- সমুচ্চয়)। জগৎ-বৈচিত্ৰ্য জাগতিক বিভূতিৰে স্বভাৱসিদ্ধ পৰিণতি। চীনৰ মহান দাৰ্শনিক লাওৎছেই প্ৰবৰ্ত্তন কৰা "তাওবাদৰ" ভাৰতীয় দৰ্শনৰ স্বভাৱবাদৰ লগত বহুত সামঞ্জস্য আছে।

---

# ভাৰতীয় সাহিত্যৰ পৰিচয়

অধ্যাপক ৰায়হান শাহ ( অনুবাদক )

( আগৰ সংখ্যাৰ পাছৰপৰা )

## কানাড়া সাহিত্যৰ চমু পৰিচয়

মূল লিখক—অধ্যাপক আৰ্, এছ্, মুগলি

কানাড়া এটি আধুনিক ভাৰতীয় ভাষা। ই পুৰণি সাহিত্য সম্পদেৰে চহকী। এই ভাষা দাক্ষিণাত্যৰ সোঁ-মাজতে থকা কৰ্ণাটক অঞ্চলৰ। ইয়াৰ পশ্চিম ফালে দীঘলীয়াকৈ সমুদ্ৰই চুই গৈছে। কৰ্ণাটক আয়তনত ৱেল্‌ছ্ বাদ দি গ্ৰেট বৃটেইনৰ সমান আৰু ইয়াৰ জনসংখ্যা প্ৰায় দুই কোটি। ভাৰতবৰ্ষৰ হায়দৰাবাদ, মহীশূৰ আৰু কুৰ্গৰ কানাড়া ভাষাভাষী অঞ্চল লৈ কৰ্ণাটক গঠিত হৈছে। দক্ষিণ ভাৰতীয় নাইবা দ্ৰাবিড় ভাষাবিলাকৰ মাজত তামিল ভাষাৰে সৈতে এই ভাষাৰ মিল আটাইতকৈ বৈছি, আৰু ঐতিহ্যৰ হিচাবতো ই তামিলৰ ঠিক পিচতে বুলিব পাৰি।

খুব সম্ভৱ খৃষ্টীয় অব্দৰ আগ ভাগতে কানাড়া ভাষাৰো সাহিত্য চৰ্চ্চাৰ আৰম্ভণি হৈছিল। আমাৰ হাতত পৰা প্ৰমাণ আদিৰপৰা বুজিব পাৰি যে, নিশ্চয় পঞ্চম শতাব্দী মানতে কানাড়া সাহিত্যৰ জন্ম হৈছিল আৰু প্ৰায় নৱম শতাব্দী মানত সি একপ্ৰকাৰ উন্নত অৱস্থা পাইছিল গৈ। বৰ্ত্তমানে পোৱা পুৰণি পুথিৰ ভিতৰত খৃষ্টীয় ৯০০ অব্দত (900 A.D) লিখা "কবিৰাজ মাৰ্গ"ই হৈছে সকলোতকৈ পুৰণি। এই পুথিত কবি-সকলৰ প্ৰতি উপদেশ দিয়াৰ উপৰিও সমালোচনাৰ নানা প্ৰকাৰৰ নিয়ম-প্ৰণালী দিয়া আছে। কানাড়া সাহিত্য যে উন্নত আৰু চহকী আছিল এই সমালোচনাৰ পুথিখনেই তাৰ প্ৰমাণ। ১০ম শতাব্দীৰপৰা দ্বাদশ শতাব্দীৰ মাজত মহাকাব্যৰ যুগত এই উন্নতি অতি ওখ খাপত উঠিছিলগৈ। ঐতিহ্যপূৰ্ণ সংস্কৃত কবিতা আৰু দেশীয় ৰীতিৰ প্ৰভাৱত ৰাণা আৰু পাম্পাৰ দৰে ডাঙৰ কবিয়েও তেওঁলোকৰ পুথিবিলাকত চম্পু ৰচনা-ৰীতি অৱলম্বন কৰিছিল। এই ৰীতি হৈছে গদ্য-পদ্য দুয়োটাৰে সংমিশ্ৰণ। তেওঁবিলাকে লিখিছিল, হয় ভাৰতীয় মহাকাব্য মহাভাৰত আৰু ৰামায়ণৰ বীৰসকলৰ বিষয়ে, নতুবা জৈন সাধু-সন্তসকলৰ বিষয়ে। এই যুগৰ লিখকসকল জৈন মতাৱলম্বী আছিল যদিও, তেওঁলোকৰ ধৰ্ম্ম-নিৰপেক্ষ ৰচনা-বিলাকত নিজৰ পৃষ্ঠপোষক ৰজাসকলক প্ৰচ্ছন্ন-ভাৱে মহাকাব্যবোৰৰ বীৰসকলেৰে সৈতে তুলনা কৰি গৌৰৱান্বিত কৰিছিল। আনকি তেওঁলোকে গৌণভাৱে সাময়িক জীৱন-যাত্ৰাৰ প্ৰণালীবো বৰ্ণনা কৰিছিল। সেই সময়ৰ পুৰণি কবিতা চহকী কৰোতা আন আন কবিসকলৰ মাজতে পুণ্ণা, নাগবৰ্ম্ম আৰু নাগচন্দ্ৰৰ নাম ক'ব পাৰি। "কবিৰাজ-মাৰ্গ"ৰ আগৰেপৰা কানাড়াত গল্প-সাহিত্য প্ৰচলিত আছিল। এই সাহিত্য গল্পকথা নামে জনাজাত। শিবকুট্টৰ "বদ্ধৰাধন" দুৰ্গাসিংহৰ "পঞ্চতন্ত্ৰ", আৰু নায়সেনাৰ "ধৰ্ম্মামৃত" গল্পকথাৰ উল্লেখ কৰিব লগা

পুথি। এই সাধুকথাবিলাকৰ ৰচনা-কৌশল চম্পু পুথিবোৰৰ দৰে পুৰণি কানাড়া তৰপৰ হলেও সাধাৰণৰ মাজত প্ৰচলিত ফকৰা, জতুৱা খণ্ডবাক্য আদিৰে ভৰা আছিল। কানাড়া ৰচনা-ৰীতিয়ে যে লাহে লাহে পুৰণি ৰচনাভঙ্গী এৰি নতুনৰ ফাললৈ ঢাল লৈছিল, এয়ে তাৰ প্ৰমাণ।

দ্বাদশ শতাব্দীৰ মাজ ভাগৰপৰাই দেশত সমাজ, ধৰ্ম্ম আৰু সাহিত্য চৰ্চ্চাৰ এটি নতুন ঢল আহিল। ইয়াৰ গুৰিধৰোঁতা আছিল বীৰশৈৱ বা লিঙ্গায়ত মতৰ প্ৰতিষ্ঠাতা বাসৱেশ্বৰ। লিঙ্গায়ত মতৰ মূল কথা হৈছে, সমতা, নৈতিকতা আৰু পৰমেশ্বৰত আত্মসমৰ্পণ। প্ৰগাঢ় ভক্তিশীল বাসৱেশ্বৰ, সাধু প্ৰভুদেৱ, মহিলা ৰহস্যবাদী অক্ক-মহাদেৱী আৰু অনেক ৰহস্যবাদীয়ে "বচন" নামে এবিধ ৰহস্যবাদী কথা-কবিতাৰে আত্মপ্ৰকাশ কৰিবলৈ ধৰিলে। বচন কানাড়াৰ এটি বিশেষ গদ্যৰচনাৰ ভঙ্গী; গোটেই ভাৰতবৰ্ষ, আনকি পৃথিবীৰ সাহিত্যতে ই নতুন। বচনবিলাকৰ সহায়েৰে অতি সাধাৰণ মানুহৰ অন্তৰতো মানৱতাৰ গভীৰতম প্ৰদেশৰ বাতৰি পহুচাই দি সহানুভূতি লাভ কৰিব পাৰি। ইয়াৰ পাছৰ শতাব্দী কেইটাত হৰিহৰ, ৰাঘৱঙ্ক, কুমাৰব্যাস আৰু লক্ষ্মীশ আদি নানান মতৰ কবিৰ হাতেদি অকৃত্ৰিম কানাড়া মূলৰপৰা উদ্ধৃত হোৱা 'ৰাগনে' আৰু 'শতপদী' আদি কবিতা আগ শাৰীলৈ আহিল। কানাড়াত মহাভাৰতৰ গল্প লিখোঁতা কুমাৰব্যাস, তেখেতৰ বহুমুখী বৰ্ণনাশক্তি, জীৱন্ত-চৰিত্ৰ অঙ্কন, আৰু নমনীয় ৰচনাভঙ্গীৰ বাবে কানাড়ী কবিসকলৰ মাজত অতি ডাঙৰ কবি বুলি জনাজাত। কবি পাম্পাই যদি আমাক মিল্টনলৈ মনত পেলায়, তেন্তে প্ৰকাশ-ভঙ্গীৰ পাৰ্থক্য সত্তেও কুমাৰব্যাসে আমাক বহুমুখী প্ৰতিভাসম্পন্ন ছেক্সপীয়াৰলৈ মনত পেলায় বুলিলে বঢ়াই কোৱা নহয়। ছেক্সপীয়াৰে তেওঁৰ লিখাৰ মাজেদি ৰাণী এলিজাবেথৰ কালৰ ইংলণ্ডক প্ৰতিভাত কৰিছিল আৰু কুমাৰব্যাসে কৰিছিল বিজয়নগৰ সাম্ৰাজ্যৰ কালক। এই সময়তে পূৰ্ণানন্দ আৰু কনকদাসৰ ভক্তি-সঙ্গীতৰ মাজেদি দশকূট নামে ভক্তি-পন্থা সবৰ্ৱহী হৈ পৰে। বীৰশৈৱ, ৰহস্যবাদী আৰু ভক্তসকলেও "বচন" আৰু সঙ্গীতৰ সহায়েৰে তেওঁলোকৰ মতবাদৰ ব্যাখ্যা কৰি বহুতো পুথি লিখিছিল।

সপ্তদশ শতাব্দীত, মহীশূৰৰ শাসনকৰ্ত্তা-সকলৰ অধীনত তিৰুমালাৰ্য্য আৰু শদক্ষাৰীৰ দৰে কবিসকলে, পুৰণি ৰচনাভঙ্গী পুনঃ প্ৰচলন কৰিবৰ চেষ্টা কৰিছিল। কিন্তু ইতিমধ্যে নতুন ভঙ্গী ৰাইজৰ মনত দকৈ শিপাই লৈছে। এই যুগৰ এই নতুন ভঙ্গীৰ দুজন বিখ্যাত সমৰ্থক লিখক হ'ল ৰত্নাকৰ আৰু সৰ্ব্বজ্ঞ। ৰত্নাকৰে তেখেতৰ ভাৰতেশ-বৈভৱ নামে মহাকাব্য লোক-সঙ্গীতৰ সংগত্য (?) ছন্দত লিখি উলিয়ায় আৰু সৰ্ব্বজ্ঞই তেখেতৰ পাণ্ডিত্যপূৰ্ণ ব্যঙ্গকবিতা লিখে তিনি শাৰীৰ ত্ৰিপদী ছন্দত। এইদৰেই পুৰণি কানাড়া সাহিত্যই নতুন গঢ়, নতুন ভাব আৰু নতুন বিষয় লৈ এক প্ৰভাৱশালী সাহিত্য হৈ পৰিল। বৰ্ত্তমানে ই লাহে লাহে ঐতিহ্যৰ ওখ চূড়াৰপৰা নামি আহি জনসাধাৰণৰ সমতল ভূমিত ঠাই লৈছেহি আৰু লগে লগে হৈ পৰিছে কৰ্ণাটৰ জনসাধাৰণৰ ওপৰত এটি জীৱন্ত প্ৰভাৱ। কানাড়া সাহিত্যৰ শক্তি আৰু সৌন্দৰ্য্যৰ প্ৰমাণস্বৰূপে এটি উদাহৰণ লোৱা যাওক। অক্কমহাদেৱীয়ে "কৈছে, "পৰ্ব্বতৰ ওপৰত ঘৰ কৰি বনৰীয়া জন্তুলৈ ভয় কৰি লাভ কি? সাগৰৰ পাৰত ঘৰ সাজি ঢৌলৈ ভয় কৰি লাভ কি? নাইবা খেলাৰ থলিত ঘৰ তুলি



গোলমালৰ বেলিকা আপত্তি কৰাৰ সাৰ্থকতা ক'ত? জগতত যদি জন্ম ললোঁৱেই তেন্তে কুৎসা আৰু প্ৰশংসা দুয়োটাকে সমান চকুৰে চাবই লাগিব।"

অতীত আৰু বৰ্ত্তমানৰ সকলোতকৈ সুন্দৰ অংশ লৈ কানাড়া সাহিত্য গঠিত হৈছে। আধুনিক কানাড়া সাহিত্যই বৰ্ত্তমান শতাব্দীৰ প্ৰথম কুৰি বছৰতে পশ্চিমৰ admiration আৰু অনুকৰণৰ স্তৰ পাৰ হৈ গৈছে। এই নতুন যুগৰ আৰম্ভণি হয় নতুন আৰু পুৰণিৰ বিষয়বস্তু আৰু ৰচনভঙ্গী একেলগ কৰোঁতা মুদ্দনাৰপৰা। ইয়াৰ পিচতে ঢৌ আহিল অকৃত্ৰিম সৃষ্টি-প্ৰতিভাৰে গীতি-কবিতা আৰু চুটি-গল্প আদি আধুনিক সাহিত্যৰ নানা বিভাগত আত্মপ্ৰকাশ কৰিবৰ। যোৱা ডেৰকুৰি বছৰত কৰ্ণাটকে গোবিন্দ পাই, বেন্দ্ৰে কুৱেম্পু আদিৰ দৰে নামজ্বলা কবি আৰু শ্ৰীনিবাসৰ দৰে ডাঙৰ চুটি গল্পলিখক, কৈলাস আৰু শৃঙ্গৰ দৰে শক্তিমন্ত নাট্যকাৰ আৰু কৰন্ত আৰু কৃষ্ণ-ৰাওৰ দৰে নামজ্বলা ঔপন্যাসিকক জন্ম দিছে। পশ্চিমৰ প্ৰভাৱেও কানাড়ী লিখকসকলক নিজ ভাষাৰ লোকগীতি আৰু সাধুকথাৰ চহকী ভাণ্ডাৰৰ প্ৰতি অন্ধ কৰি তুলিব পৰা নাই। এই প্ৰভূত সম্পত্তিৰপৰা বিষয়বস্তু আৰু সঙ্গীতৰ মাল-মছলা আহৰণ কৰা হৈছে। আধুনিকতা হয়তো এতিয়াও আহিবলৈ বাকী আছে, কিন্তু তথাপিও এতিয়াই বাস্তৱবাদ সাহিত্যৰ এটা অংশ হৈ পৰিছে। এই কথা সঁচা যে, আধুনিক কানাড়া সাহিত্যই সবল আৰু গভীৰ বহুমুখী অভিজ্ঞতা আৰু শক্তিমন্ত আৰু গভীৰ ভাব প্ৰকাশৰ ভঙ্গী পাবলৈ এতিয়াও বাকী আছে। কিন্তু তথাপিও ইয়াৰ সৰ্ব্বোৎকৃষ্ট সাহিত্যৰ সৈতে যদি ভাৰতীয় নাইবা পশ্চিমীয়া সৰ্ব্বোৎকৃষ্ট সাহিত্য বিজাই চোৱা হয়, তেন্তে সি পৃথিবীৰ সাহিত্যত ঠাই পাবৰ জোখাৰে ওখ তৰপৰ সাহিত্য বুলি আদৰ পাব।

## মালয়ালম সাহিত্যৰ চমু পৰিচয়

### মূল লিখক—**ডঃ ছি, অচ্যুত মেনন**

মালয়ালম ভাষাৰ আতি-গুৰি ক'ত সেই কথা লৈ আমাৰ বাদানুবাদ কৰিবৰ প্ৰয়োজন নাই। অন্ততঃ এটা কথাত সকলোৱে একে মত যে ই দ্ৰাবিড় ভাষাৰ এটা ঠেঙুলি। গ্ৰীক দলীল-প্ৰমাণ আদিৰপৰা আমি জানিব পাৰোঁ, যে আজি তিনি হেজাৰ বছৰৰ আগেয়েও মালয়ালম দেশৰ পশ্চিমৰে সৈতে সম্বন্ধ আছিল। ৰজা ছল'মনে এতিয়াৰ কালিকটৰ ওচৰৰ চালিয়ম নামে ঠাইলৈ সোণ-ৰূপ, ম'ৰা-চৰাই আৰু জালুক আদি কিনিবৰ বাবে জাহাজ পঠিয়াইছিল। সম্ৰাট টলেমিয়েও লিমুৰিকা বা তামিৰাকমৰ সীমাৰ বাহিৰত 'কেৰু ৰথ' বা 'কেৰালা পুত্ৰন' নামে এখন স্বাধীন সাম্ৰাজ্যৰ কথা উল্লেখ কৰিছে। এই প্ৰমাণবিলাকে আমাক ইতিহাসৰ এটি অতি পুৰণি যুগলৈ লৈ যায়,—যেতিয়া মালয়ালম দেশে স্বাধীনভাৱে নিজৰ কৃষ্টি বিস্তাৰ কৰি আছিল। এই কথাৰ আন প্ৰমাণো পোৱা যায়। পান-পৰ্ব্বৰ সময়ৰ গোসানী কালীক ( আম্মা ) তুষ্ট কৰিবলৈ যিবিলাক পুৰণি আনুষ্ঠানিক সঙ্গীত বা 'তোৰম' গোৱা হয় সেই দৈৱ-সঙ্গীতবোৰতো ইয়াক প্ৰমাণ কৰিবৰ বহুতো উপকৰণ আছে। এই তোৰম সঙ্গীতবিলাক বহু শতাব্দীলৈকে ৰাইজে নজনাকৈয়ে আছিল; তাৰ কাৰণ হৈছে যে যিবিলাক ব্যক্তি বা সম্প্ৰদায় বিশেষৰ হাতত এই সঙ্গীতবিলাক আছিল তেওঁলোকে সেইবোৰ

অতি পৱিত্ৰ সম্পত্তিৰ দৰে সাধাৰণ মানুহৰ হাতত পৰিবলৈ নিদিয়াকৈ ৰক্ষা কৰিছিল। এই তোৰমবিলাকৰ ৰচনাকৌশল আৰু ভাষাৰ ঠাচ-ভঙ্গী আদি অতি পুৰণিকলীয়া। ইয়াত বৰ্ণিত গল্পটিও তামিল-নাডৰ কন্নকীৰ দৰে ঐতিহ্যৰ গৌৰৱেৰে পৰিপূৰ্ণ। তোৰমবিলাক এতিয়াও অতি গোপনীয়ভাৱে ৰখা হয়।

তামিল সাহিত্যৰ সংস্পৰ্শলৈ আহি মালয়ালমে কোনো নতুন সাহিত্য-ভঙ্গী লাভ কৰা নাই। দুই এটা সৰু সৰু লিপি-কৌশল, তাৰ দুয়োটা ভাষাতে থকা কিছুমান সাধাৰণ শব্দ, এইখিনিয়েই মাত্ৰ চিন হৈ গৈছে। চিলাপ্পাধিকৰমৰপৰা জনা যায় যে এই পুথি লিখা হবৰ কালত কেৰালা ৰাজ্য অভিনয় আৰু নৃত্যবিদ্যাত ভালেখিনি আগবাঢ়িছিল। ৰজা ছেৰান চেঙ্গুট্টুৱনে যেতিয়া উত্তৰ ভাৰতলৈ যাওঁতে বাটত নীলগিৰিত বিশ্ৰাম কৰিছিল তেতিয়া উত্তৰ ত্ৰিবাঙ্কুৰৰ পাকৰ নামে ঠাইৰ চক্কয়াৰ এজনে তেখেতৰ আগত এই নৃত্য-অভিনয় প্ৰদৰ্শন কৰিছিল। এই দুয়োটি সুকুমাৰ কলাই সাহিত্যৰ লগৰীয়া ; এতেকে এই কালত সাহিত্যৰো তুল্য উন্নতি হৈছিল বুলি ধৰি লব পাৰি।

কিছুমানৰ মতে ৰামায়ণৰ অযোধ্যাকাণ্ডমত ( অযোধ্যাকাণ্ড ) বৰ্ণনা কৰা ঘটনাৱলী লৈ লিখা ৰামচৰিত্ৰম্ নামে দ্বিভাষী কবিতাৰ পুথিখনিয়েই মালয়ালম ভাষাৰ সকলোতকৈ পুৰণি পুথি। ইয়াৰ জন্ম-ঠাই হ'ল দক্ষিণ ত্ৰিবাঙ্কুৰ। এই ঠাইৰ ভাষা তামিল আৰু মালয়ালমৰ এটা সংমিশ্ৰণ আৰু সেয়ে পুথিখনিতো প্ৰতিফলিত হৈছে। কি মালয়ালী, কি তামিল কোনেও এইখন তেওঁলোকৰ পুথি বুলি দাবী কৰিবলৈ সাজু নহয়। যি হওক এইখিনি অন্ততঃ উল্লেখ কৰিব পাৰি যে এই একে সময়তে উত্তৰ কেৰালাত 'অকমাল্টেকৰৰ সম্বন্ধে লিখা নৃত্য-কবিতাৰে সৈতে ৰামচৰিতম'ৰ ভাষাৰ কোনো সম্বন্ধ নাই।

দশম আৰু ত্ৰয়োদশ শতাব্দীৰ মাজৰ কালছোৱাত মালয়ালমৰ সাহিত্য প্ৰচেষ্টা বিশেষ ফলৱতী হোৱা নাছিল। ইয়াৰ কাৰণ বোধ হয় যে এই সময় ছোৱাত পেৰুমলসকলৰ হাতৰপৰা ধীৰে ধীৰে দেশৰ শাসন ব্যৱস্থা দেশীয় ৰজাসকলৰ হাতলৈ সলনি হোৱাত আৰু তাৰ ফলত শাসন কাৰ্য্যৰ বিকল অৱস্থা ঘটাত মানুহে কলা চৰ্চ্চা বা সৃষ্টি-প্ৰচেষ্টা কৰিবৰ জোখাৰে শান্তি পোৱা নাছিল। লগে লগে আন আন কাণ্ডও নীৰৱে ঘটি আছিল। পশ্চিম উপকূলৰ আৰ্য্য ঔপনিৱেশিকসকলৰ নীতি আছিল "শান্তিপূৰ্ণ অনুপ্ৰৱেশ" ; এতেকে তেওঁলোকে সংস্কৃত ভাষাৰ সহায়েৰে তেওঁলোকৰ কৃষ্টি প্ৰচাৰ কৰিবলৈ এই সুবিধাকে কামত লগাইছিল যেন লাগে। সেই সময়ৰ গোলমাল আৰু কাজিয়া-বিবাদৰ মাজে মাজে স্থানীয় চৰ্দ্দাৰসকলে নিজৰ প্ৰভুত্ব স্থাপন কৰিবৰ বাবে আভ্যন্তৰীণ যুদ্ধত লিপ্ত আছিল, এতেকে হয়তো 'ব্ৰাহ্মণ-ভ্ৰাতৃ'সকলৰ ধৰ্ম্মশিক্ষা আৰু সাহিত্য আলোচনাৰ মাজেদি ৰামায়ণ, মহাভাৰত আৰু ভাগৱত মহাকাব্যৰ সহায়েৰে কৰা প্ৰচাৰ-কাৰ্য্য দেশৰ জনসাধাৰণে দুখকষ্টৰ মাজত সান্ত্বনা হিচাপেই গ্ৰহণ কৰিছিল। এই মহাকাব্যবোৰৰ প্ৰধান শিক্ষা বৈষ্ণৱ মতে ক্ৰমে দেশত দ-কৈ শিপাই লোৱা মাতৃ-পূজা আৰু শৈৱমতবাদক স্পৰ্শ কৰিলেগৈ। ইয়াৰ ফলাফল হল সন্ধি। নতুন আৰু পুৰণি মতবাদে নিজৰ নিজৰ মূল কাঠিন্য এৰি এটা মীমাংসালৈ আহিল।



কেৰালাৰ সমাজৰ এই পৰিবৰ্ত্তন প্ৰতিফলিত হৈছে ত্ৰয়োদশ শতাব্দীৰ 'নিৰণন' কবিসকলৰ লেখাত। এওঁলোক সংখ্যাত তিনিজন—মাধৱন, শঙ্কৰণ আৰু কান্নাশন ( ৰমণ )। চেৰুকশ্বেৰীৰ প্ৰায় এক শতাব্দী আগতে মধ্য ত্ৰিবাঙ্কুৰত এওঁলোকৰ অভ্যুদয় হৈছিল। মাধৱনে ভগৱদ্-গীতাৰ অনুবাদ কৰিছিল। দ্ৰাবিড় ভাষাত এই দৈৱ-সঙ্গীতৰ অনুবাদ এয়ে প্ৰথম। দ্বিতীয়জনে ভাৰতম্ ( মহাভাৰত ) মালয়ালম ভাষালৈ অনুবাদ কৰে। তৃতীয় ৰমণ বা কান্নাশন এই দলৰ সকলোতকৈ বিখ্যাত কবি আছিল। এখেতে বাল্মীকিৰ ৰামায়ণ মালয়ালমত লিখে। তেখেতৰ কাব্যক মূলৰপৰা স্বাধীন অনুবাদ বুলিব পাৰি। কিন্তু তেখেতৰ বৰ্ণনা বেছি প্ৰাঞ্জল আৰু শক্তিমন্ত। তেখেতৰ কিছুমান ভাবৰ প্ৰতিধ্বনি ইজুথাক্কানৰ লিখাবিলাকত পোৱা যায়। এওঁলোকে 'পট্টু'প্ৰণালীত লিখিছিল। এই প্ৰণালীত সময়ে সময়ে অতি সূক্ষ্ম তামিল প্ৰভাৱো দেখা যায়।

এই যুগৰ আটাইতকৈ প্ৰতিনিধিমূলক পুথি হৈছে—চেৰুকশ্বেৰীৰ "কৃষ্ণগাথা" আৰু চতুৰ্দ্দশ শতাব্দীৰ পুণমৰ "ৰামায়ণ-চম্পু"। দুয়োজনেই নম্বুদ্ৰী লিখক। প্ৰথমজনে শ্ৰীকৃষ্ণৰ জীৱনকথা লৈ ভাগৱতৰ দশম স্কন্ধলৈকে লিখিছিল। ইয়াত সংস্কৃত শব্দ ব্যৱহাৰ কৰা হৈছে, কিন্তু মালয়ালম ভাষাৰে সৈতে সম্বন্ধ ৰাখি সাল-সলনি কৰি। কবিতাটিত মালয়ালম শব্দৰেই প্ৰাধান্য হোৱাত নতুন শব্দসমূহ প্ৰায় অলক্ষিত হৈয়েই হৈ যায়। চেৰুকশ্বেৰীয়ে শ্ৰীকৃষ্ণৰ প্ৰেমকাহিনীসমূহ তন্ন তন্নকৈ বৰ্ণনা কৰিলেও তাৰ আভ্যন্তৰীণ অৰ্থ অৱহেলা কৰা নাই। এই যুটীয়া আকৰ্ষণে কবিতাটি সৰ্ব্বকালিক কবিতাৰ শ্ৰেণীত পেলাইছে। চেৰুকশ্বেৰীৰ কল্পনা আৰু তেখেতৰ উপমাসমূহ তেখেতৰ আগৰ নাইবা পিচৰ কোনেও চেৰাই যাব পৰা নাই। কবিতাটি নানান সুৰেৰে গাব পৰা এটি জনপ্ৰিয় ছন্দত লিখা ; তদুপৰি ইয়াত সেইকালত সৰ্ব্বজনগৃহীত 'পট্টুক্ৰম' সাহিত্যভঙ্গী নিষ্ঠাৰে সৈতে মানি চলা হৈছে।

পুণমৰ ৰামায়ণ-চম্পু আকৌ বিপৰীত সীমা পাইছেগৈ। ইয়াত প্ৰায় শতকৰা নব্বৈ ভাগ সংস্কৃত শব্দ ব্যৱহাৰ কৰা হৈছে, আনকি সংস্কৃত বিভক্তিও বাদ যোৱা নাই। পুণমে আঠোটা চম্পুত গোটেই ৰামায়ণ শেষ কৰিছে। গোটেই কিতাপখনি গদ্য আৰু কবিতাৰ সংমিশ্ৰণ আৰু এই সংগঠনৰ বাবেই ৰচনা-প্ৰণালীও সুৱদি হৈ পৰিছে। দৰাচলতে গদ্য কথাষাৰি এই পুথিৰ কথা অংশত নেথাকে। এই গদ্য হল তৰঙ্গিণী নামৰ দেশীয় ছন্দ। এই ছন্দই পিছত নাম্বিয়াৰৰ 'তুল্লাল' ৰচনাবিলাকত ঠাই পাইছিল। লিখকে ইচ্ছা কৰিয়েই গল্পটোত সমসাময়িক ঘটনা আৰু মানুহৰ কথা সুমুৱাইছে যাতে সময়ৰ পাৰম্পৰ্য্য ৰক্ষা নোহোৱাত গল্পটো হাস্যোদ্দীপক হৈ পৰে। দেশীয় ভাষাৰ ওপৰত সংস্কৃতৰ এই আক্ৰমণে পণ্ডিতসকলৰ মাজত এটা ধুমুহা ( flutter ) তুলিলে। তেওঁলোকে 'লিয়া লীলাতিলকম্' নামে এখনি পুথি লিখি 'মণিপ্ৰৱালম'ৰ নিয়মানুগ কৰিবৰ চেষ্টা কৰিলে। 'মণিপ্ৰৱালম্' হল সংস্কৃত আৰু মালয়ালমৰ সংমিশ্ৰণ। মাঝামঙ্গলম আৰু আন কেইজনমান নম্বুদ্ৰী লিখকে প্ৰায় ডেৰ শ বছৰমানলৈকে চম্পু প্ৰণালীকে চলাই আছিল, কিন্তু পিচত মেপ্পাথুৰে গোটেই ৰচনা-প্ৰণালী সংস্কৃতীয়া কৰাৰ লগে লগে ইয়াৰ স্বাভাৱিকভাৱে মৃত্যু ঘটিল। দেশীয় পট্টু-প্ৰণালীৰ সমৰ্থক চেৰুকশ্বেৰী আৰু নকৈ হোৱা

মণি-প্ৰবাল প্ৰণালীৰ সমৰ্থক পুণম প্ৰায় একে সময়ৰ মানুহ। এই কথাই তেওঁলোকৰ পৰিচয়তো বিভ্ৰাট ঘটায়। চেৰুশ্বেৰীৰ সৌন্দৰ্য্য, লাস্য, সৰলতা আৰু অনুভূতি নিবেদন পুণমত নাই। পুণমৰ প্ৰধান গুণ হল শব্দৰ প্ৰাধান্য, সকলো অৱস্থাতে হাস্যৰস অৱতাৰণা আৰু উদ্‌ভ্ৰান্ত কল্পনা। "উন্নুনীলি-সন্দেশম্‌" বা উন্নুনীলিলৈ বিৰহী-প্ৰেমিকৰ বাতৰি, মণি-প্ৰবাল প্ৰণালীৰ এখনি সুন্দৰ পুথি।

পঞ্চদশ শতাব্দীৰ আগভাগত মালয়ালমৰ অপ্ৰতিদ্বন্দ্বী কবি, সাহিত্যৰ পিতা ইজুথাচ্চানৰ লিখাত নানান প্ৰকাৰৰ সাহিত্যৰ ধাৰা গোট খাইছিলহি। ৰামায়ণ আৰু মহাভাৰত এই দুই মহাকাব্য যি মৌলিকতা, শক্তি আৰু ভক্তিৰে সৈতে মালয়ালমত লিখা হৈছিল সি এই ভাষাত অভূতপূৰ্ব্ব। মালয়ালম আৰু সংস্কৃতৰ নিয়মীয়া সংমিশ্ৰণৰ দ্বাৰা তেখেতে নিজৰ ৰচনা-প্ৰণালীত এনে এটি সৌন্দৰ্য্য আৰু কমনীয়তা আনিব পাৰিছিল যে তাৰ বলত তেখেতৰ ৰচনা-প্ৰণালী পিচৰ যুগৰ লিখকসকলৰ বাবে আদৰ্শৰ নিচিনা হৈ ৰৈ গৈছে।

ইজুথাচ্চানৰ প্ৰত্যেকখনি পুথিতে তেখেতৰ পূত-চৰিত্ৰৰ চাব ৰৈ গৈছে। বহুদিনলৈকে তেখেতৰ কবিতাবিলাক দৈনিক 'পৰায়ানাম' স্বৰূপে গোৱা হৈছিল। কেৱল সেই কবিতা-বিলাকৰ সাহিত্যিক সৌন্দৰ্য্যৰ বাবেই যে গোৱা হৈছিল তেনে নহয়, বৰং কেৰালাৰ অধিবাসীসকলে তেখেতৰ আধ্যাত্মিক মাহাত্ম্য আৰু বিৰাট ব্যক্তিত্বৰ প্ৰতি সম্মান দেখুৱাবৰ বাবেও। তেখেতৰ বিষ্ণুপ্ৰেমে তেখেতক "অধ্যাত্ম ৰামায়ণ" মালয়ালমলৈ অনুবাদ কৰিবৰ প্ৰেৰণা দিছিল। বিষ্ণুপ্ৰেমিক ইজুথাচ্চানে আৱশ্যকীয় সাহিত্যিক যোজনাৰে সৈতে "অধ্যাত্ম-ৰামায়ণ" মালয়ালম ভাষাত অনুবাদ কৰিছিল। সাহিত্য হিচাবে সংস্কৃতত অধ্যাত্ম-ৰামায়ণৰ মূল্য বিশেষ নহলেও তেখেত ৰামৰ আধ্যাত্মিক চৰিত্ৰৰ দ্বাৰা আকৃষ্ট হৈছিল। নিজে ভক্ত-যোগী হলেও ইজুথাচ্চানে মালয়ালীসকলৰ সামৰিক ঐতিহ্য পাহৰি যোৱা নাছিল; সেই বাবে তেখেতৰ মহাকাব্য কেই-খনিত যুদ্ধৰ বৰ্ণনা সূক্ষ্ম আৰু জীৱন্ত। উদাহৰণ স্বৰূপে ৰামায়ণৰ বালী আৰু সুগ্ৰীৱৰ যুদ্ধ, ৰাম আৰু ৰাৱণৰ যুদ্ধ, মহাভাৰতৰ ভীষ্ম আৰু অৰ্জ্জুন, অৰ্জ্জুন আৰু কৰ্ণ, ভীম আৰু দুৰ্য্যোধনৰ (দুশ্বন) যুদ্ধৰ কথা উল্লেখ কৰিব পাৰি।

মহাভাৰতত আমি সাহিত্যকলাৰ পূজাৰি হিচাপে তেখেতৰ অসীম পাৰদৰ্শিতা দেখা পাওঁ। মূল মহাভাৰতৰ গল্পৰ গাঁথনি বিক্ষিপ্ত; তাৰ নানান ঠাইত নানান উপকাব্য সিঁচৰতি হৈ থকাত গল্পৰ গতিৰ সমতা ৰক্ষা হোৱা নাই। ইজুথাচ্চানে এই কথা লক্ষ্য কৰি সৰু সৰু কাহিনীবিলাক চেপি সংক্ষিপ্ত কৰি পাণ্ডৱসকলৰ কাহিনীটিকে কেন্দ্ৰীয় কাহিনী কৰিছে আৰু শ্ৰীকৃষ্ণক সিংহাসনৰ ধৰণীৰূপে দেখুৱাইছে। এই বাবেই তেখেতৰ মহাভাৰত কি সাধাৰণ গঠন, কি আংশিক গঠন, কি কল্পনা—সকলো ফালৰপৰাই এখনি মৌলিক গ্ৰন্থৰূপে জিলিকি উঠিছে। ইয়াত তেখেতে কিলি-পট্টু ছন্দ ব্যৱহাৰ কৰিছে। এই ছন্দ মহাকাব্যৰ আড়ম্বৰ আৰু বৰ্ণনাৰ বাবে বিশেষ উপযোগী। তেখেতে সাধাৰণ লোকগীতিৰপৰা এই ছন্দ বাছি লৈছিল। তেখেতৰ এই নিৰ্ব্বাচনো মালয়ালমৰ পট্টু সংস্কাৰৰে গৌৰৱ। ইজুথাচ্চানক, কিছুমান অনা-মালয়ালী লেখকে ভবাৰ দৰে, সংস্কৃত নিয়ম-প্ৰণালীৰ সমৰ্থক আৰু দেশীয় সংস্কৃতিৰ শত্ৰু বুলি ভবাটো ভুল। বৰং দেশীয় অংশক প্ৰাধান্য দি



এই দুয়ো পন্থাৰে মিলন ঘটোৱা বাবে তেখেত প্ৰশংসাৰহে যোগ্য; কাৰণ এই মিলনৰ দ্বাৰা ভাষা আৰু সৌন্দৰ্য্য দুয়ো ফালৰপৰাই লাভ হৈছিল।

ইজুথাচ্চানৰ প্ৰভাৱ আজিও মালয়ালম ভাষাত আছে যদিও তেখেতৰ অনুগামীসকলে মাথোন ডেৰ বছৰ কাল তেওঁলোকৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল। ইয়াৰ পিচৰ যুগত কাঞ্চন নাম্বিয়াৰ নামে আৰু এজন মেধাবী লিখকৰ জন্ম হয়। এখেতে সাহিত্যৰ ভাৱ আৰু ভাষাত এটি যুগান্তৰকাৰী পৰিবৰ্ত্তন আনে। কাঞ্চন নাম্বিয়াৰ আছিল হাস্যৰসিক। তেখেতৰ কালত বিদেশী ক্ষমতাৰ কুট-কৌশলত কেৰালাৰ সমাজ আৰু শাসনতন্ত্ৰ বিকল হৈ গৈছিল। নাম্বিয়াৰে তেখেতৰ স্বাভাৱিক হাস্যৰস আৰু কবিত্ব শক্তিৰ যোগেদি সমাজক উন্নত কৰিবলৈ ব্যঙ্গ-কবিতা লিখি-বলৈ ধৰিলে। তেখেতৰ ৰচনাবিলাকক থুল্লাল বোলে। ইও পট্টু-প্ৰণালীৰে এটি ধাৰা আৰু ইয়াকো নৃত্য-অভিনয়ৰ যোগেৰে গোৱা হয়। মালবাৰৰ অতি কম সম্প্ৰদায়েহে তেখেতৰ ব্যঙ্গ-কবিতাৰ হাত সাৰিব পাৰিছে। মালয়ালীসকলৰ সামৰিক শৌৰ্য্যত তেখেতৰ বিশ্বাস আছিল আৰু বিদেশীৰ চক্ৰান্তত পৰি সেই শৌৰ্য্য নষ্ট হোৱাত তেখেত সঁচাকৈয়ে দুখিত হৈছিল। সময়ে সময়ে তেখেতে নায়াৰ সৈন্য-সকলক ধপাতৰ সলনি নিজৰ বন্দুক বিক্ৰী কৰা আৰু শত্ৰু সৈন্য দেখি ভগা ঢোলৰ ভিতৰত আশ্ৰয় লোৱা দেখুৱাই ব্যঙ্গ কৰিছে। সমাজৰ ওপৰত তেখেতৰ ব্যঙ্গ-কবিতাৰ অতি স্বাস্থ্যকৰ প্ৰতি-ক্ৰিয়া হৈছিল। তেখেতৰ ৬৪টি কবিতা সাহিত্য আলোচনাত এটি বিশেষ শাখা বুলি কব পাৰি।

এই সময়ৰ ভিতৰতে আৰু এটি সুকুমাৰ কলাই উন্নতিৰ মূধা চুইছিলগৈ। এই কলা হ'ল কথাকলি যাৰ বাবে মালবাৰ বিখ্যাত। মই আগতে দেখুৱাইছো যে নৃত্য-কলা কেৰালাৰ অতি পুৰণি অনুষ্ঠান। সুকুমাৰ কলা হিচাপে কথা-কলি অতি পুৰণি। কিন্তু ইয়াৰ ইতিহাস সিমান পুৰণি কালৰপৰা পোৱা নাযায়। এই সাহিত্য পুণমৰ সমসাময়িক কথাৰক্কৰৰ ৰাজা নামে কবিৰ সময়ৰপৰা আৰম্ভ হৈছে। কথাৰক্কৰৰ আজি প্ৰায় ৬০০ বছৰ আগতে মধ্য-ত্ৰিবাঙ্কুৰত জন্ম হৈছিল। তেখেতে ৰামায়ণৰপৰা সমল গোটাই ৮ খন নাটক লিখে। সাহিত্যত বৈষ্ণৱ প্ৰভাৱৰ ইয়ো এটি নিদৰ্শন। কিন্তু নাটকবিলাক বৰ ওখ তৰপৰ নহয়। প্ৰায় ডেৰ শ বছৰৰ পিচতে উত্তৰ মালবাৰত এই ক্ষেত্ৰত এজন প্ৰকৃত মেধাবী লোকৰ জন্ম হয়—তেখেতৰ নাম হ'ল কট্টায়াথু তাম্পুৰণ। তেখেতৰ চাৰিখন নাটক হ'ল পৰবৰ্ত্তীসকলৰ আদৰ্শ। তেখেতৰ অনুগামীসকলৰ ভিতৰত ত্ৰিবাঙ্কুৰৰ দুজন ৰজা, কৰ্থিকা আৰু অশ্বথী তিৰুনল—আৰু আন দুজন—উন্নায়ী ৱাৰিয়ৰ আৰু ইৰথিম্মন তাম্পিৰ নাম উল্লেখযোগ্য। বৰ্ত্তমানে পুৰণি কথাকলি নাটকবিলাক ছপা হব ধৰিছে। মই জনাত যিমানখিনি প্ৰকাশ হৈছে, প্ৰকাশ নোহোৱাকৈয়ো আছে প্ৰায় সিমানখিনিয়েই।

ইয়াৰ পিচৰ শতাব্দীটো কেৰালাৰ সাহিত্য আৰু ৰাজনৈতিক আকাশত অন্ধকাৰৰ যুগ। উনবিংশ শতাব্দীৰ মাজভাগলৈকে বিদেশী শক্তিৰ চক্ৰান্তত নানা গোলমাল চলি থাকি অৱশেষত দেশত শান্তি স্থাপিত হয়। বৃটিছ শাসনৰ তলত শিক্ষা বিস্তাৰ হোৱাৰ লগে লগে সাহিত্যিক আৰু সাংস্কৃতিক অনুসন্ধিৎসা জাগি উঠে। লিখকসকলে ইংৰাজীৰপৰা উপন্যাস, চুটিগল্প, প্ৰবন্ধ ইত্যাদিৰ চানেকি গ্ৰহণ কৰে। বা-বাতৰি আৰু আন

আন সাময়িক পাঠ্যবিষয়ৰ আগ্ৰহে সাংবাদিক-সকলক নানান ঠাইত সাপ্তাহিক, মাহেকীয়া, আনকি দৈনিক বাতৰি কাকত উলিওৱাৰ প্ৰেৰণা দিয়ে। এটি সৰু দলে আকৌ পুৰণি সাহিত্যৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰাত সংস্কৃত নাট কৰো অনুবাদ হয়। এই সকলোবোৰ প্ৰভাৱ গোট খাই গদ্য সাহিত্যৰ এটি ক্ৰমবিৱৰ্ত্তন আনে। কথা প্ৰসঙ্গত কব পাৰি যে এই গদ্য সাহিত্যৰো এটি পুৰণি ইতিহাস আছে, কিন্তু এতিয়ালৈকে তাৰ ব্যৱহাৰ কেৱল চাক্কিয়াৰসকলে বৰ্ণনা কৰাত আৰু পণ্ডিতসকলে টীকা বা সমালোচনা লিখাতে আবদ্ধ আছিল। এই নতুন আন্দোলনৰ গুৰিয়াল-সকল হল কেৰালা বৰ্ম্মা, চণ্ডুমেনন আৰু ৰামণ পিল্লাই। তাৰে প্ৰথমজন পুৰণি প্ৰথাৰ অনুগামী। তেখেতৰ ছখনি পুথি আছে। এখনি হল শকুন্তলাৰ অমৰ অনুবাদ আৰু আনখনি এটি আত্মজীৱনীমূলক কবিতা—"ময়ূৰসন্দেশম্"। চণ্ডু-মেনন তেখেতৰ সামাজিক উপন্যাস "ইন্দুলেখা" আৰু "সাৰদা"ৰে সৈতে উপন্যাস ৰাজ্যৰ আগৰণুৱা। "মাথণ্ডবৰ্ম্মা", "ধৰ্ম্মৰাজন" আৰু "ৰামৰাজাভদূৰ বাহাদুৰ" আদি ঐতিহাসিক উপন্যাস লৈ ৰামণ পিল্লাই এই ক্ষেত্ৰত অপ্ৰতিদ্বন্দ্বী। এই ক্ষেত্ৰত আন আন পুথিৰ মাজত আপ্পন তাম্পুৰণৰ "ভোটৰায়ৰ" আৰু কৰতু অচুতু মেননৰ "ৰীকতন শঙ্খ"ৰ নাম লব পাৰি। উপন্যাসৰ ক্ষেত্ৰ দৈনিক বহল হৈ গৈয়েই আছে।

বেণমণি নাম্বুৰীপদ আৰু কুন্হিকুট্টান তাম্বুৰণে কবিতাত এটি নতুন যুগ প্ৰবৰ্ত্তন কৰে আৰু পুৰণি প্ৰথাৰ যুৱলী কান্ধৰপৰা দলিয়াই পেলাই আগৰ বৰ্ণনাপ্ৰধান ধৰণ গ্ৰহণ কৰি নতুন পথ মুকলি কৰে।

## গুজৰাটী সাহিত্যৰ চমু পৰিচয়

মূল লিখক—**ডাঃ কৃষ্ণলাল শ্ৰীধৰণী**

এই নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত এটা জাতি আৰু তাৰ সাহিত্যৰ বৰ্ণনা যি কোনো লোকৰ পক্ষে কঠিন। এতেকে, দেৱতাই য'ত খোজ দিবলৈ সঙ্কোচ কৰে, মোক সেই ঠাইত চোঁচা মাৰি সোমাবলৈ অনুৰোধ কৰিলেও প্ৰথমে মোৰ নিজৰ সীমা নিৰ্দ্দিষ্ট কৰি লোৱা উচিত বুলি ভাবোঁ। মই কেৱল গুজৰাটী সাহিত্যৰ বুৰঞ্জীত কিছুমান লক্ষ্য কৰিবলগীয়া কাল আঙুলিয়াই যাম আৰু গুজৰাট প্ৰদেশ আৰু তাৰ অধিবাসীসকলৰ এটি চমু বৰ্ণনা আগবঢ়াম। আপোনালোকৰ ক্ষুধা-উদ্ৰেক কৰিবৰ চেষ্টা কৰিম যাতে উৎসুক জনে বেছি পুষ্ট মূললৈ গৈ তৃপ্ত হব পাৰে। আজি মই মাথোন গুজৰাট আৰু তাৰ সাহিত্যৰ পাতনিহে দাঙি ধৰিম।

গুজৰাটী সাহিত্যৰ প্ৰধান ধাৰাবিলাক বাছি উলিওৱাৰ আগতে গুজৰাট আৰু গুজৰাটীসকলৰ সম্বন্ধে দুই এটা কথা কোৱা যাওক। গুজৰাটৰ মাটিকালি একলাখ বৰ্গ মাইলতকৈ বেছি নহয়, আৰু গুজৰাটী ভাষা-ভাষী লোকৰ সংখ্যা হল প্ৰায় ১ কোটি ২০ লক্ষ। কিন্তু ইয়াৰ ভিতৰত লিখা-পঢ়া জনাসকলৰ সংখ্যা অনেক কম আৰু সাহিত্য বুজা আৰু সমালোচনা কৰিব পৰা-সকলৰ সংখ্যা মুষ্টিমেয় বুলিব পাৰি। গুজৰাটী সাহিত্যৰ এটা বিশেষত্ব হল এই যে অতি কম লোকেহে জীৱিকা হিচাবে সাহিত্যকলাৰ চৰ্চ্চা কৰিব পাৰে। সেই বাবেই আধুনিক গুজৰাটৰ সৰহভাগ সাহিত্যসেৱীয়েই নামত সাহিত্যিক হলেও কাৰ্য্যতঃ শিক্ষক, উকীল নাইবা ব্যৱসায়ী।

ভাৰতৰ পশ্চিম উপকূলত গুজৰাটৰ অৱস্থান গুৰুত্বপূৰ্ণ। ই চাৰিওফালে পাহাৰ, পৰ্ব্বত, মৰুভূমি আৰু সাগৰেৰে ঘেৰা। গুজৰাটৰ মাটি পলসুৱা আৰু অধিবাসীসকলো কোমল আৰু আৰামপ্ৰিয়। কিন্তু এটি দীঘল সমুদ্ৰ-উপকূল থকাৰ কাৰণেই গুজৰাটীসকল সামুদ্ৰিক জাতি হবলৈ বাধ্য হৈছে। গোটেই ভাৰতবৰ্ষ আৰু পৃথিবীৰ আন আন প্ৰায় সকলো দেশতে বিয়পি থকা ব্যৱসায়ীসকলৰ বাবেই গুজৰাট জনাজাত। গুজৰাটী কবিতাতো এই সমুদ্ৰ ভ্ৰমণৰ প্ৰভাৱ পৰিছে। যাভালৈ ঐশ্বৰ্য্য আহৰণ কৰিবলৈ গৈ কামিনী আৰু কাঞ্চন লাভ কৰি পুনৰ ঘূৰি অহা-সকলৰ সম্বন্ধে কেইবাটিও কবিতা আছে। প্ৰচলিত সাহিত্যিক প্ৰবাদৰ মতে যিসকল ঘূৰি আহিছিল, তেওঁলোকে কেৱল নিজৰ বাবেই নহয় পুত্ৰ-পৌত্ৰাদিক্ৰমে খাই থাকিব পৰাকৈ যথেষ্ট ধন-সোণ লৈ আহিছিল। এইবিলাকতো কোমলতা আৰু আনহাতে উদ্যোগ আৰু ব্যৱসায়-বুদ্ধিৰ পৰিচয় দেখা যায়।

বোম্বাই নগৰ প্ৰকৃততে গুজৰাটত নহলেও ই অৰ্দ্ধ-গুজৰাটী। প্ৰায় ২৫,০০০ গুজৰাটী ইয়াত বাস কৰে। গুজৰাটী সাহিত্যৰ উদাৰ মনোভাবৰ ইও এটা কাৰণ।

দক্ষিণ-পূৰ্ব্ব এছিয়া, আফ্ৰিকা, পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ, আনকি পৃথিবীৰ সকলো ঠাইতে গুজৰাটীসকলক দেখিবলৈ পোৱা যায়। দেশৰ বাহিৰে গুজৰাটীসকল প্ৰায়ে ব্যৱসায়ী আৰু কদা-কাচিৎহে শ্ৰমিক শ্ৰেণীৰ। ভাৰতৰ বাহিৰৰ গুজৰাটীসকল সাধাৰণতঃ সদাগৰ বা ব্যৱসায়ী। ভাৰতৰ ভিতৰতো এই কথা খাটে। ইয়াত তেওঁলোক সাধাৰণতে দালাল। পাঞ্জাবৰ সৈতে গুজৰাট বোধহয় ভাৰতৰ অতি কমসংখ্যক প্ৰদেশৰ ভিতৰত এখন য'ত এটি লেখত লবলগীয়া মধ্যবিত্ত সমাজ আছে। এই সামাজিক বিশেষত্ব সাহিত্যতো প্ৰতিফলিত হৈছে; গুজৰাটী সাহিত্যত বৈপ্লৱিক আন্দোলন নাই।

গুজৰাট আৰু তাৰ সাহিত্য বুজিবলৈ হলে এই কথা পাহৰিলে নচলিব যে বহু কালৰপৰা পবিত্ৰ জৈন সংস্কৃতিয়ে এই দেশত আধিপত্য বিস্তাৰ কৰি আছিল। জৈনসকলে প্ৰাধান্য দিছিল অহিংসাক। চিন্তা, বাক্য, কাৰ্য্য, কোনোটিৰ দ্বাৰাই কোনো প্ৰিয় বা জীৱিত বস্তুকে কষ্ট দিয়া অনুচিত। এজন গান্ধীৰ জন্ম গুজৰাটতেই সম্ভৱ আৰু প্ৰকৃতপক্ষে হৈছিলও। নিৰামিষ ভোজন জৈন ধৰ্ম্মৰ এটা বিশেষ অঙ্গ। এই কথা সঁচা যে গুজৰাটত আন আন ধৰ্ম্মৰ মানুহ একেলগে গোটখাই যিমানখিনি, জৈন ধৰ্ম্মাৱলম্বীৰ সংখ্যা তাতকৈ তাকৰ; কিন্তু তথাপিও এই জাতিক একেআগি কৰিছে জৈন ধৰ্ম্মই। এই বাবেই গুজৰাটী উপন্যাস যথেষ্ট দাৰ্শনিক আৰু কৌশল-পূৰ্ণ হলেও সেইবিলাকত শক্তিমন্ত চৰিত্ৰৰ অভাৱ। নিৰামিষ আহাৰৰ অভ্যাসে গুজৰাটী-সকলৰ মাজত ভাৰতীয় সমপৰ্য্যায়ৰ আন আন ধৰ্ম্মাৱলম্বীতকৈ আহাৰ আৰু আন আন সামাজিক বিষয়ত বেছি পৰিমাণে বিধি-নিষেধ সুমুৱাইছে। এই বাবেই উপন্যাস ৰচনাত আৱশ্যকীয় চিত্তাকৰ্ষক ঘটনাৰ সমাবেশৰ অভাৱ ঘটে। এই বাবেই প্ৰচলিত ফেছন হৈছে—চুটি গল্প। উপন্যাস অৱশ্যে আছে, কিন্তু বঙালী বা মাৰাঠী উপন্যাসৰ লগত তাৰ তুলনাই নহয়।

গুজৰাটৰ, বিশেষকৈ সৌৰাষ্ট্ৰ অংশৰ খেতিয়ক আৰু গৰখীয়া সম্প্ৰদায় বেছ শক্তিশালী। এই গ্ৰাম্য মুনিহ-তিৰোতা সকলোৱেই ওখ গঢ়ৰ। তেওঁলোকৰ জীৱন মুকলিমূৰীয়া।

সেইবাবেই গুজৰাটৰ ৰূপকথা আৰু লোকগীত-সমূহত এনে এটা শক্তি, সাহস আৰু মুক্ত জীৱনৰ পৰিচয় পোৱা যায় যাৰ তুলনা নগৰত জন্ম হোৱা সাহিত্যত দুৰ্লভ। সৌৰাষ্ট্ৰৰ লোকসাহিত্যৰ আদিম আস্বাদন লাভ কৰিবলৈ স্বৰ্গীয় মেঘনিয়ে কৰা সংগ্ৰহবিলাককৈ যাব লাগিব।

এইদৰে নাম উল্লেখ কৰাবো এটা অসুবিধা আছে। নামৰ প্ৰকৃত বুৰঞ্জী জনা নাথাকিলে বিদেশী শ্ৰোতাৰ পক্ষে নাম উল্লেখ কৰা অৰ্থহীন। এতেকে মই নাম উল্লেখ কৰাৰপৰা, আনকি বিখ্যাত নাম উল্লেখ কৰাৰপৰাও বিৰত থাকিম।

গুজৰাটৰ প্ৰায় আধাখিনি ঠাইৰ নাম সৌৰাষ্ট্ৰ। স্বাধীনতাৰ সূৰ্য্য উঠাৰ আগতে অৰ্থাৎ ১৯৪৭ খৃষ্টাব্দৰ ১৫ আগষ্টলৈকে সৌৰাষ্ট্ৰত প্ৰায় দুশখন দেশীয় ৰাজ্য আছিল। সঁচা কথা কবলৈ গলে ইয়াৰ সকলোবিলাক বিশেষ ডাঙৰ ৰাজ্য নাছিল। কিন্তু তাৰ প্ৰায় ৪০ খন মান ৰাজ্য আছিল পূৰ্ণ ৰাজসভাৰে সৈতে। তাৰ অৰ্থ এয়ে যে সৌৰাষ্ট্ৰৰ প্ৰায় ৪০টা কেন্দ্ৰত কবিসকলে প্ৰতিষ্ঠা লাভ কৰিছিল। এই বাবেই গুজৰাটৰ ৰাজকীয় গৌৰৱপূৰ্ণ সাহিত্য বোধহয় এক ৰাজস্থানৰ বাহিৰে ভাৰতৰ আন সকলো অংশতকৈ বেছি।

বহুতে এইটো কথা নুবুজে যে, গুজৰাটী সাহিত্য গীৰ অৰণ্যৰ দ্বাৰাও অনেক পৰিমাণে প্ৰভাৱান্বিত হৈছে। ভাৰতৰ ভিতৰতে ই এখনি বিচিত্ৰ অৰণ্য ; ভাৰতৰ ভিতৰত ইয়াতেই কেৱল সিংহ দেখা পোৱা যায়। এহাতে শত্ৰুৰ প্ৰতি নিৰ্ম্মম, আনহাতে বীৰত্বপূৰ্ণ আৰু স্নেহশীল দস্যু-সকলৰ আশ্ৰয়স্থলো ইয়েই। প্ৰকৃত সিংহ আৰু মানৱৰূপী সিংহৰ বাসস্থল এই গীৰ অৰণ্যৰপৰাই গুজৰাটী সাহিত্যৰ বীৰত্বৰ স্ৰোত বৈ আহিছে।

খৃষ্টীয় দশম শতাব্দী শেষ হোৱাৰ প্ৰায় লগে লগে পাৰস্যৰপৰা ভাৰতলৈ আশ্ৰয়প্ৰাৰ্থী আহিল। এওঁলোক আছিল ইছলামৰ ইঁৰাণ বিজয়ৰ লগে লগে পলাই অহা জেৰাথুস্ত্ৰাৰ মতাৱলম্বী। এওঁলোকক আজিকালি পাৰ্ছী নামে জনা যায়। বোম্বাই আৰু তাৰ চাৰিওকাষে এওঁলোকৰ বাস। এওঁলোকে গুজৰাটী ভাষা কয় আৰু নিজৰ মাজত এবিধ বিশেষ প্ৰকাৰৰ গুজৰাটী ভাষা ব্যৱহাৰ কৰে। এই সংমিশ্ৰণৰ ফলত পাৰ্ছী-গুজৰাটী নামে এবিধ কৃত্ৰিম ভাষাৰ সৃষ্টি হৈছে। পাৰ্ছীসকল এটা আমোদপ্ৰিয় জাতি। গুজৰাটী সাহিত্যৰ হাস্য-ৰসাত্মক অংশৰ বেছি ভাগ তেখেতসকলৰে দান। ব্যৱসায়ত তেওঁলোক কৃতী আৰু সাংসাৰিক অভিজ্ঞতাত চহকী। এই বাবেই গান্ধীৰ পূৰ্ব্বকালৰ গুজৰাটী সাহিত্য প্ৰধানতঃ উপদেশাত্মক। গুজৰাটক জ্ঞানগৰ্ভ প্ৰবাদ আৰু বুদ্ধি-তীব্ৰ যোজোনাৰ খনি বুলিব পাৰি।

গুজৰাট ৰাজ্যখন সৰু আৰু তাৰ পাঠক সমাজো ক্ষুদ্ৰ। বঙালী বা তামিলৰ দৰে ইয়াৰ সাহিত্যিক ঐতিহ্য নাই। লোকসংখ্যাৰ ফালৰপৰা চাবলৈ গলে ভাৰতত গুজৰাটী ভাষাভাষীসকল সপ্তম কি অষ্টম হব। এই সকলোবিলাক কথা জুকিয়াই চালে সহজে এই সিদ্ধান্তলৈ আহিব পাৰি যে গুজৰাটী সাহিত্য ভাৰতৰ আন আন দেশীয় সাহিত্যৰ দৰে চহকী বা বিস্তৃত হব নোৱাৰে।

এই সিদ্ধান্ত ঠিকেই হলহেঁতেন ; কিন্তু নহল মাত্ৰ এটি কাৰণ—গান্ধীৰ বাবে। মহাত্মা গান্ধীয়ে গুজৰাটত জন্মগ্ৰহণ কৰিছিল আৰু ১৯১৪ চনত দক্ষিণ আফ্ৰিকাৰপৰা যেতিয়া তেখেত ভাৰতলৈ ঘূৰি আহে তেতিয়া গুজৰাটকে তেখেতৰ কৰ্ম্মকেন্দ্ৰ কৰি লয়। নিজে সাহিত্যিক নহলেও তেখেতে সৰল বাইবেলসুলভ ভঙ্গীৰে বহু কথা লিখি এটি



নতুন সাহিত্যধাৰাৰ সৃষ্টি কৰে। গুজৰাটৰ কিছুমান বিখ্যাত লিখক তেখেতৰ চাৰিওকাষে গোট খায়। এটা সামাজিক সত্য এই যে, যেতিয়া জাতিৰ জীৱনলৈ বৈষয়িক নাইবা ৰাজনৈতিক প্ৰাচুৰ্য্য আহে, তেতিয়া জীৱনৰ আন আন অংশতো সি প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। মহাত্মা গান্ধীয়ে ভাৰতীয় জাতীয় জীৱনত জাগৰণ আনিলে, এতেকে ভাৰতীয় সাহিত্যতো তেখেতে জাগৰণ আনিলে। এই নৱ জাগৰণে অতি তীব্ৰ ৰূপ পালে গুজৰাটত, কাৰণ গুজৰাটতেই মহাত্মাই সকলোতকৈ বেছি সমৰ্থন পাইছিল। এইদৰেই আকাৰ আৰু লোকসংখ্যাত ক্ষুদ্ৰ হলেও গুজৰাট ভাৰতৰ এটি প্ৰধান অংশ হৈ উঠিল আৰু গুজৰাটী সাহিত্যও আন আন দেশীয় সাহিত্যতকৈ বেছি আৱশ্যকীয় হৈ উঠিল। গান্ধী-বিদ্ৰোহৰ শ্ৰেষ্ঠ কবিতা আৰু উপন্যাসসমূহ গুজৰাটী সাহিত্যত পোৱা যায়।

গুজৰাটৰ তিৰোতাসকলে অৱৰোধ বা পৰ্দ্দা প্ৰথাৰ অত্যাচাৰ কেতিয়াও ভোগ কৰা নাছিল। ৰবীন্দ্ৰনাথ ঠাকুৰ যেতিয়া প্ৰথমে বোম্বাই লৈ যায় তেতিয়া তেখেতে তাত মুকলিমূৰীয়া হৈ ফুৰা তিৰোতা মানুহৰ সংখ্যা দেখি আচৰিত হৈছিল। এই কথাই স্পষ্টকৈ দেখুৱাই দিয়ে যে গুজৰাটৰ তিৰোতাসকলে কেৱল ৰাজনীতিতে নহয়, সাহিত্য আৰু ব্যৱসায়তো নিজৰ অংশ গ্ৰহণ কৰি গৈছে। গান্ধীজীৰ অভ্যুদয়ে এই মহিলা প্ৰগতিৰ এটা নতুন প্ৰেৰণা যোগালে। এই বাবেই আমি গুজৰাটী ভাষাত অনেক শক্তিমন্ত মহিলা লিখক পাওঁ।

ভাৰতৰ আন আন অংশৰ দৰে গুজৰাটৰ ৰীতি-গুৰিৰ সূত্ৰ বৈদিক কালৰপৰাই ধৰিব পাৰি। কিন্তু আজিৰ যি গুজৰাট আৰু গুজৰাটী সাহিত্যক আমি জানো তাৰ আৰম্ভণি হয় খৃষ্টীয় দশম শতাব্দীৰপৰা। সপ্তদশ শতাব্দীলৈকে গুজৰাটী সাহিত্যত ভক্ত কবি আৰু ৰহস্যবাদী-সকলৰ প্ৰাধান্য আছিল। এই প্ৰসঙ্গত, বাহিৰৰ লোকে যিয়ে বুজক লাগে, মীৰাবাইৰ নাম উল্লেখ কৰিব লাগিব। গুজৰাটৰ কৃতী সন্তানসকলৰ ভিতৰত মহাত্মা গান্ধীৰ নাম আগতে কোৱা হৈছে। এইখিনিতে ভীৰুতাক সাহসত পৰিণত কৰিবলৈ আন্দোলন চলোৱা স্বামী দয়ানন্দ সৰস্বতীৰ নাম লব পাৰি।

প্ৰধানতঃ ব্যৱসায়ী জাতি গুজৰাটীসকলে গুজৰাটৰপৰা ওলাই জগতৰ আন আন অংশ প্লাবিত কৰিছেগৈ। সুকুমাৰ কলাৰ অনুশীলনত কম হলেও তেওঁলোক গুজৰাট সম্বন্ধে সদায় সচেতন। এই বাবেই এজন পাৰ্ছী-গুজৰাটী কবিয়ে এসময়ত গাইছিল "যত এজনো গুজৰাটীয়ে বাস কৰে, তাত গুজৰাট চিৰকাল থাকিব।"

## বঙালী সাহিত্যৰ চমু পৰিচয়

মূল লিখক—**শ্ৰীবুদ্ধদেৱ বসু**

পাণ্ডিত্য আৰু সংস্কৃতি জগতত ভাৰতীয় সাহিত্য বুলিলে সংস্কৃত সাহিত্যকে বুজায়। এই কথাত অৱশ্যে সন্দেহ নাই যে, অতীজৰ বৃহৎ ধৰ্ম্ম-শাস্ত্ৰসমূহ, মহাকাব্যবিলাক আৰু কালিদাসৰ ঐতিহ্যময় কবিতাই পৃথিৱীৰ আন আন ঠাইত ভাৰতৰ আত্মবৈশিষ্ট্য ৰক্ষা কৰিছে। কিন্তু আধুনিক ভাৰতীয় সাহিত্য বুলিও এটি বস্তু আছে। আজিৰ ভাৰতীয় শাসন-নীতিয়ে স্বীকাৰ কৰা প্ৰধান তেৰটি ভাৰতীয় ভাষাৰ প্ৰত্যেকৰে নিজৰ সাহিত্য আছে, আৰু সাধাৰণৰ বিশ্বাস ইয়াৰ ভিতৰত আটাইতকৈ চহকী সাহিত্য

বঙ্গদেশৰ। এইখিনিতে পৰিষ্কাৰকৈ কোৱা উচিত যে বঙ্গদেশ মানে মই বুজাইছোঁ ভৌগোলিক বঙ্গদেশ ; অৰ্থাৎ পশ্চিমবঙ্গ আৰু পূৰ্ব্ব পাকিস্তান নামৰ দুই ৰাজনৈতিক বিভাগত বিভক্ত গোটেই বঙালী ভাষা কোৱা অঞ্চল।

আধুনিক বঙ্গদেশ, বা আধুনিক ভাৰতীয় সাহিত্যই ৰবীন্দ্ৰনাথৰ জৰীয়তে গোটেই জগত বিয়পি পৰিছে। তেখেতৰ নামটো অন্ততঃ সকলো ঠাইতে জনাজাত বুলি অনায়াসে ধৰি লব পাৰি। ৰবীন্দ্ৰনাথক যদিও মুকলি বহল পথাৰৰ মাজত হঠাতে থিয় দিয়া গিৰিশৃঙ্গৰ নিচিনা দেখি তথাপিও কিন্তু তেৰোঁ হ'ল এক নিয়মীয়া ক্ৰম-বিৱৰ্ত্তনৰ সন্তান। বিশ্বমানৱৰ জীৱনে, জাতিৰ অন্তৰ্নিহিত শক্তিয়ে সাহিত্যৰ বুকুত যি বিৱৰ্ত্তনৰ ছাপ থৈ যায়, ৰবীন্দ্ৰনাথ সেই বিৱৰ্ত্তনৰে সন্তান। আন আন সাহিত্যৰ দৰে বঙালী সাহিত্যৰো ক্ৰমোন্নতি আছে, কিন্তু সেই কথালৈ যোৱাৰ আগতে বঙ্গদেশ, বঙ্গভাষা আৰু বঙালী জাতি সম্বন্ধে দু-আষাৰমান কৈ লোৱা ভাল হব।

বঙ্গদেশ ভাৰতৰ প্ৰায় পূব মূৰত। ব্ৰহ্মদেশ আৰু ইয়াৰ মাজত মাত্ৰ এখন প্ৰদেশ আছে। এফালে সু-উচ্চ হিমালয় পৰ্ব্বতমালা আৰু আনফালে বঙ্গোপসাগৰেৰে সৈতে ইয়াৰ ভৌগোলিক অৱস্থানো অতি সুন্দৰ। বহল সেউজীয়া পথাৰ, ডাঙৰ ডাঙৰ নৈ, কোমল পলসুৱা মাটি আৰু সেমেকা গৰম জলবায়ুৰ সৈতে ধুনীয়া দেশখন। বছৰৰ ভিতৰত বাৰিষাৰ চাৰিটা মাহ ইয়াত ভালকৈয়ে বৰষুণ হয়। ভাৰতৰ আন আন ঠাইৰ দৰে ইয়াৰ অধিবাসীসকলো হ'ল সাধাৰণতে কৃষক শ্ৰেণীৰ, কিন্তু লগতে সাহসীও। তেওঁলোকৰ মাজত, বিশেষকৈ দক্ষিণ আৰু পূৰ্ব্ব বঙ্গত সমুদ্ৰ ভ্ৰমণকাৰী দূৰদেশলৈ যোৱা বণিক, ঈশ্বৰ আৰু ঐশ্বৰ্য্য অন্বেষণকাৰী পথিক বহুতো আছে। মানুহবিলাকো আচৰিত-ৰকমে সানমিহলি ; জাতি হিচাপে ই এটা অতি মিশ্ৰিত জাতি ; আৰ্য্য, দ্ৰাবিড়, মঙ্গোলীয়, আনকি নিগ্ৰোৰক্তও এওঁলোকৰ মাজত মিহলি হৈ আছে। বঙালী শৰীৰৰ সাম্যহীন গঠনেই তাৰ প্ৰমাণ।

বোধকৰো মিশ্ৰণেই বঙালী জাতিক সূক্ষ্মবুদ্ধি, কোমল আৰু অনুভূতিশীল কৰি তুলিছে আৰু নতুন ভাব গ্ৰহণ কৰিবৰ ক্ষমতা দিছে। পুৰণি হিন্দু সভ্যতাৰ জকাৰ ভিতৰতে নানান বিদ্ৰোহ আৰু জাগৃতিৰ সোঁত বৈ আছিল। এই উৰ্ব্বৰ ক্ষেত্ৰত বৌদ্ধ, মুছলিম, আৰু বঙ্গদেশত উদ্ভূত বৈষ্ণৱ মতে অতি উচ্চ স্তৰৰ সংস্কৃতিৰ প্ৰভাৱ এৰি থৈ গৈছে। ভাৰতবৰ্ষৰ ভিতৰত কেৱল বঙ্গদেশতে বোধহয় বৌদ্ধধৰ্ম্মৰ চিন এতিয়াও আছে। আকৌ সমাজবিজ্ঞানৰ ফালৰপৰা লক্ষ্য কৰিবলগীয়া না-হিন্দু না-মুছলমান অথবা একে-লগে হিন্দু আৰু মুছলমান সম্প্ৰদায় কিছুমানৰো বাসস্থান ইয়েই। অৱশেষত যেতিয়া পশ্চিমীয়া ভাবধাৰা গ্ৰহণ কৰিবৰ সময় আহিল, তেতিয়া বঙ্গদেশেই স্বতঃস্ফূৰ্ত্ত দৃষ্টি-প্ৰতিভাৰে সৈতে তাক সৰ্ব্বপ্ৰথমে গ্ৰহণ কৰিছিল। এই পশ্চিমীয়া প্ৰভাৱে প্ৰায় লগে লগেই উনবিংশ শতাব্দীৰ বঙ্গৰ বিখ্যাত নৱজাগৰণ আনিলে। এই জাগৰণ কেৱল যে ভাৰতীয় ইতিহাসত বিখ্যাত এনে নহয়, ইয়াৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰভাৱো সুদূৰ বিস্তৃত।

এই সকলো কথাই সাহিত্যৰ এটি উৰ্ব্বৰ ক্ষেত্ৰৰ ইঙ্গিত দিয়ে। এই দেশৰ জলবায়ু অতিৰিক্ত শীত-গ্ৰীষ্মৰপৰা মুক্ত হোৱা বাবে চিন্তা



আৰু কল্পনাৰ উপযোগী। বিস্তৃত বোৱঁতী নদী, ঘনকৃষ্ণ মেঘমালা, জলীয় বাষ্পপূৰ্ণ বায়ু, ৰ'দালিয়ে উমাই যোৱা আকাশৰ সীমালৈকে বিস্তৃত হৈ থকা বহল পথাৰে, মানুহক কল্পনাপ্ৰৱণ, অনু-ভূতিশীল আৰু সতৰ্ক কৰি তোলে। এইদৰেই সাহিত্যৰ বাবে আৱশ্যকীয় নমনীয়তা আৰু নতুন প্ৰচেষ্টা কৰিবৰ সাহস দুয়োটা থকাত বাহ্যিক আৰু মানসিক আৱহাৱাৰ এটা সমতা ৰক্ষা হৈছিল। ভাষাৰ ফালৰ চালে বঙালী হ'ল আন আন উত্তৰ ভাৰতীয় ভাষাৰ দৰে সংস্কৃতৰপৰা ওলোৱা, কিন্তু ইয়াত আৰবী আৰু পাৰ্চী শব্দও অনেক পৰিমাণে মিহলি হৈ আছে। এই ভাষাত আৰূঢ় ধ্বনি বা accent নাই, কিন্তু অসংখ্য স্বৰান্ত শব্দই ইয়াক এটা স্বাভাৱিক ছন্দ আৰু ছন্দমিলনৰ এটি অফুৰন্ত ভাণ্ডাৰ দান কৰিছে। দাবীৰ নহৈ অনুবোধৰ, আৰু স্পষ্টবাদিতাৰ নহৈ ইঙ্গিতৰ ভাষা ' হোৱাত বঙালী ভাষাৰ স্বাভাৱিকতে কবিতাৰ প্ৰতি এটি ঢাল আছে। প্ৰকৃতপক্ষে শ শ বছৰ আগৰেপৰা চলি অহা সত্বেও বৃটিছসকল অহাৰ আগলৈকে এই ভাষাত কথা-সাহিত্য নাছিল।

বঙালী ভাষা আৰু ইয়াৰ লিখিত সাহিত্য প্ৰায় এহেজাৰ বছৰৰ পুৰণি। এই ভাষাত যিবিলাক লিখা পোৱা হয় তাৰে সকলোতকৈ পুৰণিবিলাক হৈছে বৌদ্ধ-সন্ন্যাসীসকলৰ। তেওঁ-লোকে প্ৰবচন জাতীয় কবিতাত নিজৰ পূজা-প্ৰাৰ্থনা আদিৰ বিধি লিপিবদ্ধ কৰি থৈছিল। মধ্যযুগৰ বঙালী সাহিত্য প্ৰচুৰ আৰু বিস্তৃত। পৃথিবীৰ আন আন ঠাইৰ মধ্যযুগীয় সাহিত্যৰ ভালেখিনি বিশেষত্ব ইয়াতো পোৱা যায়। যথা, প্ৰথমতঃ ৰামায়ণ আৰু মহাভাৰত মহাকাব্য দুখনিৰ মূল অনুবাদ। আজিও মানুহে এই অনুবাদ আগ্ৰহেৰে পঢ়ে। দ্বিতীয়তে আন ঠাইৰ দৰে ইয়াতো পৌৰাণিক আৰু জনশ্ৰুতিমূলক গতানুগতিক বিষয়বস্তুৰে ভৰা অসংখ্যাত কবিতাত লিখা গল্প আছে। ধৰ্ম্মসাহিত্য আৰু লৌকিক সাহিত্যৰ পাৰ্থক্য অতি কম সময়তহে ৰক্ষা হৈছিল ; প্ৰায় সকলো ঠাইতে অতিপ্ৰাকৃতৰ সুৰদি ব্যৱহাৰ দেখা যায়। প্ৰেম আৰু দুঃসাহসৰ গল্প যেন মধ্যযুগৰ ৰীতিমতেই অনেক সময়ত দৈৱিক অৰ্থৰ ৰূপক যেন দেখা গৈছিল। কবি-সকলে কবিতা লিখিছিল সাধাৰণতে এক-প্ৰকাৰৰ বিষয় লৈ। এই বিষয়বিলাকৰ প্ৰধান দুটা আছিল পৌৰাণিক শ্ৰীকৃষ্ণ আৰু বৈষ্ণৱধৰ্ম্মৰ প্ৰৱৰ্ত্তন কৰোঁতা শ্ৰীচৈতন্য। প্ৰধানতঃ বৈষ্ণৱধৰ্ম্ম কিছু কম পৰিমাণে হ'লেও, প্ৰতিদ্বন্দ্বী শাক্তধৰ্ম্ম অফুৰন্ত গীতি-কবিতাৰ মূল উৎস আছিল। ঈশ্বৰ প্ৰেমত গৃহত্যাগী হোৱা বৰাগীসকলৰ শ্ৰেষ্ঠ বাউল গীতবিলাকৰ দৰে এই কবিতাবিলাকৰো শ্ৰেষ্ঠ অংশ আজিও অমৰ হৈ আছে আৰু তাৰ লগতে অমৰ হৈ ৰৈছে, মাটিৰ গন্ধৰ দৰে, প্ৰেমৰ বিষাদময় পৰিণতি লৈ নাটকীয় ভঙ্গীৰে বৰ্ণনা কৰা পূৰ্ব্ববঙ্গৰ নামহীন কবিসকলৰ পল্লী-কবিতাবিলাক। নাটকো যে একেবাৰে নাছিল তেনে নহয় ; পৌৰাণিক গল্প লৈ "যাত্ৰা" তেতিয়াও আছিল আৰু মুকলি পথাৰত গোটেই ৰাতি ধৰি আনকি কেতিয়াবা পিচদিনা দুপৰ-লৈকে অভিনীত হৈছিল।

সময় গৈ থকাৰ লগে লগে বিষয়বস্তু আৰু ৰচনাভঙ্গী দুয়োটি পুৰণি হৈ আহিবলৈ ধৰিলে। এনেতে অষ্টাদশ শতাব্দীত এটা শুভ-পৰিবৰ্ত্তন আৰম্ভ হ'ল। ভাৰতচন্দ্ৰৰ পল্লী-কবিতাত অতি ভ্ৰম-প্ৰমাদপূৰ্ণ তথ্য অতি কৌশলেৰে প্ৰয়োগ কৰা আছিল। কোনো কোনো বিষয়ত তেখেতক

আমি আধুনিক বুলিও ক'ব পাৰোঁ, কিন্তু প্ৰকৃতপক্ষে তেতিয়াৰপৰা পূৰ্ণ এটা শতাব্দী পাৰ হৈ যোৱাৰ পিচতহে বঙালী সাহিত্যৰ আধুনিক যুগ আৰম্ভ হয়। বৰ্ত্তমানে আধুনিক বঙালী সাহিত্য বুলিলে আমি যি বুজোঁ, সি হৈছে ইংৰাজী শিক্ষা পোৱা আৰু পশ্চিমৰ ভাবধাৰা হজম কৰাসকলৰ দ্বাৰা তৈয়াৰী। ইয়াক বঙ্গীয় নৱজাগৰণৰ সাক্ষাৎ ফল বুলিব পাৰি আৰু সেই হিচাবে তাৰ মূল্যও কম নহয়। ৰামমোহন ৰায় ইয়াৰ জন্মদাতা আৰু কেইবাজনো ধৰ্ম্ম আৰু সমাজ সংস্কাৰকৰ হাতত ই লালিত-পালিত। সেই জাগৰণ আৰু আন্দোলনৰ যুগত স্বাভাৱিকভাবেই এবিধ নতুন সাহিত্য ফুটি ওলাল। আটাইতকৈ চকুত পৰা সাহিত্যিক বিদ্রোহী হ'ল এজন পশ্চিমীয়া ভাবাপন্ন খৃষ্টিয়ান—মাইকেল মধুসূদন দত্ত। তেওঁ ইয়াৰ আগতে নেদেখা নতুন এটি ঝঙ্কাৰময় অমিত্ৰাক্ষৰ ছন্দ ৰচনা কৰিলে। বঙ্কিমচন্দ্ৰৰ কথাসাহিত্য সম্পৰ্কেও সেই একে কথাই খাটে। তেখেতৰ উপন্যাসবিলাক সমসাময়িকসকলৰ ওঁঠত অমৃতৰ দৰে পৰিছিলহি। ৰচনা, প্ৰবন্ধ আদি কথাসাহিত্যৰ আন আন বিভাগ আৰু নাটকো ৰচিত হ'ল। কলিকতাত ৰঙ্গমঞ্চৰ স্থাপনা হ'ল। আজিও ভাৰতৰ ভিতৰত আইনাঙ্গুগ (?) নাটকৰ অভিনয়ৰ বাবে চিৰস্থায়ী ৰঙ্গমঞ্চ থকা একমাত্ৰ চহৰ হৈছে কলিকতা। সকলো ক্ষেত্ৰতে সাহসী আৰু বুদ্ধিযুক্ত প্ৰচেষ্টা দেখা যাবলৈ ধৰিলে; কিন্তু সকলোতকৈ ডাঙৰ ঘটনা হ'ল ৰবীন্দ্ৰনাথৰ অবিৰ্ভাৱ।

ৰবীন্দ্ৰনাথে অতীতক পুনৰ নতুন জীৱন দি ঘূৰাই আনিলে। ভাৰতৰ ঐতিহ্যপূৰ্ণ সংস্কৃতি, উপনিষদসমূহ, বৈষ্ণৱপন্থা, বাউল গান সকলোটিকে সাময়িক সাহিত্যৰ সৈতে সম্বন্ধ ৰাখি নতুন শক্তি দান কৰিলে। ইউৰোপৰ ডেকা তেজ বঙালী জীৱন আৰু বঙালী সাহিত্যৰ ক্লান্ত শিৰাত তেখেতেই সঞ্চালন কৰিছিল। আনহাতে তেখেতে ওচৰ অতীতৰ পূৰ্ব্ববৰ্ত্তীসকলৰ সকলোখিনি কাৰ্য্য একত্ৰীভূত কৰিছিল আৰু তাৰপৰা অলাগতিয়ালখিনি দলিয়াই পেলাই আৱশ্যকীয়খিনিৰ উন্নতি কৰিছিল। অসংখ্যাত আহিঁৰ কথা আৰু কবিতাবে তেখেত প্ৰস্ফুটিত হৈ উঠিছিল। অন্ততঃ তেখেতৰ হাতত প্ৰত্যেকটি বস্তুৱেই নতুন হৈ উঠিছিল, প্ৰত্যেকটিতে নতুন সম্ভাৱনা দেখা গৈছিল। বঙালী সাহিত্যৰ তেখেত একমাত্ৰ অপৰিত্যাজ্য আৰু অপৰিহাৰ্য্য অঙ্গ। তেখেতৰ বিৰোধীসকলেও মাথোন প্ৰমাণ কৰে তেখেত শ্ৰেষ্ঠ গুৰু। ভৱিষ্যতেও যেতিয়া বঙালী সাহিত্যৰ নতুন বিৱৰ্ত্তন, নতুন বিস্তৃতি চলি থাকিব, তেতিয়াও ৰবীন্দ্ৰনাথৰ অফুৰন্ত ভাণ্ডাৰত নতুন নতুন তথ্য আৰু নতুন প্ৰেৰণা ওলায়েই থাকিব।

---

# বিহু আৰু জনজাতি

শ্ৰীযুত প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য

চ'তে চ'তে গৈ বহাগ পায়হি; ভেবেলী লতা ফুলে। বননিৰ ভেবেলী লতাই মনতো আশাৰ পদুম ফুলায়। আমি বিহু পাতোঁ। এয়া আমাৰ ৰঙালি বিহু; ই ৰঙেৰে ৰঙীন। এই বিহু ৰঙৰো, ৰসৰো। প্ৰকৃতিৰ গাত ৰঙৰ বোল লাগে। ৰামধেনুৰ বৰণ চুৰ কৰি আনি গছ-লতাই হোলী খেলায়। গছৰ ডালত চকু দিলে দেখিব, ৰঙবিৰঙৰ চৰাই; সিহঁতৰ কণ্ঠত নানা সুৰৰ মধুৰ আৱাৰ। ৰঙালি বিহুত ৰঙৰ ওৰ নাই। গীত, বাদ্য, নাচোনৰ ত্ৰিবেণী সঙ্গমত ৰঙালি বিহুৱে ৰং-ৰসৰ ৰহঘৰা সাজে। বিহু-গীত আৰু হুঁচৰিৰ সুৰে সুৰে, টকা, পেপা, ঢোল, গগনাৰ তালে তালে, কঁকাল সক সক নাচনীৰ নাচৰ ছেৱে ছেৱে, ব'হাগৰ বিহুৱে আমাক ৰঙৰ বতৰা দিয়ে; জীয়া জীৱনৰ আবেগ-অনুৰাগৰ ঢৌ বোৱাই দিয়ে। আমাৰ চাৰিওকাষৰ আকাশ, বতাহ আৰু বহল পৃথিবী নতুন আলোকত উজলি উঠে। বননিৰ বসন্তই মনৰ বসন্ত জগাই তোলে। আমি আদিতে বনবীয়া আছিলোঁ; এতিয়াও ফাঁকে ফাঁকে মুকলি হবৰ অৱকাশ পালেই বনবীয়া হৈ পৰোঁ; সেয়েহে আমি বিহুতলীলৈ বাট বুলোঁ; আমাৰ হিয়াত বননিৰ মুকলিমূৰীয়া আহ্বান; আমাৰ বিহু মাৰি ফুৰিবৰ মন।

অকল ৰঙালি বিহুতে নহয়, ভোগালি বিহুতো আমি কম হেঁপাহ পলুৱাওঁ নে? ভোগালি বিহুৰ পিঠা-পনা, লাৰু-মাহকৰাইৰ গোন্ধবোৰ ব'হাগৰ বিহু বলিয়াহঁতৰ নাকে-মুখে লাগিয়ে থাকে। ভেলা-ঘৰ, মেজি ( পুজি )-মঠৰ জুইবোৰৰ শিখা আৰু আওঠা মনৰ পথাৰত সহজে সুমুমায়। ভোগৰ পিচতহে আমি ৰং-ৰহইচ পাতোঁ। আমি খালি পথাৰত আকৌ গৈ নতুনকৈ কঠীয়া সিঁচিম। শূইন ভঁৰাল পূৰাবৰ কাৰণে আমি লখিমীক চাকি-বান্তি দি বন্দনা কৰিম : আমাৰ কঙালি বিহুৰ কাতৰ মিনতি দুখীয়া হৈ ৰবৰ কাৰণে নহয়; ই কঙাল হিয়াৰ করুণ কাকুতিও নহয়, ইয়াত আছে ভোগালিৰ ভোগৰ সম্ভাৱনা, ৰঙালিৰ ৰঙীন ৰাং-পাতা। আমি পথাৰত চাকি ( চাতি )-বন্তি জ্বলাওঁ; ওপৰত আকাশ-বন্তি উৰাওঁ—কাতি মাহৰ কুঁৱলী আঁতৰাই আমি সৃষ্টিৰ বন্দনা কৰি আহিছোঁ: আমাৰ লখিমী চিৰসম্ভৱা।

কাতিমহীয়া তুলসীৰে
গোৰে জলে চাতি;
ওপৰতে ধৰম ৰজাই
লগাই থৈছে বাতি।

ৰঙালি, কঙালি, ভোগালি—এই তিনিওটি বিহুৱে অসমৰ আদিম কৃষি-উৎসৱ। এইবোৰ আদিম লোকসকলৰ প্ৰাণৰ পৰশ থকা খেতিপথাৰ আৰু গণ-জীৱনৰ সমন্ধৰ মধুৰ নিদৰ্শন। অসমৰ আদিম অধিবাসীসকলে ইতিহাসৰ কোনোবা পুৰাতে চিকাৰ এৰি খেতিকে ঘাই জীৱিকা কৰি ললে। বহল পথাৰ, সাকৱা ভৈয়াম, নদী-নিজৰাৰে ভৰপূৰ শ্যামল পাহাৰ যুগে যুগে কৃষি-জীৱনৰ হেঁপাহৰ হৈ ধন আহিছে। ভাৰতৰ

অধিবাসীসকলৰ বিষয়ে পণ্ডিতসকলে জাতি ( race ), ভাষা, সংস্কৃতিৰ তুলাচনীৰে জুখি কিছুমান সিদ্ধান্ত কৰিছে : তেওঁলোকৰ মতে নেগ্ৰিটোসকলেই প্ৰাচীনতম অধিবাসী। (১) নেগ্ৰিটোসকল চিকাৰজীৱী আছিল ; তেওঁলোকে খাদ্য উৎপাদন নকৰিছিল, আহৰণহে কৰিছিল। অসমৰ বৰ্ত্তমান নগাসকলৰ গাত আদিম নেগ্ৰিটোৰ তেজ আছে বুলি নৃ-তাত্ত্বিকসকলে কয়। কিন্তু নেগ্ৰিটো অধিবাসীৰ সংখ্যা অসমত নগণ্য বুলিবই পাৰি। অষ্ট্ৰিক ভাষাভাষী লোকৰ আদিম চাম আৰু চীন-তিব্বতীয় ভাষাভাষী মঙ্গলয়ডসকলে অসমৰ অধিবাসীসকলৰ বুজন ভাগ পূৰাইছিল। অষ্ট্ৰিক আৰু মঙ্গলয়ডৰ সংমিশ্ৰণৰ পিচত অষ্ট্ৰিক ভাষা ( খাছিয়া, জয়ন্তীয়া ) থাকিল যদিও অধিবাসীসকলৰ গাত মঙ্গলয়ড তেজৰহে প্ৰাধান্য ঘটিল বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে। অষ্ট্ৰিকভাষীৰ পূৰ্ব্বপুৰুষসকলে পাহাৰী জুম খেতি জোং আৰু কোদালেৰে আৰম্ভ কৰে। চীন-তিব্বতীয় মঙ্গলয়ডসকলে ভৈয়ামত হাল-কোৰেৰে কৰা খেতি-বাতিৰ প্ৰচলন কৰে। আৰ্য্যসকলে অসমলৈ আহি এই খেতিয়ক আদিম অধিবাসীসকলৰ কৃষিপ্ৰধান সাংস্কৃতিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰিলেও থলুৱা আচাৰ-ব্যৱহাৰ, লোক-উৎসৱ আদিক পৰিহাৰ কৰিব নোৱাৰিলে। বিহু-উৎসৱে আদিম অধিবাসীৰ কৃষি-উৎসৱৰ অঙ্কুৰ বুকত লৈ যুগৰ বোৱঁতী কচিধাৰা সামৰি লৈছে। আৰ্য্যসকলে থলুৱা মাত-কথা, আচাৰ-ব্যৱহাৰত হয় সনাতন ধৰ্ম্মৰ বোল সানিছিল, নহয় সংস্কৃত সংজ্ঞাৰে সেইবোৰ নতুনকৈ অভিহিত কৰি আৰ্য্য জীৱনধাৰাৰ শাৰীত তুলি লৈছিল। বিজেতাৰ জয়-উৎসৱে ৰাজনৈতিক কলৰৱৰ সৃষ্টি কৰিলেও সামাজিক গাথনি সতকাই ভাঙিব নোৱাৰে। উদাহৰণ স্বৰূপে, অসমৰ খাছিয়া-জয়ন্তীয়া পাহাৰৰ লোকসকললৈ চাওক ; এওঁলোকে অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত খাছিয়া, জয়ন্তীয়া ( ছীনটেং ) ভাষা কয় ; মাতৃপ্ৰধান ( আইৰ ঘৰীয়া ) সমাজ মানে ; কিন্তু নৃ-তত্ত্বৰ ফালৰপৰা এওঁলোক মঙ্গলয়ড। ইয়াৰ কাৰণ হয়তো এনে হব পাৰে : অষ্ট্ৰিকভাষী খাছিয়া, জয়ন্তীয়া আৰু মঙ্গলয়ডসকল গুৱিতে কোনো এখন উমৈহতীয়া ঠাইৰপৰা আহি বিভিন্ন ভাষাভাষীৰ সংমিশ্ৰণত প্ৰভাৱান্বিত হৈ অসমত ভিন ভিন সময়ত বেলেগ বাটেৰে সোমাইছে। এই সম্পৰ্কত ভাষাবিদ্ সুনীতিকুমাৰ চট্টোপাধ্যায়ে দিয়া অভিমত (২) প্ৰণিধানযোগ্য :—অসমৰ খাছিয়াসকল বিশেষভাৱে লক্ষ্য কৰিবলগীয়া। তেওঁলোকে আদিম বড়োভাষী এলেকাত অষ্ট্ৰিক বা অষ্ট্ৰ-এছিয়াটিক মনখ্‌মেৰভাষীৰ এটি দ্বীপ যেন হৈ আছে। খাছিয়াসকল জাতিৰ ( race ) ফালৰপৰা ইণ্ডো-মঙ্গলয়ড, কিন্তু তেওঁলোকৰ ভাষা বিভিন্ন। এনে বিশ্বাস হয় যে তেওঁলোকে গুৱিতে মঙ্গলয়ড মানুহে আছিল। তেওঁলোকে তিব্বত-বৰ্ম্মী ঘাই বাসস্থানৰপৰা ফালৰি কাটি দক্ষিণলৈ অহাৰ পিচত পূৰ্ব্ববৰ্ত্তী জাতি অষ্ট্ৰিক নাইবা প্ৰ'টো-অষ্ট্ৰলয়ডসকলৰ ভাষা গ্ৰহণ কৰে। হয়তো ব্ৰহ্মদেশত থাকোতেই সেই লোকসকলে অষ্ট্ৰিক গোষ্ঠীৰ ( মনখ্‌মেৰ ) খাছিয়া ভাষা গ্ৰহণ কৰিব পাৰে ; ইয়াৰ পিচত তেওঁলোকে অসমলৈ আহি

(১) বি, এছ, গুহ : ৰেছিয়েল এলিমেন্ট্‌ছ্‌ ইন্ ডি পপুলেশ্যন ( অক্সফৰ্ড পেমফ্লেট অন ইণ্ডিয়ান এফেয়াৰ্ছ ), ১৯৪৪

(২) কিৰাটজন-কৃতি : ভি অষ্ট্ৰিক-স্পীকিং খাছিৰ, পৃঃ ৩০ ; ১৯৫১



খাছিয়া আৰু জয়ন্তীয়া পাহাৰত বসবাস কৰি পিচৰ যুগত অহা বড়োসকলৰ সকলো সম্প্ৰাৰিত আক্ৰমণ সফলতাৰে বাধা দি বিচ্ছিন্ন নোহোৱাকৈ বা সত্তা বিলোপ নকৰাকৈ আছে। আৰু এটি কথা সম্ভৱ হব পাৰে : খাছিয়া আৰু জয়ন্তীয়া পাহাৰ তথা ছিলেটৰ উপত্যকা অঞ্চলত বিভিন্ন তিব্বত-বৰ্ম্মী ভাষাভাষী জনজাতিয়ে আদিম অষ্ট্ৰিকভাষী লোকৰ মাজত বসবাস কৰিছিল ; এই তিব্বত-বৰ্ম্মীসকলৰ উপভাষাৰ সংখ্যা সৰহ আৰু ভিন ভিন হোৱা কাৰণে তেওঁলোকে অষ্ট্ৰিক ভাষাকে গ্ৰহণ কৰিলে। অসমলৈ বড়োসকলৰ বিস্তৃতি প্ৰবাহ বোৱাৰ আগতেই সম্ভৱতঃ এই ভাষাগত সাল-সলনি হৈছিল। এই পৰিবেশত নৃ-তাত্ত্বিক ( জাতি ) ক্ষেত্ৰত মঙ্গলয়ড ( কিৰাত ) প্ৰাধান্য হলেও অষ্ট্ৰিক ( খাছিয়া-জয়ন্তীয়া ) ভাষা আৰু মাতৃপ্ৰধান সমাজ-গাথনি বৈ গ'ল।

তিব্বত-বৰ্ম্মীভাষী মঙ্গলয়ড লোকে অষ্ট্ৰিক ভাষা ( খাছিয়া ) আৰু সমাজ-ব্যৱস্থা গ্ৰহণ কৰা এই কাহিনীয়ে সাংস্কৃতিক প্ৰভাৱৰ এটি হেবোৱা সূত্ৰ উদঙাই দেখুৱাইছে। কালক্ৰমে ভাৰতীয় আৰ্য্যভাষী ( অসমীয়া ) লোকেও আদিম অষ্ট্ৰিক-তিব্বত-বৰ্ম্মীভাষীৰ কৃষি-উৎসৱ বিহু পালন কৰিবলৈ আৰম্ভ কৰিলে। নতুবা এনে হবও পাৰে, গঙ্গা উপত্যকাৰপৰা আৰ্য্য ভাষাভাষী-সকল আহি বঙ্গ-অসমৰ বিভিন্ন ভাষাভাষী আদিম অষ্ট্ৰিক-দ্ৰাবিড়সকলৰ আৰু পিচত তিব্বত-বৰ্ম্মীসকলৰ ওপৰত ভাষাগত প্ৰাধান্য লাভ কৰিলেও একে লোকসমষ্টিৰ লগত তেজ-মঙহৰ সম্বন্ধ ঘটিল আৰু একে সাংস্কৃতিক পৰম্পৰাই সমাজত বিস্তাৰ লাভ কৰিলে।

আৰ্য্যসকল সম্ভৱতঃ কমপক্ষেও খৃষ্টপূৰ্ব্ব ১৫০০ বছৰৰো আগতে ভাৰতত প্ৰবেশ কৰিছিল। তেওঁলোকে আদিম অষ্ট্ৰিকভাষীসকলক 'নিষাদ' বুলিছিল ; দ্ৰাবিড়ভাষীসকলক 'দাস-দস্যু' বুলি আৰু তিব্বত-বৰ্ম্মী মঙ্গলয়ডসকলক 'কিৰাত' নামে অভিহিত কৰিছিল। এই আদিম অধিবাসীসকলৰ কিছুমানক স্বাধীন ভাৰতৰ সংবিধানে জনজাতি ( tribe ) আখ্যা দিছে। অসমখনত গুৱিতে জনজাতিসকলৰ বসবাস আছিল। কিৰাত ( তিব্বত-বৰ্ম্মী মঙ্গলয়ড ) সকল খৃষ্টপূৰ্ব্ব দশম শতিকাৰপৰাই ভাৰতত থকাৰ প্ৰমাণ পোৱা গৈছে। বৰ্ত্তমান অসমৰ চীন-তিব্বতীয় ভাষাভাষী মঙ্গলয়ড লোকসকলৰ পূৰ্ব্ব-পুৰুষসকলেই আৰ্য্যসকলৰ ৰচিত যজুৰ্ব্বেদ, অথৰ্ব্ববেদ, মহাভাৰত আদি গ্ৰন্থত 'কিৰাত' বুলি বৰ্ণিত হৈছে। 'কিৰাত' শব্দটিৰ পোনপ্ৰথম উল্লেখ যজুৰ্ব্বেদত পোৱা গৈছে। অথৰ্ব্ববেদত কিৰাত-ছোৱালী এজনীয়ে ওখ পাহাৰৰ ওপৰত সোণৰ বন কৰা খন্তিৰে দৰৱৰ শিপা খন্দাৰ উল্লেখ আছে। মহাভাৰতৰ সভাপৰ্ব্ব আৰু ভিন ভিন পৰ্ব্বত কিৰাতসকলৰ উল্লেখ, বল-বিক্ৰমৰ বৰ্ণনা পোৱা যায়। শিৱে কিৰাত ৰূপেৰে অৰ্জ্জুনৰ শক্তিপৰীক্ষা কৰিছিল। ভীমে বিদেহ ৰাজ্যলৈ আহি সাতজন কিৰাত অধিপতিক পৰাস্ত কৰে। প্ৰাগ্‌জ্যোতিষ অধিপতি ভগদত্তই কিৰাত আৰু চীনা সৈন্যৰে কুৰুক্ষেত্ৰ মহাসমৰত ভূমিকা লৈছিল। কিৰাতসকলৰ গাৰ বৰণ সোণৰ দৰে হালধীয়া বুলি মহাভাৰত আৰু ৰামায়ণত বৰ্ণোৱা হৈছে। ৰামায়ণৰ কিষ্কিন্ধ্যাকাণ্ডত কিৰাতসকলৰ ৰূপ বৰ্ণনা প্ৰসঙ্গত তেওঁলোক সুদৰ্শন, সোণৰ দৰে উজ্জ্বল, মূৰত জোঙা চুলিৰ জোঁট, পানীৰ দৰে মাজেদি যাব পৰা আৰু বাঘৰ দৰে ভয়ানক বুলি কোৱা হৈছে। যোগিনীতন্ত্ৰত কামৰূপৰ (অসম) ধৰ্ম্ম আৰু আচাৰ-অনুষ্ঠান কৈৰাতজ অৰ্থাৎ

কিৰাতসকলৰ দ্বাৰা প্ৰভাৱান্বিত বুলি স্পষ্টকৈ লিখা আছে ঃ—“সিদ্ধেশি ! যোগিনীপীঠে ধৰ্ম্মঃ কৈৰাতজো মতঃ।” স্বৰ্গীয় বাণীকান্ত কাকতিয়ে কিৰাতসকলৰ ধৰ্ম্মানুষ্ঠান সম্বন্ধে সম্যকৰূপে বিভিন্ন ঠাইত আলোচনা কৰিছে। (৩) এই কিৰাতসকলৰ অধিকতৰ পৰিচয় দিবলৈ নগৈ কব পাৰি যে প্ৰাগ্‌জ্যোতিষ, কামৰূপ নামে অতীতত প্ৰখ্যাতি লভা এই অসম ৰাজ্যখনৰ লোকসমষ্টি, ধৰ্ম্ম, আচাৰ-অনুষ্ঠান আৰু উৎসৱ-পৰ্ব্বৰ আৰ্য্য-আৰ্য্যেতৰসকলৰ সমূহীয়া দান। বিহু উৎসৱ বুলিলেই অসমৰ অসমীয়াসকলৈ মনত পৰে। অসমীয়া বুলিলেই নিষাদ, কিৰাত, আৰ্য্য আদি ‘জনজাতি-অজনজাতি’ মিলি উদ্ভৱ হোৱা সম্মিলিত জনশক্তিকে বুজোৱা হয়। অসমত প্ৰচলিত বিহু-উৎসৱৰ লগত জনজাতিৰ সম্পৰ্কটো অন্তৰ্নিহিত। জনজাতিক বাদ দি অসমীয়াৰ কথা যিদৰে ভাবিব নোৱাৰি, সেইদৰে বিহুৰ কথাও বৰ্ণাব নোৱাৰি।

বিহু-উৎসৱ তিনটাৰ লগত জড়িত আচাৰ-অনুষ্ঠান, নীতি-নিয়ম, গীত-বাদ্য-নৃত্যত প্ৰধানতঃ নিষাদ ( অষ্ট্ৰিক ), কিৰাত ( মঙ্গলয়ড্ ), আৰু আৰ্য্যসকলৰ কাৰ কিমান বৰঙণি সেই সম্বন্ধে সঠিককৈ পোনছাটে কব নোৱাৰি ; কিন্তু এইটো ঠিক এ যে কম-বেছি পৰিমাণে অসমলৈ অহা আৰু ইয়াত বসবাস কৰা ভিন্ ভিন্ লোক-প্ৰৱাহে বিহু-উৎসৱত প্ৰভাৱ পেলাইছে। অসমৰ পাহাৰে-ভৈয়ামে থকা জনজাতি বুলি সম্প্ৰতি আখ্যা পোৱা ভোট, আঁকা, ডফলা, মিৰি, আবৰ, মিছিমি, নগা, মিকিৰ, খাছিয়া-জয়ন্তীয়া, মণিপুৰী, লুছাই, বড়ো, ৰাভাসকলে বিহু-উৎসৱ পালন কৰে নে ? নাইবা এই বিহুৰ সময়ত তেওঁলোকৰ মাজত বিহুৰ লেখিয়া বা বিহুৰ সমধৰ্ম্মী লোক-উৎসৱ, লোকানুষ্ঠান আছে নে ? বিহুৰ আচাৰ-বিচাৰ, গীত, নাচ, বাজনাবোৰ কেনেকৈ উদ্ভৱ হ’ল ? জনজাতি বুলি আখ্যা পোৱা লোক-সকলৰ অনুৰূপ আচাৰ-অনুষ্ঠান, নৃত্য-গীত আছে নে ? এনেবোৰ প্ৰশ্নই বিহু আৰু জনজাতি বুলিলে আমাৰ মনত সততাই ভুমুকি মাৰে। এই জনজাতিসমূহৰ বিষয়ে সম্যক্ প্ৰত্যক্ষ অভিজ্ঞতা নহলে এই প্ৰশ্নবোৰৰ উত্তৰ দিব নোৱাৰি।

ৰঙালি, কঙালি আৰু ভোগালি—এই তিনিওটা বিহুৱে কৃষি-কৰ্ম্মৰ আদি, মধ্য আৰু অন্ত নিৰ্ণয় কৰে। পণ্ডিতসকলে কোৱামতে অষ্ট্ৰিকসকলৰ পাহাৰী জুম-খেতি, কিৰাতসকলৰ ভৈয়ামৰ হাল-খেতিয়ে যদি আৰ্য্যভিন্ন কৃষি-পদ্ধতি সূচনা কৰে, তেন্তে কৃষি-উৎসৱ বিহু অষ্ট্ৰিক-কিৰাতসকলৰে দান ; আৰ্য্য আৰু অন্যান্য চামৰ লোকসকলে এই কৃষি-উৎসৱ আপোন কৰি লৈছে। বিহুৰ লগত জড়িত লোকাচাৰ আৰু লোক-ৰুচিবোৰ বিশ্লেষণ কৰিলেও আমি বিহুত জনজাতিলোকৰ বৰঙণি ঠাৱৰাব পাৰোঁ ঃ কিয়নো ৰঙালি, কঙালি আৰু ভোগালি বিহুৰ উৎসৱৰ —নৃত্য, বাদ্য, গীত, চাকি-বন্তি, ভেলাঘৰ-মেজি, বিহুৱান, গৰু-বিহু আদি আচাৰ, নীতি-নিয়মৰ যিবোৰ আৰ্য্যসকলৰ সমৰ্থিত আৰু অনুসৃত নহয়, সেইবোৰ অষ্ট্ৰিক, চীন-তিব্বতীয় ( কিৰাট ) সকলৰ অবদান হব লাগিব। অসমৰ বিহু-উৎসৱত জনজাতীয় প্ৰভাৱ সম্বন্ধে অসমীয়া আৰু ইংৰাজী ভাষাৰ জৰীয়তে কিছুমান আলোচনী আৰু পুথিত কিছু পৰিমাণে

(৩) পুৰণি কামৰূপৰ ধৰ্ম্মৰ ধাৰা ঃ কৈৰাতিক অনুষ্ঠান, পৃঃ ৮৬, আৰু আন আন।



বিশ্লেষণ কৰা হৈছে। (৪) বিহুৰ লগত সাঙোৰ খাই থকা লোকাচাৰ, নৃত্য-গীত, নীতি-নিয়ম, ৰুচি-বিশ্বাসৰ সৈতে জনজাতীয় সকলৰ অনুৰূপ অৱস্থাৰ তুলনামূলক বিচাৰ প্ৰকৃতপক্ষে হোৱা নাই। অসমৰ ভিন্ ভিন্ জনজাতিৰ মাজত বিহু আৰু বিহুধৰ্ম্মী উৎসৱ কিমানবোৰ আছে, সেই বিষয়ে সাহিত্য-সংস্কৃতিৰ ফালৰপৰা নিৰপেক্ষ আৰু প্ৰত্যক্ষ অনুসন্ধান-আলোচনা হোৱা নাই বুলিবই পাৰি। বৃটিছ ৰাজত্বত খৃষ্টান মিছনেৰী আৰু কেইজনমান শাসন কৰ্ত্তাই গাৰো, কছাৰী, খাছিয়া, মিকিৰ, মেইথেই, নগা, কুকি-চীন আদি জনজাতিৰ বিষয়ে খনচেৰেক গ্ৰন্থ লিখি থৈ গৈছে। কিন্তু এইবোৰ একেবাৰে নিভু‍ৰ্ল, বিশ্বাসযোগ্য বুলি ধৰিব নোৱাৰি ; খৃষ্টান ধৰ্ম্ম প্ৰচাৰ আৰু বৃটিছ শাসন সুদৃঢ় কৰা উদ্দেশ্য সাৰোগত কৰি লেখকসকলে ঠায়ে ঠায়ে নিজা অভিজ্ঞতা আৰু কিছুমান ঠাইত আন মানুহৰ-পৰা পোৱা জ্ঞান সন্নিবেশ কৰিছিল। তদুপৰি অসমীয়া সংস্কৃতিৰ লগত সম্যক পৰিচয় নথকাকৈ কিছুমান লেখকে গাইগুটীয়াভাবে একোটা জন-জাতিৰ সমাজ-সংস্কৃতিৰ চিত্ৰ বিক্ষিপ্তভাবে অঙ্কন কৰিছে। বৰ্ত্তমান স্বাধীন গণৰাজ্য হিচাবে ভাৰতে ভূমিকা গ্ৰহণ কৰাৰ লগে লগে দেশৰ ঐতিহ্য, সমাজ, সংস্কৃতি বৈজ্ঞানিক দৃষ্টিকোণেৰে বিচাৰ কৰা প্ৰয়োজন হৈ পৰিছে। অসমৰ জনজাতি-সকলৰ সমাজ, সংস্কৃতিৰ নিৰীক্ষণো মুকলি মনেৰে আধুনিক বিজ্ঞানসম্মত ভেটিত হোৱা আৱশ্যক।

অসমৰ জনজাতিসকলৰ মাজত বিহু-উৎসৱ আৰু বিহুধৰ্ম্মী উৎসৱবোৰ কেনেভাবে পালন কৰা হয়, এই লোক-উৎসৱবোৰত কৃষি-জীৱন আৰু যৌন অনুৰাগৰ প্ৰভাৱ কিমান, সেই বিষয়ে আকৰ্ষণীয় অনুসন্ধানৰ থলী আছে। শিক্ষিত জনজাতীয় লোকসকলেও এই ক্ষেত্ৰত যথেষ্ট সমল যোগাই সহায়তা কৰিব পাৰে। বড়োসকলৰ বিহু, সংস্কৃতি, উৎসৱ-পৰ্ব্বৰ বিষয়ে কেৰাজনো লেখকে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। (৫) মিৰিসকলৰ মাজত বিহু-উৎসৱ কিদৰে পালন কৰা হয়, সেই সম্বন্ধে স্বৰ্গীয় ৰজনীকান্ত বৰদলৈয়ে ‘মিৰি-জীয়ৰী’তে ইঙ্গিত দিছিল। উৎসাহী লেখক শ্ৰীনোমলচন্দ্ৰ পেগু আৰু শ্ৰীতৰুণচন্দ্ৰ পামেগামে কেইটামান মিৰি সম্বন্ধীয় সাংস্কৃতিক প্ৰবন্ধ ‘ৰামধেনু’ প্ৰমুখ্যে কাকতত প্ৰকাশ কৰিছে। জনজাতীয় শিক্ষাৰ্থীৰপৰা আমি জানিব পাৰিছোঁ যে লুছাই, টাংখুল নগা, আৰু আও নগাসকলৰ মাজতো কৃষি-উৎসৱ বিহুৰ লেখিয়া কিছুমান নৃত্য, গীত, ভোজন-বিলাসেৰে পৰিপূৰ্ণ জাতীয় উৎসৱ আছে। মিকিৰসকলৰো কৃষি-উৎসৱ বিহুৰ লেখিয়া লোকানুষ্ঠান আছে বুলি জানিব পাৰিছোঁ ; তেওঁলোকৰ মাঘ-বিহুৰ উলহ-মালহ, ভোজ-ভাত আদিৰ অসমীয়াৰ ভোগালি-বিহুৰ অনুৰূপ অনুষ্ঠানৰ সৈতে বিশেষ মিল আছে।

(৪) অসমীয়া সংস্কৃতি ঃ ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা, ৰামধেনু, তৃতীয় বছৰ, প্ৰথম আৰু চতুৰ্থ সংখ্যা, ১৮৭২ শক।

অসমীয়া জনসাহিত্য ঃ ডঃ প্ৰফুল্লদত্ত গোস্বামী, দ্বিতীয় সংস্কৰণ, ১৯৫৪, পৃঃ ২২।

ডি ৰেড ৰিভাৰ এণ্ড ডি ব্লু হিল ঃ শ্ৰীহেম বৰুৱা, দ্বিতীয় সংস্কৰণ, ১৯৫৬ পৃঃ ১৪৮।

(৫) এই সম্পৰ্কত শ্ৰীৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াৰ ‘বড়ো-কছাৰী জাতিৰ সংস্কৃতি’ ( দোমাহী বা মাঘবিহু ), অসম সাহিত্য সভা পত্ৰিকা, ত্ৰয়োদশ বছৰ, তৃতীয় সংখ্যা, আৰু বড়ো জাতিৰ পৰিচয় আদি গ্ৰন্থ শ্ৰীধুপাৰাম বসুমাতাৰীৰ ‘বড়ো-কছাৰী সংস্কৃতিৰ কিঞ্চিৎ আভাস’ নামৰ পুস্তিকা উল্লেখনীয়।

ঠায়ে ঠায়ে বিহু-সংক্ৰান্তিত লোক-বিশ্বাস অনুকূল বাধা-নিষেধ আছে ; যেনে বিহুত হাল-কোৰ নমৰা, ঢেকি-পখ্‌লি নিদিয়া, বিহু-ঢেৰা ভাত নোখোৱা আদি। এনেবোৰ বাধা-নিষেধৰ লগত নগা প্ৰমুখ্যে জনজাতিৰ 'গেন্না' তুলনীয়।

ভৈয়ামৰ বড়ো-কছাৰীসকলৰ মাজত ৰঙালি আৰু ভোগালি বিহু পালন কৰা হয়। ব'হাগৰ ৰঙালি বিহুক তেওঁলোকে "বৈছাগু" আৰু মাঘৰ ভোগালি বিহুক "দমাছী" বুলি কয়। বৈছাগুত গৰু ধুওৱা, লাউ-বেঙেনা খুওৱা, তেল-কুৰ ঘহোঁৱা, বিহুৱান দিয়া হয় ; মদ-মাংস, লাৰু-পিঠা, সান্দহ-চিৰাৰো আয়োজন আছে ; তদুপৰি বিহু-গীত, বাদ্য আৰু নৃত্যৰ পয়োভৰ বৈছাগুৰ বৈশিষ্ট্য।

বড়ো-কছাৰী বিহু-গীতৰ প্ৰধান বিষয়-বস্তু ডেকা-গাভৰুৰ প্ৰণয়। প্ৰণয়ৰ পথত থকা হেঙাৰ মাক-বাপেকৰ বাধা, সেইবোৰ নেওচি যোৱাৰ উপায়, ভিনীহিয়েক-খুলশালীয়েকৰ মাজত ঠাট্টা-মস্কৰা, শাহুৱেকৰ ওচৰত মদাহী জোঁৱায়েকৰ মদ ভিক্ষা, বিহুত যোগ দিবৰ কাৰণে লগ-লগৰী-সকললৈ জনোৱা আহ্বান কিছুমান বড়ো বিহু-গীতত পোৱা যায়। কামৰূপ জিলাৰ বৰিয়া অঞ্চলৰ ঝাৰগাৱঁৰ শ্ৰীভবেন্দ্ৰ নাৰ্জ্জাৰিপৰা আহৰণ কৰা বড়ো-কছাৰী বিহুগীত দুটিৰ অসমীয়া ভাঙনি তলত দিয়া হল :—প্ৰথমটি ডেকা-গাভৰুৰ ( ছেংগ্ৰা-ছিখ্‌লা ) মাজত প্ৰণয়ৰ ভাব ব্যঞ্জক। দ্বিতীয়টো শাহুৱেক আৰু মদ-মগনীয়া জোঁৱা-য়েকৰ মাজত হোৱা আলাপ-আলোচনাৰ নিদৰ্শন।

১

ডেকা : পাহাৰৰ ওপৰতহে 'হলোলথা' নামৰ শাক গজে ; তুমিও মোৰ হিয়াত তেনেদৰে জাগি আছা ; কেৱল তুমিহে মোৰ লগৰী।

গাভৰু :—ককাইটি, হাটৰপৰা সুগন্ধি তেল এবটল কিনি থবা আৰু এযোৰ মুঠি-খাৰু, এডাল জিলমিলীয়া মালাও কিনিবা ; যাতে মই ( তোমাৰ ঘৰলৈ ) গৈয়ে লব পাৰোঁ।

জোঁৱায়েক :— ব'হাগমহীয়া বতৰত
'বুৰবুলিয়া' নামৰ পোক ওলায়।
হে মোৰ শাহু আই,
তোমাৰ ইয়ালৈ আহিছিলোঁ,
পিছে মদ আছে নে নাই,
মদ আছে নে নাই ?

শাহুৱেক :— ভঁৰালৰ কাষৰ তাঁতশালৰ চিৰী,
এহ্‌ শেষেই হ'ল ( মদবোৰ ) ;
অলপ আগতে অহা হলে
নিশ্চয় পালাহেঁতেন।

অন্যান্য জনজাতিৰ মাজত থকা বিহুগীত আৰু বিহুধৰ্ম্মী গীতৰ নিদৰ্শন সহজতে—পোনপটীয়াকৈ নোপোৱা কাৰণে দিব পৰা নগ'ল। বিহুৰ নৃত্য, বাদ্য আদিৰ আলোচনাৰ বাটো মুকলি হৈ থাকিল।

অসমীয়া বিহুগীতবোৰত যে জনজাতিৰ উল্লেখ প্ৰচুৰ পৰিমাণে পোৱা যায়, তাৰ উজ্বল চানেকি দেখুৱাইছে—শ্ৰীনকুলচন্দ্ৰ ভূঞাদেৱৰ "বিহুগীতত সংগৃহীত বিহুগীতবোৰে। তলত বিহুগীতৰ কেইটামান নিদৰ্শন দাঙি ধৰা হৈছে :—

"নগাৰে চাঙতে পেপাটি বজালে
ডফলাই ধৰিলে টকা।
ল'ৰা বুঢ়া জীয়াৰী ৰঙতে বলিয়া
বহাগৰ বিহুৱা ডেকা।"

এইফাঁকি গীতত নগা, ডফলাৰ উৎসৱমুখৰ পৰিবেশ বৰ্ণনাৰ উপৰিও পেপা, টকা আদি বিহুৰ বাদ্যৰ সুন্দৰ উল্লেখ আছে।

উত্তৰ-পূব সীমান্তৰ মিছিমি জনজাতিৰ লগত ভৈয়ামবাসী অসমীয়াৰ বেহা-বেপাৰ আৰু



আদান-প্ৰদানৰ চিনাকি পোৱা যায় তলৰ বিহুগীত দুটিত :—

"ধনে গৈ আছে গৈ মিছিমিৰ দেশতে
আনিব কপাহৰ জোলা।
তুমি বৈ ল'বা বিহাকৈ মেখেলা
আমাক বৈ দিবা চোলা।"

"কেনেকৈ পাহৰিম তোমাক ঐ লাহৰী
কেনেকৈ পাহৰিম তোমাক।
মিছিমি আহিব ৰৰবিহ আনিব
তাকে খাই পাহৰিম তোমাক।"

নগা, মিৰি আৰু মিকিৰ জনজাতিৰ উল্লেখ তলত দিয়া বিহুগীত কেইটিত পোৱা যায় :—

"পৰ্ব্বতে পৰ্ব্বতে থাকো নগা টেঙা
খোপাত গুজি গলো লোণ।
হাবৰ মাজে মাজে সুমুৱাই আনিছো
জানো মোৰ ধনৰে গুণ।"

"লুইতৰ সিপাৰে কহুৱনি ফুলিলে
মিৰিয়নী খেলিলে তাত,
এনে ফাগুন দিনত তোমাৰ যৌৱন ফুলিলে
মনে মোৰ খেলিছে তাত।"

"মিকিৰ বৰচাঙত বজায় বৰকাঁহী
ভৈয়ামত বজালে ঢোল ;
চেঙেলীয়া মনক বান্ধিব নোৱাৰোঁ
ছিঙে মৰাপাটৰ ডোল।"

এনেবোৰ বিহুগীতে অসমীয়া আৰু জনজাতিৰ আদান-প্ৰদান তথা আপোন আপোন ভাবৰ পৰিচয় দিয়ে।*

* ১৯৫৬ চনত গুৱাহাটী বিহু-সম্মিলনীৰ আলোচনা-চক্ৰত দিয়া ভাষণৰ ওপৰত প্ৰতিষ্ঠিত )

# অসম ইতিহাসত খোদিত লিপিৰ স্থান

শ্ৰীযুত প্ৰেমধৰ চৌধুৰী

বুৰঞ্জী বা ইতিহাস সঙ্কলনৰ সমলসমূহৰ ভিতৰত লিপি, মূৰ্ত্তি, ভাস্কৰ্য্য, মুদ্ৰা, জনপ্ৰবাদ আদিয়েই হৈছে উল্লেখযোগ্য। লিপিসমূহক আনবোৰ উপকৰণতকৈ বেছি নিৰ্ভৰযোগ্য বুলি বিজ্ঞসকলে ধাৰ্য্য কৰিছে। লিপি বা ফলিত যি কথাৰ উল্লেখ পোৱা যায় তাত কোনো ভাজ বা সন্দেহৰ ছাঁ সাধাৰণতে নাথাকে। সেই গতিকে বুৰঞ্জীৰ সমলৰ মাজত লিপিৰ স্থান অতি উচ্চ।

শিলালিপি বা তামৰ ফলিৰ পাঠ উদ্ধাৰ কৰি তাৰ তত্ত্ব, তথ্য উদ্ঘাটন কৰি গৱেষণাৰ ফলাফল ৰাইজৰ আগত দাঙি ধৰাটো সহজ কাম নহয়। এই প্ৰসঙ্গতে এটি কথা উল্লেখ কৰিলে একো অবান্তৰ নহব বুলি আমি ভাবো। —কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ব বিভাগৰ এটি বিশেষ শাখা উটকামণ্ডত ( দক্ষিণভাৰত ) অৱস্থিত। এই শাখাৰ জৰীয়তে ভাৰতত নানা ঠাইত আৱিষ্কৃত হোৱা ফলিলিপিবোৰৰ পাঠ বাহুল্যভাবে আলোচিত হৈ 'এপিগ্ৰাফিয়া ইণ্ডিকা' নামক আলোচনীত প্ৰকাশ কৰা হয়। এই শাখাই বুৰঞ্জীমূলক গৱেষণাৰ ক্ষেত্ৰত সদো ভাৰতীয়

ৰাইজৰ অশেষ উপকাৰ সাধন কৰি বুৰঞ্জী সাহিত্য বহুপৰিমাণে চহকী কৰিছে।

আমাৰ দেশ—কামৰূপৰাজ্য অতি পুৰণি। ইতিহাস বা সাহিত্য ক্ষেত্ৰৰ শ্ৰেষ্ঠ গ্ৰন্থ, ৰামায়ণ আৰু মহাভাৰতত আমাৰ দেশ 'প্ৰাগ্ জ্যোতিষ' বুলি অভিহিত হৈছে। হৰিবংশ আৰু বিষ্ণুপুৰাণত 'প্ৰাগ্ জ্যোতিষ'ৰ উল্লেখ আছে। ব্ৰহ্মাণ্ড পুৰাণতো 'প্ৰাগ্ জ্যোতিষ' নামহে পোৱা যায়। কিন্তু এই গ্ৰন্থসমূহত কামৰূপ শব্দৰ উল্লেখ পোৱা নাযায়। জগদ্বিখ্যাত মহাকবি কালিদাসৰ ৰচনাৱলীত 'প্ৰাগ্ জ্যোতিষ' আৰু 'কামৰূপ' এই দুয়োটা নামকে আমি পাওঁহক। কালিকা-পুৰাণতো অৱশ্যে দুয়োটা নামৰ উল্লেখ পোৱা যায়। মুঠতে অতীজৰেপৰা আমাৰ দেশখন সুপ্ৰসিদ্ধ আৰু ইয়াৰ ঐতিহ্য-সম্পদ অতি সমৃদ্ধ।

খৃঃ পূঃ ৩য়-৪ৰ্থ শতিকাৰ ভাৰতসম্ৰাট অশোকৰ কোনো স্তম্ভ বা খোদিত লিপি আজিলৈকে অসমত আবিষ্কৃত হোৱা নাই। সেই গতিকে আমাৰ দেশখন মহাৰাজ অশোকৰ অধীনত আছিল নে নাই সেই কথা ঠিৰাংকৈ ঠাৱৰ কৰা কঠিন। ইয়াৰ ফলত আমাৰ অতীত ইতিহাস অৰ্থাৎ চতুৰ্থ শতিকাৰ আগৰ ঘটনাবোৰ উদ্ঘাটন কৰাৰ সমল স্বৰূপে উল্লিখিত মূল্যবান গ্ৰন্থসমূহ আৰু মূল্যবান হৈ পৰিছে।

শিলালিপি, তামৰ ফলি, মুদ্ৰা, সাঁচিপতীয়া পুথি, ভাস্কৰ্য্য আৰু স্থাপত্য বিদ্যাবিষয়ক নানা তৰহৰ অতীত ঐশ্বৰ্য্য আমাৰ দেশত কম পৰিমাণে হলেও উদ্ধাৰ কৰা হৈছে। এনে ধৰণৰ আবিষ্কৃত সম্পদসমূহে নানা লুপ্ত কথা ব্যক্ত কৰি বুৰঞ্জীৰ অৱয়ৱ বৃদ্ধি কৰিছে। এই সম্পদ বা সমলসমূহৰ ভিতৰত খোদিত লিপিয়েই হৈছে মুখ্য আৰু সবাতোকৈ নিৰ্ভৰযোগ্য। সেই কাৰণে কৃষ্টি-কলা বা ইতিহাস আদি বিষয়ত শিলালিপি বা তামৰ ফলিৰ ইমান আদৰ।

আজিলৈকে আবিষ্কৃত হোৱা ফলি-লিপিৰ সংখ্যা নিচেই তাকৰ নহয়। নাই নাই বুলিও কিছু সংখ্যক বুৰঞ্জীমূলক ফলি-লিপি উদ্ধাৰ কৰা হৈছে। অসম ইতিহাস বিশেষকৈ প্ৰাক্-আহোম যুগৰ ইতিহাস সঙ্কলন কাৰ্য্যত এইবোৰ ফলি-লিপিয়ে ঘাইকৈ যোগান ধৰিছে। বৰ্ত্তমান সময়লৈকে অসমত উদ্ধৃত হোৱা লিপি-সমষ্টিৰ ভিতৰত কামাখ্যা পাহাৰত অলপতে আবিষ্কৃত হোৱা 'উমাচল শিলালিপি'খনেই হৈছে বয়সত পুৰণি। এই শিলালিপি বৰ্ম্মনবংশীয় মহাৰাজা-ধিৰাজ শ্ৰীসুৰেন্দ্ৰ বৰ্ম্মাৰ ( মহেন্দ্ৰ বৰ্ম্মা ) দিনৰ অৰ্থাৎ পঞ্চম শতিকাৰ বুলি নিৰ্দ্ধাৰিত কৰা হৈছে। এই বিষয়ে এটি চমু টোকা আজি কিছু দিন আগতে প্ৰকাশ কৰা হৈছিল।

এই ফলিৰ বিশদ আলোচনা 'এপিগ্ৰাফিয়া ইণ্ডিকা'ত অলপতে প্ৰকাশ পাব। বৰ্ম্মন ৰজাসকলৰ বংশাৱলীত মহাৰাজাধিৰাজ শ্ৰীসুৰেন্দ্ৰ বৰ্ম্মাৰ উল্লেখ আগতে পোৱা হোৱা নাই। চমুকৈ কবলৈ গলে আগৰ উল্লিখিত শ্ৰীমহেন্দ্ৰ বৰ্ম্মাই বৰ্ত্তমান ফলিৰ শ্ৰীসুৰেন্দ্ৰ বৰ্ম্মা। এই শিলালিপিৰ পাছতে নগাওঁ জিলাৰ ডবকা অঞ্চলত থকা শিলা-লিপিৰ কথা উল্লেখযোগ্য। এইখনো কামৰূপৰ বৰ্ম্মন ৰজাৰ বংশধৰৰে। এই শিলা-লিপি কুমাৰ ভাস্কৰ বৰ্ম্মাৰ পূৰ্ব্বপুৰুষ ভূতিবৰ্ম্মা বা মহাভূত বৰ্ম্মাৰ দিনৰ। এই ফলিৰ বিশেষত্ব হৈছে যে ইয়াত চন-তাৰিখ লিখা আছে। সাধাৰণতে প্ৰাক্-আহোম যুগৰ ফলি-লিপিত চন-তাৰিখৰ উল্লেখ নাথাকে। এই লিপিৰ পাঠ উদ্ধাৰ কৰি স্বৰ্গীয় ডাঃ নলিনীকান্ত ভট্টশালীয়ে অসমৰ অশেষ হিত সাধন কৰিছে। তেখেত ঢাকা মিউজিয়ামৰ



কিউৰেটৰ আছিল। এই ফলিয়ে যোগোৱা কথাখিনি আগতে ৰচিত হোৱা ইতিহাসত পোৱা নাযায়। এই ফলি-লিপিৰ এটি চমু পৰিচয় কামৰূপ অনুসন্ধান সমিতিৰ আলোচনাত প্ৰকাশ পাইছে।[১]

আজি কিছু কাল আগতে কামৰূপ জিলাৰ ডুবি নামে ঠাইত এখন তামৰ ফলি ওলায়। মিউজিয়ামৰ কৰ্ত্তৃপক্ষৰ হাতত পৰাত পাঠোদ্ধাৰৰ সুযোগ আমি পাওঁহক। কুমাৰ ভাস্কৰ বৰ্ম্মাৰ এইখন দ্বিতীয় ফলি—প্ৰথমখন হল নিধানপুৰ তামৰ ফলি যাৰ পাঠ বহু আগতে উদ্ধাৰ আৰু প্ৰকাশ কৰি মহামহোপাধ্যায় ৺পদ্মনাথ বিদ্যাবিনোদে নিজৰ নাম-ধাম চিৰস্মৰণীয় কৰি থৈ গৈছে। প্ৰাক্-আহোম যুগৰ ভালেখিনি তামৰ ফলিৰ পাঠ উদ্ধাৰ কৰি ৺বিদ্যাবিনোদে বিভিন্ন আলোচনীত প্ৰকাশ কৰে। তাৰ পাছত সেই প্ৰবন্ধবোৰ সমীচীনভাৱে জুকিয়াই "কামৰূপ শাসনাৱলী" নামে এখন কিতাপ প্ৰকাশ কৰি সদৌ অসমীয়া তথা ভাৰতীয় ৰাইজৰ শ্ৰদ্ধাৰ পাত্ৰ হয়। অসমৰ প্ৰাক্-আহোম যুগৰ তথ্য সন্ধানকাৰীসকলৰ কাৰণে উক্ত গ্ৰন্থখন সঁচাকৈয়ে পথ প্ৰদৰ্শক।

কুমাৰ ভাস্কৰ বৰ্ম্মাৰ 'ডুবি তামৰ ফলি'ত নানা নতুন কথাৰ সম্ভেদ পোৱা যায়। ভাস্কৰ বৰ্ম্মাৰ ককায়েক যে বলী, কৰ্ম্মী, সাহসী আৰু লোকপ্ৰিয় আছিল এই ফলিয়েই তাৰ প্ৰমাণ। এই ফলিত লিপিবদ্ধ হোৱা বিশেষ ঘটনা হৈছে গৌড়-কামৰূপৰ সংঘৰ্ষ। এই মহাসমৰত কামৰূপৰ ৰাজকুমাৰদ্বয়ে অৰ্থাৎ ভাস্কৰ বৰ্ম্মা আৰু সুপ্ৰতিষ্ঠিত বৰ্ম্মাই কৃষ্ণ-বলৰাম সদৃশ হৈ গৌড়-সেনাক ছেদেলি ভেদেলি কৰে। পাছত অৱশ্যে বিপুল গৌড়-বাহিনীৰ হাতত কুমাৰযুগলে পৰাজয় বৰণ কৰিবলগীয়া হয়। এই ফলিৰ বিষয়ে এটি প্ৰবন্ধ কাঃ অঃ সমিতিৰ আলোচনীত প্ৰকাশ পাইছে।[২]

তেজপুৰ চহৰৰপৰা প্ৰায় তিনি মাইল নিলগত দহপৰ্ব্বতীয়া গাওঁ। এই ঠাইত বয়সত প্ৰাচীনতম আৰু সৌন্দৰ্য্যত জাকত জিলিকা ভাস্কৰ্য্যৰ চানেকি আজিও বৰ্ত্তমান। এই অতুল্য অতীত ঐশ্বৰ্য্য কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগৰ দ্বাৰা সংৰক্ষিত। ইয়াত কিছুকাল আগতে এখন তামৰ ফলি পোৱা যায়। এই ফলি শালস্তম্ভৰ বংশধৰ বনমাল বৰ্ম্মাদেৱৰ—সময় নৱম শতিকা। এই ফলিয়ে কেইটিমান ঐতিহাসিক নতুন কথাৰ যোগান ধৰিছে। তাৰে ভিতৰত বিশেষকৈ লেখত লবলগীয়া কথা হৈছে—নৱম শতিকাৰ বিখ্যাত ৰজা হৰ্জ্জৰবৰ্ম্মাৰ পিতাকৰ নাম প্ৰালম্ভ বুলিয়েই জনাজাত আছিল, কিন্তু এই ফলিৰ পাঠে স্পষ্টকৈ দেখুৱাইছে যে হৰ্জ্জৰৰ পিতাকৰ নাম অৱথি। দুই চাৰিটা আৰু নতুন কথা এই ফলিৰপৰা আমি পাওঁহক। 'এপিগ্ৰাফিয়া ইণ্ডিকা'ত এই বিষয়ে আমাৰ প্ৰবন্ধ এটি প্ৰকাশ পাইছে।[৩]

খোদিত লিপিসমূহৰ ভিতৰত এলাহাবাদত ( প্ৰয়াগ ) আবিষ্কৃত হোৱা সমুদ্ৰগুপ্তৰ স্তম্ভ-লিপিত ( ৪ৰ্থ শতিকা ) পোন প্ৰথমতে কামৰূপৰ নাম পোৱা যায়। গুপ্ত ৰজাসকলৰ প্ৰভাৱ কামৰূপ ৰাজ্য পৰ্য্যন্ত যে বিয়পি পৰিছিল ই নিঃসন্দেহ। হৰ্জ্জৰ বৰ্ম্মাৰ তেজপুৰত থকা শিলা-লিপিত ( ৫১০ গুপ্তাব্দ ) এই কথা স্পষ্টভাৱে খোদিত আছে। এয়ে উক্ত কথাৰ জ্বলন্ত প্ৰমাণ।

(১) J. R. A. S., Vol VIII, No. 4

(২) J. R. A. S., Vol XI, No. 3 & 4, 1944

(৩) E. I. Vol. XXIX, Part V & VI, 1951

কামৰূপৰ পালবংশীয় ৰজাসকলৰ অন্যতম ধৰ্ম্মপালৰ এখন তামৰ ফলি নকৈ আবিষ্কৃত হৈছে। এই ফলিৰ পাঠ আৰু আলোচনা কামৰূপ অনুসন্ধান সমিতিৰ আলোচনীত প্ৰকাশ কৰা হয়।[8] এই ফলি নগাওঁ জিলাৰ খোনামুখ নামে ঠাইত পোৱা গৈছিল।

ভৱিষ্যতে অসম ইতিহাসৰ আগছোৱা অৰ্থাৎ প্ৰাক্-আহোম যুগৰ ইতিহাস বিশদভাৱে লিখিবলৈ হলে এই নকৈ আবিষ্কৃত হোৱা ফলি-লিপিসমূহৰ তত্ত্ব-তথ্য অন্তৰ্ভুক্ত কৰাটো অপৰিহাৰ্য্য কথা হব।

এই সূত্ৰে কোৱা যায় যে শিলালিপি আৰু তামৰ ফলিয়ে আহোম যুগৰ বুৰঞ্জী ৰচনাতো বহুখিনি দান দিছে।*

(৪) J. A. R. S., Vol. VIII, No. 4, 1941

* সাহিত্য সভাৰ যোৱা ৰূপালী জয়ন্তী অধিৱেশনৰ বুৰঞ্জী শাখাৰ সভাত পঠিত।

# গোৱালপাৰাবাসীৰ অসমীয়া সাহিত্য চৰ্চ্চা

এম, মফিজুদ্দিন আহমদ

সাহিত্যই জাতিৰ যুগমীয়া সম্পত্তি। ই এটা জাতিৰ অতীত জীৱনৰ সোঁৱৰণি, বৰ্ত্তমান জীৱনৰ প্ৰাণ আৰু ভৱিষ্যৎ জীৱনৰ চানেকি। ভাৰতবৰ্ষৰ এটি অংশ অসম। আৰ্য্যসকল অসমলৈ অহাৰ লগে লগে ইয়াতো সংস্কৃত ভাষাৰ প্ৰচলন হয়। আমাৰ ভাগ্যৰ গুণতে কালক্ৰমে ইয়াতেই কিছুমান মহাপুৰুষে জন্ম গ্ৰহণ কৰিলে। তেওঁবিলাকৰ ভিতৰত হেম স্বৰস্বতী, মাধৱ কন্দলী, শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, ভট্টদেৱ আদিৰ নাম বিশেষ উল্লেখযোগ্য। শঙ্কৰদেৱ আৰু মাধৱদেৱে অসমত ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰিবৰ নিমিত্তে সংস্কৃত পুথিবিলাক অসমীয়া গদ্য আৰু পদ্যত অনুবাদ নকৰা হলে আজি অসমীয়া ভাষাৰ গতি কি হলহেঁতেন তাক কোৱা টান। আৰ্য্যসকলৰ লগত যে অকল সংস্কৃত ভাষা আমাৰ দেশলৈ আহিছিল তেনেকুৱা নহয়, প্ৰাকৃত বুলি আন এটি ভাষাও লগৰ লগৰী স্বৰূপে পিচত দেখা দিলে। সেই প্ৰাকৃত ভাষাৰ লগত স্থানীয় ভাষা মিহলি হৈ আৰু আন আন নৈসৰ্গিক কাৰণে আমাৰ মাতৃভাষাই গঢ় লৈছে। এনে গঢ় লওঁতে যে অনেক যুগ লাগিছে তাত অকণো সন্দেহ নাই। আগেয়ে কোৱা হৈছে যে মহাপুৰুষসকলে ভাগৱত, পুৰাণ, মহাভাৰত, ৰামায়ণ আদি গ্ৰন্থবিলাক সকলোৱে বুজিব পৰাকৈ কথিত ভাষাত অনুবাদ কৰিলে। অনূদিত পুথিবিলাক জনসাধাৰণৰ বৰ আদৰ আৰু শ্ৰদ্ধাৰ বস্তু হল আৰু ঘৰে ঘৰে সাঁচিপাতত লিখি অতি সাৱধানে ৰাখিব ধৰিলে।

অসমীয়া ভাষাত কেতিয়াৰপৰা পুথি ৰচনা কৰা হয় তাৰ এতিয়ালৈকে একো ঠিকনা হোৱা নাই। অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাতো পুথি প্ৰথমে পদ্যতেই লিখা হয়। পুৰাণ, ভাগৱত,



বুৰঞ্জী আৰু নীতি বিষয়ক সকলোবিলাক পুথি পদ্যত লিখা। গদ্য ভাষাও যে নাছিল তেনে নহয়, কিন্তু বহুত পাছত আৰম্ভ হয়। লিখিত পদ্যৰ ভিতৰত ডাক চৰিতকে আদি বুলি সকলোৱে ধৰিছে। শঙ্কৰদেৱৰ সকলো পুথি পঞ্চদশ-ষোড়শ শতাব্দীত লিখা। ষোড়শ শতাব্দীৰ ভট্টদেৱৰ সময়ৰপৰা গদ্যৰ লিখা ধৰণ ভালকৈ চলি আহিছে। তেতিয়া গদ্যক কথা বুলিছিল।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰ যে কিমান বহল এতিয়ালৈকে একো স্থিৰ হোৱা নাই। শঙ্কৰদেৱৰ পাছৰপৰা বৰ্ত্তমান যুগলৈকে কিমান কবি-সাহিত্যিকে অসমীয়া সাহিত্যৰ সেৱা কৰি আহিছে তাৰ লেখ এতিয়াও ঠিৰাং হোৱা নাই। ১৮২৬ খৃঃ বা ১৭৪৮ শকত অসম ইংৰাজৰ হাতলৈ আহে। ইংৰাজে প্ৰথমতে আদালতত অসমীয়া ভাষাকে চলাইছিল। কিন্তু কিছুমান বঙালী লোকৰ পৰামৰ্শ মতে চৰকাৰে ১৮৩৬ খৃঃৰপৰা আদালতত অসমীয়া গুচাই বঙলা ভাষা চলাবলৈ ধৰিলে আৰু লাহে লাহে পঢ়াশালিবিলাকতো বঙলা ভাষা সুমুৱাই দিলে। জীৱিকাৰ কাৰণে অসমীয়াই নিজ দেশতে বঙলা ভাষা পঢ়িব লগা হল। স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকনে কেইবাজনো পাদ্ৰী চাহাবৰ সহায়ত ১৮৭১ খৃষ্টাব্দত বঙ্গৰ ছুৱলীয়া লাট স্যাৰ জৰ্জ্জ কেম্বেল চাহাবক অসমীয়া যে এটা স্বকীয়া চহকী ভাষা এই কথা ভালকৈ বুজাই দি পঢ়াশালি আৰু আদালতত অসমীয়া ভাষা পুনৰ প্ৰচলন কৰালে। কিন্তু গোৱালপাৰাৰ ভাগ্যত এই সুযোগ নঘটিল। ইয়াত বঙলা ভাষাই ভালকৈ শিপাই ললে।

অসমীয়া পঢ়াশলীয়া ভাষা হোৱাত বহুতে উৎসাহ পাই অসমীয়া ভাষাৰ উন্নতি সাধনত লাগি গল। এই ক্ষেত্ৰত ৺আনন্দৰাম ঢেকিয়াল ফুকন, ৺গুণাভিৰাম বৰুৱা আৰু ৺হেমচন্দ্ৰ বৰুৱাৰ নাম অসমীয়াৰ মাজত চিৰস্মৰণীয় হৈ থাকিব। ৺হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ আৰু হেমকোষ ভাষাৰ ধৰণী স্বৰূপ হল। ১৮১১ শকত কলিকতাৰ অসমীয়া ছাত্ৰসকলে অঃ ভাঃ উঃ সাঃ সভা স্থাপন কৰিলে। তাৰপৰাই জোনাকী নামে এখন কাকত উলিয়ালে। সেই জোনাকীয়ে অসমীয়া সাহিত্যত পোহৰ দিলে। জোনাকীৰ জোনাকতে অসমৰ আন আন ঠায়ে গোৱালপাৰা জিলাক পাছ পেলাই থৈ গুচি গল। আমি য'তে আছিলো ত'তে ৰলোঁ।

চলন্তি ভাষা আৰু বোৰঁতী নৈ একেদৰে নাথাকে। অসমীয়া সাহিত্যৰ ভাষাৰ গঢ় আৰু প্ৰকৃতিৰো পৰিবৰ্ত্তন হৈ আহিল।

গোৱালপাৰা জিলা বঙ্গদেশৰ নিচেই ওচৰতে, লগালগি। আগেয়ে উনুকিওৱা হৈছে যে অসমত অসমীয়া ভাষা চলিবলৈ ধৰিলেও গোৱালপাৰাই বঙলাৰ হাত সাৰিব নোৱাৰিলে। ৰাহুৱে চন্দ্ৰক গ্ৰাস কৰাৰ দৰে গোৱালপাৰাৰ অৱস্থা হল। এই জিলাখনত জমিদাৰসকলৰ বেছ প্ৰতিপত্তি আছিল। জমিদাৰসকলে পূৰ্ব্বৰেপৰা বঙ্গদেশৰপৰা বিষয়া আনি কাৰ্য্য চলোৱাৰ কাৰণে তেওঁলোকৰ সুবিধা অনুসৰি বঙলা ভাষা টানি আজুৰি চলাই আহিছে। ইংৰাজ গৱৰ্ণমেণ্টৰ হাতলৈ অহাৰ আগতে গোৱালপাৰা জিলাখন ৰঙামাটিৰ নবাবৰ অধীনত আছিল। চাকৰিৰ আশাত গোৱালপৰীয়াই বঙলা ভাষা শিকিব লগীয়াত পৰিছিল। এই জিলাৰ আদালতৰ ভাষাও বহুদিনলৈকে বঙালী আছিল। ইয়াৰ বহু উচ্চ বৰ্ণৰ হিন্দু পৰিয়ালে বঙ্গদেশৰপৰা নাইবা পশ্চিমৰপৰা অহা বুলি পৰিচয় দিয়ে। তেওঁলোকৰ ভালেমানৰ উৎসাহ-উদ্যম বঙলা ভাষা

প্ৰচলনৰ ফালে ঢাল খোৱা। ধুবুৰী অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ বেছিভাগেই বঙ্গদেশৰপৰা অহা। মানৰ আক্ৰমণৰ সময়ত উজনিৰপৰা কিছু সংখ্যক হিন্দু আৰু মুছলমান পৰিয়াল আহি এই জিলাত বসতি কৰেহি। বড়ো সম্প্ৰদায়ৰ বেলেগ ভাষা থাকিলেও বৰ্ত্তমান যুগত শিক্ষাৰ আলোকত তেওঁলোকে অসমীয়া ভাষাক সাবটি ধৰিছে। অসমীয়া ভাষাৰ প্ৰতি তেওঁলোকৰ ৰাপ শলাগিবলগীয়া আৰু আশাপ্ৰদ। অসমীয়া ভাষা-ভাষী সমস্যাত তেওঁলোকে আমাৰ সংখ্যা ওপৰত তুলিছে। ভৱিষ্যৎ ভাষা-সমস্যাত গোৱালপৰীয়াই তেওঁলোকৰ সাহায্য আৰু পাব।

গোৱালপাৰা জিলাত কোঁচ আৰু আহোম ৰজাসকলৰ অতীত সোঁৱৰণি মচা যোৱা নাই, পৌৰাণিক, বুৰঞ্জীমূলক, পুৰাতত্বপূৰ্ণ কত ঘটনা আৰু স্মৃতি-চিন গোৱালপাৰা জিলাত সিঁচৰতি হৈ আছে, তাৰ বতৰা লয় কোনে ? যোগীঘোপা, ভৈৰবচূড়া, পঞ্চৰত্ন, শ্ৰীসূৰ্য্য, টুক্ৰেশ্বৰী, নন্দেশ্বৰ, চান্দৰ ডিঙা পাহাৰ, ৰামৰজাৰ গড়, লালমাটিৰ ওচৰত থকা গণেশৰ থান, ডেগধুৱা পাহাৰ, ৰাঙ্কসিনী পাহাৰ, ডাকাইদলৰ দৰগা, পাঁচপীৰৰ দৰগা, ছাতাগুৰিৰ মছজিদ, মাটীয়াবাগ, ছত্ৰশাল, ধুবুৰী, কোদালধৱা, মৰনৈৰ পদ্মপুখুৰী, হাবড়া ঘাটৰ হাজী গাজীৰ তালাৱ, চিদলি বিলৰ কাষত থকা গড়, বুঢ়া-বুঢ়ীৰ থান, ৺মহামায়াৰ থান, ভুধনাথৰ পাহাৰ, সোণকোষ নৈ, ডুমুৰীয়া, বিজনী, পাগলাটেক, ভূমেশ্বৰ পাহাৰ, নাককাটী পাহাৰ, ভাউৰীয়াকাটা পাহাৰ, ভুধনৈৰ কাহিনী, ৰামুণ-কুৰা ইত্যাদিৰ কত ঘটনাই সাহিত্যৰ সম্বল লৈ আমাক মাতিছে, সেইবোৰলৈ আজিলৈকে আমি হেলা কৰি আহিছোঁ। সাহিত্যিকৰ অভাৱত জিলাৰ লুপ্ত গৌৰৱ প্ৰচাৰ হব পৰা নাই। নাজানোঁ, কেতিয়া আমাৰ জাগৰণ হব ! ৺প্ৰসন্ন কুমাৰ ঘোষ বিএ, ডাঙৰীয়াৰ জীৱনীৰপৰা জানিব পাৰি যে উজনি অসমৰ ৰায়বাহাদুৰ ৺জগন্নাথ বৰুৱা, মধ্য অসমৰ ৺মাণিক চন্দ্ৰ বৰুৱা আৰু নামনি অসমৰ ৺প্ৰসন্ন কুমাৰ ঘোষ বি, এল, ডাঙৰীয়াই সমসাময়িকভাবে অসমীয়া ভাষাৰ কাৰণে যুঁজি আহিছিল। এই জিলাত অসমীয়া ভাষা প্ৰচলন কৰিবৰ কাৰণে গোৱালপাৰাৰ স্বৰ্গীয় প্ৰসন্ন কুমাৰ ঘোষদেৱে যি অহোপুৰুষাৰ্থ কৰিছিল তাৰ বাবে আমি তেওঁৰ ওচৰত চিৰধৰুৱা। ইয়াৰ লগতে দলগোমা সত্ৰাধিকাৰ ৺গজেন্দ্ৰ নাৰায়ণ অধিকাৰীদেৱৰ নাম মনত ৰাখিবলগীয়া। তেওঁ এজন অসমীয়া ভাষাৰ পৃষ্ঠপোষক আছিল। গাৱেঁ-ভূএঞে অসমীয়া ভাষা চলাবৰ কাৰণে আন্দোলন কৰি ফুৰিছিল। তেতিয়া অসমীয়া আলোচনীবিলাকত উক্ত বিষয়ে লিখালিখি কৰিছিল। দলগোমা সত্ৰৰ ৺অমৃত ভূষণ অধিকাৰীদেৱৰ নাম বিশেষ উল্লেখযোগ্য। তেওঁৰ সম্পাদিত শ্ৰীশ্ৰীমন্নামঘোষা গোৱালপাৰা জিলাৰ পুৰণি আৰু বিশেষ উল্লেখযোগ্য গ্ৰন্থ। ওপৰত উল্লেকিওৱা তিনিওজনা দেশপ্ৰেমিক আৰু মাতৃভাষা-সেৱকে গোৱালপাৰা জিলাত অসমীয়া ভাষা চলাবৰ কাৰণে সদৌ অসমীয়া ৰাইজৰ ওচৰত গোহাৰি জনাই আছিল। সুযোগ অনুসৰি অঃ ভাঃ উঃ সাঃ সভাত যোগ দি অন্তৰৰ প্ৰগাঢ় অনুৰাগ উবুৰিয়াই দিছিল। অসমীয়া ৰাইজেও গোৱালপাৰাক অসম জননীৰ বুকুৰ মাজত ৰাখিবৰ কাৰণে তিনিবাৰ অসম সাহিত্য সভাৰ অধিবেশন গোৱালপাৰা জিলাত পাতে। গোৱালপাৰা যাতে অসমৰ লগত থাকে তাৰ বাবে সেই সম্মিলনবিলাকত আন্দোলন কৰি গৱৰ্ণমেণ্টৰ ওচৰলৈ



প্ৰস্তাৱ পঠায়। ঠায়ে ঠায়ে স্বীকৃত সভা, শাখা সাহিত্য সভা পাতি দি আমালোকৰ প্ৰতি তেওঁলোকৰ সুৱদি অভিনন্দন জনায়। ৺অমৃত ভূষণ অধিকাৰী আৰু জমিদাৰ ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ডাঙৰীয়াক অসম সাহিত্য সভাৰ সভাপতি পাতি সদৌ অসমীয়া ৰাইজে গোৱালপৰীয়াক মৰমৰ নিছিগা ডোলেৰে বান্ধিলে। বৰ্ত্তমানে এই জিলাত সকলো সম্প্ৰদায়ৰেপৰা দুই চাৰিজন লিখক ওলোৱাৰপৰা আমাৰ অন্তৰত ভৱিষ্যৎ আশাৰ পোহৰ বিৰিঙিছে। এইভাবে জাগৰণ হলে আমি অসমৰ আন অংশৰ দৰে দোপত দোপে আগবাঢ়িব পাৰিম—এই কথা সুনিশ্চিত। আমাৰ ভিতৰতে আমাক হাতত ধৰি লৈ যাওঁতা কোনো নাই, এয়ে আমাৰ দুখৰ বিষয়। নতুন সাহিত্যিকসকলক আগবঢ়াই লৈ যাবলৈ এই জিলাৰ পুৰণি সাহিত্যিক কোনো নাই। নানা অসুবিধাৰ মাজেদি আমাৰ অভিযান চলিছে। ইয়াতেই আমাৰ শক্তিৰ পৰিচয় পোৱা যায়। এই জিলাৰ ছাত্ৰ আৰু উঠি অহা লিখকসকলৰ সহযোগিতাত এখন সাহিত্য সভা গঠিত হলে আমাৰ অসুবিধা দূৰ কৰাৰ কাৰণে কিছু সুযোগ হলহেঁতেন। এই জিলাত অসমীয়া কোনো বুক পাবলিছিং এছোছিয়েছন নাই। অইন জিলাৰ মানুহৰপৰা এই সুযোগ পোৱা নাযায়। বিদ্যোৎসাহী ধনী কোনো নাই যি দান দি দুখীয়া লিখকসকলক সহায় কৰে। এতিয়া ভাবি চাওক আমাৰ গতি কিমান বিপদজনক আৰু মৰসাহযুক্ত।

আজিলৈকে আমাৰ জিলাত যিমানবিলাক লিখকে কিতাপ ছপা কৰি উলিয়াইছে তেওঁলোকে প্ৰত্যেকে লোকচান ভৰি আহিছে। যি নহওক দেশৰ হকে তেওঁলোকৰ চেষ্টা শলাগিবলগীয়া। আজিলৈকে যিমানবিলাক গ্ৰন্থকাৰে আমাৰ মুখ অসমীয়া ৰাইজৰ আগত উজ্জ্বল কৰি তুলিছে তেওঁলোকৰ গ্ৰন্থৰ চমু আভাস দি মোৰ ক্ষুদ্ৰ প্ৰবন্ধৰ সামৰণি মাৰিব খুজিছোঁ। সুযোগ পালে এই প্ৰবন্ধ বহল কৰিবৰ ইচ্ছা বল। কোনোবাই এই কাৰ্য্যত সহায় কৰিলে কৃতজ্ঞ হম।

**গ্ৰন্থবিলাক আৰু গ্ৰন্থকাৰসকলৰ নাম ঃ—**

(১) শ্ৰীশ্ৰীমন্নামঘোষা ( ৪৮২ শঙ্কৰাব্দ )—অনুবাদক —৺অমৃতভূষণ অধিকাৰী ( দলগোমা সত্ৰ )।

(২) কমল কলি ( ১৯২৬ ), (৩) আবেগ (১৯২৯), (৪) চকুলো (১৯২৯)—ৰচক শ্ৰীযুত সীতানাথ ব্ৰহ্মচৌধুৰী ( দতমা )।

(৫) ৰবিক্ষন ক্ৰুছ' ( ১৯১৮ ) অনুবাদক—শ্ৰীযুত গিৰীন্দ্ৰ চন্দ্ৰ নাথ ( গোৱালপাৰা টাউন ) আৰু শ্ৰীযুত বেণুধৰ শৰ্ম্মা।

(৬) দোহাবলী ( ১৯২৮ ), (৭) তত্বকথা ( ১৯৫১ ) (৮) কৃষ্ণকুমাৰী—লিখক ৺প্ৰভাতচন্দ্ৰ অধিকাৰী ( দলগোমা সত্ৰ )।

(৯) কবিতা কুঁহি ( ১৯২৯ )—ৰচক শ্ৰীশশীভূষণ বৰ্ম্মা ফৌজদাৰ ( কাকেজানা )।

(১০) চাণক্য শ্লোক (১৯২৯)—অনুবাদক ৺কেশৱচন্দ্ৰ চৌধুৰী ( গোৱালপাৰা টাউন )।

(১১) ৰাসকেলি ( ১৯৩৮ ), (১১) উদ্ধৱ সংবাদ, (১৩) কানীয়ানীৰ সতীধৰ্ম্ম—ৰচক শ্ৰীযুত হৰকিশোৰ ভক্তিবিনোদ ( উপৰ তোলা )।

(১৪) সুভাষিত চন্দ্ৰিকা—সংগ্ৰাহক আৰু অনুবাদক শ্ৰীযুত কেশৱচন্দ্ৰ শৰ্ম্মা ( বাকাইটাৰী )।

(১৫) মন্দাকিনী ( ১৯৩৭ )—লিখক শ্ৰীযুত দেবেন্দ্ৰ চন্দ্ৰ গয়াৰী ( শেৰফানগুৰি )।

(১৬) অশ্ৰু পূজা ( ১৯৩৭ )—লিখক শ্ৰীযুত ব্ৰজেন্দ্ৰ ইশ্বাৰী ( থাৰগাওঁ, কোকৰাঝাৰ )।

(১৭) আকিঞ্চন ( ১৯৪৪ ), (১৮) বিষাদ (১৯৩৪) —লিখক শ্ৰীমহেন্দ্ৰ চন্দ্ৰ বসুমাতাৰী ( বাসুগাওঁ )।

(১৯) শঙ্কৰদেৱৰ জীৱনী, (২০) আখৰ-মালা—৺পদ্মলোচন ডিহিদাৰ ( বইটামাৰী ।

(২১) টলষ্টয়ৰ সাধু (১৯৩৯)—শ্ৰীসুৰেন্দ্ৰ মোহন দাস এম, এ ( অভয়াপুৰী ) ।

(২২) সমাজ বিকাশ—লিখক শ্ৰীহাকিমচন্দ্ৰ ৰাভা বি, এ। ( দুধনৈ ) ।

(২৩) আদৰ্শ জীৱনী—লিখক শ্ৰীধ্বজেন্দ্ৰ নাৰায়ণ দাস। ( দলগোমা ) ।

(২৪) মালতী গাভৰু—লিখক শ্ৰীদেবেন্দ্ৰচন্দ্ৰ দাস। ( ধলাগাওঁ ) ।

(২৫) গৃহস্থৰ সদাচাৰ—লিখক শ্ৰীখগেন্দ্ৰচন্দ্ৰ ৰায়। ( শিঙিমাৰী ) ।

(২৬) অৰ্পণ ( ১৯৩০ ), (২৭) লহৰ ( ১৯৫২, ) (১৮) আহুতি—লিখক এম, মফিজুদ্দিন আহমদ ( অভয়াপুৰী )।

• গোৱালপাৰা জিলা পুৰণি কামৰূপৰ অংশবিশেষ। কোচবিহাৰ আৰু এই জিলাত ভালেমান প্ৰাচীন অসমীয়া পুথিৰ সন্ধেদ পোৱা গৈছে। এই প্ৰবন্ধত সেইবোৰৰ উল্লেখ নাই যদিও আৰু ভালেমান অসমীয়া ভাৰাসেৱী লেখকৰ নাম বাদ পৰি গৈছে যদিও লেখকৰ চেষ্টা প্ৰাৰম্ভিক আৰু উৎসাহযোগ্য হোৱাৰ কাৰণে এই প্ৰবন্ধ প্ৰকাশ কৰা হল। লিখকে আশা কৰাৰ দৰে ভবিষ্যতে এইফালে সুধীসকলৰ অধিক দৃষ্টি আকৃষ্ট হব বুলি আমিও আশা কৰিলো।—সম্পাদক, পত্ৰিকা।

---

# এটি লোক-গীতি : অপেস্বৰীৰ নাম

**শ্ৰীযুত হেমন্তকুমাৰ শৰ্ম্মা**

লোক-উৎসৱৰ দৰে লোক-গীতিৰো লীলাভূমি এই অসমদেশ। এই দেশৰ বিহু-গীত, গৰখীয়া-গীত, টোকাৰী-গীত, বিয়া-নাম, আই-নাম, জগন্নাথৰ নামকে আদি কৰি বিবিধ লোক-গীতি অতীজৰে-পৰা জনসাধাৰণৰ মাজৰ চলি আহিছে আৰু যুগে যুগে তাৰ ৰূপৰ সলনি ঘটি আজিৰ এই অৱস্থা পাইছে। লোক-গীতিবোৰ হ'ল জনসাধাৰণৰ গীত। তাৰ ৰচকসকল কোনো পণ্ডিত নাইবা বিশেষজ্ঞ লোক নহয়। জনসাধাৰণৰ মাজৰেই কবিত্বসুলভ প্ৰতিভা থকা আৰু প্ৰতিভাক ৰূপ দিব পৰা আবেগপ্ৰৱণ মানুহেই হ'ল এই গীতবোৰৰ ৰচক। সেই কাৰণে এই গীতবোৰত ভাবৰ গাম্ভীৰ্য্য, বুদ্ধিৰ প্ৰাখৰ্য্য নাইবা দাৰ্শনিক তথ্যৰ সমাবেশ নাই—আছে কেৱল সহজ সৰল প্ৰাণত প্ৰকৃতিৰ প্ৰভাৱত বিবিধ ছন্দ আৰু সুৰত উঠা আনন্দ আৰু অভিজ্ঞতাৰ স্বতঃস্ফূৰ্ত্ত মূৰ্ত্ত-প্ৰকাশ। এই গীতবোৰৰ ভিতৰত গৰখীয়া-গীত, নাওবোৱা গীত, টোকাৰী-গীত আদি পুৰুষৰ দ্বাৰা আৰু আই-নাম, ধাই-নাম, বিয়া-নাম, ভেকুলী-গীত আদি তিৰোতাৰ দ্বাৰা ৰচিত আৰু গোৱা হয়। আকৌ বিহু-গীত মতা-মাইকী উভয়ৰ দ্বাৰা ৰচিত, আৰু উভয়ে গায়। উদ্দেশ্যৰ ফালৰপৰাও এই গীত-বোৰক কেবাভাগত ভগাব পাৰি : ব্যৱহাৰিক গীত (Functional Song), আনুষ্ঠানিক গীত ( Ritual or Calendaric Song ), আৰু কৰ্ম্মসঙ্গীত ( Work-Song )। ব্যৱহাৰিক গীত বিবিধ লোক অনুষ্ঠানত গোৱা হয়। যেনে :— পানীতোলা গীত, জোৰণ পিন্ধোৱা নাম, বিয়া-গীত, বাবনাহী গীত, ইত্যাদি। ইয়াৰ ভিতৰত বিয়াৰ নামকে শ্ৰেষ্ঠ বুলি কব পাৰি। আনুষ্ঠানিক গীতসমূহ বছৰৰ ভিতৰত হোৱা বেলেগ বেলেগ উৎসৱ, পৰ্ব্ব নাইবা ধৰ্ম্ম-অনুষ্ঠান আদিত গোৱা হয়। এই শ্ৰেণীত হুঁচৰি-গীত, লক্ষ্মীৰ গীত, শিৱৰ গীত, জন্মাষ্টমীৰ নাম আদি পৰে। এই শ্ৰেণীৰ ভিতৰত বিহু-গীতকে প্ৰধান বুলিব পাৰি। ইয়াৰ বাহিৰেও শ্ৰম লাঘৱ কৰিবলৈ নাওখেলৰ গীত, গৰখীয়া গীত, যতৰৰ গীত আদি যিবোৰ গীত গোৱা হয় তাক কৰ্ম্ম-সঙ্গীতৰ শাৰীত ধৰিব পাৰি। ইয়াৰ বাহিৰেও আই-নাম, সুবচনীৰ নাম, জগন্নাথৰ নাম আদি আৰু কিছুমান গীত আছে—যিবোৰ গোৱা হয় প্ৰধানকৈ নিজৰ আৰু দহৰ মঙ্গলৰ কাৰণে। এই গীতবোৰৰপৰাও আনন্দ লভা যায় যদিও গীতবোৰ ৰচা আৰু গোৱাৰ মূলতেই হ'ল মঙ্গল চিন্তা। সেই কাৰণে এইবোৰ গীতক মাঙ্গলিক গীতৰ ( Welfare-Song ) শাৰীত লব পাৰি। অসমৰ ভিন্ ভিন্ ঠাইত ভিন্ ভিন্ মাঙ্গলিক গীতৰ প্ৰচলন আছে। এই প্ৰবন্ধত কামৰূপ অঞ্চলত প্ৰচলিত এটি মাঙ্গলিক গীত "অপেস্বৰীৰ নাম" সম্পৰ্কে আলোচনা কৰা হ'ল।

এই গীতবোৰৰপৰা জনসাধাৰণৰ বিশ্বাস আৰু সংস্কাৰৰ কথা বহুপৰিমাণে জানিব পাৰি। আধুনিক সভ্যতাৰ প্ৰভাৱত মানুহৰ মন পুৰণি-কলীয়া বিশ্বাস আৰু সংস্কাৰৰপৰা লাহে লাহে আঁতৰি আহিছে যদিও এতিয়াও এনে কিছুমান লোক আছে, যিসকলৰ দৃঢ় বিশ্বাস যে, প্ৰত্যেক বেমাৰৰে একোজনীকৈ অধিষ্ঠাত্ৰী দেৱী থাকে, আৰু যদি কোনো দেৱীয়ে নৰ-সমাজলৈ কোপ কৰে নাইবা 'মনিচ' জাতিলৈ কুটিল দৃষ্টিৰে চায় তেতিয়া মানুহ জাতিৰ সৰ্ব্বনাশ হয়। তেতিয়া, হয় দেৱীয়ে ভীষণ মূৰ্ত্তি ধৰি, নহয় তেওঁৰ শিষ্য-শিষ্যা নাই বা ভূত-প্ৰেত, ডাইনী-যখিনী আদিক লগাই দি মানুহৰ গালৈ 'ৰোগৰ বাণ' মাৰে। হাইজা, বসন্ত আদি বেমাৰ এই অপদেৱতাবোৰ দ্বাৰা হয় বুলি ধাৰণা কৰা মানুহ এতিয়াও আমাৰ মাজত আছে। সেই গতিকেহে গাৱঁত হাইজা হলে মানুহে হাইজা বা 'মৰওৰ দেও-ভূত' খেদিবৰ কাৰণে দিনে-ৰাতি নাম-প্ৰসঙ্গ কৰে। ঘৰত বসন্ত ওলালে মানুহে বসন্ত বেমাৰৰ অধিষ্ঠাত্ৰী দেৱী ভগৱতী বা শীতলা মাইক সন্তুষ্ট কৰিবলৈ আই-নাম ধৰে। পিচে বেমাৰ আৰোগ্য হোৱাৰ কাৰণ নাম-প্ৰসঙ্গেই হওক নাইবা অইনে হওক, এই কথা কিন্তু স্বীকাৰ কৰিব লাগিব যে প্ৰলয় আৰু আতঙ্ক সৃষ্টিকাৰী মহামাৰীৰ সময়ত নাম-প্ৰসঙ্গ কৰি গাওঁবাসীসকলে যথেষ্ট মনোবল লাভ কৰে। বিশ্বাসেই আদি মূল। নাম-প্ৰসঙ্গৰ ফলত বেমাৰৰ দেও-ভূত আঁতৰ হয় বুলি বিশ্বাস ৰখা কাৰণেই বিপদৰ সময়তো গাওঁবাসীয়ে নিজক ভয়ৰপৰা বহুপৰিমাণে আঁতৰত ৰাখিব পাৰে।

বসন্ত, জহনী আদি মহামাৰীৰ দৰে একাঙ্গী, "উপ ৰেলীৰ লেঠা" আদি বেমাৰবো কেইজনীমান অধিষ্ঠাত্ৰী দেৱী থকা বুলি সৰল গাওঁবাসী কিছুমানৰ এতিয়াও বিশ্বাস আছে। "উপ ৰেলীৰ লেঠা" লাগিল বুলি কলে তেওঁলোকে বুজে যে কোনো ল'ৰা-ছোৱালীক দেও-ভূতে কুমন্ত্ৰ কৰিলে অৰ্থাৎ বেমাৰৰ বাণ মাৰিলে; সহজ কথাত, ল'ৰা বা ছোৱালীৰ গাত কোনো অপদেৱতাই কিবা বেমাৰ জাপি দিলে। সাধাৰণতে সৰু ল'ৰা-ছোৱালীয়ে অনবৰত ওপৰলৈ চাই হাত-ভৰি জোকাৰি হঁহা-কন্দা কৰিলে নাইবা চকু-মুখ বেঁকা কৰি মুখ পাগুলিয়াই থাকিলে 'উপৰেলীৰ লেঠা' লাগিল বুলি কিছুমান মানুহে ( বিশেষকৈ তিৰোতাই ) ধৰি লয়। এই বেমাৰৰ

অধিষ্ঠাত্ৰী দেৱী হ'ল অপেস্বৰীসকল। উপ্‌ৰেলীৰ লেঠাত নাম গাই নাইবা পূজা-পাতল দি অপেস্বৰীসকলক সন্তুষ্ট কৰিব পাৰিলে তেওঁলোকে কৃপা কৰি নিচেই কম দিনৰ ভিতৰতে বেমাৰ আৰোগ্য কৰাই দিব পাৰে। সেয়ে ঘৰৰ কাৰোবাক এই লেঠাই পালে ঘৰৰ মূল তিৰোতাজনীয়ে পোনেই আহি অপেস্বৰীৰ নাম সংকল্প কৰে। অৱশ্যে সংকল্প কৰাৰ লগে লগেই যে নাম ধৰিব লাগে তাৰ কোনো অৰ্থ নাই। যি কোনো সময়তে সংকল্প নকৰক লাগে, নাম সাধাৰণতে ধৰা হয় খৰালি মাহতহে আৰু তিৰোতা মানুহেহে এই নাম ধৰে।

এই অপেস্বৰীসকল আমাৰ অপৰিচিতা নহয়। আমি পুৰাণ-ভাগৱত আদিত পোৱা উৰ্ব্বশী-মেনকা আদি অপ্সৰাসকলহে। গাওঁ-বাসীৰ মনত এওঁলোক কেৱল নৃত্য-পটীয়সীয়ে নহয়, কিছুমান বেমাৰৰ গৰাকিনীও।

**নামৰ যোগাৰ** :—আইৰ নাম, সুবচনীৰ নাম আদিৰ নিচিনাকৈ এই নামতো বিশেষভাৱে পূজাৰ যোগাৰ কৰা হয়। নাম ধৰা হয় চোতালত। নামৰ কাৰণে চোতালত মণ্ডল সজা কথা আৰু অন্যান্য বয়-বস্তুৰ যোগাৰ কৰা কাৰ্য্য মন কৰিবলগীয়া। নামৰ দিনাখন পুৱাই গৃহস্থই চোতালখন সৰা-মচা কৰাৰ পিচত নামৰ পাঠকে ফাকু আৰু চাউলৰ গুৰিৰে পূবমুৱাকৈ চোতালত তিনিটা এক-কেন্দ্ৰিক বৃত্ত আঁকে। ইয়াক মণ্ডল বোলে। মণ্ডলখন ইমান ডাঙৰকৈ আঁকিব লগা হয় যে ই চোতালখনৰ প্ৰায় এটা অংশ আগুৰে। মণ্ডলখনৰ ভিতৰতে পূজাৰ আটাইখিনি সম্ভাৰ ৰখা হয়। ছাঁ কৰাৰ উদ্দেশ্যে মণ্ডলখনৰ পূবফালে এটা খুটি পুতি জাপি এটা আঁৰি থোৱা হয়। মণ্ডলখনৰ দক্ষিণফালে ভিতৰ কাষেদি চাউলৰ গুৰিৰে এটা পুখুৰী সজায়। পুখুৰীটোৰ চাৰিও ফালে আঁখে আৰু মাজত খীৰ দিয়া হয়। এই পুখুৰীটোক 'তুন্দৰ পুখুৰী' বোলে। মণ্ডলৰ পূব মূৰে এখন পীৰাৰ ওপৰত নতুন ধকধকীয়া বগা কাপোৰ পাৰি এখন আসন সজোৱা হয়। আসন-খনত এই কেইপদ বস্তু ৰাখে :—আৰ্চি-ফণি এযোৰ, ঘুনুচা এলেচা, আঠোটা তামোল, এমুঠা পাণ, এপুৰীয়া সিন্দুৰ, গোন্ধতেলৰ বটল এটা, সিন্দুৰ লগোৱা কল একাঘি, আৰু নগদ কপ এটকা। এই আসনখনৰ কাষতে ডাঙৰ বটা এখনত চাউল, মগুমাহৰ দাইল, কুঁহিয়াৰ, কল আদিৰে মূল ঠগীখন দিয়া থাকে। ঠগীখনৰ কাষতে দোনা এটাত দৈ, এৰাঁ গাখীৰ, ঘিউ, মৌ আৰু চেনিৰে এটি মধুপৰ্ক সাজি দিয়া হয়। ইয়াৰ উপৰি বটাখনত দুয়োকাষে দুটা দোনাত চাউল, দাইল আৰু অন্যান্য উপকৰণো দিয়া হয়। আসনখনৰ একাষত তেৰখন আগলতি পাত পাৰি প্ৰত্যেকখন পাততে ন ভাগকৈ আঢ়ৈ চাউল, একোটাকৈ পইচা, নটাকৈ বগা ফুল, একোটাকৈ সিন্দুৰৰ ফোঁট, একোটাকৈ এৰাঁ লাক, একোখনকৈ তামোল-পাণ, আৰু ইয়াৰ লগতে কুঁহিয়াৰ, কমলা টেঙা, নাৰিকল, মধুপৰ্ক আদি দিয়া হয়। প্ৰত্যেকখন পাততে একোটাকৈ কলৰ দোনাৰ থোলা কৰি তাত আঁখে, মাহ-কৰাই আদি দিয়া হয়। আসন আৰু পুখুৰীটোৰ মাজত এটা আগ-গুৰি কটা নাৰিকল ৰাখে।

আসনৰ উত্তৰ ফালে মান-কচুৰ পাত এটা পাৰি তাতে তিনজনী নাইবা পাঁচজনী অপেস্বৰীৰ নামত ভজনি এটা দিয়া হয়। ভজনিটোত এই কেইবিধ বস্তু থাকে :—কেইপোহামান চাউল, এটোপোলা দাইল, এটোপোলা লোণ, কেইটি-মান আলুগুটি আৰু কিছুমান সক বেঙেনা।



ভজনিৰ কাষতে কুমাৰৰ চক এটিত আঁখে, জিলাপি, সন্দেশ আদি দিয়া হয়। ইয়াৰ পিচতে তিনি বা পাঁচজনী কুমাৰী ছোৱালীক কল্পনা কৰি অপেস্বৰীৰূপে সজোৱা হয়। প্ৰত্যেকজনী অপেস্বৰীৰ কাৰণে একোটাকৈ দোনাত এই কেই-পদ বস্তু থোৱা হয় :—এযোৰ আৰ্চি-ফণি, এলেচা, ঘুনুচা, দুটা পকা কল, চাৰিটা এৰাঁ লাক, অলপ আঁখে, নাইবা মাহ-কৰাই, দুযোৰ তামোল-পাণ আৰু এক অনাকৈ পইচা। ইয়াৰ উপৰি অন্যান্য উপকৰণো দিব পাৰি। এই দোনাকেইটাৰ কাষতে সহস্ৰবাতিৰ ডলা এখনত চাকি-ধূপ আৰু চোঁৱৰ থোৱা হয়।

আসনখনৰ পূবফালে ৰঙা কাপোৰ মেৰোৱা আৰু সিন্দুৰৰ ফোঁট দিয়া জলপূৰ্ণ ঘট এটি ৰখা হয়। ঘটটোত পাতে সৈতে আমৰ ঠানি এটা আৰু পঞ্চৰত্ন বুলি পাঁচোটা পইচা থোৱা হয়। এই ঘটটোতে পূজা হয়। ঘটটোৰ কাষত দুণি এটাত এদুণি আঢ়ৈ চাউল আৰু দুটা পইচা ৰাখে। ইয়াৰ বাহিৰেও পিঠাগুৰিৰে এভাগ কেঁচাভোগ দিব লাগে। কেঁচাভোগ এৰাঁ গাখীৰ, দৈ, ঘিউ, মৌ, চিনি আৰু কল সানি তৈয়াৰ কৰে। মাটিৰ বাচনতে সাধাৰণতে কেচাভোগ দিয়া হয়।

এই নামখন ফুল আৰু উপকৰণেৰে জাক-জমক হব লাগে। নামতীসকলৰ বিশ্বাস যে তেতিয়া হলে অপেস্বৰীৰ সোনকালেই নামলৈ চকুত পৰিব আৰু ততালিকে আহি বেমাৰী আৰু গৃহস্থৰ মঙ্গল কৰি যাব। সেই কাৰণেহে এই পূজাখনত ফুলৰ পয়োভৰ বৰ বেছি।

নামৰ ইমানখিনি যোগাৰ হোৱাৰ পিচত অপেস্বৰীসকলক পূজাৰ থলীলৈ আদৰি অনা হয়। আদৰি অনা কথাটোও মন কৰিবলগীয়া। নামৰ পাঠকে যি কেইজনী ছোৱালীক অপেস্বৰী হিচাবে আনিব, সেই কেইজনী ছোৱালীক ঘৰৰ মূল তিৰোতা। গৰাকীয়ে নাইবা নাম সংকল্প কৰাজনীয়ে দুৱাৰ-মুখতে ভৰি ধুৱাই চোঁৱৰেৰে আদৰি আনিব। তাৰ পিচতে ছোৱালী কেজনীক আৰু ছোৱালী বোলা নহয়— অপেস্বৰীহে বোলা হয়। এই অপেস্বৰী কেইজনীক বগা কাপোৰ পিন্ধাই মূৰত গোন্ধ-তেল আৰু ভৰিত আলতা দি আগতে বগা কাপোৰ পাৰি থোৱা নিৰ্দ্দিষ্ট আসনত বহিবলৈ দিয়া হয়। চোতালত বৰ ৰ'দ হলে অপেস্বৰীসকলক ৰ'দৰ তাপৰপৰা ৰক্ষা কৰিবলৈ ছাঁৰ ব্যৱস্থা কৰে।

ইয়াৰ পাছত ধূপ-ধূনা দি আৰু চাকি জ্বলাই পাঠক পূজাত বহে। ফুল, তুলসী, বেলপাত, দুৰ্ব্বা, তিল, শিলিখা, আৰৈ চাউল আদিৰে অপেস্বৰীসকলত বাহিৰেও আদিত্য গ্ৰহ আৰু পঞ্চদেৱতাৰ পূজা কৰা হয়। এই পূজা দিনৰ দহমান বজাৰপৰা আবেলি চাৰিমান বজালৈকে চলে। পূজাৰ শেষত নাম ধৰে। নাম ধৰাৰ সময়ত গৃহস্থই এযোৰ বগা পাৰ দিয়ে। নামত শেষত পাঠকে পাৰযোৰ নিজে নিনি উৰুৱাই দিয়ে। পাৰযোৰ য'লৈ ইচ্ছা ত'লৈ যায়। নামৰ শেষত পাঠকে আসনৰ কাপোৰ, ঠগী কেখন, ঘটটো আৰু তাত থকা পইচাখিনি লয়। মূল ঠগীখন গৃহস্থই নিয়ে। নামতী-সকলৰ কাৰণে যিখন ঠগী সজোৱা হয় সেইখনেই হ'ল ডাঙৰ ঠগী। এই ঠগী আৰু কেঁচাভোগ নামতীসকলে ভগাই লয়। বাকীবোৰ বস্তু পাঠকে নিয়ে।

নামৰ পাঠক বুলিলে সাধাৰণতে মতা মানুহক বুজায় যদিও ইয়াত মাইকী মানুহকহে বুজোৱা

হৈছে। নামতীসকলে গীত-পদ দিয়তী নীক পাঠক বোলে কাৰণেহে ইয়াতো পাঠক বোলা হৈছে।

অপেস্বৰীৰ নামত অসংখ্য গীত গোৱা হয়। গীতবোৰত এটা মন কৰিবলগীয়া কথা এই যে, তাৰ পদবোৰ বৰ চুটি চুটি, আৰু প্ৰতিটো পদ ভিন্ ভিন্ ঘোষাৰে ভিন্ ভিন্ সুৰত গোৱা হয় কাৰণে শুনিবলৈ বৰ ভাল লগা হয়,—আমনি নালাগে। দ্বিতীয়তে, এই গীতবোৰৰ কিছুমান আকৌ অপেস্বৰীৰ নামত বাহিৰেও 'সুবচনীৰ নাম', 'আই-নাম' আদিতো গোৱা হয়। "বিদায় দিয়া অপেস্বৰী ঘৰাঘৰি যাওঁ—এই পদশাৰীকে সুবচনীৰ নামত নামতীসকলে গাব—"বিদায় দিয়া সুবচনী ঘৰাঘৰি যাওঁ।" এই নিচিনা উদাহৰণ অলেখ আছে। পদবোৰৰ তৃতীয় মন কৰিবলগীয়া কথা হ'ল—বিষয়-বস্তু। যদিও "অপেস্বৰী"ৰ নাম লৈ গীতবোৰ গোৱা হয়, তথাপি তাৰ বিষয়-বস্তু গঢ়ি উঠিছে—দুৰ্গাদেৱীৰ গুণ-গৰিমা আৰু মাহাত্ম্যক কেন্দ্ৰ কৰিহে। উদাহৰণ স্বৰূপে কেইটিমান গীত উল্লেখ কৰা হ'ল :—

১ম ঘোষা :—

এ আই অপেস্বৰী এ, মণ্ডপে নামিলা।
সুবৰ্ণৰ পঞ্চঘটে পূজা আৰম্ভিলা,
—আই অপেস্বৰী এ॥

পদ : — দুৰ্গা দুৰ্গা বুলি যিটো স্মৰে একোবাৰ।
সহস্ৰ আপদে তাক কি কৰিব পাৰে॥
দুৰ্গা নামে নৌকাখানি হৃদয়ত চৰে।
আপদ কুম্ভীৰ ভয়ে সমুদ্ৰতে তৰে॥

২য় ঘোষা :—

অ' মাই তাৰিয়ো তাৰা।
গলে জলেমলে কালীনাগৰ মালা॥

পদ :— আসনত বহি আয়ে চউপাশে চায়।
অসুৰৰ সেনাসবে বিভঙ্গে পলায়॥
আসনৰ চউপাশে ঘট শাৰী শাৰী।
ঘট-দুবা ৰস ঢালে কৈলাস ঈশ্বৰী॥
আসনত বহি আয়ে ফুলৰ লৰে লেখা।
গোপিনীয়ে স্তুতি কৰে আয়ে দিছে দেখা।

৩য় ঘোষা :—

অ' আই ভৱানী দুৰ্গে
যোগীয়ো চিন্তে আই তোমাৰ পদ বিন্দে।

পদ :— আসনত বহি আয়ে মেলি দিয়ে ভৰি।
চৰণত পৰি কান্দে বাগৰি বাগৰি॥
আসনৰ চৌপাশে চম্পা নাগেশ্বৰ।
মল মলি বা আছে গোসাঁনীসবাৰ।
আসনৰ চউপাশে চম্পা নাগেশ্বৰ।
পূজা নিদি আই মাতৃক লগাইছে জগৰ॥

"কিদিয়া পূজিম আই চৰণ তোমাৰ"—এই গীতটো 'অপেস্বৰীৰ নাম'ত বাহিৰেও আই-নাম, সুবচনীৰ নাম আদিতো গোৱা হয়। গীতটোৰ অৰ্থ বৰ মধুৰ আৰু অন্তৰস্পৰ্শী। পূজাৰিয়ে আৰাধ্যা গোসানীক পূজিবলৈ বহিছে ; কিন্তু পূজাৰ একো সমল বিচাৰি পোৱা নাই। কিয়নো ফুলৰ ৰস আগেয়ে ভোমোৰাই চুহি খায়, চাউল চৰাই আগেয়ে খায়, দাইল পোকে খায়, ফল বাদুলিয়ে খায়, আদা বৰ জ্বলা, তামোল বচে খায়, পাণ লেৰেলি খায়, ধূপ ছাই হৈ যায়, গাখীৰ দামুৰীয়ে খায়, আনকি নিজৰ মন আৰু শৰীৰটোও পাপেৰে পৰিপূৰ্ণ। এনে স্থলত পূজাৰিয়ে পূজাৰ উপযুক্ত সমল নাপাই দেৱীক "আপোনাৰ নামে আপুনি তুষ্ট" হবলৈ বিনীতভাৱে কাকুতি জনাইছে। "আই তুমি এই নামে সন্তোষ হোৱা, অপেস্বৰী সেৱাতে তুষ্ট হোৱা।"—এই ঘোষাফাঁকিত নামতীৰ অন্তৰৰ কাৰুণ্য কেনে গভীৰভাৱে প্ৰকাশ পাইছে! নামতীৰ যেন নামত বাহিৰে আৰু অইন একো বস্তু নাই, যিহেৰে দেৱীক সন্তুষ্ট কৰিব পাৰিব। এই নামেই যেন নামতীৰ



যথাসৰ্ব্বস্ব, তাত বাহিৰে আৰু একো নাই। ভক্তিভৰে সেই নামকে দেৱীৰ ওচৰত গাইছে।

অপেস্বৰীৰ নাম শেষ হোৱাৰ পিচত যেতিয়া গৃহস্থই আঠু লৈ সেৱা কৰে, তেতিয়া পাঠকে ভক্তিৰসত আপ্লুত হৈ গদ গদ হৈ যি কেইফাঁকি পদ গায় তাৰ মাজতো হৃদয়ৰ আকুলতা তীব্ৰ-ভাৱে প্ৰকাশ পাইছে। ভক্তই আৰাধ্যা দেৱীৰ ৰূপ পাব ( সাৰূপ্য মুক্তি ) নিবিচাৰে, নাইবা দেৱীত লীন হৈ যোৱাৰ ( সালোপ্য মুক্তি ) আকাঙ্ক্ষাও নকৰে ; যদি দেৱীয়ে কৃপা কৰে তেন্তে ভক্তই যেন তেওঁৰ চৰণৰ ধূলি, নাইবা ভৰিৰ নূপুৰ হৈহে থাকিব পাৰে।

"ধূলি হৈয়া আইৰ চৰণে লাগো।
নূপুৰ হৈয়া আইৰ পাৱত বান্ধো॥"

কিন্তু এইটো কবই লাগিব যে, এই নামৰ মূলতে হ'ল সকাম ভক্তি। আৰধ্যা দেৱীৰ পূজাৰ্চ্চনা কৰাৰ লগতে মনত একোটা বাসনা ৰখা হয়, যাক হয়তো আৰাধ্যা গোসানীয়ে পূৰণ কৰিব বুলিয়ে ভক্তই মনত গভীৰ আশা ৰাখে। নামতীয়ে গায় :—

'আঞ্চল পাতিয়া আইক ধৰ্ম্মদান মাগো।
ধূলি হইয়া আইৰ চৰণে লাগো॥
আঞ্চল পাতিয়া আইক স্বামীদান মাগো।
আঞ্চল পাতিয়া আইক ধন-জন, পুত্ৰ-কন্যা মাগো॥"

নাম এৰাৰ লগে লগে এই গীতটো গোৱা হয় :—

'আই দিয়া নিৰ্ম্মালি মাথা ভৰি লওঁ।
বিদায় দিয়া অপেস্বৰী সেৱা কৰি যাওঁ॥
তুলসীৰে পাত হৰি তুলসীৰে পাত।
নৰ মনিচে কিবা শুনে অপেস্বৰীৰ মাত॥
তুলসীৰে ফুল হৰি তুলসীৰে ফুল।
নৰ মনিচে কিবা জানে তোমাৰ পূজাৰ মোল॥
তুলসীৰে গুটি হৰি তুলসীৰে গুটি।
নৰ মনিচে কিবা জানে তোমাৰ সেৱা স্তুতি॥
তুলসীৰে গছ হৰি তুলসীৰে গছ।
বিদায় দিয়া অপেস্বৰী গোপিনী ধৰক পথ॥

এই গীতটোৰ পিচতেই হৰিধ্বনি কৰি নাম ভঙ্গ কৰা হয়।

আজি আমাৰ গাৱেঁ-ভূঞে প্ৰচলিত লোক-গীতবোৰৰ প্ৰতি মানুহৰ আদৰ কমি আহিছে। ফলত সেইবিলাকৰ চৰ্চ্চাৰ মাত্ৰাও লাহে লাহে কমি আহিব ধৰিছে। হয়তো এনে এটি দিন আহিব পাৰে, যিদিনা এই গীতবোৰ সমাজৰপৰা একে-বাৰেই নাইকিয়া হৈ যাব। সেই কাৰণে আজি এই জনজাগৰণৰ দিনত এই গীত-পদসমূহৰ আশু সংগ্ৰহ অতি প্ৰয়োজনীয় হৈ পৰিছে। কাৰণ, গীতবোৰৰ সাহিত্যিক মূল্য যিয়েই নাথাকক, জনসাহিত্যৰ পৰিপুষ্টি সাধনত যে ই বিশেষ সহায় কৰিব তাক নকলেও হব। সেইদৰে, লোক-উৎসৱসমূহেও যে দেশৰ কৃষ্টি আৰু ঐতিহ্যত ডাঙৰ বৰঙণি যোগাব, তাক বঢ়াই কোৱাৰ সকাম নাই।

সুখৰ কথা যে, আমাৰ গুৱাহাটী বিশ্ব-বিদ্যালয়ে এই গীত-পদবোৰৰ সংগ্ৰহ আৰু তাৰ বৈজ্ঞানিক পদ্ধতিৰে আলোচনা কৰাৰ চেষ্টা চলাইছে। ইতিমধ্যে এই বিষয়ে চৰ্চ্চা কৰি এজন সুযোগ্য লোকে কৃতিত্ব অৰ্জ্জন কৰিছে।

* ১৮।১১।৫৬ ইং তাৰিখে গুৱাহাটীৰ 'তৰুণ-লেখক সংঘ'ত পঠিত।

# অসমত বৌদ্ধধৰ্ম্ম

শ্ৰীযুত বিৰিঞ্চি কুমাৰ বৰুৱা

বৌদ্ধসকলৰ আদি যুগৰ সাহিত্যত অসমৰ বিষয়ে একো উল্লেখ নাই, নাইবা খৃষ্টীয় শতাব্দীৰ আগ ডোখৰত অসমত বৌদ্ধধৰ্ম্মৰ প্ৰভাৱ পৰাৰ অইন কোনো প্ৰমাণো পোৱা নাযায়। খৃষ্টীয় ষষ্ঠ শতাব্দীৰপৰা ক্ৰমান্বয়ে পিচৰ পিনে অসমত বৌদ্ধধৰ্ম্ম সবৰ্ বহী হৈ উঠে। সেই সময়ৰ মুদ্ৰা আদি, নাইবা ঐতিহাসিক বিবৰণসমূহলৈ লক্ষ্য কৰিলে এই কথাৰ সত্যতা ওলাই পৰে। চীন দেশৰ পৰ্য্যটক হিউৱেন চাঙৰ ভ্ৰমণ-বৃত্তান্তত কামৰূপৰ ব্ৰাহ্মণ এজনৰ উল্লেখ আছে। এওঁ লোকায়ত সম্প্ৰদায়ৰ মানুহ আছিল। ধৰ্ম্ম-সম্পৰ্কীয় বাদানুবাদৰ কাৰণে তেওঁ নলন্দালৈ আহিছিল। তাত তেওঁ বৌদ্ধ পণ্ডিতসকলৰ লগত তৰ্কত পৰাস্ত হয় আৰু শেষত চীনদেশীয় বৌদ্ধ তীৰ্থ পৰ্য্যটকৰ ওচৰত বৌদ্ধ ধৰ্ম্মৰ দীক্ষা লয়। এই ব্ৰাহ্মণজনৰ খাটনিতে হিউৱেন চাং অসমলৈ আহিছিল। হিউৱেন চাঙৰ অসম ভ্ৰমণে আৰু ভাস্কৰ বৰ্ম্মাই এই বিদ্বান পৰ্য্যটকজনক অসমত ৰাখিবলৈ আৰু তেওঁৰ সঙ্গ লাভৰ দ্বাৰা উপকৃত হবলৈ কৰা প্ৰবল আকাঙ্ক্ষাই অসমত বৌদ্ধধৰ্ম্মৰ প্ৰচাৰ কাৰ্য্যত কিছু সহায় নিশ্চয় কৰিছিল। এই সম্পৰ্কে কামৰূপ ভ্ৰমণ কৰিবলৈ অহাৰ আগতে নালন্দা বিশ্ববিদ্যালয়ৰ আচাৰ্য্য শিলাভদ্ৰই হিউৱেন চাঙক কোৱা কথাখিনি প্ৰণিধানযোগ্য। তেওঁ কৈছিল :—

"সেই ৰজাজনৰ ( ভাস্কৰ বৰ্ম্মা ) বিষয়ে কথা হৈছে যে, ধৰ্ম্ম সম্পৰ্কে তেওঁৰ মন বৰ বেয়াকৈ বান্ধ খাই আছে। এই বিষয়ত তেওঁ দুৰ্ব্বল। তেওঁৰ ৰাজ্যত বৌদ্ধধৰ্ম্মৰ বিশেষ প্ৰচাৰ হোৱা নাই। কিন্তু আপোনাৰ যশস্যামণ্ডিত নাম শুনাৰেপৰা তেওঁৰ আপোনাৰ প্ৰতি এক গভীৰ অনুৰাগ জন্মিছে। বোধ হয় এই সময়ত আপুনি তেওঁৰ পৰম বন্ধু হিচাবেই উপস্থিত হৈছেহি। এনে সময়ত আপুনি যথেষ্ট উৎসাহেৰে সৈতে কামত লাগক। আপুনি মানুহৰ ( পৃথিবীৰ ) উপকাৰৰ কাৰণেই বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰিছে আৰু এয়ে আপোনাৰ প্ৰকৃত সুযোগ। ( আৰু এটা কথা )। গছ এডাল নষ্ট কৰিব লাগিলে যেনেকৈ শিপাবোৰ কাটিলেই হয়, কাৰণ ঠাল-ঠেঙুলিবোৰ তেতিয়া আপোনা-আপুনি শুকাই যায়, সেইদৰে আপুনি সেই ৰাজ্যলৈ গৈ প্ৰথমে ৰজাৰ মনত ধৰ্ম্ম ( বৌদ্ধধৰ্ম্ম ) ভাবৰ উদ্ৰেক কৰক আৰু তেতিয়া প্ৰজাসকলে আপোনা আপুনিয়ে এই ধৰ্ম্ম গ্ৰহণ কৰিব। আৰু যদি আপুনি অস্বীকাৰ কৰে আৰু নাযায়, তেনেহলে তাৰপৰা অধৰ্ম্ম দূৰ নহয়। গতিকে, এই সহজ কথাৰপৰা পিচ হুঁহকিব নালাগে।"

ভাস্কৰবৰ্ম্মা সম্পৰ্কে চীনা পৰ্য্যটকে নিজেই কৈ গৈছে যে, যদিও বৌদ্ধধৰ্ম্ম গ্ৰহণৰ প্ৰতি ৰজাৰ মন মুঠেই ঢাল খোৱা নাছিল, তথাপি বিদ্বান বৌদ্ধ শ্ৰমণসকলক তেওঁ বৰকৈ সন্মান কৰিছিল। হৰ্ষবৰ্দ্ধনে পতা কনৌজৰ বৌদ্ধ মহামেলত কুমাৰ ভাস্কৰ বৰ্ম্মাই সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু



ইয়াৰপৰাই তেওঁৰ যে বৌদ্ধধৰ্ম্মৰ প্ৰতি গভীৰ শ্ৰদ্ধা আছিল তাক বুজিব পাৰি। চীনা গ্ৰন্থকাৰ হিউলিয়ে ( Hwui-li ) আকৌ কৈছে যে, প্ৰয়াগ মহামেলৰ কাম সমাধা হলত হিউৱেন চাঙ নিজ দেশলৈ যাবলৈ ওলাল। এনেতে ভাস্কৰ বৰ্ম্মাই নিজৰ দেশত এশটা বৌদ্ধমঠ সজাই দিয়াৰ প্ৰস্তাৱ কৰি কয় যে, "যদি পণ্ডিতপ্ৰবৰ মোৰ দেশত থাকিবলৈ মান্তি হয় আৰু পূজা গ্ৰহণ কৰে তেনেহলে তেখেতৰ সন্মানাৰ্থে মই এশটা মঠ সজাই দিয়াৰ প্ৰতিশ্ৰুতি দিলোঁ।"

ৰাজতৰঙ্গিণীৰ লিখকে কামৰূপৰ ৰজা এজনক বৌদ্ধ শ্ৰাৱকসকলৰ পৃষ্ঠপোষক আছিল বুলি ধৰাগি গৈছে। সম্ভৱ তেওঁ খৃষ্টাব্দ ১ম শতিকাত ৰাজত্ব কৰিছিল। তিব্বতৰ লোহ ৰাজ্যৰ স্তাম্পে (Stoumpe) নামৰ বৌদ্ধ শ্ৰমণ এজনক তেওঁৰ ৰাজসভাত যথাযোগ্য সমাদৰ জনোৱাৰ কথা সেই কিতাপত পোৱা যায়।

তিব্বতৰ বুৰঞ্জীবিদ তাৰানাথ ৰচিত বুদ্ধ-ধৰ্ম্মৰ বুৰঞ্জীত ( ১৬০৮ খৃঃত ) অসমত পিচৰ কাল ডোখৰত হোৱা বুদ্ধধৰ্ম্মৰ প্ৰচলনৰ কথাৰ উল্লেখ আছে। তাৰানাথে লিখিছে যে, ধীতিক নামৰ বৌদ্ধ সন্ন্যাসী এজন বৌদ্ধধৰ্ম্ম প্ৰচাৰৰ কাৰণে কামৰূপলৈ আহিছিল। তেওঁ অহাৰ আগেয়ে কামৰূপৰ মানুহবিলাক সূৰ্য্যৰ উপাসক আছিল। সূৰ্য্য উপাসনাৰ ঠাইত বৌদ্ধধৰ্ম্ম প্ৰচলন কৰাই ধীতিকৰ উদ্দেশ্য আছিল। যিসকলে ধীতিকৰ শিষ্যত্ব গ্ৰহণ কৰিছিল তাৰ ভিতৰত সিদ্ধ নামৰ শিষ্য এজনে বৌদ্ধ শাস্ত্ৰৰ বহুল প্ৰচাৰৰ কাৰণে নাঙৰ উৎসৰ্গ পাতিছিল। তাৰানাথৰ কিতাপত অশ্বভত্ৰ নামৰ মানুহ এজনে অসমত মহাযান পন্থা প্ৰচলন কৰা কথাৰো উল্লেখ আছে। অশ্বভত্ৰে কামৰূপত ধৰ্ম্ম বিস্তাৰ কৰা সম্পৰ্কে কাহিনী এটা এইদৰে কোৱা আছে যে, এদিনাখন তেওঁ শিষ্যসকলৰ লগত ধৰ্ম্ম বিষয়ৰ আলোচনা কৰি থাকোতে কৰবাৰপৰা এটা বিষাক্ত সাপ ওলাই চাৰিওপিনে তোলপাৰ লগালে। সাপটোৱে কেবাজন শিষ্যক খুঁটিলে আৰু তেওঁলোক তেতিয়াক তেতিয়াই মৰি থাকিল। কিন্তু গাত মন্ত্ৰপূত পানী চটিয়াই দিয়া মাত্ৰকে আটাই কেইজন আকৌ উঠি বহিল। ঘটনাটো বেছ তাৎপৰ্য্যপূৰ্ণ। ই আমাক সেই সময়ত অসমত প্ৰচলিত বৌদ্ধ মত সম্বন্ধে কিছু আভাস দিয়ে। ৭ম শতিকাৰ শেষ ভাগৰপৰা বৌদ্ধধৰ্ম্মত নানা ৰকমৰ পৰিবৰ্ত্তনে দেখা দিয়ে। ইয়াৰ ফলত বৌদ্ধধৰ্ম্মৰ মাজত মন্ত্ৰযান, বজ্ৰযান, তন্ত্ৰযান আদি কেবাটাও ৰহস্যবাদী পন্থাৰ সৃষ্টি হয়। ভাৰতীয় আৰু তিব্বতীয় পুথি-পাঁজি আদিৰপৰা জানিব যে সেই সময়ত অসমত বজ্ৰযান পন্থাৰ বৌদ্ধধৰ্ম্মৰহে প্ৰচলন আছিল।

যিসকল সন্ন্যাসীয়ে বজ্ৰযান পন্থাৰ অন্তৰ্গত নীতি-নিয়ম আৰু পদ্ধতিবোৰ প্ৰচাৰ কৰি ফুৰিছিল তেওঁলোকক সিদ্ধ বোলা হৈছিল। প্ৰবাদ আছে যে সৰ্ব্বমুঠ সিদ্ধ ৮৪ জন আছিল। সাধাৰণ বিশ্বাসমতে সৰহ, নাগাৰ্জ্জুন, লুইপ আদি কেবাজনো প্ৰসিদ্ধ সিদ্ধ হয় অসমৰ আছিল বা অসমত তেওঁলোকে ধৰ্ম্মমত প্ৰৱৰ্ত্তন কৰিছিল। পাগ্-চন-জন-জাং ( ১৭৪৭ চনৰ ) গ্ৰন্থত আছে যে, সৰহ বা ৰাহুলভদ্ৰৰ জন্ম হৈছিল পূবপিনৰ ৰাজ্য এখনৰ ৰাজ্ঞী নামৰ নগৰত। তেওঁৰ বাপেক আছিল বামুণ আৰু মাক এজনী ডাকিনী। এই ৰাজ্ঞী নগৰখন বোধহয় ৰাণী নামে সৰু ৰাজ্যখন আছিল ( বৰ্ত্তমান অসমৰ কামৰূপ গোৱালপাৰা জিলা )। ৰাণী এসময়ত আহোম ৰজাসকলৰ কৰতলীয়া ৰাজ্য আছিল। গ্ৰাণ ওৱেডেল আৰু

টুছি ছুয়োৰে মতে সৰহ কামৰূপৰ এজন শূদ্ৰৰ আছিল। সৰহৰ শিষ্য নাগাৰ্জ্জুনৰ নাম কামৰূপ, নেপাল আৰু ভূটানত বৰ জনাজাত আছিল। লুইপ নামৰ সিদ্ধজনো অসমৰ মানুহ আছিল। তিব্বতীয় জনশ্ৰুতিমতে লুইপক মীননাথ বা মৎস্যেন্দ্ৰনাথ বুলি জনা যায়। 'কৌলজ্ঞান-নিৰ্ণয়'ৰ পাতনিত ডঃ বাগ্চিয়ে লিখিছে যে, মীননাথৰ জন্ম হয় পূৰ্ব্বভাৰতৰ সাগৰৰ উপকূলৰ চন্দ্ৰদ্বীপ নামে দ্বীপ এটাত। শক্তিবাদৰ সংমিশ্ৰণত উদ্ভৱ হোৱা বৌদ্ধ ৰহস্যবাদ কৌল মতৰ প্ৰবৰ্ত্তক এই মীননাথেই। অভিনৱগুপ্তৰ বিখ্যাত তন্ত্ৰালোকৰ টীকাত জয়ৰথে কৌলপন্থাৰ উৎপত্তি সম্পৰ্কে উল্লেখ কৰিছে। সম্ভৱতঃ কোনোবা এখন মূল তন্ত্ৰ-গ্ৰন্থৰপৰা পদ উদ্ধৃতি কৰি তেওঁ দেখুৱাইছে যে, প্ৰথমে ভীতিপ্ৰদ দেৱতা ভৈৰৱৰপৰা ভৈৰৱীয়ে এই মত আয়ত্ত কৰে। ভৈৰৱীৰপৰা এই মত কামৰূপ মহাপীঠৰ মহাপ্ৰাণ সিদ্ধ মচ্ছন মীনে গ্ৰহণ কৰে।

এইদৰে মীননাথেই যোগিনীকৌল নামে পৰিচিত এই মত প্ৰবৰ্ত্তন কৰে আৰু কামৰূপত ই জনপ্ৰিয় হৈ উঠে।

বৌদ্ধ তন্ত্ৰ ব্ৰহ্মযামলৰ বশিষ্ঠ-কাহিনীৰপৰাও জানিব পাৰি যে কামৰূপ বজ্ৰযান পন্থাৰ নানা দেৱ-দেৱীৰ পূজাৰ কেন্দ্ৰ আছিল। বশিষ্ঠ আছিল ব্ৰহ্মাৰ পুত্ৰ। ব্ৰহ্মাৰপৰা বশিষ্ঠই এটা মন্ত্ৰ লাভ কৰে আৰু এই মন্ত্ৰমতে তেওঁ বহুদিন তপস্যা কৰে। কিন্তু মন্ত্ৰৰ একো ফল নাপাই তেওঁ পিতাকক বেছি শক্তিশালী দ্বিতীয় মন্ত্ৰ এটা শিকাই দিবলৈ অনুৰোধ কৰিলে। ব্ৰহ্মাই তেতিয়া পুতেকক তপস্যাত বেছি দিনলৈ গভীৰভাৱে মনোনিবেশ কৰিবলৈ কলে আৰু বুদ্ধেশ্বৰী দেৱীৰ ধ্যান কৰিবলৈ কলে। তেতিয়া বশিষ্ঠ যথোচিত তপস্যাৰ কাৰণে কামাখ্যালৈ গ'ল। বশিষ্ঠই কৰা তপ-জপৰ কথাৰ তাৰাতন্ত্ৰত উল্লেখ আছে। তেওঁ তাৰাৰ উদ্দেশ্যেই মন্ত্ৰ জপ কৰিছিল। যোগিনী তন্ত্ৰয়ো ( ১৬০০ খৃঃ ) এই মতকে সমৰ্থন কৰি কৈছে যে, কামাখ্যা পাহাৰেই বশিষ্ঠৰ তপস্যাৰ ঠাই আছিল। তাৰাৰ অৰ্থে কৰা তপস্যাৰ কাৰণে কামৰূপেই যে প্ৰশস্ত ঠাই আছিল মঞ্জুশ্ৰীমূলকল্পতো এই কথাৰ উল্লেখ আছে।

অসমৰপৰা এই মত তিব্বত আৰু ভূটান দেশলৈ প্ৰচাৰিত হৈছিল। আচৰিত কথা এয়ে যে, তিব্বত আৰু ভূটানৰ বৌদ্ধসকলে অসমৰ পশ্চিম পিনৰ চহৰ এখনকে বুদ্ধদেৱৰ তিৰোধানৰ ঠাই বুলি বিশ্বাস কৰে; আৰু তেওঁলোকে গুৱাহাটীৰপৰা ১৫ মাইল দূৰত থকা হাজোৰ মন্দিৰকে এই ঠাই বুলি ঠাৱৰ কৰিছে। এই বিশ্বাসৰ বশৱৰ্ত্তী হৈয়ে সমগ্ৰ তিব্বত, ভূটান, আনকি লাদাক আৰু পশ্চিম চীনৰপৰাও তীৰ্থযাত্ৰীসকল আজিকোপতি হাজোৰ মন্দিৰ দৰ্শন কৰিবলৈ আহে।

বৈষ্ণৱ ধৰ্ম্মৰ নৱজাগৰণৰ সময়তো অসমত বৌদ্ধধৰ্ম্ম লোপ পোৱা নাছিল। বৈষ্ণৱ ধৰ্ম্মৰ প্ৰবৰ্ত্তক শঙ্কৰদেৱেও অলৌকিক শক্তি দেখুৱাই ফুৰা কিছুমান বৌদ্ধক ( বৌদ্ধমতীয় ) লগ পোৱাৰ প্ৰমাণ আছে। শঙ্কৰদেৱৰ শিষ্য বংশীগোপালদেৱে পূব অসমত বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰি ফুৰোতে বহুতো বৌদ্ধৰ লগত বিৰোধিতা কৰিবলগীয়া হৈছিল। কোনো কোনো পণ্ডিতৰ ধাৰণা যে অসমৰ বৈষ্ণৱ সত্ৰবোৰত বৌদ্ধধৰ্ম্মৰ প্ৰভাৱ পৰিছে। বিশেষকৈ বৌদ্ধ সঙ্ঘ, প্ৰব্ৰজ্যা ( দীক্ষা-উৎসৱ ) প্ৰাতিমোক্ষ ( সদাচাৰ নীতি ) আদিৰ প্ৰভাৱ বৈষ্ণৱসকলৰ নাম-ঘৰৰ সবাহ, শৰণ বা



দীক্ষাপদ্ধতি আৰু বৈষ্ণৱ আচাৰ-বিচাৰৰ ওপৰত পৰিছে বুলি কয়। অসমীয়া সাহিত্যৰ আদি যুগত অপৰ্য্যাপ্ত মন্ত্ৰ ৰচিত হৈছিল। এই মন্ত্ৰ-বোৰতো পিচৰ কালৰ বৌদ্ধ বিশ্বাসবোৰৰ স্পষ্ট প্ৰভাৱ পৰা দেখা যায়। এই মন্ত্ৰবিলাকত বৌদ্ধ দেৱ-দেৱীৰ নাম পোৱা যায় আৰু ইয়াৰ বেছিভাগেই সাপৰ বিহ বা অন্য ৰোগৰ প্ৰতিষেধক মন্ত্ৰ। এইবোৰ বৌদ্ধসকলৰ ধৰণি সূত্ৰবোৰৰ শাৰীৰ। টাই জাতিৰ মানুহ আহোম-সকল অসমলৈ অহাৰ পিচত বৌদ্ধধৰ্ম্মই অসমত আকৌ নতুনকৈ জীপ পায়। এই টাই জাতিৰ বহুতো শাখা-প্ৰশাখা আছে আৰু তেওঁলোকৰ কোনো কোনোৱে বৌদ্ধধৰ্ম্ম তেওঁলোকৰ নিজৰ ধৰ্ম্ম হিচাবে গ্ৰহণ কৰে। সেই সম্প্ৰদায়বোৰ হ'ল শ্যান, আইটোনীয়া, ফাকিয়াল, টুৰাং ( টাইৰাংটাই ) আৰু খামটিসকল। ৰাজবংশৰ আহোমসকলে যদিও পিচলৈ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিলে তথাপি বুদ্ধদেৱৰ নীতিসমূহ এৰি দিয়া নাছিল। ব্যক্তিগত জীৱনত তেওঁলোকে বৌদ্ধ ধৰ্ম্মৰ বহুতো আচাৰ-বিচাৰ মানি চলিছিল। অসমত বসবাস কৰা টাইজাতিৰ অন্যান্য সম্প্ৰদায়-বোৰে আজিকোপতি বৌদ্ধধৰ্ম্মকে অৱলম্বন কৰি আছে। এওঁলোকে ভাৰতৰ এই উত্তৰ-পূব সীমান্তত বৌদ্ধধৰ্ম্মতে জীৱন্ত বিশ্বাস ৰাখি চলি আছে।*

* বুদ্ধ পৰিনিৰ্ব্বাণ জয়ন্তী দিবস উপলক্ষে ২৪।৫।৫৬ তাৰিখে আকাশবাণী, গুৱাহাটী কেন্দ্ৰত দিয়া ইংৰাজী অনাতাৰ ভাষণৰ অসমীয়া অনুবাদ। অনুবাদক—অধ্যাপক শ্ৰীকমলেশ্বৰ শৰ্ম্মা। ( আকাশ বাণী, গুৱাহাটীৰ সৌজন্যত )।

# অসমীয়া জন-সাহিত্য : কেইটামান খণ্ড-গীত

শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস

আমি তেতিয়া পঢ়াশলীয়া ছাত্ৰ। সেই সময়ত আমাৰ ঘৰৰ ওচৰৰ পথাৰতে খৰি-খেৰ আৰু নৈ-বিল আদিত মাছ-কাছ ভৰি আছিল। হাবিবোৰত পশু, চৰাই যথেষ্ট আছিল। আজিৰ লৰাই এইবোৰ জন্তু নেদেখা হল। তেতিয়া যেন অসমীয়া মানুহৰ একোৰে অভাৱ নাছিল—আজি মনত এনে ভাব হয়। তেতিয়াও কাচিত দুই এজন মগনীয়াই হাতত দগৰ-খঞ্জৰী লৈ বজাই গীত-পদ গাই গাই ঘৰে ঘৰে খুজিবলৈ আহিছিল। অসমীয়া মগনীয়ায়ো নানা ৰকমৰ গীত-পদ জানে—ই এটা মন কৰিবলগীয়া কথা। আগেয়ে মগনীয়াৰ মুখতো হাঁহি-মাত আছিল। আজি তেনেকুৱা হাঁহি-মাত আছে জানো? আজি-কালি দেশত নানা ভাষা-ভাষী মগনীয়াৰ সংখ্যা বাঢ়ি আহিছে; কিন্তু গীত-পদ গাই ভিক্ষা কৰিবলৈ অহা মগনীয়া প্ৰায় নাইকিয়া হৈছে।

আমাৰ চকুৰ আগতেই কিছুমান সুন্দৰ পুৰণি গীত-পদ লোপ হৈ যাব লাগিছে। "কইনা ফুলেশ্বৰীৰ গীত" আৰু "বাৰমাহী গীত"বোৰ মানুহে পাহৰি যোৱা যেন হৈছে। ম'হৰ ৰাথানৰ

গোৱালবিলাকে তেওঁলোকৰ পালত থকা ম'হ-বিলাকৰ চলন-ফুৰণ আৰু নাম বৰ্ণনা কৰি কিছু-মান গীত গাইছিল। তাকে "বাথানী গীত" বা "গোৱাল গীত" বোলে। সেইবোৰ গোৱাল-বিলাকৰ মগজুৰপৰা বাহিৰ হোৱা গীত। আজি-কালি গোৱালে তেনে গীত-পদ গোৱা শুনিবলৈ পোৱা নাযায়।

তলত কেইটামান খণ্ড-গীত প্ৰকাশ কৰা হ'ল। এই গীত কেইটা শ্ৰীযুতা বাইদেউৰ মুখৰপৰা শুনি লিখা। মানুহৰ মুখ বাগৰি আহোঁতে আহোঁতে গীতবোৰৰ ভিতৰৰ দুই চাৰিটা শব্দৰ লৰচৰ হবও পাৰে। অসমৰ উজনি-নামনি সকলো ঠাইতেই এনে গীত-পদ বহুত ওলাব। কোচবিহাৰ, জলপাইগুৰি, গোৱালপাৰা আৰু পূৰ্ব্ব বঙ্গতো এনে ঠাচৰ গীত অসংখ্য আছে। সেইবিলাকো স্থানীয় ভাষাতেই সংগ্ৰহ কৰি প্ৰকাশ কৰা উচিত। বিশেষকৈ গোৱালপাৰাবাসী শিক্ষিত ডেকা-গাভৰুসকলে এই সংগ্ৰহত অতি সোনকালে হাত দিব লাগে। যোগ্যজনক এনে সংগ্ৰহৰ কাৰণে বঁটা দিব পাৰিলেও ভাল হয়।

**কৃষ্ণৰ শিশু-লীলাৰ গীত**

(১) অ' বাপা কলামুৱা ক'ত লুকে বৈলি অ',
অ' ভাণ্ডাৰ ভৰি লৱণু আছে
আনিও নাখালি অ'
মই তোক পাৰা নাই গালি অ'।
অ' পোহৰত দেখিলোঁ বাপা অ'
তই আন্ধাৰত লুকালি অ'—
তই আন্ধাৰত লুকালি অ';
যদি থং কৰা বাপা
দূৰৰপৰা মেল হাত অ'।
যশোমতী দুষ্ট নাৰী অ'
বান্ধিছিলোঁ তোক বাপা
বান্ধিছিলোঁ তোক অ'।
নাবান্ধিবো মই কৃষ্ণক
দেখা দিয়া মোক অ'।
কহয় মাধৱ দাসে মাধৱৰ লীলা।
জনমে জনমে নেৰোঁ কৃষ্ণত ভকতি॥

(২) কলাও কলীও ইচিপিৰ (১) বানে,
চাৰ কৰি ভিঠা বান্ধিলোঁ খুজি খাবাৰ মনে।
খুজি খাৱন্তে খুজি খাৱন্তে গাত বান্ধিলা বল,
ইচিপি যাম মই অৰ্জ্জুনৰ তল।
অৰ্জ্জুনৰ তলতে চামকীয়া লাৰু,
দুয়ো হাতে বান্ধি লম সুবৰ্ণৰ খাৰু।
সুবৰ্ণৰ খাৰুইহে জানাৰ জুহুৰ কৰে,
নাম গোৱা ভকতে হৰিষ-বিৰিষ কৰে।
বৰক লাগে বৰ কাপোৰ কইনাক লাগে শাৰী,
শাৰীও শাৰী বৰ শাৰী,
ক'ত পাম মই পুথৰী শালী।
পুথৰী শালীক গলোঁ মই
এটি নিছলা পালোঁ—কলৰ আগত থলোঁ।
খা খা কল বগুলা কাউৰৰ ৰং চাওঁ।
কাণ কুইল্লাৰ পিঠিত উঠি বাঘ মাৰবা যাওঁ।
বাঘ-মাৰিলোঁ জটা-জটি
শল মাৰিলোঁ শালে।
একাঠু পানীতে বৈহাল ডুব মাৰে।
বৈহাল কাকা বৈহাল কাকা তই হবি সাক্ষী।

(৩) বুন চকৰী ধান নাখাবি।
ধান পকিলে চিৰা দিম ডালত পৰি খাবি।
ডাল-ডুল ভাঙি দিম তেলীৰ ঘৰক যাবি।
তেলি দিব তেল-গামোছা মালী দিব ফুল,
হাউদাথেৰ বুঢ়ী আহি তাই কোবাৰ ঢোল।
ঢোলৰ গুম্ গুমি শুনি মাদালৰ ঢৌ,
বাটত বহিয়া কান্দে বুঢ়া বাসুদেউ।

(১) ইচিপি=এইবাৰ



নাই লটুৱা, সুৱণ খটুৱা,
হাল বাওঁতে হাগি দেই গৰেপেটুৱা।

(৪) কাৰ ঘৰৰ মাণিক,
কায় খেদাইছে পানীক,
হাত-বা দি মাতি আন
চুমা খাওঁ খানিক।

(৫) সোৰ-ঘৰৰ মেকুৰী বৰ ঘৰক যায়।
কলীয়া মেকুৰী ভাজা মাছ খায়॥

**তলৰটো গৰু চাৰিবৰ খণ্ডগীত:—**

(৬) মই ভাল নোবোলোঁ অন্যে ভাল বোলে
অন্তৰ হৈ আছে ভাল।
শহুৰৰ জীয়াৰী চিৰা দি পঠাইছে
গাল মাৰি খাবলৈ ভাল॥

শাখা সাহিত্য সভা, কৃষ্টি-সংঘ আৰু পাঠাগাৰ আদিতো এনেকুৱা গীত-পদৰ চৰ্চ্চা হলে আমাৰ জাতীয় সাহিত্যৰ সৌষ্ঠৱ বাঢ়িব।

---

# অসম সাহিত্য সভাৰ বুৰঞ্জী

**শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী**

অসম সাহিত্য সভা স্থাপনৰ মূলতে হৈছে শিক্ষিত সমাজৰ মাজত উদয় হোৱা এখন সাহিত্যিক অনুষ্ঠানৰ আকাঙ্ক্ষা। অসম সাহিত্য সভা ১৯১৭ চনত স্থাপিত হৈছিল। কিন্তু ১৯৫৬ চনত ইয়াৰ ৰূপালী জয়ন্তী অধিবেশন পতাৰ কাৰণ দৰ্শাবলৈ আমি ইয়াৰ সূচনা আৰু বিভিন্ন অধিবেশনসমূহৰ কথাৰ পুনৰাবৃত্তি কৰিব লাগিব।

### আৰম্ভণ

অসম সাহিত্য সভাৰ প্ৰথম সম্পাদক, ৺শৰৎচন্দ্ৰ গোস্বামীদেৱৰ প্ৰথম বছৰৰ কাৰ্য্য-বিৱৰণীত আৰম্ভণ বুলি এটি অধ্যায় আছে। প্ৰধান সম্পাদকে লিখিছে—"প্ৰথমে ১৯১৫ ইংৰাজী চনৰ ···জুলাই তাৰিখে এখন ডাঙৰ সাহিত্য সভা যোৰ-হাটৰ বিষ্ণুৰাম হলত হয়। এই সময়ত অসম উপত্যকাৰ প্ৰজাহিতৈষী কমিছনাৰ মাননীয় কৰ্ণেল গৰ্ডন চাহাব বাহাদুৰৰ চেষ্টাত যোৰহাটত আসামৰ শিল্পৰ উন্নতিৰ কাৰণে এখন সভা হৈছিল। এই সুযোগকে লৈ যোৰহাট সাহিত্য সভাৰ গৰাকীসকলে তেতিয়া যোৰহাটত উপস্থিত আটাইবিলাক ভদ্ৰলোকক নিমন্ত্ৰণ কৰি এখন ডাঙৰ সাহিত্য সভা পাতে। এই সভাৰ সভাপতি আছিল ৰায় ফণীধৰ চলিহা বাহাদুৰ; আৰু ইয়াত অনাৰেবল মজিদ চাহাব আৰু ৰায়চাহেব পদ্মনাথ গোহাঁই বৰুৱাই এটি অতি সুৱলা দীঘল বক্তৃতা দিছিল আৰু শ্ৰীযুক্ত দুৰ্গেশ্বৰ শৰ্ম্মা, শ্ৰীযুক্ত ঘনকান্ত বৰুৱা আৰু শ্ৰীযুক্ত মোক্ষনাথ ফুকন এখেতসকলে প্ৰত্যেকে একোটা প্ৰবন্ধ পঢ়িছিল।

"এই বছৰৰে ডিছেম্বৰ মাহত ডিব্ৰুগড়ত আসাম কনফাৰেন্স বহে। কনফাৰেন্স শেষ হোৱাত কনফাৰেন্সৰ গৰাকীসকলৰ আয়োজনত ৩০ ডিছেম্বৰ তাৰিখে ডিব্ৰুগড়তো এখন ডাঙৰ সাহিত্য সভা বহে। এই সভাত মাননীয় শ্ৰীযুক্ত ফণীধৰ চলিহা ডাঙৰীয়াই সভাপতিৰ আসন

পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীদেৱৰ সভাপতিত্বত সুসম্পন্ন হয়। ৺চন্দ্ৰনাথ শৰ্ম্মা, বি-এল অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। পণ্ডিত গোস্বামী-দেৱে সভাত হস্তিবিদ্যাৰ্ণৱ নামৰ সচিত্ৰ সাঁচিপতীয়া বৃহৎ পুথিখন দেখুৱায়। অধিবেশনত ৺শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই অধিবেশনৰ প্ৰস্তাৱ অনুযায়ী অৰৰক্ষক সমিতি উঠাই দিয়া হয় আৰু সভাৰ পুঁজি কাৰ্য্য-নিৰ্ব্বাহক সভাৰ হাতলৈ যায়। এই বছৰত বাছলিপাৰ মাহৰা সত্ৰৰ শ্ৰীযুত ৰাধানাথ গোস্বামীৰপৰা সাহিত্য সভাৰ ঘৰ সজাবৰ কাৰণে ২০০০৲ টকা পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মাপাঠক, বি-এলদেৱে আদায় কৰে। ১৯২৩ চনৰ ৩১ মাৰ্চ্চ আৰু ১ এপ্ৰিল তাৰিখে যোৰহাট চৰকাৰী হাইস্কুলৰ হলত ৺অমৃতভূষণদেৱ অধিকাৰীৰ সভাপতিত্বত অসম সাহিত্য সভাৰ **পঞ্চম অধিবেশন** বহে। দানবীৰ ৺ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। এই অধিবেশনত অসম সাহিত্য সভাক ১৮৬০ চনৰ ২১ নং আইন অনুযায়ী ৰেজিষ্টাৰি কৰা, যোৰহাটত সভাৰ কেন্দ্ৰ-কাৰ্য্যালয় স্থাপন, শ্ৰীযুত ৰাধানাথ গোস্বামীদেৱৰ দানেৰে অসম সাহিত্য সভাৰ গৃহ নিৰ্ম্মাণ, অসমীয়া কিতাপৰ তালিকা সঙ্কলন আৰু প্ৰকাশ আদি বিষয়ে প্ৰস্তাৱ গ্ৰহণ কৰি সাহিত্য সভাক দৃঢ় ভেটিত স্থাপন কৰিবলৈ চেষ্টা কৰা হয়। কাৰ্য্যনিৰ্ব্বাহক সভাৰ সভ্যসংখ্যা অনধিক কুৰিজন কৰা হয়। ৺শৰৎচন্দ্ৰ গোস্বামী, বি-টিদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই বছৰতে দানবীৰ ৺ৰাধাকান্ত সন্দিকৈদেৱে তেখেতৰ ডুটি পুত্ৰ চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্তৰ স্মৃতি ৰক্ষাৰ্থে চন্দ্ৰকান্ত ভৱনৰ কাৰণে ১০,০০০৲ আৰু ১৫,০০০৲ টকা মূল্যৰ কোম্পানিৰ কাগজ কিনি এটা "চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি" গঠন কৰাৰ কথা সাহিত্য সভাক জনায়। শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰা-ধিকাৰ গোস্বামীয়ে পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীৰ জৰীয়তে অসম সাহিত্য সভাক ৫,০০০৲ টকা দিয়ে। শ্ৰীযুত ৰাধানাথ গোস্বামীদেৱে সভাক আগেয়ে তেখেতৰ মাতৃ কমলাদেৱীৰ নামত দান কৰা ২,০০০৲ টকা গৃহনিৰ্ম্মাণত খৰচ নকৰি সুদৰ-পৰা বছৰি বা প্ৰত্যেক দুবছৰত উৎকৃষ্ট শিশু সাহিত্যৰ কাৰণে বঁটা দিয়াৰ ব্যৱস্থা কৰা হয়। ১৯২৪ চনৰ ফেব্ৰুৱাৰি মাহত অসম সাহিত্য সভাই সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় আৰু পুথি-ভঁৰাল নিৰ্ম্মাণৰ কাৰণে বৰ্ত্তমানৰ মাটিডোখৰ পায় আৰু ২২ মাৰ্চ্চ তাৰিখে দখল পাই সভাৰ ভৱন নিৰ্ম্মাণৰ কাম আৰম্ভ কৰে। ১৭।৩।২৪ চনত সভাখন ৰেজিষ্টাৰি কৰা হয়। দৰাচলতে সভাৰ পক্ষে ১৯২৪ চন গৌৰৱৰ বছৰ।

অসম সাহিত্য সভাৰ **ষষ্ঠ অধিবেশন** ১৯২৪ চনৰ এপ্ৰিল মাহৰ ১৯ আৰু ২০ তাৰিখে ডিব্ৰুগড়ৰ জৰ্জ্জ স্কুলত ৰায়বাহাদুৰ ৺কনকলাল বৰুৱা, বি-এলদেৱৰ সভাপতিত্বত বহে। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৺শিৱৰাম শৰ্ম্মা, বি-এল। দ্বিতীয় দিনা পুৱা শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, বি-এদেৱৰ সভাপতিত্বত সঙ্গীত-সজ্ঘৰ অধিবেশন বহে। সন্মিলনৰ লগতে ৺লক্ষেশ্বৰ বৰুৱা, বি-এলদেৱৰ উদ্যোগত এখন শিল্প প্ৰদৰ্শনীৰ দিহা হৈছিল। শিক্ষাবিদ ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই বছৰত চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ কাৰ্য্য আৰম্ভ হয়। ১৯২৪ চনৰ ডিচেম্বৰ মাহৰ ২৭, ২৮ আৰু ২৯ তাৰিখে সাহিত্যৰথী ৺লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত উজান বজাৰ লতাশিল



পথাৰৰ সভামণ্ডপত অসম সাহিত্য সভাৰ **সপ্তম অধিবেশন** বহে। ৺সত্যনাথ বৰা, বি-এলদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ২৮তাৰিখে সঙ্গীত সজ্ঘৰ অধিবেশনত নিৰ্দ্দিষ্ট সভাপতি জমিদাৰ ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ উপস্থিত থাকিব নোৱাৰাত ঔপন্যাসিক ৺ৰজনী কান্ত বৰদলৈদেৱে সভাৰ কাৰ্য্য চলায় আৰু চৌধুৰীদেৱৰ ছপা অভিভাষণ পাঠ কৰে। দ্বিতীয় দিনা পুৱা এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছিল। ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই সন্মিলনে শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱক অসম সাহিত্য সভাৰ প্ৰচাৰক নিযুক্ত কৰে আৰু সাহিত্যৰথী ৺হেমচন্দ্ৰ বৰুৱাদেৱৰ কাৰ্য্যস্থলত এখন স্মৃতিফলক স্থাপন কৰাৰ সিদ্ধান্ত কৰে। ১৯২৫ চনৰ ভিতৰতে "চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি"ৰ দলীল ৰেজিষ্টাৰি কৰা হয়। এই বছৰত ৺নীলকণ্ঠ দাসৰ দেৱ দামোদৰ চৰিত্ৰ পুথিখন শ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ প্ৰথম গ্ৰন্থ স্বৰূপে প্ৰকাশ দিহা কৰাৰ কৰা হয়। ১৯২৫ চনৰ ডিচেম্বৰৰ ২৭, ২৮ আৰু ২৯ তাৰিখে ঔপন্যাসিক ৺ৰজনীকান্ত বৰদলৈদেৱৰ সভাপতিত্বত নগাওঁৰ কাছাৰী পথাৰৰ সভামণ্ডপত সাহিত্য সভাৰ **অষ্টম অধিবেশন** বহে। অধ্যক্ষ ৺জ্ঞানদাভিৰাম বৰুৱা, বাৰ-এট্-লদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। দ্বিতীয় দিনা আবেলি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্নদেৱৰ সভাপতিত্বত সঙ্গীত-সজ্ঘৰ তৃতীয়অধিবেশন বহে।তৃতীয় দিনা আবেলি কবি ৺হিতেশ্বৰ বৰবৰুৱাৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ এখন সভা বহে। নতুন বছৰৰ কাৰণে ৺শৰৎচন্দ্ৰ গোস্বামী বি-টি আই-এছ-অ'পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯২৬ চনত শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাদেৱৰ সম্পাদনাত সাহিত্য সভা পত্ৰিকাৰ প্ৰথম সংখ্যা ওলায় আৰু কথা মহাভাৰত ৰচনাৰ বাবে শ্ৰীযুত বোমেশ্বৰ শৰ্ম্মা বি-টি দেৱক কমলাদেৱী শিশু-সাহিত্যৰ প্ৰথম বাৰ্ষিক পুৰস্কাৰ দিয়া হয়। শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা, এম-এ, বি-এলদেৱ সাহিত্য সভাৰ পুথি-ভৰাঁলৰ পুথি-ভঁৰালী নিৰ্ব্বাচিত হয়। ১৯২৬ চনৰ ডিচেম্বৰৰ ১৯ আৰু ২০ তাৰিখে ৺বেণুধৰ ৰাজখোৱা, বি-এদেৱৰ সভাপতিত্বত ধুবুৰীৰ গৌৰীপুৰ সভামণ্ডপত অসম সাহিত্য সভাৰ **নৱম অধিবেশন** বহে। মেচপাৰাৰ জমিদাৰ ৺ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। উল্লেখযোগ্য যে এই অধিবেশনত সাহিত্যৰথী বেজবৰুৱাই "গোৱালপাৰাৰ প্ৰাচীন কীৰ্ত্তি" শীৰ্ষক এখন ৰচনা পাঠ কৰে; দেশভক্ত ৺তৰুণৰাম ফুকন আৰু কৰ্ম্মবীৰ বৰদলৈ উভয়ে একোটি সাৰগৰ্ভ বক্তৃতা দিয়ে। ১৯ তাৰিখে পণ্ডিত শ্ৰীযুত ষড়ানন তৰ্কতীৰ্থ-দেৱৰ সভাপতিত্বত দৰ্শন শাখা আৰু পাছ দিনা পুৱা ডঃ সূৰ্য্যকুমাৰ ভূঞা, এম-এ, বি-এল, (এতিয়া পি-এইচ্-ডি, ডি-লিট) দেৱৰ পৌৰোহিত্যত বুৰঞ্জী শাখাৰ অধিবেশন বহে। কোচবিহাৰ সাহিত্য সভাৰ সম্পাদক মৌঃ আমানত উল্লা আহ্মদ খাঁ চৌধুৰী, এম-এল-ছিয়ে সভাত যোগদান দি বুৰঞ্জী শাখাত এটি প্ৰবন্ধ পাঠ কৰে। প্ৰথম দিনা ৰাতি জয়দ্ৰথ বধ যাত্ৰা আৰু দ্বিতীয় দিনা ৰাতি জয়মতী নাটকৰ অভিনয় কৰা হৈছিল। এখন পুথি-প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছিল। নতুন বছৰৰ কাৰণে শিক্ষাবিদ ৺শৰৎচন্দ্ৰ গোস্বামীদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯২৬ চনৰ ২ ডিচেম্বৰৰ দিনা তেতিয়াৰ অসমৰ ৰাজ্যপাল ছাৰ জন কাৰে আনুষ্ঠানিকভাৱে চন্দ্ৰকান্ত সন্দিকৈ ভৱন মুকলি কৰে। অসম সাহিত্য সভাৰ **দশম অধিবেশন** ১৯২৭ চনৰ ৮ আৰু ৯ অক্টোবৰত

পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীদেৱৰ সভাপতিত্বত সুসম্পন্ন হয়। ৺চন্দ্ৰনাথ শৰ্ম্মা, বি-এল অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। পণ্ডিত গোস্বামীদেৱে সভাত হস্তিবিদ্যাৰ্ণৱ নামৰ সচিত্ৰ সাঁচিপতীয়া বৃহৎ পুথিখন দেখুৱায়। অধিবেশনত ৺শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই অধিবেশনৰ প্ৰস্তাৱ অনুযায়ী অৱৰক্ষক সমিতি উঠাই দিয়া হয় আৰু সভাৰ পুঁজি কাৰ্য্য-নিৰ্ব্বাহক সভাৰ হাতলৈ যায়। এই বছৰত বাহ্নলিপাৰ মাহৰা সত্ৰৰ শ্ৰীযুত ৰাধানাথ গোস্বামীৰপৰা সাহিত্য সভাৰ ঘৰ সজাবৰ কাৰণে ২০০০৲ টকা পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মাপাঠক, বি-এলদেৱে আদায় কৰে। ১৯২৩ চনৰ ৩১ মাৰ্চ্চ আৰু ১ এপ্ৰিল তাৰিখে যোৰহাট চৰকাৰী হাইস্কুলৰ হলত ৺অমৃতভূষণদেৱ অধিকাৰীৰ সভাপতিত্বত অসম সাহিত্য সভাৰ **পঞ্চম অধিবেশন** বহে। দানবীৰ ৺ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। এই অধিবেশনত অসম সাহিত্য সভাক ১৮৬০ চনৰ ২১ নং আইন অনুযায়ী ৰেজিষ্টাৰি কৰা, যোৰহাটত সভাৰ কেন্দ্ৰ-কাৰ্য্যালয় স্থাপন, শ্ৰীযুত ৰাধানাথ গোস্বামীদেৱৰ দানেৰে অসম সাহিত্য সভাৰ গৃহ নিৰ্ম্মাণ, অসমীয়া কিতাপৰ তালিকা সঙ্কলন আৰু প্ৰকাশ আদি বিষয়ে প্ৰস্তাৱ গ্ৰহণ কৰি সাহিত্য সভাক দৃঢ় ভেটিত স্থাপন কৰিবলৈ চেষ্টা কৰা হয়। কাৰ্য্যনিৰ্ব্বাহক সভাৰ সভ্যসংখ্যা অনধিক কুৰিজন কৰা হয়। ৺শৰৎচন্দ্ৰ গোস্বামী, বি-টিদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই বছৰতে দানবীৰ ৺ৰাধাকান্ত সন্দিকৈদেৱে তেখেতৰ দুটি পুত্ৰ চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্তৰ স্মৃতি ৰক্ষাৰ্থে চন্দ্ৰকান্ত ভৱনৰ কাৰণে ১০,০০০৲ আৰু ১৫,০০০৲ টকা মূল্যৰ কোম্পানিৰ কাগজ কিনি এটা "চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি" গঠন কৰাৰ কথা সাহিত্য সভাক জনায়। শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ গোস্বামীয়ে পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীৰ জৰীয়তে অসম সাহিত্য সভাক ৫,০০০৲ টকা দিয়ে। শ্ৰীযুত ৰাধানাথ গোস্বামীদেৱে সভাক আগেয়ে তেখেতৰ মাতৃ কমলাদেৱীৰ নামত দান কৰা ২,০০০৲ টকা গৃহনিৰ্ম্মাণত খৰচ নকৰি সুদৰপৰা বছৰি বা প্ৰত্যেক দুবছৰত উৎকৃষ্ট শিশু সাহিত্যৰ কাৰণে বঁটা দিয়াৰ ব্যৱস্থা কৰা হয়। ১৯২৪ চনৰ ফেব্ৰুৱাৰি মাহত অসম সাহিত্য সভাই সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় আৰু পুথি-ভঁৰাল নিৰ্ম্মাণৰ কাৰণে বৰ্ত্তমানৰ মাটিডোখৰ পায় আৰু ২২ মাৰ্চ্চ তাৰিখে দখল পাই সভাৰ ভৱন নিৰ্ম্মাণৰ কাম আৰম্ভ কৰে। ১৭।৩।২৪ চনত সভাখন ৰেজিষ্টাৰি কৰা হয়। দৰাচলতে সভাৰ পক্ষে ১৯২৪ চন গৌৰৱৰ বছৰ।

অসম সাহিত্য সভাৰ **ষষ্ঠ অধিবেশন** ১৯২৪ চনৰ এপ্ৰিল মাহৰ ১৯ আৰু ২০ তাৰিখে ডিব্ৰুগড়ৰ জৰ্জ্জ স্কুলত ৰায়বাহাদুৰ ৺কনকলাল বৰুৱা, বি-এলদেৱৰ সভাপতিত্বত বহে। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৺শিৱৰাম শৰ্ম্মা, বি-এল। দ্বিতীয় দিনা পুৱা শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, বি-এদেৱৰ সভাপতিত্বত সঙ্গীত-সজ্বৰ অধিবেশন বহে। সম্মিলনৰ লগতে ৺লক্ষেশ্বৰ বৰুৱা, বি-এলদেৱৰ উদ্যোগত এখন শিল্প প্ৰদৰ্শনীৰ দিহা হৈছিল। শিক্ষাবিদ ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই বছৰত চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ কাৰ্য্য আৰম্ভ হয়। ১৯২৪ চনৰ ডিছেম্বৰ মাহৰ ২৭, ২৮ আৰু ২৯ তাৰিখে সাহিত্যৰথী ৺লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত উজান বজাৰ লতাশিল



পথাৰৰ সভামণ্ডপত অসম সাহিত্য সভাৰ **সপ্তম অধিবেশন** বহে। ৺সত্যনাথ বৰা, বি-এলদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ২৮তাৰিখে সঙ্গীত সজ্বৰ অধিবেশনত নিৰ্দ্দিষ্ট সভাপতি জমিদাৰ ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ উপস্থিত থাকিব নোৱাৰাত ঔপন্যাসিক ৺ৰজনী কান্ত বৰদলৈদেৱে সভাৰ কাৰ্য্য চলায় আৰু চৌধুৰীদেৱৰ ছপা অভিভাষণ পাঠ কৰে। দ্বিতীয় দিনা পুৱা এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছিল। ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই সম্মিলনে শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱক অসম সাহিত্য সভাৰ প্ৰচাৰক নিযুক্ত কৰে আৰু সাহিত্যৰথী ৺হেমচন্দ্ৰ বৰুৱাদেৱৰ কাৰ্য্যস্থলত এখন স্মৃতিফলক স্থাপন কৰাৰ সিদ্ধান্ত কৰে। ১৯২৫ চনৰ ভিতৰতে "চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি"ৰ দলীল ৰেজিষ্টাৰি কৰা হয়। এই বছৰত ৺নীলকণ্ঠ দাসৰ দেৱ দামোদৰ চৰিত্ৰ পুথিখন শ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ প্ৰথম গ্ৰন্থ স্বৰূপে প্ৰকাশ দিহা কৰাৰ কৰা হয়। ১৯২৫ চনৰ ডিছেম্বৰৰ ২৭, ২৮ আৰু ২৯ তাৰিখে ঔপন্যাসিক ৺ৰজনীকান্ত বৰদলৈদেৱৰ সভাপতিত্বত নগাৱঁৰ কাছাৰী পথাৰৰ সভামণ্ডপত সাহিত্য সভাৰ **অষ্টম অধিবেশন** বহে। অধ্যক্ষ ৺জ্ঞানদাভিৰাম বৰুৱা, বাৰ-এট্-লদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। দ্বিতীয় দিনা আবেলি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্নদেৱৰ সভাপতিত্বত সঙ্গীত-সজ্বৰ তৃতীয়অধিবেশন বহে।তৃতীয় দিনা আবেলি কবি ৺হিতেশ্বৰ বৰবৰুৱাৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ এখন সভা বহে। নতুন বছৰৰ কাৰণে ৺শৰৎচন্দ্ৰ গোস্বামী বি-টি আই-এছ-অ'পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯২৬ চনত শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাদেৱৰ সম্পাদনাত সাহিত্য সভা পত্ৰিকাৰ প্ৰথম সংখ্যা ওলায় আৰু কথা মহাভাৰত ৰচনাৰ বাবে শ্ৰীযুত যোগেশ্বৰ শৰ্ম্মা বি-টি দেৱক কমলাদেৱী শিশু-সাহিত্যৰ প্ৰথম বাৰ্ষিক পুৰস্কাৰ দিয়া হয়। শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা, এম-এ, বি-এলদেৱ সাহিত্য সভাৰ পুথি-ভঁৰালৰ পুথি-ভঁৰালী নিৰ্ব্বাচিত হয়। ১৯২৬ চনৰ ডিছেম্বৰৰ ১৯ আৰু ২০ তাৰিখে ৺বেনুধৰ ৰাজখোৱা, বি-এদেৱৰ সভাপতিত্বত ধুবুৰীৰ গৌৰীপুৰ সভামণ্ডপত অসম সাহিত্য সভাৰ **নৱম অধিবেশন** বহে। মেচপাৰাৰ জমিদাৰ ৺ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। উল্লেখযোগ্য যে এই অধিবেশনত সাহিত্যৰথী বেজবৰুৱাই "গোৱালপাৰাৰ প্ৰাচীন কীৰ্ত্তি" শীৰ্ষক এখন ৰচনা পাঠ কৰে; দেশভক্ত ৺তৰুণৰাম ফুকন আৰু কৰ্ম্মবীৰ বৰদলৈ উভয়ে একোটি সাৰগৰ্ভ বক্তৃতা দিয়ে। ১৯ তাৰিখে পণ্ডিত শ্ৰীযুত ষড়ানন তৰ্কতীৰ্থদেৱৰ সভাপতিত্বত দৰ্শন শাখা আৰু পাছ দিনা পুৱা ডঃ সূৰ্য্যকুমাৰ ভূঞা, এম-এ, বি-এল, (এতিয়া পি-এইচ্-ডি, ডি-লিট ) দেৱৰ পৌৰোহিত্যত বুৰঞ্জী শাখাৰ অধিবেশন বহে। কোচবিহাৰ সাহিত্য সভাৰ সম্পাদক মৌঃ আমানত উল্লা আহ্মদ খাঁ চৌধুৰী, এম-এল-ছিয়ে সভাত যোগদান দি বুৰঞ্জী শাখাত এটি প্ৰবন্ধ পাঠ কৰে। প্ৰথম দিনা ৰাতি জয়দ্ৰথ বধ যাত্ৰা আৰু দ্বিতীয় দিনা ৰাতি জয়মতী নাটকৰ অভিনয় কৰা হৈছিল। এখন পুথি-প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছিল। নতুন বছৰৰ কাৰণে শিক্ষাবিদ ৺শৰৎচন্দ্ৰ গোস্বামীদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯২৬ চনৰ ২ ডিছেম্বৰৰ দিনা তেতিয়াৰ অসমৰ ৰাজ্যপাল ছাৰ জন কাৰে আনুষ্ঠানিকভাৱে চন্দ্ৰকান্ত সন্দিকৈ ভৱন মুকলি কৰে। অসম সাহিত্য সভাৰ **দশম অধিবেশন** ১৯২৭ চনৰ ৮ আৰু ৯ অক্টোবৰত

Numbering Error

গোৱালপাৰাৰ নাট-মন্দিৰত দেশভক্ত ৺তৰুণৰাম ফুকনদেৱৰ সভাপতিত্বত সুসম্পন্ন হয়। ৺ভোলানাথ চৌধাৰী অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ভাষাতত্ব শাখা আৰু বুৰঞ্জী শাখাৰ সভাৰ যদিও আয়োজন কৰা হৈছিল, তথাপি সময়ৰ অভাৱত সভা পাতিব পৰা নহল। অধিবেশনত শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক, বি-এলদেৱ সম্পাদক নিৰ্ব্বাচিত হয়। ১৯২৭ চনত প্ৰথম চৰকাৰী মঞ্জুৰী ১০০০৲ পোৱা হয়।

একাদশ বছৰত চন্দ্ৰকান্ত অভিধানৰ কাম চলি থাকে। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ তৃতীয় গ্ৰন্থ সাত্বত-তন্ত্ৰ সঙ্কলনৰ যো-জা কৰা হয়। এই বছৰত দানবীৰ সন্দিকৈদেৱে চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সন্দিকৈৰ স্মৃতি ৰক্ষাৰ্থে ১৫০০৲ টকাৰ এটি "ন্যাস পুঁজি" কৰিবৰ ইচ্ছা প্ৰকাশ কৰে। ১৯২৯ চনৰ ৩০ আৰু ৩১ মাৰ্চ্চত মহৰ্ষি ৺কমলাকান্ত ভট্টাচাৰ্য্যদেৱৰ সভাপতিত্বত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্মুখত সজা সভামণ্ডপত অসম সাহিত্য সভাৰ **একাদশ অধিবেশন** বহে। ৰায়বাহাদুৰ ৺শিৱপ্ৰসাদ বৰুৱাদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ৩১ তাৰিখে পুৱা শ্ৰীযুত প্ৰথম নাথ চক্ৰবৰ্ত্তী বি-এলদেৱৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ অধিবেশন বহে। আলিগড় বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব্ব উপাচাৰ্য্য ডঃ জিয়াউদ্দিন আহ্মদে মূল সভাৰ সামৰণিৰ দিনা এটি বক্তৃতা দিয়ে। অধিবেশনত শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক বি-এলদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৩০ চনৰ মাৰ্চ্চ মাহত গোলাঘাটত মৌঃ মফিজুদ্দিন আহ্মদ হাজৰিকাৰ সভাপতিত্বত **দ্বাদশ অধিবেশন** সুসম্পন্ন হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৺ব্ৰহ্মানন্দ দত্ত। ৺ৰজনীকুমাৰ পদ্মপতিৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ অধিবেশন বহে। সন্মিলনত ৰায়চাহাব ৺কমলাকান্ত বৰুৱা প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। পাছত তেওঁৰ আকস্মিক মৃত্যুত কাৰ্য্যনিৰ্ব্বাহক সভাই ৺দেৱেশ্বৰ চলিহাদেৱক প্ৰধান সম্পাদক নিৰ্ব্বাচিত কৰে। সভাৰ ত্ৰয়োদশ বছৰত "চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত মেমোৰিয়েল ছছিয়েল গেদাবিং এণ্ডাওমেণ্ট" পুঁজি আৰু "কমলাদেৱী ন্যাস পুঁজিৰ" দলীল ৰেজিষ্টাৰি কৰা হয়। সভাৰ পৰবৰ্ত্তী **ত্ৰয়োদশ অধিবেশন** ১৯৩১ চনৰ ডিছেম্বৰ মাহত জমিদাৰ ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ সভাপতিত্বত শিৱসাগৰত বহে। ৺ভুবনচন্দ্ৰ গগৈ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। প্ৰত্নতত্ববিদ ৺সোণাৰাম চৌধুৰীৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ অধিবেশন বহে। নতুন বছৰৰ কাৰণে ৺দেৱেশ্বৰ চলিহা প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। অধ্যক্ষ ৺জ্ঞানদাভিৰাম বৰুৱা, বাৰ-এট-লদেৱৰ সভাপতিত্বত উত্তৰ লক্ষিমপুৰত ১৯৩৩ চনৰ ডিছেম্বৰৰ ২৭ আৰু ২৮ তাৰিখে **চতুৰ্দ্দশ অধিবেশন** সুসম্পন্ন হয়। শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা, বি-এল, দেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। প্ৰথম দিনা পুৱা প্ৰত্নতত্ত্ববিদ্ ৺সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীদেৱৰ পৌৰোহিত্যত বুৰঞ্জী শাখাৰ অধিবেশন বহে। নতুন বছৰৰ কাৰণে ৺দেৱেশ্বৰ চলিহাদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৩৪ চনৰ ডিছেম্বৰ মাহত ৰায়বাহাদুৰ ৺আনন্দচন্দ্ৰ আগৰৱালাদেৱৰ সভাপতিত্বত মঙ্গলদৈত **পঞ্চদশ অধিবেশন** হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল শ্ৰীযুত তপেশ্বৰ শৰ্ম্মা, বি-এলদেৱ। অধ্যক্ষ শ্ৰীযুত পদ্মধৰ চলিহা, এম-এ, বি-এলদেৱৰ সভাপতিত্বত সঙ্গীত শাখাৰ অধিবেশন বহে। সভাত শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্নদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৩৬ চনৰ



এপ্ৰিলত বিহগী কবি শ্ৰীযুত ৰঘুনাথ চৌধাৰীদেৱৰ সভাপতিত্বত অসম সাহিত্য সভাৰ **ষোড়শ অধিবেশন** বহে। ৰায়বাহাদুৰ ৺আনন্দচন্দ্ৰ আগৰৱালা অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। জমিদাৰ ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ সভাপতিত্বত সঙ্গীত শাখাৰ এখন অধিবেশন বহে। সন্মিলনত শ্ৰীযুত দেৱানন্দ শৰ্ম্মা, বি এদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৩৭ চনৰ ডিছেম্বৰত শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ, এম-এ (অক্সন) (এতিয়া পদ্মশ্ৰী) দেৱৰ সভাপতিত্বত **সপ্তদশ অধিবেশন** গুৱাহাটীত সুসম্পন্ন হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল লোকপ্ৰিয় ৺গোপীনাথ বৰদলৈদেৱ। প্ৰত্নতত্ববিদ ৺কনকলাল বৰুৱাদেৱ বুৰঞ্জী শাখাৰ, শ্ৰীযুত ৰাধিকানন্দ চৌধুৰী ( প্ৰশান্তমূৰ্ত্তি ) দৰ্শন শাখাৰ, ৺উমাকান্ত গোস্বামী, এম-এ, বি-এল ( অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ ) অৰ্থনীতি শাখাৰ আৰু সঙ্গীতজ্ঞ ৺কীৰ্ত্তিনাথ বৰদলৈ সঙ্গীত শাখাৰ সভাপতি আছিল। এই সন্মিলনত শ্ৰীযুত ৰামেশ্বৰ বৰুৱা, বি-টিদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। এই বছৰত "সাত্বত তন্ত্ৰ" সম্পাদনাৰ কাম আৰম্ভ হয়।

অসম সাহিত্য সভাৰ 'অৱস্থা টনকিয়াল কৰাৰ উদ্দেশ্যেৰে আৰু সভাৰ স্থায়িত্ব ৰক্ষাৰ নিমিত্তে' ১৯৩৯ চনৰ এপ্ৰিলৰ ৮।৯ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ৰায়বাহাদুৰ শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা, এম-এ, বি-এলদেৱৰ সভাপতিত্বত এখন **বিশেষ অধিবেশন** বহে। সভাৰ চতুৰ্দ্দশ অধিবেশনৰপৰা সপ্তদশ অধিবেশনলৈকে সংশোধিত নিয়মাৱলী সম্পূৰ্ণ কৰা হয়। ৺ৰামেশ্বৰ বৰুৱাদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৪০ চনৰ জুলাই মাহৰ ২৭।২৮ তাৰিখে খান চাহেব জেহিৰুদ্দিন আহ্মদ বি-টিদেৱৰ সভাপতিত্বত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অসম সাহিত্য সভাৰ **বাৰ্ষিক অধিবেশন** বহে। সভাত শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক বি-এলদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। সেই বছৰ বৰদিনৰ বন্ধত ডঃ মুয়িজুল ইছলাম বৰা এম-এ, বি-এল, পি-এইচ্-ডি ( লণ্ডন ) দেৱৰ সভাপতিত্বত যোৰহাটত **অষ্টাদশ অধিবেশন** বহে। ৰায়বাহাদুৰ শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱাদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। বাৰ্ষিক অধিবেশনত নিৰ্ব্বাচিত লোকসকল নতুন বছৰৰ বিষয়-ববীয়া হয়। ১৯৪২ চনৰ ৪ এপ্ৰিলত বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকন, বি-এ-দেৱৰ সভাপতিত্বত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অসম সাহিত্য সভাৰ এখন **জৰুৰী বিশেষ অধিবেশন** বহে।

অসম সাহিত্য সভাৰ বিচাৰক সমিতিৰ ৰায় অনুসৰি এই অধিবেশনে সপ্তদশ অধিবেশনত নিৰ্ব্বাচিত প্ৰধান সম্পাদক বা সহকাৰী সম্পাদকক ১৫ এপ্ৰিলৰ ভিতৰত কাৰ্য্যভাৰ লবলৈ আৰু সেই অধিবেশনত নিৰ্ব্বাচিত কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সভ্যসকলক নিমন্ত্ৰণ কৰি এমাহৰ ভিতৰত কাৰ্য্য-নিৰ্ব্বাহক সভাৰ বৈঠক বহুৱাবলৈ নিৰ্দ্দেশ দিয়ে। ৺ৰামেশ্বৰ বৰুৱাদেৱে পুনৰ প্ৰধান সম্পাদকৰ ভাৰ লয়। সাহিত্য সভাৰ নিয়মতান্ত্ৰিক অচল অৱস্থা দূৰ হ'ল, কিন্তু দ্বিতীয় মহাসমৰৰ সময়ত চন্দ্ৰকান্ত সন্দিকৈ ভৱন সামৰিক বিভাগে লোৱাত নানা অসুবিধাই দেখা দিয়ে।

অসম সাহিত্য সভাৰ **উনবিংশ অধিবেশন** ১৯৪৪ চনৰ অক্টোবৰ মাহত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ খেল পথাৰৰ মণ্ডপত বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনদেৱৰ সভাপতিত্বত সুসম্পন্ন

হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল মৌঃ মহম্মদ মুহিবুল্লা। প্ৰথম দিনা আবেলি ছাৰ মহম্মদ ছাদুল্লা চাহাবে পুথি-প্ৰদৰ্শনী উদ্বোধন কৰে, আৰু দ্বিতীয় দিনা সন্ধিয়া শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধুৰীৰ সভাপতিত্বত সঙ্গীত শাখাৰ অধিবেশন বহে। এই সন্মিলনত নিয়মাৱলীৰ আসাম সাহিত্য সভা (Assam Sahitya Sabha) নামৰ সলনি **অসম সাহিত্য সভা** ( Asom Sahitya Sabha ) কৰা হয়। অধিবেশনত শ্ৰীযুত ডিম্বেশ্বৰ নেওগ, এম-এ, বি-টিদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। নতুন বছৰত অসমীয়া শিশু বিশ্বকোষ, অসম সাহিত্য সভাৰ বুৰঞ্জী, বুদ্ধদেৱৰ বাণী আদি পুথি ৰচনাৰ আঁচনি কৰা হয়। **বিংশ অধিবেশন** ১৯৪৭ চনৰ ৪।৫।৬ এপ্ৰিলত বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনদেৱৰ সভাপতিত্বত ডিব্ৰুগড়ত বহে। সুসাহিত্যিক ৺বেণুধৰ ৰাজখোৱাদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। বুৰঞ্জী শাখাৰ সভাপতি আছিল শ্ৰীযুত সৰ্ব্বানন্দ ৰাজকুমাৰ বি-এ, বিজ্ঞান শাখাৰ সভাপতি ৺জীৱনৰাম ফুকন এম-এছ-ছি, বি-এল আৰু সঙ্গীত শাখাৰ সভাপতি শ্ৰীযুত কস্তামজী, আই-ছি-এছ্। শ্ৰীযুতা ৰত্নকুমাৰী ৰাজখোৱানীয়ে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে। নতুন বছৰৰ কাৰণে শ্ৰীযুত মুক্তানাথ বৰুৱা, বি-এদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। মাৰ্ঘেৰিটাত ১৯৫০ চনৰ মাৰ্চ্চৰ ১১।১২ তাৰিখে শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধুৰীদেৱৰ সভাপতিত্বত **একবিংশ অধিবেশন** বহে। শ্ৰীযুত বিপিন কুমাৰ বৰগোহাঁই, এম-এ, বি-এলদেৱ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, বি-এদেৱ কৃষি শাখাৰ সভাপতি আছিল। এই অধিবেশনত অসমৰ ৰাজ্যিক ভাষা অসমীয়া হব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। নতুন বছৰৰ কাৰণে শ্ৰীযুত কেশৱ নাৰায়ণ দত্ত, এম-এ, বি-এলদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। **দ্বাবিংশ অধিবেশন** ১৯৫৩ চনৰ ৮।৯ নৱেম্বৰত শ্বিলঙৰ পাইন মাউণ্ট স্কুলৰ ওচৰৰ খেল-পথাৰৰ সভামণ্ডপত ডঃ সূৰ্য্যকুমাৰ ভূঞা, এম-এ, বি-এল, পি-এইচ-ডি ডি-লিট (এতিয়া পদ্মশ্ৰী) দেৱৰ সভাপতিত্বত বহে। সেই সময়ৰ অসমৰ ৰাজ্যপাল শ্ৰীযুত জয়ৰাম দাস দৌলতৰামদেৱে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে। প্ৰথম দিনা দুপৰীয়া মুখ্য মন্ত্ৰী শ্ৰীযুত বিষ্ণুৰাম মেধিয়ে মূল সভা উদ্বোধন কৰে আৰু সন্ধিয়া বিধান সভাৰ অধ্যক্ষ শ্ৰীযুত কুলধৰ চলিহা, বি-এলদেৱৰ সভাপতিত্বত সাংস্কৃতিক সভা বহে। দ্বিতীয় দিনা পুৱা শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ পৌৰোহিত্যত বুৰঞ্জী শাখা আৰু তাৰ পিচতে অধ্যক্ষ ৰেভাৰেণ্ড বি এম পিউৰ সভাপতিত্বত বিজ্ঞান শাখাৰ অধিবেশন বহে। সন্ধিয়া এখন সঙ্গীত অনুষ্ঠানৰো আয়োজন কৰা হৈছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল বিত্ত-মন্ত্ৰী শ্ৰীযুত মতিৰাম বৰা, বি-এলদেৱ। উল্লেখযোগ্য যে সম্পাদকীয় প্ৰতিবেদন এই অধিবেশনত গৃহীত হোৱা নাছিল। নতুন বছৰৰ কাৰণে শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা, এম-এ, বি-এল, বি-টিদেৱ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। নতুন সম্পাদকে ঘৰুৱা বেমেজালি দূৰ কৰি থাই কাৰ্য্যালয় কৰ্ম্মমুখৰ কৰি আৰু বিভিন্ন ন্যাস-পুঁজি আৰু ডাকঘৰৰ টকা উদ্ধাৰ কৰি সভাৰ প্ৰতি ৰাইজৰ বিশ্বাস ঘূৰাই আনে। ১৯৫৩ চনত শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ পঞ্চম গ্ৰন্থ 'লৱকুশৰ যুদ্ধ' প্ৰকাশ কৰা হয়। ১৯৫৪ চনৰ ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰি (১৯৫৫) তাৰিখে কবি শ্ৰীযুতা নলিনী বালা দেৱীৰ সভাপতিত্বত অসম সাহিত্য সভাৰ



**ত্ৰয়োবিংশ অধিবেশন** বহে। প্ৰথম দিনা পুৱা শ্ৰীযুত মহাদেৱ শৰ্ম্মা, বি-এলদেৱে পুথি প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে আৰু তাৰ পিচতে উপশিক্ষাধিকাৰ শ্ৰীযুত সুৰেশ চন্দ্ৰ ৰাজখোৱা, এম-এ, এম-এড্ (এডুকেছন) দেৱৰ পৌৰোহিত্যত বুৰঞ্জী শাখাৰ অধিবেশন বহে। সন্ধিয়া এখন মৌ-মেলৰ আয়োজন কৰা হৈছিল দ্বিতীয় দিনা পুৱা শিক্ষাধিকাৰ ডঃ হিৰণ্য চন্দ্ৰ ভূঞাৰ সভাপতিত্বত বিজ্ঞান শাখাৰ সভা বহে। সন্ধিয়া ৰাম-বিজয় নাটৰ ভাওনা কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৰায়বাহাদুৰ শ্ৰীযুত ৰাধানাথ ফুকন, এম-এ, বি-এলদেৱ। অধ্যাপক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৫৫ চনত ত্ৰয়োবিংশ অধিবেশনৰ সম্পূৰ্ণ কাৰ্য্যবিৱৰণী থকা "অসম সাহিত্য সভা বাৰ্ষিকী ( প্ৰথম খণ্ড ), অসম সাহিত্য সভাৰ ভাষণাৱলী ( প্ৰথম খণ্ড ), আৰু ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱৰ 'বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা' ( প্ৰথম ভাগ ) প্ৰকাশ হয়। অসম সাহিত্য সভাৰ **চতুৰ্ব্বিংশ অধিবেশন** গুৱাহাটীৰ অসম কংগ্ৰেছ ভৱনৰ ( হেদায়েৎপুৰ ) প্ৰাঙ্গণত ১৯৫৫ চনৰ ২৬।২৭ ডিচেম্বৰত কবি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা-দেৱৰ সভাপতিত্বত সুসম্পন্ন হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ন্যায়াধীশ শ্ৰীযুত হলীৰাম ডেকা, এম-এ, বি-এলদেৱ। প্ৰথম দিনা পুৱা বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনদেৱে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে। সন্ধিয়া শ্ৰীযুত মিত্ৰদেৱ মহন্তদেৱৰ পৌৰোহিত্যত সাংস্কৃতিক অধিবেশন বহে। দ্বিতীয় দিনা পুৱা ডঃ ৰোহিণীকান্ত বৰুৱা, এম-এছ-ছি, পি-এইচ-ডিদেৱৰ সভাপতিত্বত বিজ্ঞান শাখা আৰু সন্ধিয়া ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, এম-এ, বি-এল, পি-এইচ-ডিদেৱৰ সভাপতিত্বত বুৰঞ্জী শাখাৰ অধিবেশন বহে। প্ৰথম দিনা মূল সভাত ভাৰত চৰকাৰৰ সাহিত্য একাডেমিৰ সচিব শ্ৰীযুত প্ৰভাকৰ মাচুৱেদেৱে এটা বক্তৃতা দিছিল। নতুন বছৰৰ কাৰণে অধ্যাপক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়।

স্বৰূপতে অসম সাহিত্য সভা ১৯১৭ চনত স্থাপিত হৈছিল। কিন্তু মাজে সময়ে বাৰ্ষিক অধিবেশন পাতিব নোৱাৰাৰ কাৰণে অসম সাহিত্য সভাৰ যোৱা ধুবুৰী অধিবেশন পঞ্চবিংশ অধিবেশন হব। দ্বিতীয় মহাসমৰৰ আগতে নিয়মতন্ত্ৰৰ ফালৰপৰা ঘন ডাৱৰে আৱৰি ধৰিলে। ১৯৪২ চনত বতৰ ফৰকাল হ'ল, কিন্তু মহাসমৰৰ সময়ত সভা-ঘৰৰ দুৱাৰ বন্ধ কৰিবলগীয়া হোৱাৰ কাৰণে কাৰ্য্যৰ গতি মন্থৰ হবলৈ ধৰিলে। মহাসমৰৰ পাছত কোনো এজন প্ৰধান সম্পাদকৰ বিৰুদ্ধে অভিযোগ তুলি আদালতৰ সহায় লবলগীয়া হৈছিল, আৰু এজন সম্পাদকৰ দিনত সভাৰ পুঁজি পৰিকল্পনাহীনভাৱে খৰচ হল। কিন্তু এতিয়া সেই বেমেজালি দূৰ হৈছে; সভাৰ প্ৰতি ৰাইজৰ বিশ্বাস ঘূৰি আহিছে আৰু ঠায়ে ঠায়ে সাহিত্য সভাৰ শাখা খোলাৰ আগ্ৰহ দেখা হৈছে। সভাৰ এনে উন্নতিৰ দিনত এসময়ৰ প্ৰধান সম্পাদক ৺শৰৎ চন্দ্ৰ গোস্বামী, সহকাৰী সম্পাদক শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা ডাঙৰীয়া, পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী, শ্ৰীযুত পূৰ্ণানন্দ পাঠক আদিৰ নাম স্মৰণ কৰিব লাগিব যিসকলে অসম সাহিত্য সভাক তুলি তালি ডাঙৰ দীঘল কৰিলে। এই ক্ষণত, যি গৰাকী পুৰুষে সভাক ভৱন নিৰ্ম্মাণ কৰিবৰ কাৰণে যথেষ্ট দান দি গ'ল আৰু পুত্ৰৰ স্মৃতিৰ অৰ্থে যুগমীয়া ন্যাস-পুঁজি সভাৰ হাতত দিলে সেই দানবীৰ ৺ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ নাম শ্ৰদ্ধাৰে স্মৰণ কৰিব লাগিব।

# অসম সাহিত্য সভাৰ গ্ৰন্থ প্ৰকাশ

**শ্ৰীযুত হৰিচন্দ্ৰ ভট্টাচাৰ্য্য এম-এ**

অসম সাহিত্য সভা ১৯১৭ চনত স্থাপিত হয় যদিও ইয়াৰ নিজা প্ৰকাশ কাৰ্য্য আৰম্ভ হয় ভালেমান বছৰ পাছৰপৰাহে। সেই সময়ত অসমত প্ৰকাশিত দৈনিক বাতৰি কাকত নাছিল। আলোচনী আদিৰ সংখ্যাও কম আৰু সিও অনিয়মীয়া আছিল। সভাৰ নিজা প্ৰকাশ বিভাগ নাছিল। এনেবোৰ কাৰণত অঃ সাঃ সভাৰ প্ৰথম কেই বছৰমানৰ কাৰ্য্যাৱলী, ভাষণ, বক্তৃতা আদি যে কালৰ গৰাহত জাহ যাবলগীয়া হৈছিল তাক এনেয়ে ধৰিব পাৰি। লগতে সেই সময়ৰ প্ৰবীণ অসমীয়া সাহিত্যিক গৱেষকসকলৰ সাহিত্যিক বৰঙণি প্ৰকাশৰ অভাৱতেই তুলাপাত খনচেৰেকতে ভূমুকিয়াই তাতেই যে লীন হৈ গৈছে তাকো সহজে অনুমান কৰিব পাৰি। এই অভাৱ দূৰ কৰিবৰ উদ্দেশ্যেৰে সাহিত্য-সম্পদ সাহিত্যিক পৰিবেশৰ মাজতে নিগাজিকৈ ৰখাৰ উপায় ভাবি ১৯২৬ চনত অসম সাহিত্য সভা পত্ৰিকা উলিওৱা হয়। তেতিয়াৰপৰাহে এই অনুষ্ঠানৰ স্বকীয়া অস্তিত্ব এটা ৰক্ষণৰ ভাল দিহা হয়।

**চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস-সমিতি**—শোকতেই কাব্যৰ প্ৰথম উদ্ভৱ হোৱাৰ দৰে অসম সাহিত্য সভাৰো প্ৰকাশ কাৰ্য্যৰ প্ৰথম উদ্ভৱ শোকতেই হোৱা বুলি কলেও ভুল নহয় যেন পাওঁ। ১৯২৩ চন। ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্ত নামেৰে দুটিকৈ ল'ৰা একে বছৰতে অগা-পিচাকৈ মৃত্যুৰ মুখত পৰে। বিষাদৰ ক'লা ছাঁই অসম আকাশ ছানি পেলালে, পুত্ৰশোকত পিতৃ অধীৰ হৈ পৰিল। কিন্তু উদাৰচেতীয়া সাহিত্যানুৰাগী সন্দিকৈ ডাঙৰীয়াৰ কৰুণ বিননি অইন পিনে নগৈ চিৰচেনেহী দুখুনী ভাষাজননীৰ বেদীৰ পিনে ঢাল খাই আহিল। দানবীৰে নিমিষতে ডেৰকুৰি হাজাৰকৈ গাঁথিৰ ধন মাতৃভাষাৰ সমৃদ্ধিৰ অৰ্থে আগবঢ়ালে। অঃ সাঃ সভাৰ যোগেদি 'চন্দ্ৰকান্ত ন্যাস সমিতি' গঠন হল। দাতাৰ ইচ্ছামতে ইয়াৰ ১৫০০০৲ (পোন্ধৰ হাজাৰ) টকাৰে যোৰহাটত 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' হল আৰু বাকী পোন্ধৰ হাজাৰ টকাৰে **'চন্দ্ৰকান্ত অভিধান'** নাম দি এখন অসমীয়া শব্দৰ অভিধান প্ৰকাশ কৰিবলৈ থিৰ কৰা হল। ইয়াৰ সংকলন কাৰ্য্য ১৯২৪ চনত আৰম্ভ হয় আৰু প্ৰায় ছয়ত্ৰিশ হাজাৰৰো ওপৰ শব্দৰ সম্ভাৰ লৈ ১৯৩৩ চনত এই বৃহৎ অভিধান প্ৰকাশিত হৈ ৰাইজৰ আগত দেখা দিয়ে। ই অসমীয়া ভাষাৰ তৃতীয় অভিধান। প্ৰায় প্ৰতিটো শব্দৰে ইংৰাজী প্ৰতিশব্দ দি, মূল উৎপত্তি স্থান দেখুৱাই আৰু ভিন্ ভিন্ সম্ভাব্য অৰ্থবোৰ সন্নিৱেশ কৰি ইয়াক যিমান দূৰ পৰা যায় বৈজ্ঞানিক প্ৰণালীত যুগুত কৰা হৈছে। বৰ্ত্তমান এই অভিধানৰ আহল-বহল দ্বিতীয় সংস্কৰণৰ সম্পাদন আৰু প্ৰকাশ অঃ সাঃ সভা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুটীয়া তত্ত্বাৱধানত হব ধৰিছে।

**কমলাদেৱী ন্যাস-সমিতি** — গোলাঘাট মহকুমাৰ মাহৰা সত্ৰৰ ৺ৰাধানাথ গোস্বামীদেৱে তেওঁৰ মাক ৺কমলা দেৱীৰ সোঁৱৰণিৰ বাবে কিবা সুব্যৱস্থা কৰিবলৈ বুলি ১৯২৩ চনত অঃ সাঃ সভাৰ নামে দুহেজাৰ টকাৰ দান এটা আগবঢ়ায়। সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ মত অনুসৰি এই টকাখিনি অসমীয়া শিশু সাহিত্যৰ উন্নতিৰ হকে খৰচ কৰিবলৈ বুলি সিদ্ধান্ত কৰি 'কমলা দেৱী স্মাৰক নিধি' স্থাপন কৰা হয়। প্ৰথম বছৰত এই ন্যাস-নিধিৰপৰা শিশুৰ উপযোগীকৈ গদ্য মহাভাৰত এখনি প্ৰকাশৰ কথা ভাবি ২৫০৲ (দুশ পঞ্চাশ) টকাৰ এটা বঁটা ঘোষণা কৰা হয়। প্ৰতিযোগিতাত শ্ৰীযুত যোগেশ্বৰ শৰ্ম্মাদেৱে লিখা **কথা-মহাভাৰত** সৰ্ব্বোৎকৃষ্ট গ্ৰন্থ বুলি বিবেচিত হয় আৰু লিখকে এই পুৰস্কাৰ লাভ কৰে। ই প্ৰকাশ হয় ১৯২৫ চনত। মূল মহাভাৰতত থকাৰ দৰে 'আদিপৰ্ব্ব'ৰপৰা আৰম্ভ কৰি 'স্বৰ্গাৰোহণ পৰ্ব্ব'ত ইয়াৰ ৰচনা শেষ কৰা হৈছে। এই পুথিৰ ভাষা সৰল আৰু লিখাৰ ভঙ্গী শিশুৰ উপযোগী।

এই ন্যাস-নিধিৰপৰা দ্বিতীয় গ্ৰন্থ প্ৰকাশৰ দিহা কৰি মণিৰাম দেৱান, মোমাইতামুলী বৰবৰুৱা আৰু মহাৰাজ নৰনাৰায়ণ—এই তিনিজনা বুৰঞ্জীপ্ৰসিদ্ধ পুৰুষৰ জীৱনী সংগ্ৰহৰ বাবে ৫০৲ (পঞ্চাশ) টকাকৈ বঁটা ঘোষণা কৰা হৈছিল। দুখৰ বিষয় প্ৰথমজনাৰ বিষয়ে লিখোতা কোনো ওলালেই হেনো। দ্বিতীয়জনাৰ বাবে ৰচনা পোৱা হৈছিল, কিন্তু সি বাছনিত নুঠিল। তৃতীয়জনাৰ বিষয়ে শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱাদেৱে লিখা **'মহাৰাজ নৰনাৰায়ণ'** গ্ৰন্থ উত্তম বুলি পৰিগণিত হল আৰু শ্ৰীবৰুৱাদেৱে এই বঁটা লাভ কৰিলে। ইয়াৰ প্ৰথম প্ৰকাশ হয় ১৯২৬ চনত। উপন্যাস বা সাধুকথাত থকাৰ দৰে কল্পনাৰ সোণালী ৰহণে জীৱনী ৰচনাৰ মূল নীতি ৰক্ষাত বহু ক্ষেত্ৰত হেঙাৰ দি ধৰা দেখা যায়। শ্ৰীযুত বৰুৱাদেৱে বিশেষ সতৰ্কতাৰে এই হেঙাৰ ওকোৰাই পেলোৱাত ভালেখিনি কৃতকাৰ্য্য হৈছে। সেয়েই ইয়াত সেই সময়ৰ অসম বুৰঞ্জীৰ হুবহু ছাঁ এটা বিৰিঙি উঠা আমি দেখিবলৈ পাওঁ। লিখকৰ জতুৱা ঠাঁচৰ চিক্‌মিকনিয়ে 'মহাৰাজ নৰনাৰায়ণ'ৰ জেউতি চৰাইছে।

**নৰদেৱ ন্যাস-সমিতি**—পুৰণি সাহিত্য পাৰিজাতৰ মোকোঁহ উদ্ধাৰৰ বাবে দক্ষিণপাট সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভুৱে ১৯২৬ চনত ৫০০০৲ (পাঁচ হাজাৰ) টকাৰ দান এটা অঃ সাঃ সভালৈ আগবঢ়ায়। দাতাৰ উদ্দেশ্য—পুৰণি সংস্কৃত বা অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ উদ্ধাৰ কৰি প্ৰকাশ কৰিব লাগে। এই ন্যাস-সমিতি ১৯২৬ চনত স্থাপিত হয় আৰু ১৯২৩ (?) চনত ৺শৰৎচন্দ্ৰ গোস্বামীদেৱৰ সম্পাদনাত নীলকণ্ঠ দাস কৃত **শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ** প্ৰকাশিত হয়। এই পুথিৰ ৰচনা কাল অষ্টাদশ শতিকাৰ আগ ভাগ বুলি অনুমান কৰা হৈছে। অনুসন্ধানকাৰীৰ পঢ়াৰ সুবিধাৰ বাবে সম্পাদকে বৰ যত্ন কৰি কেবা ৰকমৰ পাঠান্তৰ দি পুথিখনিৰ কেবাটাও সংস্কৰণ থকাৰ ইঙ্গিত দিছে। পুঁজিৰ দাতা প্ৰভুদেৱৰ নিজ ইচ্ছা অনুসৰিয়েই এই পুথি প্ৰকাশ কৰা হৈছিল। (দুৰ্ভাগ্যক্ৰমে ইয়াৰ প্ৰকাশ নৌহওঁতেই তেখেত স্বৰ্গী হয়)।

এই ন্যাস-নিধিৰপৰা প্ৰকাশ হোৱা দ্বিতীয় পুথি হৈছে ৰমাকান্ত দাস প্ৰণীত **'শ্ৰীশ্ৰীবনমালী দেৱৰ চৰিত্ৰ'**। কোনো কোনো ঠাইত দুই চাৰিটা বিবাদ-বিতৰ্কমূলক কথা প্ৰকাশ হোৱাৰ বাবে এই দুয়ো খন পুথিৰে প্ৰচাৰ বৰ্ত্তমানে বন্ধ ৰখা

হৈছে। অল্পতে ২য়খনৰ সংশোধিত তাঙৰণ উলিওৱা হৈছে। ইয়াৰ তৃতীয় প্ৰকাশৰ পুথি বলৰাম দ্বিজ প্ৰণীত **'ব্ৰহ্ম বৈৱৰ্ত্তপুৰাণ'**। প্ৰকাশ কাল ১৯৩৩ চন। সম্পাদক ৺দেৱেশ্বৰ চলিহা। চতুৰ্থ পুথি ৺বামেশ্বৰ বৰুৱা আৰু ৺শৰৎচন্দ্ৰ গোস্বামীৰ সম্পাদনাত ওলোৱা **'সাত্বত তন্ত্ৰ'**। ইয়াৰ প্ৰকাশ হয় ১৯৪৩ চনত। প্ৰায় বাৰ বছৰৰ পাছত এই নিধিৰ পঞ্চম প্ৰকাশ হৈছে **'লৱকুশৰ যুদ্ধ'**—সম্পাদক ডক্টৰ শ্ৰীযুত মহেশ্বৰ নেওগ। ইয়াত এই পুথিৰ আৰু 'বভ্ৰুবাহনৰ যুদ্ধ'ৰ ৰচক হৰিহৰ বিপ্ৰ বুলিয়েই অতদিনে ধৰি লোৱা প্ৰাক্-শঙ্কৰী যুগৰ কবিজনক সম্পাদকে হৰিবৰ বিপ্ৰ বুলি যুক্তিৰে ঠাৱৰ কৰিছে। পুথিখনৰ পৰিচালক ৰূপে সম্পাদকে ইংৰাজীত লিখা দীঘল পাতনি ( Introduction ), বৈজ্ঞানিক ধৰণৰ শব্দ নিৰ্দ্দেশিকা, পাঠান্তৰ অঃ সাঃ সভাৰ বৰ্ত্তমান সম্পাদক শ্ৰীযুত হাজৰিকাদেৱৰ "নিবেদন" আদি শিৰত লৈ ই বাইজৰ সমুখত দেখা দিছে। পুৰণি সাঁচিপতীয়া পুথিৰ পৰা সংগ্ৰহ কৰি ৰংচৰীয়াকৈ ছপোৱা যুদ্ধৰ ছবি এখনিয়েও ইয়াৰ অঙ্গ-সৌষ্ঠৱ বঢ়াইছে। প্ৰাক্-শঙ্কৰী যুগৰ এনে এখনি লুপ্ত-প্ৰায় উৎকৃষ্ট পুথি সুসম্পাদিত হৈ প্ৰকাশ হোৱাটো অতিকৈ আনন্দৰ বিষয়।

**অসম সাহিত্য সভা পত্ৰিকা**ঃ—কোনো এটা অনুষ্ঠানৰ সম্পৰ্কত গঢ়ি উঠা সক ডাঙৰ সকলোবোৰ কথাৰে সময়ত একান্তত আৱশ্যক হয়। অঃ সাঃ সভা সম্বন্ধে এনেটো ভাবৰ প্ৰথম ভুমুকটো ওলায় ১৯২৫ চনত। এই চনত নগাৱত বহা অঃ সাঃ সভাৰ অধিবেশনত এই বিষয়ে এই প্ৰস্তাৱটো গৃহীত হৈছিল—

"এই সম্মিলনে সিদ্ধান্ত কৰে যে ইংৰাজী ১৯২৫ চনৰ ভিতৰত সাহিত্য সভাৰ মুখপত্ৰ এখন তিনিমহীয়া কাকত প্ৰকাশ হব লাগে। এই অৰ্থে যাবতীয় কাম কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সভাক ভাৰ দিয়া হয়।"

এই প্ৰস্তাৱৰ ফলৰূপেই ১৯২৬ চনৰ শেষ ভাগত **'অসম সাহিত্য সভা পত্ৰিকা'**ৰ ১ম বছৰৰ ১ম সংখ্যা কাকত প্ৰকাশ হয়; সম্পাদক শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন। এই সংখ্যাৰ আৰম্ভণিত সম্পাদকে 'সম্পাদকৰ নিবেদন'ত কাকত আৰু সভাৰ বৰঙণিৰ কথাকেই ঘনাই ঘনাই গ্ৰাহকসকলৰ ওচৰত এই বুলি জনাইছে—"সাহিত্য সভাত যিসকল সভ্যই বছৰি চাৰি টকা বা তাৰ ওপৰত বৰঙণি দিব তেখেত সকলক এই কাগজ বিনামূল্যে দিয়া হব ··· বছৰি চাৰি টকা দি সভ্য হলেই সাহিত্য সভা আৰু এই কাগজ উভয়কে একেলগে সহায় কৰা হব···।" তেতিয়াৰ সভাত সম্পাদক ৺শৰৎচন্দ্ৰ গোস্বামীদেৱেও ইয়াত প্ৰকাশ কৰা অষ্টম বছৰৰ কাৰ্য্য-বিৱৰণীৰ এই একে সুৰতেই ৰাইজলৈ গোহাৰি জনাইছিল। অৰ্থ-সঙ্কটৰ পিনে কটাক্ষ নকৰি এই সাহিত্য সেৱকসকলে কিদৰে সাহিত্যৰ সমৃদ্ধি আৰু প্ৰচাৰৰ নিমিত্তে একাণপতীয়া চেষ্টা কৰি বুকুত সাহ বান্ধি লৈ আগবাঢ়িছিল মন কৰিবলগীয়া কথা। এই কাকতৰ ১ম, ২য়, ৩য় আৰু ৬ষ্ঠ বছৰৰ সম্পাদক শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, সাহিত্যৰত্ন; ৪ৰ্থ বছৰৰ সম্পাদক আছিল শ্ৰীযুত দেবানন্দ ভৰালী, ৫ম বছৰৰ সম্পাদক শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক, ৯ম আৰু ১০ম বছৰৰ সম্পাদক ৺বামেশ্বৰ বৰুৱা, ৭ম, ৮ম আৰু ১১শ বছৰৰ সম্পাদক শ্ৰীযুত ডিম্বেশ্বৰ নেওগ। যোৱা মহাসমৰৰ ধোঁৱা কোৱাৰ উকমুকনিত মাজে সময়ে কাকতখনে বাট নেদেখা হৈ থকা-খুন্দা খাই বিতত হব-লগীয়া হৈছিল আৰু বাৰেবাংকৰা খেলিমেলিৰ



মাজত পৰি কেতিয়াবা টিপ্ মাৰি অপ্ৰকাশিত অৱস্থাতে লুকাই থাকিবলগীয়া হৈছিল। সি যি কি নহওক ১৯৫২ চনৰ অঃ সাঃ সভাৰ সম্পাদক শ্ৰীযুত কেশৱনাৰায়ণ দত্ত দেৱৰ সম্পাদনাত পুনৰ কাকতখনৰ "নতুন প্ৰকাশ" আৰম্ভ হয়। এই-দৰে দুবছৰ গল। সম্মিলনৰ শ্বিলং অধিবেশনত অন্যান্য বিষয়বীয়াৰ লগত পত্ৰিকাৰ সম্পাদকৰো নব নিৰ্ব্বাচন হল; এই বছৰৰ সম্পাদক শ্ৰীযুত ৰজনী কান্ত দেৱশৰ্মা। পঞ্জিকাৰ বছৰৰ লেখৰপৰা নহয় যদিও পত্ৰিকা-প্ৰকাশৰ বছৰৰ গণনা ধৰি ১৯৫৪ চনত ইয়াৰ ত্ৰয়োদশ বছৰ আৰম্ভ হয় আৰু নবনিৰ্ব্বাচিত সম্পাদকৰ নতুন প্ৰেৰণাত ই প্ৰকাশ পায়। ১৪শ বছৰৰ সম্পাদক শ্ৰীযুত প্ৰেমধৰ ৰাজখোৱা। ১৫শ বছৰৰ বাবে শ্ৰীযুত ৰজনীকান্ত দেৱশৰ্ম্মাদেৱেই পুনৰ সম্পাদক নিৰ্বাচিত হৈছে। চলিত বছৰৰ এই শেষৰ সংখ্যা কাকত সভাৰ ৰূপালী জয়ন্তী উপলক্ষে বিশেষ সংখ্যাৰূপে প্ৰকাশৰ দিহা কৰা হৈছে।

ওপৰত উল্লেখ কৰামতে ন্যাস-নিধিবোৰৰ যোগেদি প্ৰকাশ পোৱা আৰু পত্ৰিকা প্ৰকাশৰ ব্যৱস্থাৰ উপৰিও এই সভাৰ জৰীয়তে মাজে-সময়ে আৰু দুইচাৰিখন আৱশ্যকীয় পুস্তক-পুস্তিকাদিও প্ৰকাশ হৈছে। ৺দণ্ডিনাথ কলিতা দেৱৰ 'সাধনা উপন্যাস' অঃ সাঃ সভাৰ প্ৰেৰণাতেই ৰচিত। ই অসমীয়া উপন্যাস-ক্ষেত্ৰৰ আদি ছোৱাৰে এক বিশেষ সম্পদ। ১৯২৭ চনত লিখকে ইয়াৰ বাবে সাঃ সভাৰপৰা ৩০০৲ তিনিশ টকাৰ পুৰস্কাৰ লাভ কৰিছিল। **"বিজ্ঞানৰ পৰিভাষা"** ইয়াৰ অইন প্ৰকাশ। ১৯৫৩ চনত সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অনুৰোধক্ৰমে সম্পাদক শ্ৰীকেশৱ নাৰায়ণ দত্তদেৱে *'A Brief History of the Association and its work* ( 1917—1953 ) নামেৰে ইংৰাজীত এখন পুস্তিকা যুগুত কৰে আৰু শ্বিলং অধিবেশনৰ লগে লগে প্ৰকাশ হয়। অঃ সাঃ সভা সম্বন্ধীয় জানিব-লগীয়া অথচ দিনক দিনে কালৰ গৰাহত লোপ হৈ আহিব ধৰা ভালেমান বহুমূলীয়া তথ্য-পাতি সম্পাদকে সযতনে সংকলন কৰি সম্পাদন কৰি উলিয়াইছে। ১৯৫০ চনৰ ১৬ জুলাইৰ দিনা সভাৰ যোগেদি 'ৰাজ্যিক ভাষা দিবস' বুলি দিন এটা গোটেই অসমত পালন কৰা হৈছিল; বিষয়টো লৈ তেতিয়া এখন প্ৰচাৰ-পত্ৰও ( *Bulletin on the All-Assam State Language Day Observance* ) প্ৰকাশ কৰি বিতৰণ কৰা হয়।

**প্ৰকাশ কাৰ্য্যৰ বিশেষ তৎপৰতা**—শ্বিলং অধি-বেশনত নকৈ নিৰ্ব্বাচিত হোৱা সম্পাদক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা আৰু কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ পৰিচালনাত ১৯৫৪—৫৬ চনৰ ভিতৰত আগতে কেবাবছৰেও নানা অথন্তৰত পৰি মৰামুজা হৈ থকা ন্যাস-নিধিবোৰ ঠন ধৰি উঠিছে। প্ৰকাশ-কাৰ্য্য বিবিধ ধাৰাত প্ৰৱাহিত হৈ পৰিছে। বছেৰেকীয়া অধিবেশন বোৰৰ ভাষণ, বক্তৃতা, আৰু অন্যান্য কাৰ্য্যাৱলীৰ বিতং বিৱৰণ থকা একোখনি বাৰ্ষিকী প্ৰকাশৰ নতুনকৈ দিহা কৰা হৈছে। ইতিমধ্যে হৈ যোৱা যোৰহাট অধিবেশন আৰু গুৱাহাটী অধিবেশনৰ কাৰ্য্যাৱলীৰ ( সভাৰ আদিৰেপৰা শেষলৈকে হোৱা সকলো কথাৰে ) বহল বিবৃতি লৈ দুখনি বাৰ্ষিকীয়ে দেখা দিছেই—**অসম সাহিত্য সভা বাৰ্ষিকী** (১ম ভাগ ) ( ২য় ভাগ ), সম্পাদক—শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা। **বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা** নামৰ অইন এখনি পুস্তিকাও এই সময়তেই প্ৰকাশ হৈছে। সংকলন আৰু সম্পাদন কৰোতা ডাঃ

সূৰ্য্যকুমাৰ ভূঞা। ভিন ভিন আলোচনী আদিৰ পাতত অৱহেলিত ভাবে সিঁচৰতি হৈ পৰি থকা বুৰঞ্জীমূলক প্ৰবন্ধবোৰ সম্পাদকে একেলগ কৰি এইদৰে প্ৰকাশৰ বাট মোকোলাই দিয়াত উচ্চ শিক্ষাৰ্থীসকলৰ বাবে ই এখনি আপুৰুগীয়া প্ৰকাশ হৈছে। প্ৰবন্ধবোৰৰ লগে লগে তাৰ লিখক, আলোচনীৰ নাম আৰু সংখ্যা আদিৰো উল্লেখ কৰা হৈছে। **ভাষণাৱলী** ( ১ম খণ্ড ) এই কাল-ছোৱাৰ ভিতৰতে হৈ উঠা উৎকৃষ্ট প্ৰকাশ। অঃ সাঃ সভাৰ প্ৰথম অধিবেশনৰপৰা আৰম্ভ কৰি বাৰখন অধিবেশনৰ মূল সভাৰ সভাপতিসকলৰ বহুমূল্য দুষ্প্ৰাপ্য ভাষণসমূহ সভাপতিসকলৰ জীৱন টোকা আৰু আন আৱশ্যকীয় বিষয় সংকলন কৰি ইয়াক প্ৰকাশ কৰাত ই এক সুবৃহৎ সংগ্ৰহ হৈ উঠিছে আৰু সভাৰ প্ৰকাশ বিভাগৰ স্তম্ভৰূপে শিৰ তুলি থিয় দিছে। সম্পাদক—শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা। ১৯৫৫ চনত অসমলৈ অহা ৰাজ্য পুনৰ্গঠন সমিতিৰ আগত অসমৰ সুসংগঠনৰ বাবে উঃ পূঃ সীঃ অঞ্চল, কোচবিহাৰ, জলপাই-গুড়ি, দাৰ্জ্জিলিং, ত্ৰিপুৰা আৰু মণিপুৰ অন্তৰ্ভুক্ত কৰিবলৈ আবেদন জনাই সভাৰ পক্ষৰপৰা এখন ইংৰাজীত লিখা স্মাৰকপত্ৰ পুস্তিকাৰ আকাৰত প্ৰকাশ কৰা হয়—'*Assam's case before the States Reorganisation Commission, mainly from the historical, cultural and linguistic view points.*' ১৯৫৬ চনৰ ৯ জুন তাৰিখে **নেফাত অসমীয়া ভাষা দিবস** পালন সম্বন্ধেও এখন সৰু পুস্তিকা সভাৰ পক্ষৰপৰা প্ৰকাশ কৰি জনমত গঠনৰ বাবে বিতৰণ কৰা হয়। এই কেই বছৰৰ ভিতৰত প্ৰকাশিত হোৱা এইবোৰ পুস্তক-পুস্তিকা, প্ৰচাৰ-পত্ৰ আদিৰ উপৰিও বৰ্ত্তমানে প্ৰকাশৰ বাবে কেবা ৰকমৰ পুথিৰ সংকলন আৰু লিখনব্যৱস্থা লোৱা হৈছে আৰু নতুন নতুন আঁচনি গ্ৰহণ কৰা হৈছে। অদূৰ ভৱিষ্যতত ই নিশ্চয় কাৰ্য্যত ফলিয়াব বুলি আশা কৰিব পাৰি।

**কমলাদেৱী ন্যাস-সমিতি**—তৃতীয় বছৰত "ৰাজস্থানৰ গল্প সংগ্ৰহৰ" বাবে ২৫০৲ ( দুশ পঞ্চাশ ) টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল আৰু এই পুৰস্কাৰ শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে **'ৰাজস্থানৰ গল্প'** সংগ্ৰহ কৰি লাভ কৰে। বৰুৱা দেৱে এই ন্যাস সমিতিৰ দ্বিতীয় বছৰ পুৰস্কাৰো 'মহাৰাজ নৰনাৰায়ণ' লিখি লাভ কৰিব পাৰিছিল যেতিয়া ইয়াৰ দ্বাৰা লিখকৰ শিশু-সাহিত্যত পৈণত হাতৰ বঢ়িয়া পৰিচয় পোৱা গৈছে।

ইয়াত পাছত বিজ্ঞান বিষয়ক গল্পৰ বাবে সাহিত্য সভাই ২০০৲ ( দুশ ) টকাৰ পুৰস্কাৰ এটা ঘোষণা কৰে আৰু শ্ৰীযুত ৰোহিণীকান্ত বৰুৱা দেৱে **'বিজ্ঞানৰ সাধু'** লিখি এই পুৰস্কাৰ ১৯৩৬ চনত লাভ কৰে। এই কিতাপ প্ৰকাশ হয় ১৯৪৩ চনত। ইয়াত গ্ৰহ, নক্ষত্ৰ, উদ্ভিদ, পশু-পক্ষী আদি বিষয়ৰ উপৰিও আধুনিক যান্ত্ৰিক যুগৰ টেলিফোন, আকাশীৰথ, বাণিজ্য আদি বিজ্ঞান সম্বন্ধীয় আৱশ্যকীয় বিষয় কিছুমানো এনে সৰল সুন্দৰ-ভাবে আলোচনা কৰা হৈছে যে সেইবোৰ বিজ্ঞানৰ সাধু যেনেই হৈ পৰিছে।

১৯৩৪ চনত অঃ সাঃ সভাৰ মঙলদৈ অধিবেশনত অসমৰ মহৎ লোকসকলৰ এলানি শিশুপাঠ্য চৰিতাৱলী লিখাই কম মূল্যত প্ৰকাশ কৰিবৰ কাৰণে যুগুত ব্যৱস্থা কৰিবলৈ "কমলাদেৱী ট্ৰাষ্ট্ বোৰ্ড"ক এই সম্মিলনে বিশেষ অনুৰোধ কৰে। সেইমতে ১৯৩৬ চনত দহজন নিৰ্দ্দিষ্ট অসমীয়া কৃতী পুৰুষৰ শিশুপাঠ্য চমু জীৱন চৰিতৰ বাবে প্ৰতিযোগিতা



খুলি প্ৰতিটো মনোনীত জীৱনীৰ বাবে ২০৲ ( বিশ ) টকাকৈ পুৰস্কাৰ ঘোষণা কৰা হয়। এই ঘোষণা মতে ১৯৩৭ চনত শ্ৰীযুত দীননাথ শৰ্ম্মাদেৱে **সত্যনাথ বৰা** আৰু **হেমচন্দ্ৰ বৰুৱাৰ** জীৱনী যুগুত কৰে আৰু ১৯৪০ চনত এই দুয়োখনৰ বাবে লিখকে কুৰি টকাকৈ পুৰস্কাৰ লাভ কৰা বুলি অঃ সাঃ সভাই ঘোষণা কৰে। "সত্যনাথ বৰা" লগে লগে প্ৰকাশো হয়। কিন্তু "হেমচন্দ্ৰ বৰুৱা" নানা বেমেজালিত ১৯৫৪ চনত হে প্ৰকাশিত আকাৰত দেখা দিছে ( প্ৰকাশক শোণিতপুৰ সাহিত্য প্ৰকাশ ) ; "সত্যনাথ বৰাৰ" প্ৰকাশক—বৰকটকী কোম্পানি)। এই একেটা ন্যাস-সমিতিৰ প্ৰেৰণাত যুগুত আৰু প্ৰকাশ হোৱা অন্যান্য শিশুপাঠ্য কিতাপ আৰু কেবাখনো আছে : **"হেমচন্দ্ৰ গোস্বামী"**—লিখক শ্ৰীযুত দীননাথ শৰ্ম্মা, প্ৰকাশক—বাতৰি প্ৰেছ। **'লম্বোদৰ বৰা'**—লিখক শ্ৰীযুত জীৱন চন্দ্ৰ বৰুৱা ; প্ৰকাশক বি আৰ কলিতা, প্ৰকাশৰ সময় ১৯৫২ চন।

---

# অসম সাহিত্য সভাৰ বাহিৰে-ভিতৰে

**শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা**

### অসম সাহিত্য সভা ১৯৫৬-৫৭ চন

### কাৰ্য্যনিৰ্ব্বাহক সভাৰ ২য় অধিবেশন

স্থান—শিৱসাগৰ, কালিপ্ৰসাদ মেমৰিয়েল হল

সময়—১।১০।৫৬, ২।১০।৫৬ সোম আৰু মঙ্গলবাৰ সন্ধিয়া ৬ বজাৰ পৰা আৰু ৰাতিপুৱা।

উপস্থিত সভ্যসকল—শ্ৰীযুত ( সকল ) শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, বিশ্বনাৰায়ণ শাস্ত্ৰী, অতুলচন্দ্ৰ হাজৰিকা, পৰাগধৰ চলিহা, বিনন্দচন্দ্ৰ বৰুৱা, চৈয়দ আব্দুল মালিক, যতীন্দ্ৰনাথ গোস্বামী, প্ৰেমধৰ ৰাজখোৱা, হোমেশ্বৰ শৰ্ম্মা।

বিশেষভাৱে নিমন্ত্ৰীত হৈ ৰংপুৰ সাহিত্য সভাৰ সভাপতি শ্ৰীযুত পদ্মধৰ চলিহা আৰু সম্পাদক শ্ৰীযুত লীলা গগৈয়েও সভাত যোগদান কৰিছিল। উল্লেখযোগ্য যে সভাৰ আৰম্ভণিৰ পৰা শেষলৈকে ৰংপুৰ সাহিত্য সভাৰ হে এই দুগৰাকী সদস্যই অভ্যাগত সকলৰ সোধ-পোচৰ ভাৰ লৈছিল।

স্থায়ী সভাপতি শ্ৰীযুত দুৱৰাৰ অনুপস্থিতিত শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। সভাৰ কাম আৰম্ভ হোৱাৰ লগে লগে ৰংপুৰ সাহিত্য সভাৰ সভাপতি শ্ৰীযুত চলিহা দেৱে সভ্যসকলক এটি চমু আদৰণি ভাষণেৰে সম্ভাষণ জনায় আৰু সভাপতি শ্ৰীশ্ৰীমহন্তই প্ৰতিভাষণ জনাই ৰংপুৰ সাহিত্য সভাৰ শলাগ লয়।

( ১) জয়জয়তে সভ্যসকলে থিয় হৈ সভাপতিৰ আসনৰ পৰা দাঙি ধৰা তলত দিয়া শোক প্ৰস্তাৱটি গ্ৰহণ কৰে।

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ আজিৰ ( ১-১০-৫৬ তাৰিখ ) ৰংপুৰত বহা এই অধিবেশনে আজীৱন সেৱাব্ৰতী, অসমীয়া সাহিত্যৰ অন্যতম পৃষ্ঠপোষক, ৰাজনীতি ক্ষেত্ৰৰ অক্লান্ত কৰ্ম্মী সুবিজ্ঞ সৰবৰহী চিকিৎসক ডাক্তৰ ৺ভুবনেশ্বৰ বৰুৱাৰ, প্ৰবীণ আৰু স্বনাম পৰিচিত সাহিত্যিক ৺ধনাই বৰাৰ, পণ্ডিত ৺হেমচন্দ্ৰ

গোস্বামী দেৱৰ সুযোগ্যা পত্নী ৺বামাসুন্দৰী দেৱীৰ, উঠি অহা ডেকা কৃতী ইঞ্জিনীয়াৰ সাহিত্য সভাৰ অন্যতম সহায়ক পৰামৰ্শদাতা ৺বিষ্টুচন্দ্ৰ বৰুৱাৰ আৰু অসম সাহিত্য সভাৰ অন্যতম বিশিষ্ট পৃষ্ঠপোষিকা ৺সেউতী বৰুৱাৰ পৰলোক প্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰে। তেওঁলোকৰ বিয়োগ-ব্যথিত পৰিবাৰবৰ্গক সমবেদনা জনায় আৰু আত্মা সমূহৰ সদগতিৰ অৰ্থে ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনায়।

(২) কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ যোৱা প্ৰথম অধিবেশনৰ কাৰ্য্যবিৱৰণী সম্পাদকে পাঠ কৰে আৰু সভাত গৃহীত হয়।

(৩) জনজাতীয় সম্প্ৰীতি উপসমিতিৰ সম্পাদক শ্ৰীযুত পৰাগ চলিহাই যোৱা কাৰ্য্যনিৰ্ব্বাহক সভাৰ পৰা আজিলৈকে এই সমিতিৰ যোগেদি পঠোৱা সঁজাতি দলৰ বিষয়ে আৰু এই সম্পৰ্কীয় আন কাৰ্য্যাৱলীৰ বিষয়ে সভ্যসকলৰ আগত বিবৰি কয়। ৰাজ্যপাল শ্ৰীফজল আলি আৰু গৃহমন্ত্ৰী শ্ৰীগোবিন্দবল্লভ পন্থৰ লগত হোৱা এই সম্পৰ্কীয় আলাপ-আলোচনাৰ আভাস দিয়ে। এই সম্পৰ্কে স্মাৰক পত্ৰ ছপোৱা আৰু তাৰ লগত সংযোজিত কৰা ইংৰাজী আবেদনপত্ৰ ( Forwarding letter ) সভ্যই অনুমোদন কৰে। শ্ৰীযুত চৌখামুন গোহাঁই এম-পিৰ ওচৰলৈকো এটি সজাতি-দল পঠাবলৈ সিদ্ধান্ত কৰা হয়। ঠিক সেইসময়তে শ্ৰীযুত গোহাঁই দেৱে ৩।১০।৫৬ তাৰিখে ডিব্ৰুগড়ত তেখেতক দেখা কৰিবলৈ মতি পঠোৱা টেলিগ্ৰাম পোৱা হয় আৰু সেই মৰ্ম্মে সেই দিনাই ডিব্ৰুগড়লৈ যাবলৈ তলত নামদিয়া সভ্যসকলেৰে এটি সজাতি দল গঠন কৰি দিয়া হয় আৰু এই সম্পৰ্কে যাৱতীয় দিহা কৰিবলৈ শ্ৰীযুত চলিহাক ভাৰ দিয়া হয়। সভ্যসকল হৈছে :—শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীপৰাগ চলিহা, শ্ৰীবিনন্দ বৰুৱা, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীপ্ৰেমধৰ ৰাজখোৱা।

(৪) ধুবুৰীত বহিব লগীয়া অহা সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনক অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিবেশন হিচাপে পাতিবলৈ স্থিৰ কৰা হয়। ধুবুৰী অভ্যৰ্থনা সমিতি প্ৰস্তাৱ মতে অহা ২৬, ২৭ আৰু ২৮ ডিচেম্বৰত এই অধিবেশন পাতিবলৈ স্থিৰ কৰা হয়। অসম সাহিত্য সভা পত্ৰিকাৰ তৃতীয় সংখ্যা এই অধিবেশনৰ লগে লগে ৰূপালী জয়ন্তী সংখ্যা হিচাপে জাকজমককৈ উলিয়াবলৈ সিদ্ধান্ত কৰা হয়।

(৫) শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা দিল্লীলৈ যোৱা ভ্ৰমণ বানচ সম্পৰ্কীয় আবেদন পাঠ কৰা হয় আৰু এই আবেদন নামঞ্জুৰ কৰা হয়। শ্ৰীযুত বৰুৱাই আবেদনত জনোৱা য়ুনেস্ক সভাত দাঙি ধৰিবলৈ ইংৰাজী গ্ৰন্থৰ আঁচনি দেখি সভ্যসকলে সন্তোষ প্ৰকাশ কৰে, কিন্তু বৰুৱাৰ সংগৃহীত এই গ্ৰন্থখনি যুগুত হোৱাৰ পিচতহে সেই সম্পৰ্কে বিবেচনা কৰিবলৈ থোৱা হয়।

(৬) ধুবুৰী অধিবেশনৰ সভাপতি নিৰ্ব্বাচনৰ কাৰণে কাৰ্য্যনিৰ্ব্বাহক সভাৰ গুৱাহাটীত থকা সভ্য ৫ জনেৰে এটি নিৰ্ব্বাচনী সমিতি গঠন কৰি দিয়া হয়।

(৭) ৰংপুৰ সাহিত্য সভাৰ সম্পাদক শ্ৰীযুত লীলা গগৈয়ে বুৰঞ্জীয়ে পৰশা নগৰ নাম দি খন দিয়েক পুৰণি প্ৰসিদ্ধ নগৰৰ বিৱৰণ যুগুত কৰাত এই সভাই সন্তোষ প্ৰকাশ কৰে আৰু এই বিৱৰণবোৰ পুথিৰ আকাৰত সম্পাদিত কৰি উলিয়াই প্ৰকাশৰ উপযোগী কৰি অসমৰ সাহিত্য সভাক দিবলৈ শ্ৰীযুত গগৈদেৱক অনুৰোধ জনোৱা হয়।

* * * *

সভাৰ সামৰণিত শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱে সভ্যসকলক তেওঁৰ ঘৰলৈ জলযোগৰ বাবে নিমন্ত্ৰণ জনায় আৰু শ্ৰীযুত পৰাগ চলিহাই সভ্যসকলক সদলবলে বাহিৰে বাহিৰে জয়সাগৰৰ পাৰলৈ লৈ যায়। তাত সভ্যসকলে শিৱসাগৰ কলেজ, জয়দৌল, জয়সাগৰ ৰংঘৰ আদি পুৰণি স্মৃতিচিনবোৰ পৰিদৰ্শন কৰে। শ্ৰীযুত লীলা গগৈয়ে ঠাইবোৰৰ পুৰণি কাহিনী পথ প্ৰদৰ্শক হিচাপে কৈ যায়।

( স্বাক্ষৰ ) শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত
সভাপতি
২৫।১২।৫৬, ধুবুৰী



## শাখা সভাৰ কাৰ্য্যাৱলী

### তিনিচুকীয়া সাহিত্য সভা

এই শাখাৰ বৰ্ত্তমান নতুন কমিটীয়ে যোৱা ডিচেম্বৰ মাহৰপৰা বৰ্ত্তমানলৈকে এই দহ মাহে ছয় খন কাৰ্য্য-নিৰ্ব্বাহক সমিতি, দুখন আলোচনাচক্ৰ, নেফা দিবসকে আদি কৰি কেবাখনো বৈঠক আৰু সভা পাতে। সমদল আদিৰে তা, "নেফাত অসমীয়া ভাষা দিবসে" তিনিচুকীয়াত এটি নতুন আলোড়ণ সৃষ্টি কৰে। তদুপৰি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ তিথি-উৎসৱত আন অনুষ্ঠানৰ লগতে এই শাখায়ো সক্ৰিয় অংশ গ্ৰহণ কৰে। এই শাখাৰ মাটিত ঘৰ সজা সম্বন্ধে দুটা এটা কাৰণত মাটিৰ হস্তান্তৰিত চুক্তি হোৱাত পলম হোৱাত আৰু বিলাতী মাটি, টিন-পাত আদিৰ দুষ্প্ৰাপ্যতাৰ কাৰণে ঘৰ সজা কাম পিছুৱাই গৈছে যদিও এই বছৰৰ ভিতৰতে কাম আৰম্ভ কৰিব পৰা যাব বুলি আশা কৰা যায়। এই বছৰ যোৱা বছৰৰ তুলনাত সভ্যৰ সংখ্যা বৃদ্ধি হোৱাত এই শাখাই তথা সাহিত্য সভাই ৰাইজৰ মন বেছিকৈ আকৰ্ষণ কৰিছে বুলি ধৰিব পাৰি।

শ্ৰীযোগেন্দ্ৰনাথ শৰ্ম্মা
সম্পাদক

### অভয়াপুৰী সাহিত্য-সভা

এই বছৰত কাৰ্য্যনিৰ্ব্বাহক কমিটীৰ ৪ খন অধিবেশন পতা হৈছে। যোৱা বছৰত সভ্য সংখ্যা ৩১ জন আছিল। এই বছৰত সভ্য সংখ্যা ২৩ জনত পৰিণত হৈছে। এই সভাৰ সভাপতি গোবিন্দচন্দ্ৰ শৰ্ম্মা ডাঙৰীয়াই আমাৰ পৰা চিৰকাললৈ বিদায় লৈছে। সুপৰিচিত সাহিত্যিক শ্ৰীযুত তিলকচন্দ্ৰ দাস, বি. এ, বি. টি এই বছৰত এই সভাৰ সভ্য ভুক্ত হৈছে। তেওঁৰ দৰে এজন অক্লান্ত সাহিত্যসেৱীক পাই এই সভাই দুগুণ বল পাইছে। এখেতে "গোৱালপাৰাৰ কথা" বুলি এখন পুথি যুগুত কৰাত ব্ৰতী হৈছে। এই জিলাৰ লুপ্ত সম্পদ বহখিনি সেই পুথিখনৰ যোগে প্ৰকাশ হব বুলি আশা কৰিছোঁ; সভ্য সংখ্যা কম হলেও সভাই প্ৰকৃত কাৰ্য্যত আগ বাঢ়িছে।

এম, মফিজুদ্দিন আহম্মদ
সম্পাদক, অভয়াপুৰী শাখা
সাহিত্য সভা
৩০।১১।৫৬

### মণিপুৰ অসমীয়া সাহিত্য-সভা

মণিপুৰ অসমীয়া সাহিত্য-সভাৰ ১৯৫৫-৫৬ চনৰ বিশেষ উল্লেখ যোগ্য কোনো কথা নাই। তাৰ প্ৰধান কাৰণ মণিপুৰ প্ৰবাসী শ্ৰীযুত পুৰ্ণলাল দাস, শ্ৰীযুত বলীৰাম বৰা আদি সভ্যৰ কৰ্ম্ম-কৰ্ত্তা সকলৰ স্থানান্তৰ। তাৰ উপৰিও নগা পৰ্ব্বতৰ ৰাজনৈতিক বিপৰ্য্যয়, ৰাজ্য-পুনৰ্গঠন সম্পৰ্কীয় ৰাজনৈতিক পৰিস্থিতি আদি আহুকলীয় নানা কাৰণত এই ঠাইৰ এমুঠি অসমীয়া লোকৰ মাজত আতঙ্কজনক অৱস্থা হোৱাৰ কথা সকলোৱে জানে।

এই বছৰত অসম সাহিত্য-সভাৰ পৰা ১০০৲ মূল্যৰ পুথি আৰু গুৱাহাটী, লয়াৰ্ছ বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীযুত বিচিত্ৰনাৰায়ণ দত্ত বৰুৱাৰ পৰা ৩ খনি পুথি, গুৱাহাটী সাহিত্য প্ৰকাশৰ পৰা ১৩ খনি পুথি আৰু শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা দেৱৰ পৰা ১০ খানি পুথি দান স্বৰূপে পোৱা হৈছে। সভ্য আৰু এজন অনা-অসমীয়া দাতাৰ পৰা মুঠ ৯০৲ বৰঙনি পোৱা হৈছে।

সভাৰ পক্ষৰপৰা আনুষ্ঠানিক ভাবে মণিপুৰত প্ৰথম বাৰৰ কাৰণে মাঘ বিহুৰ ভোজ, খেলধেমালি আদি অসমীয়া আৰু অনা-অসমীয়া সকলো লোক মিলি পতা হয়। একে দৰেই বহাগৰ ৰঙালি বিহু উৎসৱ পালন কৰা হয়; আৰু মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱ দেৱৰ তিৰোভাৱৰ তিথি জন্মাষ্টমী উৎসৱ নাম-কীৰ্ত্তন আদিৰে বহলভাৱে পালন কৰা হয়। এই সভাৰ উদ্যোগতে এই উৎসৱবিলাক পালন কৰাত অসমীয়া সংস্কৃতি আৰু মহাপুৰুষসকলৰ জীৱনী আৰু কাৰ্য্য-কলাপ সম্বন্ধে মণিপুৰীয়া ৰাইজে সামান্যভাৱে অৱগত হৈছে আৰু প্ৰবাসুৱা অসমীয়া সকলেও সন্তোষ লাভ কৰিছে।

জাতীয় অনুষ্ঠান হিচাপে আৰু চিৰচেনেহী ভাষাজননীৰ সেৱাৰ মানসে এই চালুকীয়া সভা, আৰু মণিপুৰ প্ৰবাসী এমুঠি অসমীয়া লোকে অসম সাহিত্য সভা, অসমীয়া ৰাইজে আৰু অসম চকাৰৰ আশ্ৰয় আৰু সাহায্য আশা কৰি আছে।

প্ৰফুল্ল বৰদলৈ
সম্পাদকৰ হৈ, মণিপুৰ
অসমীয়া সাহিত্য সভা
ইম্ফল
৩০।১০।৫৬

## মঙলদৈ সাহিত্য-সভা

মঙলদৈ সাহিত্য-সভাই যোৱা ১০ মাহৰ ভিতৰত কেইবাখনিও সাধাৰণ অধিবেশন বহুৱাইছে। তাৰ ভিতৰত স্বনামধন্য কবি ৺ধনাই বৰাৰ বিয়োগত পতা শোক সভা আৰু মঙলদৈৰ সুৰভি সমাজ আৰু গুৰু ট্ৰেইনিং বিদ্যালয়ৰ লগত যুটীয়াকৈ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ তিৰোভাৱ-তিথি উপলক্ষে বহুৱা সভাই উল্লেখযোগ্য। ব্যঙ্গ সাহিত্যিক ৺দণ্ডিনাথ কলিতাৰ সাহিত্য-বিষয়ক শ্ৰেষ্ঠ ৰচনা লিখকক মঙলদৈৰ উৎসাহী সাহিত্যিক কৰ্ম্মী শ্ৰীযুত ভদ্ৰকান্ত শৰ্ম্মাদেৱে এটি বঁটা আৰু কৱি ধনাই বৰাৰ জীৱনী আৰু সাহিত্য বিষয়ক প্ৰথম আৰু দ্বিতীয় ৰচনা লিখকক ক্ৰমে মঙলদৈৰ সাহিত্য-প্ৰিয় লোক শ্ৰীযুত গঙ্গাধৰ ডেকা আৰু ইব্ৰাহিম আলিদেৱে দুটি বঁটা আগ বঢ়াইছে। দাতাসকলৰ ইচ্ছানুসৰি এই ৰচনা-প্ৰতিযোগিতা মঙলদৈ মহকুমাৰ আটাইকেইখন এম্-ভি, এম্-ই আৰু হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পতা হৈছে আৰু ৰচনা গ্ৰহণৰ শেষ দিন অহা ২৮ ফেব্ৰুৱাৰীকে ধাৰ্য্য কৰা হৈছে। মঙলদৈ সাহিত্য-সভাৰ বাৰ্ষিক অধিবেশন অহা মাঘ-বিহুৰ পিছত পাতিবলৈ যোৱা ৩০।১০।৫৬ তাৰিখৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰিছে।

শ্ৰীভবানন্দ ৰাজখোৱা
সম্পাদক
মঙ্গলদৈ সাহিত্য-সভা

## নাজিৰা সাহিত্য-সভা

১৯৩৩ চনত স্থাপন হোৱা নাজিৰা সাহিত্য সভাই বহুতো বাধা বিঘিনি অতিক্ৰম কৰি আৰু মাজতে কেইবছৰ অৰ্দ্ধমৃত অৱস্থাত থাকিও ২৩ বছৰীয়া (ত্ৰয়োবিংশতিতম) প্ৰতিষ্ঠা বৰ্ষ সমাপন কৰিছেহি। নানা আলৈ-আহকাল আদি কাঠিন্য আৰু যোৱা 'মহাযুদ্ধৰ প্ৰতিকূল পৰিস্থিতিৰ বাবে এইবাৰলৈকে মুঠ ৮টা' বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছে।

কাৰ্য্য-পালিকা সভা আৰু অন্য বৈঠক ৭০ টাতকৈও অধিক হৈ গৈছে। ১ম বাৰ্ষিক অধিবেশনৰ পৰা ৮ম বাৰ্ষিক অধিবেশনলৈকে ক্ৰমান্বয়ে শিৱসাগৰ বেজবৰুৱা হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত ৰত্নকান্ত শৰ্ম্মা, শিৱসাগৰৰ শিক্ষক শ্ৰীযুত ৰত্নেশ্বৰ শৰ্ম্মা ব্যাকৰণ তীৰ্থ, শিৱসাগৰ কলেজৰ অধ্যক্ষ শ্ৰীযুত পদ্মধৰ চলিহা, শ্ৰীফিৰদুছ আলী এম, এ, সুসাহিত্যিক শ্ৰীযুত নীলমণি ফুকন, শ্ৰীযুত শৈলধৰ ৰাজখোৱা, শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা, সুসাহিত্যিক শ্ৰীযুত ডিম্বেশ্বৰ নেওগে সভাপতিত্ব কৰে।

সম্পাদক সকল আছিল ক্ৰমে শিক্ষক শ্ৰীযুত ফণীধৰ দত্ত, অধ্যাপক শ্ৰীযুত হৰিশচন্দ্ৰ ভট্টাচাৰ্য্য, শিক্ষক শ্ৰীযুত বেদনাথ বৰঠাকুৰ, শিক্ষক ৺ৰজতচন্দ্ৰ গোস্বামী। শ্ৰীযুত পাৰ্বতীনাথ ফুকন, শিক্ষক শ্ৰীযুত নগেন্দ্ৰনাথ ফুকন, শিক্ষক শ্ৰীযুত দেৱকান্ত মহন্ত, শিক্ষক শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ দত্ত, শ্ৰীযুত কালিদাস বৰা, শিক্ষক শ্ৰীযুত ভোলানাথ দত্ত। এই বছৰতে নতুন সহকাৰী সম্পাদক শিক্ষক শ্ৰীযুত সুৰেন্দ্ৰনাথ শৰ্ম্মা নিৰ্ব্বাচিত হৈছে।

সু সাহিত্যিক শ্ৰীডিম্বেশ্বৰ নেওগৰ সভাপতিত্বত সুচাৰুৰূপে ৮ম অধিবেশন সম্পন্ন হয়। নিৰ্দ্দিষ্ট বক্তা ৰূপে ডেকা সাহিত্যিক অধ্যাপক শ্ৰীযুত বীৰেন্দ্ৰনাথ বৰকটকীয়ে সাৰুৱা বক্তৃতা দিয়ে। কাৰ্য্যকৰী সভাপতি শ্ৰীযুত বেদনাথ বৰঠাকুৰে এটি সাৰুৱা আদৰণি ভাষণ দিয়ে। সম্পাদক শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ দত্তই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। বিত্তীয় বিৱৰণ দাঙি ধৰি সম্পাদকে নাজিৰা শাখাৰ আয় ১৪৯।৶৬ পাই ব্যয় ১৭২।৶৯ পাইৰ কথা উল্লেখ কৰে। অধিবেশনত ৰচনা পাঠ, কবিতা পাঠ, লোকগীত বনগীত, বৰগীত, ভজন, গজল, আধুনিক গীত, গীতিনৃত্য, বাদ্যসঙ্গীত তবলা লহৰে অধিবেশনৰ গুৰুত্ব বৰ্দ্ধন কৰিছিল। সভাপতি শ্ৰীযুত ডিম্বেশ্বৰ নেওগে সুচিন্তিত গৱেষণা মূলক ভাষণ দিছিল। নতুনবছৰৰ বাবে শ্ৰীযুত বেদনাথ বৰঠাকুৰ সভাপতি, শ্ৰীযুত কালিদাস বৰা সম্পাদক, শ্ৰীযুত সুৰেন্দ্ৰনাথ শৰ্ম্মা, সহকাৰী সম্পাদক নিৰ্ব্বাচিত হৈছে। নতুন সম্পাদকে বৰ্ত্তমান সম্পাদকৰপৰা কাৰ্য্যভাৰ অহা জানুৱাৰী মাহত গ্ৰহণ কৰিব।

শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্ত
সম্পাদক, নাজিৰা সাহিত্য-সভা

## গোলাঘাট সাহিত্য-সভা

গোলাঘাট সাহিত্য সভাৰ বছেৰেকীয়া সাধাৰণ সভা গোলাঘাট টাউন হাইস্কুলত শ্ৰীযুত খগেশ্বৰ তামুলীৰ সভাপতিত্বত বহে। সভাই গত বছৰৰ বাৰ্ষিক বিৱৰণী গ্ৰহণ কৰে। নতুন বছৰৰ বাবে যথাক্ৰমে শ্ৰীএড্‌উইন্ মেক ফাৰ্লেন, শ্ৰীপুণ্যব্ৰত বৰুৱা, শ্ৰীঅযোধ্যাপ্ৰসাদ গোস্বামী গোলাঘাট সাহিত্য সভাৰ সভাপতি আৰু দুটীয়া সম্পাদক নিৰ্ব্বাচিত হয়। বছেৰেকীয়া সাধাৰণ সভাত ডাঃ প্ৰমোদাভিৰাম দাস, শ্ৰীযুত গোলাপচন্দ্ৰ গোস্বামী, শ্ৰীযুত ৰাধানাথ গোস্বামী শ্ৰীযুত আৰতি শইকীয়াই এৰো আখাৰ কয়।

যোৱা ৯ জুনৰ দিনা কবিৰাজ শ্ৰীযুত নবীনচন্দ্ৰ গোস্বামীৰ সভাপতিত্বত সমাৰোহেৰে গোলঘাট এমেছাৰ থিয়েটাৰ হলত "নেফাদিৱস" পালনৰ উপলক্ষে ৰাজহুৱা সভা বহে। সভাত শ্ৰীযুত প্ৰদীপ চলিহা, শ্ৰীযুত খগেশ্বৰ তামুলী আদিয়ে সাহিত্য সভাৰ এই দিবস পালনৰ তাৎপৰ্য্য আলোচনা কৰি অসম সাহিত্য সভাক অভিনন্দন জনায় আৰু অসমৰ ন্যায্য দাবী উত্থাপন কৰি দুআষাৰ কয়। গোলাঘাট সাহিত্য সভাৰ আলোচনাচক্ৰৰ দুখনি বৈঠক সমাৰোহেৰে ৺গুণাভিৰাম স্মৃতি লাইব্ৰেৰীত বহে।

শ্ৰীঅযোধ্যাপ্ৰসাদ গোস্বামী
সম্পাদক, গোলাঘাট সাহিত্য সভা

## নিতাইপুখুৰী সাহিত্য-সভা

স্থানীয় উদীয়মান সাহিত্য সেৱী জন চেৰেকৰ উদ্যমৰ ফলত এই অনুষ্ঠান বহুদিন পুৰ্ব্বে সংগঠন হৈছিল—যদিও কালৰ গতিত ই মৃত অৱস্থাত আছিল। নিতাইপুখুৰী সাহিত্য সভাৰ সংগঠনৰ গুৰি ধৰিছিল নিতাইপুখুৰীৰ বিশিষ্ট শিক্ষাব্ৰতী স্বৰ্গীয় ৺সোণাৰাম হাজৰিকাদেৱে।

পুনৰ জন চেৰেক ডেকা উদ্যোগী কৰ্ম্মীৰ চেষ্টাত যোৱা অসম সাহিত্য সভাৰ যোৰহাট অধিবেশনৰ আগে আগে ই পুনৰ জীৱিত হৈ উঠিল।

যোৱা গুৱাহাটী অধিবেশনত এই সভাৰ যোগেদি ৯ জন সদস্যই প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ পাইছিল।

অতি গৌৰৱ আৰু সুখৰ বিষয় যে গাঁৱলীয়া আৰু পাচ পৰা ঠাই হিচাপে আমাৰ শাখা-সভাৰ বাদে কম শাখা সভাইহে ইমান প্ৰতিনিধিত্ব কৰিব পৰা যোগ্যতা আৰ্জ্জিছে। যোৱা ২০।৪।৫৬ তাৰিখে খ্যাতনামা সাহিত্যিক শ্ৰীযুত পদ্মধৰ চলিহা এম,-এ, বি,-এল দেৱৰ সভাপতিত্বত নিতাইপুখুৰী সাহিত্য সভাৰ মকুলি অধিবেশন স্থানীয় হাইস্কুলৰ সভা গৃহত গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশৰ মাজত সমাধা হৈ যায়। অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা শ্ৰীসাধিৰাম শইকীয়াই উপস্থিত বিশিষ্ট অতিথি আৰু অভ্যাগত সকলক আদৰ-ওলগ জনায়। সম্পাদক শ্ৰীফণীধৰ লাহনে বছেৰেকীয়া আয় ব্যয়ৰ হিচাপৰ উপৰিও সম্পাদকীয় প্ৰতিবেদনত সভাৰ কাৰ্য্যবিৱৰণী দাখিল কৰে।

প্ৰথমদিনা নিৰ্দ্দিষ্ট বক্তা শ্ৰীযুত বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ দেৱে "অসমীয়া ভাষা সমস্যা" শীৰ্ষক বক্তৃতাত অসমীয়া ভাষাত, সাহিত্যত বিজতৰীয়া ৰূপ লৈ কেনে সঙ্কটৰ সৃষ্টি কৰিছে তাৰ কথা আলোচনা কৰে।

দ্বিতীয় দিনা নিৰ্দ্দিষ্ট বক্তা শ্ৰীযুত নিত্যানন্দ শৰ্ম্মাদেৱে "বৰ্ত্তমান সাহিত্যৰ ধাৰা" শীৰ্ষক এটি বক্তৃতা দিয়ে। শিৱসাগৰ কলেজৰ অধ্যাপক শ্ৰীযুত বীৰেন্দ্ৰনাথ বৰকটকীদেৱে আৰু সাহিত্যিক শ্ৰীযুত লীলা কাকতিদেৱে দুটি বক্তৃতা দিয়ে।

শ্ৰীফণীধৰ লাহন
সম্পাদক, নিতাইপুখুৰী সাহিত্য-সভা

## মাজুলী সাহিত্য-সভা

যোৱা বছৰতহে মাজুলী সাহিত্য সভাখনি পতা হয়। এই সভাৰ পৰিসৰ বঢ়াবৰ অভিপ্ৰায়ে আশানুৰূপ সভ্য ভৰ্ত্তি সংখ্যা নবঢ়ালেও যথেষ্ট বৃদ্ধি হোৱা দেখা গৈছে।

এই সভাৰ জৰীয়তে শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মোৎসৱ সমাৰোহেৰে পালন কৰা হয়। তদুপৰি সাহিত্যানুৰাগী, দেশ সেৱক আৰু কৃতীৰাজনীতিবিদ লোকসকলৰ স্মৃতি-দিৱস পালন কৰা হয়। স্থানীয় ছাত্ৰ ছাত্ৰীসকলৰ উৎসাহ উদ্দীপনা যোগাবৰ হেতু উচ্চ আৰু নিম্ন স্তৰৰ ছুথনি ৰচনা প্ৰতিযোগিতাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীদেৱানন্দ বেজবৰুৱা

সম্পাদক, মাজুলী সাহিত্য-সভা

## ডিগবৈ সাহিত্য সেৱা-সমিতি

সমুখত অনেক আলৈ আহকাল থকা সত্ত্বেও সভ্যসকলৰ আশাশুধীয়া চেষ্টাত ডিগবৈ সাহিত্য-সেৱা সমিতি যথেষ্ট পুষ্ট হয়।

যোৱা ১০।৩।৫৬ আৰু ১১।৩।৫৬ তাৰিখে দুদিনীয়াকৈ বিশেষ আড়ম্বৰেৰে সম্পন্ন হৈছিল। সভাত প্ৰথম দিনা এখনি চিত্ৰ প্ৰদৰ্শনী আয়োজিত হৈছিল। .বাঁহ-বেত, মাটি, কাঠ আৰু কাগজৰ কাম চিত্ৰাঙ্কন বোৱা-কটা কাঁহ-পিতলৰ বস্তু আৰু স্থানীয় লিখকৰ শতাব্দিৰ অপ্ৰকাশিত কিতাপৰ পাণ্ডুলিপি প্ৰদৰ্শনীৰ আকৰ্ষণীয় বিষয় আছিল। প্ৰদৰ্শিত বস্তুৰ প্ৰত্যেক বিধৰ সৰ্ব্বোৎকৃষ্ট বস্তু কেইটা পুৰস্কৃত হৈছিল।

দ্বিতীয় দিনা ডঃ মহেশ্বৰ নেওগ দেৱৰ সভাপতিত্বত মূল সভা অনুষ্ঠিত হৈছিল। উক্ত সভাত 'চুটি গল্প, ৰচনা, আৰু কবিতাৰ প্ৰতিযোগিতা হৈছিল।

সন্ধিয়ালৈ কৃষ্টি সভা আছিল। সভাৰ সভানেত্ৰী আছিল স্থানীয় বিদুষী মহিলা শ্ৰীযুক্তা স্বৰ্ণলতা গগৈ এম, এ,। সাহিত্য আলোচনাৰ বাবে জিৰণি চ'ৰা—নামৰ বিভাগ এটা সাহিত্য সেৱা সমিতিৰ পৰা উদ্ভৱ হয়। ইয়াৰ যোগেদি এই বছৰৰ শিশু সাহিত্যিক শ্ৰীযুত মহাদেৱ শৰ্ম্মা, বুৰঞ্জীবিদ্ শ্ৰীযুত বেণুধৰ শৰ্ম্মা আৰু বকুলবনৰ কবি শ্ৰীযুত আনন্দ বৰুৱাক সম্বৰ্দ্ধনা জনোৱা হৈছিল। চলিত বছৰত জিৰণি চ'ৰাৰ ১৯ টা বৈঠক অনুষ্ঠিত হৈছিল, আৰু সাহিত্যৰ বিবিধ প্ৰকাৰৰ আলোচনা সমালোচনা হৈছিল। 'জিৰণি চ'ৰা'ই ডিগবৈত এদল সাহিত্যানুৰাগী লোকৰ সৃষ্টিৰ সমল যোগাইছে। সুথৰ বিষয় ইয়াৰ যোগেদি এটি সাহিত্য সংগ্ৰহ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। মূল সভাৰ নিৰ্দ্দেশ ক্ৰমে বিশেষ উৎসাহ উদ্দীপনাৰে "নেফাত অসমীয়া ভাষা দিৱস" পালন কৰা হৈছিল। সেইদিনা বিৰাট সমদল এটাই নগৰৰ থাই আলিবোৰ পৰিভ্ৰমণ কৰি নেফাত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ দাবী জনাই গান গাই ফুৰিছিল। সমদলৰ অন্তত স্থানীয় গান্ধী ময়দানত বিহালীৰ শ্ৰীযুত বিষ্ণুলাল উপাধ্যায় এম-এল-এৰ, সভাপতিত্বত ৰাজহুৱা সভা বহিছিল।

৭।৯।৫৬ তাৰিখে সাহিত্যসেৱা সমিতিয়ে তেল শোধনাগাৰৰ দাবী জনাই প্ৰস্তাৱ লোৱা হৈছিল। এই বছৰৰ কাৰ্য্যকৰী সমিতি তলত দিয়া সভ্য সকলক লৈ গঠিত হৈছে :—শ্ৰীপ্ৰিয়নাথ দাস তালুকদাৰ, সভাপতি ; শ্ৰীদুলাল বৰুৱা, চৈয়দ মেৰাজ হুছেইন, যুটীয়া সম্পাদক ; শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱা, প্ৰচাৰ সম্পাদক ; শ্ৰীডম্বৰুধৰ শৰ্ম্মা, জিৰণি চ'ৰাৰ পৰিচালক ; আৰু শ্ৰীউমানন্দ বৰুৱা, শ্ৰীনাৰায়ণ বৰপূজাৰী, শ্ৰীদীন বৰুৱা, শ্ৰীযোগেন শৰ্ম্মা, শ্ৰীদীবেণ বৰুৱা, শ্ৰীউপেন শৰ্ম্মা, শ্ৰীপ্ৰেমলতা বৰুৱা, শ্ৰীসুকতৰা সন্দিকৈ, শ্ৰীসুৰেন্দ্ৰনাথ গোহাঁই, শ্ৰীসোণাৰাম ভাজনী ; শ্ৰীযাদৱ গগৈ ; শ্ৰীপ্ৰফুল্ল বৰুৱা ; শ্ৰীদেৱ কুমাৰ চাংকাকতী, সাধাৰণ সভ্য।

শ্ৰীদুলাল বৰুৱা

যুটীয়া সম্পাদক, ডিগবৈ সাঃ সেঃ সঃ

## ছিলং মুকুল সংঘ

"ছিলং মুকুল সংঘ" ১৯৫৪ চনৰ জানুৱাৰী মাহত ছিলঙত স্থাপিত হয়। তেতিয়াৰেপৰা এই সঙ্ঘই স্থানীয় উৎসাহী সাহিত্যিকসকলক সাহিত্য-চৰ্চ্চা কৰিবলৈ উদ্‌গনি দি আহিছে। ইয়াৰ উপৰি অসমীয়া সাহিত্য আৰু সাহিত্য-সভাৰ মঙ্গলৰ অৰ্থে এই সঙ্ঘই কৰিবলগীয়া সকলোবোৰ কৰ্ত্তব্য পালন কৰিয়েই আছে। এই সঙ্ঘই নিজৰ প্ৰচেষ্টাত কেৱল স্থানীয় বা আঞ্চলিক সাহিত্য-সংস্থা হিচাপেই স্বীকৃতি পোৱা নাই ; ইয়াৰ নাম সৰ্ব্ব-ভাৰতীয় সংস্থা বোৰৰ মাজতো আছে। এই সঙ্ঘৰ অধিৱেশন এতিয়ালৈকে (১১।১১।৫৬) ৩২০ খন বহিছে। বৰ্ত্তমানত ইয়াৰ অধিৱেশনবোৰ পষেকীয়া। প্ৰত্যেক বৈঠকতে



বাছকবনীয়া গল্প, ৰচনা, কবিতা পঠিত হয়। ইয়াৰ উপৰিও সাহিত্য সম্বন্ধীয় নানাবিধ আলোচনা বৈঠকৰ এটা অঙ্গ। পঠিত প্ৰবন্ধাৱলী সাধাৰণতে লিখকৰ সম্পত্তি হিচাপে এৰি দিয়া হয় ; আৰু কেইবাজনো লিখকে নিজৰ প্ৰচেষ্টাত এই সঙ্ঘত পাঠ কৰা প্ৰবন্ধাদি আলোচনী নাইবা পুস্তকাকাৰে ছপাই উলিয়াইছে। এই সঙ্ঘই ছিলঙত সাহিত্যিকসকলৰ মাজত এটি সমাজ গঢ়ি তুলিছে। এই সাহিত্যিকসকলৰ বহুতে এতিয়াও জনাজাত হবলৈ সুযোগ পোৱা নাই বা লোৱা নাই। মুকুল সঙ্ঘই ইমান দিনে উৎসাহ উদ্‌গনি দি মানুহৰ ঘৰে ঘৰে ঘুৰি ফুৰিছিল। সেইবাৰে ইয়াৰ সভ্য-সংখ্যা বঢ়োৱা আৰু কৰ্ম্ম প্ৰচেষ্টাৰ ব্যাপকতা কৰাত বহুতো অসুবিধা হৈছে। এই অসুবিধা দূৰ কৰিবলৈ বৰ্ত্তমানে সুপৰিকল্পনা অনুসৰি মুকুলৰ স্বকীয়া ঘৰ এটি সজাবলৈ হাতত লোৱা হৈছে। এই ঘৰ হলে ইয়াৰ যোগেদি পুথি ভঁৰাল স্থাপন কৰা হব আৰু জনজাতিৰ মাজত অসমীয়া সাহিত্য প্ৰচাৰৰ অৰ্থে সাধ্যমতে যত্ন লোৱা হব।

মুকুল সঙ্ঘৰ বিষয়ববীয়াসকল সলনি হোৱা নাই। ইয়াৰ স্থায়ী সভাপতি শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱা, সম্পাদিকা শ্ৰীযুতা সুপ্ৰভা গোস্বামী, সহ-সম্পাদক শ্ৰীযুত দেৱীচৰণ দাস আৰু শ্ৰীযুত কমলকান্ত হাজৰিকা আৰু হিচাপ পৰীক্ষক শ্ৰীযুত জীৱনচন্দ্ৰ গোস্বামী।

শ্ৰীদেৱীচৰণ দাস

সহকাৰী সম্পাদক, ছিলং মুকুল সঙ্ঘ

## টীয়ক সাহিত্য-সভা

এই সভাত কাৰ্য্যকৰী সদস্যৰ ভিতৰত অসমৰ খ্যাতনামা শিক্ষাবিদ আৰু সাহিত্যিকসকলৰ সমাবেশৰ উপৰিও স্থানীয় নবীন ভাষা সেৱীসকলৰ সহযোগে সভাখনিৰ কলেৱৰ আৰু সৌষ্ঠৱ বৰ্দ্ধন কৰি এখনি আদৰ্শ শাখা প্ৰতিষ্ঠাৰ যত্ন কৰা হৈছে, এনে উদেশ্যৰ প্ৰয়াগ স্বৰূপেই অসমীয়া ভাষা-সংস্কৃতি, কলা-কৃষ্টি মূলক অনুষ্ঠানৰ জৰীয়তে জনসাধাৰণক প্ৰেৰণা যোগাবলৈ যত্নও কৰা হৈছে। নিৰ্দ্দিষ্ট কাৰ্য্যসূচীৰে "নেফা-দিৱস", বিশিষ্ট শিক্ষাবিদ শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা বি-এ, বি-টি, দেৱৰ পৌৰোহিত্যত সম্পাদন কৰা হয়। আৰু সেই সভাৰ কাৰ্য্যবিৱৰণীৰ চমু টোকা, "নেফাত-অসমীয়া ভাষাক মাধ্যমৰূপে প্ৰবৰ্ত্তন"ৰ দাবী জনাই সৰ্ব্বসম্মতিক্ৰমে গ্ৰহণ কৰা একেটি মাত্ৰ প্ৰস্তাৱ, অসম-সাহিত্য সভাৰ নিৰ্দ্দেশানুযায়ী প্ৰধান মন্ত্ৰী, ৰাজ্যপাল, ৰাজ্যপালৰ উপদেষ্টা, মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, আদিলৈ আৰু স্থানীয় বাতৰি—কাকত সমূহলৈ পঠোৱা হয়।

"ৰাধাকান্ত সন্দিকৈ স্মৃতি-ভৱন"ৰ বিষয়েও সভাত আলোচনা কৰা হয়।

ইয়াৰ উপৰিও অসমৰ খ্যাতনামা চিকিৎসক, আজন্ম সমাজসেৱী, দেশকৰ্ম্মী ৺ভুবনেশ্বৰ বৰুৱা দেৱৰ মৃত্যুত অসমীয়া জাতীয় জীৱনত তেখেতৰ মহৎ অৱদান আদিৰ বিষয়েও আলোচনা কৰি মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰা হয় আৰু শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰা হয়—

সম্পাদক টীয়ক সাহিত্য সভা

## হাতীচোং সাহিত্য সভা

যোৱা ১৯৫৫ চনৰ ১৭ ছেপ্তেম্বৰৰ দিনা বিয়াল্লিছৰ ৰণ-ঘাটি হাতীচুঙীয়া ৰাইজৰ মাজতো সাহিত্য-নৈৰ প্লাৱন উঠি এই সাহিত্য সভাৰ জন্ম দিবলৈ উদগনি দিয়ে। সেই মানসে ১১ জন সভ্যৰে এখন কাৰ্য্যকৰী কমিটী গঠন কৰি শ্ৰীযুত গণেশচন্দ্ৰ শৰ্ম্মাক সভাপতি, শ্ৰীযুত বাদলচন্দ্ৰ গোস্বামী বি-এ ক সহকাৰী সভাপতি, শ্ৰীযুত বিনোদচন্দ্ৰ বেজবৰুৱা বি-এ ক সম্পাদক আৰু শ্ৰীযুত চক্ৰধৰ হাজৰিকাক সহকাৰী সম্পাদক নিৰ্ব্বাচন কৰা হয়।

বৰ্ত্তমান অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ ফকৰা-যোজনা সংগ্ৰহ কাৰ্য্যত এই সভাই মনোনিবেশ কৰিছে আৰু এই বিষয়ত কিছু কৃতকাৰ্য্যতাও লাভ কৰিছে। অলপতে আলোচনা চক্ৰৰ আয়োজন কৰি সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে সচেষ্ট হৈছে আৰু লগে লগে বাৰ্ষিক অধিৱেশন পতাৰো যো-জা চলিছে।

শ্ৰীবিনোদচন্দ্ৰ বেজবৰুৱা

সম্পাদক, হাতীচোং সাহিত্য সভা, নগাওঁ

## ধিং সাহিত্য সভা

শেৱালীৰ কবি শ্ৰীযুত ৰত্নকান্ত বৰকাকতীদেৱৰ যত্নত যোৱা ২৮।১১।৫৪ তাৰিখে ধিং সাহিত্য সভা প্ৰতিষ্ঠা কৰা হয়। সেই তাৰিখেই শ্ৰীযুত ৰত্নকান্ত বৰকাকতীক সভাপতি, শ্ৰীযুত ভবেন্দ্ৰনাথ বৰ্ম্মণক সহকাৰী সভাপতি, শ্ৰীযুত কনকচন্দ্ৰ কলিতা আৰু শ্ৰীযুত গোবিন্দচন্দ্ৰ দাসক যুটীয়া সম্পাদক নিৰ্ব্বাচন কৰি মুঠ ১১ জন সদস্যৰে এখন কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠন কৰা হয়।

যোৱা ৭।৬।৫৫ তাৰিখে শ্ৰীযুত ৰত্নকান্ত বৰকাকতী-দেৱৰ সভাপতিত্বত ১ম বাৰ্ষিক অধিবেশন সমাধা কৰা হয়। এই অধিবেশনতো বিষয়-বৰীয়াসকলেৰে আগৰ কাৰ্য্যনিৰ্ব্বাহক সমিতি খনকে বাহাল ৰখা হয়।

এই বছৰৰ ভিতৰত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ৭ খন অধিবেশন আৰু কেইবাখনো আলোচনী সভা বহে। এই আলোচনী সভাত চুটি গল্প, আধুনিক কবিতা, শ্ৰীযুত বৰকাকতীদেৱৰ সভাপতিত্বত আলোচনা কৰা হয়। আলোচনা সভাত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলকো গল্প, কবিতা, ৰচনা, প্ৰবন্ধ আদি পাঠ কৰিবলৈ সুবিধা দি কোমলমতি ছাত্ৰসকলৰ সাহিত্যলৈ আগ্ৰহ জন্মোৱা হৈছে।

আলোচনা সভাত শ্ৰীযুত বৰকাকতীদেৱে 'অসমীয়া ভাষা আৰু লিপি প্ৰশ্ন', শ্ৰীযুত ভবেন্দ্ৰনাথ বৰ্ম্মণৰ আধুনিক কবিতাৰ ধাৰা আৰু শ্ৰীযুত বলোৰাম ডেকাবৰাৰ "জোনবাই দেশলৈ" গল্প কেইটাই প্ৰথম দ্বিতীয় আদি স্থান অধিকাৰ কৰে। কেইবাখনিও শোক-সভাও পতা হয়।

যোৱা ৯।৬।৫৬ তাৰিখে শ্ৰীযুত গোপালচন্দ্ৰ কলিতা-দেৱৰ সভাপতিত্বত "নেফাত অসমীয়া ভাষা দিবস" পালন কৰা হয়। সভাত শ্ৰীযুত গোবিন্দচন্দ্ৰ দাসে "নেফা আৰু নেফাত অসমীয়া ভাষা" শীৰ্ষক এটি অতি তথ্যপূৰ্ণ প্ৰবন্ধ পাঠ কৰিছিল।

বৰ্ত্তমান ধিং সাহিত্য সভাৰ সভ্য সংখ্যা ৫০ জন। এই সাহিত্য সভাৰ যোগেদি এখনি আলোচনী প্ৰকাশ কৰিবলৈ কাম হাতত লোৱা হৈছে। ইতি

**শ্ৰীকনকচন্দ্ৰ কলিতা শ্ৰীগোবিন্দচন্দ্ৰ দাস**
যুটীয়া সম্পাদক, ধিং সাহিত্য সভা

## গুৱাহাটী সবিতা সভা

চলিত বছৰত কেবাখনো সাধাৰণ অধিবেশনৰ উপৰিও তলত উল্লেখ কৰা কেইখন লেখত লবলগীয়া **৺লক্ষ্মীনাথ বেজবৰুৱা সোঁৱৰণী দিবস**——২৬।৩।৫৬ তাৰিখে শ্ৰীযুত দৈৱচন্দ্ৰ তালুকদাৰৰ সভাপতিত্বত নবীন বৰদলৈ হলত এই সভা পতা হয়। শ্ৰীযুত হেমচন্দ্ৰ শৰ্ম্মাই বেজবৰুৱাৰ উপন্যাস আৰু শ্ৰীযুত দণ্ডধৰ শৰ্ম্মাই তেওঁৰ হাস্যৰস সম্বন্ধে আলোচনা কৰে। শ্ৰীদ্বীপেন্দ্ৰনাথ শৰ্ম্মাই স্বৰচিত এটি ধেমেলীয়া কবিতা পাঠ কৰে। ৯।৬।৫৬ তাৰিখে শ্ৰীযুতা নলিনীবালা দেৱীৰ সভানেত্ৰীত্বত অসম সাহিত্য সভাৰ নিৰ্দ্দেশ অনুসৰি নেফা সম্পৰ্কে সভা আহ্বান কৰা হৈছিল। নগৰৰ বিশিষ্ট সাহিত্যিক, সাংবাদিক, কৃষ্টি-সঙ্ঘ সাহিত্য-সঙ্ঘৰ উপৰিও স্থানীয় ছাত্ৰ-ছাত্ৰীসকলেও এই সভাত বিশেষ উলহ মালহেৰে যোগদান কৰি সভাৰ গাম্ভীৰ্য্য বঢ়ায়। শ্ৰীযুত হৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীযুত জ্ঞাননাথ বৰা শ্ৰীযুত লীলা গগৈ, কেপ্টেইন সত্যব্ৰত লহকৰ আৰু কেবাজনো ছাত্ৰ আৰু অইন ঠাইৰপৰা অহা বিশিষ্ট লোকেও নেফাত অসমীয়া ভাষা প্ৰচাৰৰ আৱশ্যকতা সম্বন্ধে বিবৰি কয়। সভানেত্ৰী আসনৰপৰা বিষয়টোৰ সম্বন্ধে এটি প্ৰস্তাৱ দাঙি ধৰি সৰ্ব্বসম্মতিক্ৰমে গ্ৰহণ কৰা হয়। ১৫।৭।৫৬ তাৰিখে কুমাৰ ভাস্কৰ নাট্যমন্দিৰত বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকন দেৱৰ সভাপতিত্বত মেঘদূত অধিবেশন নাম দি সবিতা সভাৰ এটি বিশেষ বৈঠক পতা হয়। নিৰ্দ্দিষ্ট বক্তা অধ্যাপক শ্ৰীবিপিনচন্দ্ৰ গোস্বামী আৰু অধ্যাপক শ্ৰীৰজনীকান্ত শৰ্ম্মাদেৱে মেঘদূত কাব্য আৰু কবি কালিদাস সম্বন্ধে পাণ্ডিত্যপূৰ্ণ ভাষণ দিয়ে। শ্ৰীৰঘুনাথ চৌধাৰীদেৱে মহা কবি কালিদাস অসম নিবাসী হব পাৰেবুলি কেবাবকমৰো যুক্তি তৰ্ক আদিৰে প্ৰমাণ কৰিবলৈ চেষ্টা কৰি এটি চমু বক্তৃতা দিয়ে। শ্ৰীযুতা নলিনীবালা দেৱী, শ্ৰীযুত ফণী তালুকদাৰ, শ্ৰীযুত কমলেশ্বৰ চলিহা, শ্ৰীযুত দ্বীপেন্দ্ৰনাথ শৰ্ম্মাই মেঘদূত আৰু কালিদাস সম্বন্ধে স্বৰচিত একো একোটি কবিতা পাঠ কৰে। ন্যায়াধীশ শ্ৰীহলীৰাম ডেকাই মেঘদূত আৰু কালিদাসৰ সম্বন্ধে এটি চুটি অথচ ৰসাল মন্তব্য কৰে।



এই বছৰৰ ভিতৰত অন্যান্য নানা ধৰণৰ বিষয়ৰ উপৰিও অসমীয়া ন-পুৰণি উপন্যাস সম্বন্ধে এটি ধাৰাবাহিক আলোচনা চলোৱা হৈছে।

শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য
সম্পাদক, সবিতা সভা

## বেবেজিয়া আঞ্চলিক সাহিত্য-সভা

এই অঞ্চলত ১৯৫৫ চনৰ ২৬ জুন তাৰিখে অসম সাহিত্য সভাৰ শাখা এটি প্ৰতিষ্ঠা কৰা হয়। শাখাৰ মুকলি অধিবেশন সম্পন্ন হয় প্ৰবীণ সাহিত্যিক শ্ৰীযুত মহীচন্দ্ৰ বৰাদেৱৰ সভাপতিত্বত। যোৱা ৯ জুন "নেফাত অসমীয়া ভাষা দিবস" পালনৰ লগতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱৰ পৌৰোহিত্যত শাখাৰ ২য় বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। ৺বেজবৰুৱা-বাটচৰা, ৺হেমদোল, ৺সত্যৰৰা-চৰা আদি সাজি অসমীয়া সাহিত্য-যুদ্ধৰ মহাৰথীসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। সভাৰ লগে লগে পুৰণি কৃষ্টি প্ৰদৰ্শন কৰা হয়। এই অধিবেশনতে কলঙপৰীয়া শেৱালীৰ কবি শ্ৰীযুত ৰত্নকান্ত বৰকাকতীক সম্বৰ্দ্ধনা জনোৱা হয়। সভাপতিয়ে তেখেতৰ ভাষণত কয় যে—নগাঁও এসময়ত অসমীয়া ভাষা সাহিত্যৰ স্নায়ু কেন্দ্ৰস্বৰূপ আছিল। শ্ৰীশঙ্কৰ দেৱকে আদি কৰি একাধিক সুসাহিত্যিকৰ জন্মস্থল আৰু কৰ্ম্মস্থল এই নগাঁওয়েই। আগেয়ে কৃষ্টি, পিছতে সৃষ্টি সেই হেতুকে পুৰণি কৃষ্টিক জীয়াই ৰখা একান্ত প্ৰয়োজন বুলি কয়। কবি বৰকাকতীদেৱক শেৱালিৰ লগতে বাকীবিলাক ফুলকো অমৰ কৰিবলৈ অনুৰোধ জনায়। বাৰেবৰণীয়া ফুলৰ মালা এধাৰি পিন্ধাই, কবিক সম্বৰ্দ্ধনা জনোৱা কাৰ্য্য সমীচীন হৈছে বুলি মন্তব্য কৰে। সভাঘৰৰ বাহিৰ ভিতৰ দৰ্শকেৰে উপচি পৰিছিল। বুৰঞ্জীয়ে কব পৰাত এই অঞ্চলৰ সকলো সভা-সমিতিৰ ভিতৰত এই সভাতেই ৰাইজৰ উপস্থিতি বেছি হৈছিল বুলি ধাৰণা। সভাত, ভাৰতৰ তথা অসমৰ প্ৰকৃত তথ্য উদ্ধাৰ কৰি শুদ্ধ বুৰঞ্জী লিখিবলৈ বুৰঞ্জীবিদসকলক আহ্বান জনোৱাকে আদি কৰি কেইবাটিও অত্যাৱশ্যকীয় প্ৰস্তাৱ গ্ৰহণ কৰা হয়। শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ হাজৰিকাই আগবঢ়োৱা ২০০৲ টকাৰ পুৰস্কাৰটি চলিত বছৰৰ শ্ৰেষ্ঠ শিশু-উপযোগী চুটিগল্প লিখকলৈ পুনৰ আগবঢ়োৱা হয়।

সভাপতিয়ে তেখেতৰ মন্তব্যত শাখাৰ কাৰ্য্যাৱলীৰ প্ৰশংসা কৰি উজ্জ্বল ভৱিষ্যত কামনা কৰে।

ৰাতিলৈ শ্ৰীযুত ৰত্নবৰকাকতীৰ সভাপতিত্বত হাতী-চোঙৰ শিল্পীসকলৰ সৌজন্যত এখনি আকৰ্ষণীয় মৌমেল অনুষ্ঠিত হয়। কাৰ্য্যকৰী সমিতিয়ে কাৰ্য্যকালত নিয়াৰিকৈ শাখাৰ কাম চলাই দিব পৰাত সভ্যসকলৰ কিছু সাল-সলনি কৰি আগৰ বিষয়ববীয়াসকলকে পুনৰ এবছৰলৈ কাৰ্য্যভাৰ দিয়ে। চাৰিটা মৌজাৰ একো অংশ লৈ গঠিত হোৱা উক্ত শাখাই এই বিৰাট অঞ্চলত সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে সচেষ্ট হৈছে। অধ্যয়নচক্ৰ শক্তিশালী কৰি, ফুলগুৰি, দক্ষিণপাট, ধাঁহী, বিৰহবেবেজিয়া আদি স্থানত অধ্যয়নচক্ৰ অধিবেশন বহুওৱা হৈছে। উপৰোক্ত ঠাই-বিলাকৰ ৰাইজে সাহিত্য-সভাত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ উপৰিও নিজ নিজ স্থানত সাহিত্য-চক্ৰ, পুথিভঁৰাল আদি প্ৰতিষ্ঠা কৰি সিবিলাকৰ সাহিত্যচৰ্চ্চাৰ প্ৰতি থকা প্ৰবল ধাউতিৰ পৰিচয় দিছে।

ফকৰা যোজনা, ঢুলীয়া গীত, বিহুগীত আদিৰ সংগ্ৰহৰ কাম হাতত লোৱা হৈছে।

এইবাৰ সভ্যসংখ্যা অনেক বাঢ়িছে।

এইদৰে ৰাইজৰপৰা পাবলগা সহায় সহানুভূতিফেৰি অটুট থাকিলে উক্ত শাখাৰ ভৱিষ্যত আৰু উজ্জ্বল হব বুলি ধাৰণা হয়।

শ্ৰীৰোহিতচন্দ্ৰ বেজবৰুৱা
সম্পাদক

## মৰিয়নী সাহিত্য-সভা

মৰিয়নী এখন অনা-অসমীয়া প্ৰধান ঠাই। তদুপৰি নগা পৰ্ব্বতৰ নিচেই নামনিতে অৱস্থিত। ইয়াত অসমীয়া সাহিত্যচৰ্চ্চা কৰা বা পঢ়া লোকৰ সংখ্যা মুষ্টিমেয়। এই মৰিয়নীৰপৰাই ৰত্তিসাহিত্য মন্দিৰৰ যোগেদি স্বৰ্গীয় কমলচন্দ্ৰ বৰুৱা আৰু কেইবাজনো উৎসাহী লোকে অসমৰ সকলোৰে চিনাকি 'ৰবদৈচিলা' উলিয়ায়। স্বৰ্গীয় বৰুৱা দেৱৰ পিচৰপৰা সাহিত্যচৰ্চ্চাৰ তেনে কোনো বিশেষ

অনুষ্ঠান ইয়াত হোৱা নাছিল। যোৱা ১৯৫৫ চনত মৰিয়নীৰ স্থানীয় আৰু ওচৰে-পাজৰে থকা ভালেকেইজন উৎসাহী অসমীয়া ডেকাৰ প্ৰচেষ্টাত মৰিয়নী সাহিত্যসভা প্ৰতিষ্ঠা কৰা হৈছে। ইয়াৰ ভিতৰত সাহিত্য সভাই ভালেমান কাম কৰিছে। বিশেষকৈ, এটা পুথি-ভঁৰাল স্থাপন কৰিছে, কেইবাখনো অধ্যয়ন চক্ৰ পাতিছে। 'নেফাদিবস' পালন কৰিছে ইত্যাদি। এখন অসমীয়া আলোচনী প্ৰকাশৰ কাৰণে বৰ্ত্তমান চেষ্টা চলোৱা হৈছে।

শ্ৰীনগেন বৰা

সম্পাদক, মৰিয়নী সাহিত্য সভা

## বিহপুৰীয়া সাহিত্য সভা

বিহপুৰীয়া সাহিত্য সভাৰ চলিত বছৰত এতিয়ালৈকে চাৰিখন কাৰ্য্যনিৰ্ব্বাহক সমিতি বহি আৱশ্যকীয় কাম হাতত লৈছে। ৬।৬।৫৬ তাৰিখে বহা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ বৈঠকত সভাৰ নিয়মাৱলী গ্ৰহণ কৰা হয়। যোৱা বছেৰেকীয়া অধিবেশনত প্ৰস্তাৱিত সাহিত্য সভাৰ ঘৰ সাজিবৰ বাবে বিচৰা লোকেলবৰ্ডৰ মাটিৰ বিষয়ে আলোচনা কৰিবলৈ এই সভাতে সম্পাদক প্ৰমুখ্যে ৫জন সভ্যৰে এটি সজাতি দল উঃ লক্ষীমপুৰ লোকেলবৰ্ডৰ চেয়াৰমেনৰ ওচৰলৈ পঠোৱা হয়। ৯ জুনত অসম সাহিত্য সভাৰ নিৰ্দ্দেশ মতে বিহপুৰীয়াত কৃতকাৰ্য্যতাৰে "নেফাত অসমীয়া ভাষা দিৱস" পালন কৰা হৈছিল। এই সভাত আঞ্চলিক ৰাইজৰ উপৰিও সকলো স্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকবৰ্গ উপস্থিত থাকি এই দিৱসৰ প্ৰতি আন্তৰিকতা প্ৰকাশ কৰিছিল।

১২।৭।৫৬ তাৰিখে বহা সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ বৈঠকে সভাৰ এটা স্থায়ী ঘৰ সজা, মুখপত্ৰ প্ৰকাশ আৰু ডাঙৰ লোক সকলৰ জীৱনী আদি প্ৰকাশ কৰা সম্বন্ধে বাহুল্যভাৱে আলোচনা কৰে।

শ্ৰীধৰ্ম্মেশ্বৰ কটকী

সম্পাদক বিহপুৰীয়া সাহিত্য সভা

## দেৰগাঁও সাহিত্য-সভা

যোৱা ১৫।৪।৫৬ তাৰিখে দেৰগাঁও সাহিত্য-সভাৰ উদ্যোগত স্থানীয় বাপুজী মন্দিৰত শ্ৰীযুত ডম্বৰুধৰ কটকীৰ সভাপতিত্বত সাহিত্যসভাৰ এটি বিশেষ বৈঠক অনুষ্ঠিত হয়। এই সভাত সু-সাহিত্যিক শ্ৰীযুত ৰত্নকান্ত বৰকাকতী-দেৱক সম্বৰ্দ্ধনা জনোৱা হয়। স্থানীয় সাহিত্যানুৰাগী ৰাইজসকলে এই সভাত যোগ দিয়ে। শ্ৰীভবেশ থাউণ্ডে বিশিষ্ট অতিথিজনক দেৰগাঁও সাহিত্যসভাৰ পক্ষৰপৰা ওলগ জনায়। সম্বৰ্দ্ধনাৰ উত্তৰত শ্ৰীযুত বৰকাকতীদেৱে বৰ্ত্তমান অসমীয়া সাহিত্য, অসমীয়া ভাষাৰ লিপি-প্ৰশ্ন আৰু আধুনিক কবিতা আদিৰ বিষয়ে এটি সাৰগৰ্ভ বক্তৃতা দিয়ে।

যোৱা ১৫।৫।৫৬ তাৰিখে স্থানীয় বাপুজী মন্দিৰত অসমৰ সু-সাহিত্যিক শ্ৰীযুত মহাদেৱ শৰ্ম্মাৰ সম্বৰ্দ্ধনাৰ্থে শ্ৰীযুত ভূপেন্দ্ৰনাথ চৌধুৰীৰ সভাপতিত্বত এখনি সাহিত্য আলোচনী সভা অনুষ্ঠিত হয়। জয় জয়তে শ্ৰীযুত নীলমণি ফুকনে দেৰগাঁও সাহিত্য-সভাৰ হৈ স্বাগত সম্ভাষণ জনায়। সমজুৱাসকলে শৰ্ম্মা ডাঙৰীয়াক সম্বৰ্দ্ধনা জনোৱাৰ পিচত তেখেতে এটি সাৰুৱা বক্তৃতা দিয়ে। সেই বক্তৃতাৰ বিষয় আছিল 'সাহিত্য কি?' তেখেতে কয় যে "সত্য শিৱ আৰু সুন্দৰৰ সাধনাই সাহিত্য সাধনা। বৰ্ত্তমান অসমীয়া ভাষা-সাহিত্যত যি কেৰোণ সোমাইছে শৰ্ম্মা ডাঙৰীয়াই তাৰ বিষয়েও আলোচনা কৰে।

সভাপতি শ্ৰীযুত চৌধুৰী ডাঙৰীয়াই তেখেতৰ ভাষণত কয় যে অসমীয়া ভাষাত এটা ডাঙৰ কেৰোণ সোমাইছে, সেয়ে হৈছে বানান বিভ্ৰাট। যাৰ যেনে ইচ্ছা তেনে ধৰণে বানান লিখি ব্যাকৰণ আৰু অভিধান অস্বীকাৰ কৰিছে মাত্ৰ। তেখেতে কয় যে প্ৰায়বিলাক ক্ষেত্ৰতে বিৰাট সংস্কৃত সাহিত্যক অৱহেলা কৰা হৈছে। এইটো শুভ লক্ষণ নহয়।

যোৱা ৯।৬।৫৬ তাৰিখে 'দেৰগাঁও টাউন ক্লাব ভৱনত' নেফা দিবস পালনাৰ্থে এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সেই সভাৰ সভাপতিত্ব কৰে দেৰগাঁও সাহিত্য সভাৰ সভাপতি শ্ৰীযুত চাৰুচন্দ্ৰ গোস্বামী শাস্ত্ৰীদেৱে। সভাখনিত শ্ৰীযুত গোপালচন্দ্ৰ পূজাৰী, শ্ৰীযুত নৰেন শৰ্ম্মা, শ্ৰীযুত



সুৰেন্দ্ৰনাথ পূজাৰী আৰু শ্ৰীউদ্ধৱ কাকতী আদিয়ে একোটি বক্তৃতা দিয়ে।

সভাপতি ডাঙৰীয়াই তেখেতৰ বক্তব্যত নেফা আৰু অসমৰ সম্বন্ধ যে অবিচ্ছেদ্য, মহাভাৰত আদিৰ শ্লোকৰ উদ্ধৃতিৰে আলোচনা কৰে।

এই সভাত—অসমীয়া ভাষাই নেফাত ন্যায্য স্থান লাভ কৰিবৰ কাৰণে এটি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আৰু সংশ্লিষ্ট স্থানলৈ এই প্ৰস্তাৱৰ নকল পঠোৱা হয়।

শ্ৰীৰবীন্দ্ৰনাথ হাজৰিকা

চিৰাজুদ্দিন আহমদ

যুটীয়া সম্পাদক—দেৰগাঁও সাহিত্যসভা

## উত্তৰ গুৱাহাটী সাহিত্য-সভা

উত্তৰ গুৱাহাটী সাহিত্য সভাৰ যোগেদি যোৱা ভোগালি বিহুত এখনি আকৰ্ষণীয় বিহু-সম্মিলন পতা হয়। সম্মিলনত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অধ্যাপক ডক্টৰ শ্ৰীযুত সত্যেন্দ্ৰনাথ শৰ্ম্মাই মুখ্য অতিথি হিচাপে যোগদান কৰি অসমীয়া সাহিত্য আৰু সামাজিক জীৱনলৈ বিহুৰ বৰঙণি সম্পৰ্কে বিশদভাৱে আলোচনা কৰে আৰু তেওঁ কয় যে বিহু হৈছে অসমীয়াৰ একমাত্ৰ গণতান্ত্ৰিক অনুষ্ঠান য'ত জাতি-ধৰ্ম্ম নিৰ্ব্বিশেষে সকলোৱে অংশ গ্ৰহণ কৰিব পাৰে।

স্থানীয় শিল্পীসকলক উৎসাহ দিয়াৰ উদ্দেশ্যে যোৱা ১৫ আগষ্ট তাৰিখে বিপুল উৎসাহ উদ্দীপনাৰে এখনি সঙ্গীতানুষ্ঠানো পতা হৈছিল। নগৰ আৰু ইয়াৰ উপকণ্ঠৰ শ শ লোকে সঙ্গীত অনুষ্ঠানত যোগদান কৰে। সঙ্গীত অনুষ্ঠানৰ শিল্পীসকলৰ যোগেদি সমবেত ৰাইজৰপৰা সাহিত্য সভাৰ পুঁজিলৈ ভালেখিনি অৰ্থও সংগ্ৰহ কৰা হয়।

সাহিত্য সভাৰ দ্বাৰা পৰিচালিত আলোচনা চক্ৰৰ কাম নিয়মিতভাৱে চলি আছে।

অসম সাহিত্য সভাৰ নিৰ্দ্দেশক্ৰমে "নেফাত অসমীয়া ভাষা দিবস" উপলক্ষে যোৱা ৯ জুন তাৰিখে এখনি ৰাজহুৱা সভা পাতি নেফাত অসমীয়া ভাষা প্ৰচলন কৰিবলৈ তীব্ৰভাৱে দাবী উত্থাপন কৰা হয়।

যোৱা ১৭ জুন তাৰিখে স্থানীয় সাহিত্য সভাৰ দ্বিতীয় বাৰ্ষিক অধিবেশন সম্পন্ন হয় আৰু নতুন বছৰৰ কাৰণে যথাক্ৰমে শ্ৰীযুত ৰমেশ বৰকাকতীক সভাপতি, শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মাক প্ৰধান সম্পাদক আৰু শ্ৰীযুত সতীশ চাংকাকতীক সহ-সম্পাদক নিৰ্ব্বাচিত কৰা হয়।

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

সম্পাদক, উত্তৰ গুৱাহাটী সাহিত্য সভা

## কলিয়াবৰ সাহিত্য-সভা

১৯৫৬ চনত কলিয়াবৰ সাহিত্য সভাই ৪ৰ্থ বছৰত ভৰি দিয়ে। এই বছৰ এই সভাৰ ৩টা সাধাৰণ আলোচনী সভা বহে।

১। প্ৰথম চিলাবন্ধা বালিকা বিদ্যালয়ত, ৩০।৩।৫৬ তাৰিখে শ্ৰীযুত ৰুদ্ৰকান্ত গোস্বামীদেৱৰ সভাপতিত্বত। সেই সভাত "কবি সম্মিলন" হয়। সভাত চৈধ্যটা কবিতা পাঠ কৰা হয়। তাৰ ভিতৰত দহোটা কবিতা লিখকসকলে নিজে উপস্থিত থাকি পাঠ কৰিছিল। বাকী চাৰিটা অনুপস্থিত লোকৰ কবিতা সভাপতিয়ে নিজে পাঠ কৰিছিল।

বুদ্ধ জয়ন্তী পালন উপলক্ষে দ্বিতীয় সভা আহ্বান কৰা হয়। সভাৰ স্থান আছিল জখলাবন্ধা হাইস্কুল। সভাত কলিয়াবৰ সাহিত্য-সভাৰ সভ্যসকলৰ বাদেও ছাত্ৰ-ছাত্ৰী আৰু আন ভদ্ৰলোক-ভদ্ৰমহিলাৰ সমাবেশ হৈছিল। সভাপতিত্ব কৰে শ্ৰীযুত ৰুদ্ৰকান্ত গোস্বামীদেৱে। শ্ৰীযুত অতুলচন্দ্ৰ গোস্বামী বি-এদেৱ আছিল নিৰ্দ্দিষ্ট বক্তা। সভাত শ্ৰীযুত অতুল গোস্বামী বি-এ, শ্ৰীযুত কমলাকান্ত গগৈ বি-এ, শ্ৰীযুত পদ্মচৰণ হাজৰিকা, শ্ৰীযুত হলধৰ ধৰ্ম্মাচাৰ্য্য আৰু শ্ৰীযুত যোগেশ্বৰ বৰুৱাদেৱে বুদ্ধদেৱৰ ধৰ্ম্ম, শিক্ষা, উপদেশ আদি বিষয়ে বিশদ আলোচনা কৰি নিজ নিজ বক্তব্য প্ৰকাশ কৰে।

শ্ৰীযুত বিদ্যাকান্ত হাজৰিকা এম-এ দেৱে পালিভাষাত থকা বুদ্ধৰ সুগতীৰ ভাষণ বোৰৰ পৰা উদ্ধৃত কৰি অসমীয়া ভাষাত তাক ব্যাখ্যা কৰি সমজুৱাক মোহিত কৰে।

অসম সাহিত্য সভাৰ নিৰ্দ্দেশমতে "নেফা দিবস" পালন কৰিবলৈ চিলাবন্ধা বালিকা এম. ভি স্কুলত ৯।৬।৫৬ তাৰিখে তৃতীয়খন সাধাৰণ সভা বহে। এই সভাত কলিয়াবৰ সাহিত্য সভাৰ বাহিৰেও গোটেই কলিয়াবৰ

এম ই, এম ভি স্কুলৰ আৰু হ্বখন হাই স্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক চাৰিওফালৰপৰা সমদল কৰি আহি সভাত সমবেত হয় আৰু শিক্ষানুষ্ঠানৰ বাহিৰৰো অনেক ভদ্ৰলোকে সেই সভাৰ শোভা বৰ্দ্ধন কৰে। সভাত সভাপতিত্ব কৰিছিল কলিয়াবৰ হাইস্কুলৰ শিক্ষক শ্ৰীযুত বিদ্যাকান্ত হাজৰিকা এম-এদেৱে। সমজুৱাৰ ফালৰপৰা সম্পাদকে "নেফা দিবস পালন" সম্পৰ্কে উদ্দেশ্য ব্যাখ্যা কৰে। শ্ৰীযুত অতুলচন্দ্ৰ গোস্বামী বি-এ, শ্ৰীযুত হলধৰ ধৰ্ম্মাচাৰ্য্য, শ্ৰীযুত তুৰাকান্ত গোস্বামী, শ্ৰীযুত দেৱেন্দ্ৰনাথ মহন্ত, মৌলবী লাল মহম্মদ প্ৰভৃতিয়ে ভাষণ দিয়ে। শ্ৰীযুত দেৱেন্দ্ৰ মহন্তদেৱে মানচিত্ৰ আনি সভাত নেফা ৰাজ্য, সিবিলাকৰ বংশৰ বেলেগ বেলেগ জাতি, বাসস্থান আদি দেখুৱাই বুজাই দিয়ে। ওপৰোক্ত বক্তাসকলে নেফা অঞ্চলৰ বুৰঞ্জী, অসমৰ লগত সম্বন্ধ আদিৰ আৱশ্যকীয় বৰ্ণনা দি নেফাৰ লগত অসমৰ অপৰিহাৰ্য্য সম্বন্ধ যে স্মৰণাতীত কালৰেপৰা ফল্গু নদীৰ দৰে বৈ আহিছে তাক সমজুৱাক পৰিপাটীকৈ বুজাই দিয়ে।

সভাপতিদেৱে নেফাৰ পৌৰাণিক আৰু আধুনিক ঘটনা বৰ্ণনা কৰি কয় যে অসমীয়াৰ অসমীয়াত্ব নেফাৰ পাৰিপাৰ্শ্বিকতাইহে গঠন কৰিছে।

শ্ৰীখগেশ্বৰ বৰুৱা
সম্পাদক

### ধুপধাৰা সাহিত্য সভা

ধুপধাৰা মিলন সঙ্ঘৰ ভৱনৰ এটা কোঠাত কাৰ্য্যালয় পাতি আমাৰ সভাৰ কাম চলোৱা হৈছে।

১৮।৩।৫৬ তাৰিখে ধুপধাৰা সাহিত্য সভাৰ বুৰঞ্জীত উল্লেখযোগ্য অগণন লোকৰ উপস্থিতিৰ মাজত গোৱালপাৰা মহকুমাৰ উন্নয়ন বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীযুত তাৰানাথ ভট্টাচাৰ্য্যৰ সভাপতিত্বত ধুপধাৰা কেন্দ্ৰৰ অকণিৰ মেলৰ প্ৰথম বছেৰেকীয়া সভা বহে। এই সভাত বহুত দূৰৰপৰা আহি লৰা-ছোৱালীয়ে যোগদান কৰাটোৱে আনন্দৰ কথা হৈ পৰিছিল। মহাসমাৰোহেৰে খেল-ধেমালি, বিচিত্ৰানুষ্ঠান, বঁটা-বিতৰণ আদিৰ মাজেৰে এই সভাৰ কাম শেষ হৈছিল।

৯।৬।৫৬ তাৰিখে সাহিত্য সভাৰ জৰীয়তে নেফাত অসমীয়া ভাষা দিন পালন কৰা হয়। সমদল আদিৰে এই দিনটো মহাসমাৰোহেৰে পালন কৰা হয়। সেই দিনৰ কমিটীতে ধুপধাৰা সাহিত্য সভাৰ ১ম বাৰ্ষিক অধিৱেশনৰ কাৰণে অভ্যৰ্থনা সমিতি এখন পাতি দিয়া হয়।

আমাৰ সভাৰ যোগেদি চলিত বছৰতে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মোৎসৱ মহাসমাৰোহেৰে নাওকাটা সত্ৰৰ সত্ৰাধিকাৰৰ সভাপতিত্বত পতা হৈছিল।

১১।৮।৫৬ তাৰিখে আমাৰ সভাৰ প্ৰথম বছেৰেকীয়া অধিৱেশন বহে। এই সভাত শ্ৰীযুত চন্দ্ৰকান্ত শৰ্ম্মাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। সম্পাদকীয় বিৱৰণী পাঠ হোৱাৰ পিচত শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধুৰীদেৱে পঠোৱা এখন লিখিত ভাষণ পাঠ কৰা হয়। সমজুৱাৰ ফালৰপৰা শ্ৰীযুত ( সকল ) প্ৰাণেশ্বৰ মিশ্ৰ, উপেন্দ্ৰনাৰায়ণ শৰণীয়া, যজ্ঞেশ্বৰ কলিতা আদিয়ে সময়োপযোগী উপদেশেৰে ৰাইজৰ মন আকৰ্ষণ কৰে।

সভাপতি শ্ৰীযুত চন্দ্ৰকান্ত শৰ্ম্মাদেৱে তেখেতৰ ভাষণত পদ্য আৰু গদ্য সাহিত্য সম্বন্ধে এটি সুচিন্তিত আলোচনা কৰে।

নতুন বছৰৰ কাৰণে মঃ চাফিক কাজি সভাপতি, শ্ৰীযুত অনন্তকুমাৰ দাস, প্ৰধান সম্পাদক আৰু শ্ৰীযুত দেৱকান্ত মেধি সহ-সম্পাদক নিৰ্ব্বাচিত হয়।

শ্ৰীদেৱকান্ত মেধি
সহঃ সম্পাদক

শ্ৰীঅনন্তকুমাৰ দাস, প্ৰধান সম্পাদক
ধুপধাৰা শাখা সাহিত্য সভা

### চাবলগীয়া

নিৰ্দিষ্ট দিনত বহু কেইখন শাখা সভাৰ কাৰ্য্য বিৱৰণী আমাৰ হাতত নপৰাত অসম সাহিত্য সভাৰ সকলোবোৰ শাখা সভাৰ কাৰ্য্য বিৱৰণীৰ আভাস দিব পৰা নগল। এই সংখ্যা কাকতত প্ৰকাশ কৰিব লগীয়া ধুবুৰী অধিৱেশনৰ কাৰ্য্য কাৰকসকলৰ ভিতৰৰো বিশিষ্ট জন দিয়েক, তেখেত সকলৰ প্ৰতিকৃতি সংগ্ৰহ কৰিব নোৱাৰাৰ বাবে বাদ পৰি গল। সেইবাবে আমি দুখীত।

---

# পোৱা পুথিৰ চমু চিনাকি

—শ্ৰীযুত প্ৰফুল্লদত্ত গোস্বামী

**কনফুছিয়াছ,** লিখক অধ্যাপক শ্ৰীশৰৎচন্দ্ৰ গোস্বামী, প্ৰকাশক লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, বেচ—২৷৹

যোৱা দহবছৰৰ ভিতৰত আমাৰ ভাষাত গল্প-উপন্যাসৰ পৰা প্ৰবন্ধ-আলোচনালৈ বহুতো কিতাপ প্ৰকাশ হৈছে। আমাৰ সাহিত্যৰ পিচ-পৰা অৱস্থালৈ চালে এই কিতাপবিলাক কোনো বিশেষ পন্থা অনুসৰণ কৰি ওলালে ভাল, অৰ্থাৎ কিতাপৰ গুণাগুণ আৰু নিজৰ অভাৱ থকা বিষয়ৰ আলোচনালৈ লিখকে চকু দিলে অসমীয়া ভাষাৰ শ্ৰী সোণকালে বাঢ়িব পাৰে। যিসকল লিখকে বিশেষ উদ্দেশ্য এটি লৈ এই কেই বছৰত পুথি ৰচনা কৰিছে সেইসকলৰ ভিতৰত অধ্যাপক শ্ৰীশৰৎচন্দ্ৰ গোস্বামীৰ নাম উল্লেখযোগ্য। এওঁ **ছক্ৰেটিছ, প্লেটো** আৰু **এৰিষ্টোটল**—তিনিজনা গ্ৰীক দাৰ্শনিকৰ চিন্তাৰ আভাস দিবলৈ চেষ্টা কৰিছিল। বৰ্ত্তমান পুথিত গোস্বামীদেৱে চীনা সংস্কৃতিৰ গঢ় দিওঁতা শিক্ষক আৰু ৰাজনীতিবিদ কনফুছিয়াছৰ জীৱনী আৰু চিন্তা বিশ্লেষণ কৰি দেখুৱাইছে। আঢৈ হেজাৰ বছৰ আগৰ চীনদেশৰ ভৌগোলিক পৰিস্থিতি, সাংস্কৃতিক আৰু ঐতিহাসিক পটভূমি, কনফুছিয়াছৰ জীৱনকাহিনী, শান্তি আৰু ন্যায়ৰ শাসন প্ৰতিষ্ঠা কৰিবলৈ কনফুছিয়াছৰ প্ৰচেষ্টা, তেওঁ পদে পদে পোৱা বাধা-বিঘিনি, চীনা দৰ্শনৰ স্বৰূপ, লাওৎছেৰ শিক্ষা—আদি বিবিধ আৱশ্যকীয় বিষয়ৰ সৰল অথচ সুচাৰু আলোচনা কিতাপখনৰ বৈশিষ্ট্য। আগৰ পৰা গুৰিলৈ আলোচনা কনফুছিয়াছৰ নিজৰ বাণীৰে সঞ্জীৱিত হৈছে; নানান সৰু সৰু ঘটনাই এই মহান পুৰুষজনৰ ব্যক্তিত্বত আলোকসম্পাত কৰিছে। কেতবোৰ ঘটনা অপূৰ্ব্ব! এবেলি কিছুদিন কনফুছিয়াছ আৰু শিষ্যসকলে বৰ অভাৱত দিন কটাইছে। খাবলৈ বৰ'লৈ নাপাই পেট শুকাই থকা এক শিষ্যই বিৰক্তিত প্ৰশ্ন কৰিলে, "শ্ৰেষ্ঠ লোকে এনেদৰেই কষ্ট কৰিব লাগে নেকি?" কনফুছিয়াছে শান্তভাৱে সমিধান দিলে, "শ্ৰেষ্ঠ লোকে এনেদৰে কষ্ট পাব লগা হব পাৰে, তথাপি শ্ৰেষ্ঠ লোক শ্ৰেষ্ঠ হৈয়ে থাকে। সাধাৰণ মানুহে এনে পৰিস্থিতিত কিন্তু আত্ম-সংযম হেৰুৱায়।" ( পৃঃ ৭১ ) কিতাপখনৰ শেহৰ অধ্যায়ত কনফুছিয়াছৰ বাণী কেতবোৰ অনুবাদ কৰি দিয়া হৈছে। এইবোৰৰ কিছুমান ইমান জনপ্ৰিয় যে চীনদেশত সি যোজোনা-প্ৰবচনৰ শাৰীত ঠাই পাইছে।

কিতাপখনৰ আৰু এটি বৈশিষ্ট্য হ'ল অধ্যাপক গোস্বামীয়ে প্ৰাসঙ্গিকক্ৰমে ভাৰতীয় চিন্তা আৰু দৰ্শনকো চীনা চিন্তা আৰু দৰ্শনৰ সৈতে বিজাই দেখুৱাবলৈ যত্ন কৰিছে। অতি প্ৰাচীন আৰু বিৰাট চীনা সংস্কৃতিৰ আভাস দিব পৰা অসমীয়া কিতাপ এতিয়ালৈকে এইখনেই। চীনা সমাজত পণ্ডিতৰ কি আদৰ আৰু বিদ্বান লোকে তাত শাসনতন্ত্ৰ কিদৰে শোধিত কৰিবলৈ যত্ন কৰে

তাৰো আভাস কিতাপখনত পোৱা যায়। কন্‌ফুছিয়াছে এবেলি মন্তব্য কৰিছিল এইদৰে—"মনত ৰাখিবা, অত্যাচাৰী চৰকাৰ বাঘতকৈও বেছি ভয়ানক আৰু বেছি ভয় কৰিবলগীয়া বস্তু।" দ্বিতীয়তে, আমি সদায় শিকি আহিছোঁ যে দোষী আৰু অত্যাচাৰীক লাগে ক্ষমা কৰিব, অসতক সাধুতাৰে জয় কৰিব পাৰি। এইবিষয়ে কন্‌ফুছিয়াছে কি কয় চিন্তা কৰি চাবলগীয়া। এদিন এক শিষ্যই সুধিলে, "কোনো মানুহে দোষ কৰিলে তাৰ বেয়া কামৰ প্ৰতিশোধ ভাল কামেৰে কৰা ভাল বা উচিতনে?" কন্‌ফুছিয়াছে উত্তৰ দিলে এইদৰে—"কেতিয়াও ভাল নহয়। তুমি যদি বেয়া কামৰ প্ৰতিদান ভাল কামেৰে দিয়া তেন্তে ভাল কামৰ প্ৰতিদান কিহেৰে দিবা? ভাল কামৰ প্ৰতিদান ভাল কামেৰে দিবা, আৰু দোষী-জনক দণ্ডবিধান কৰিবা। দোষৰ দণ্ডই সমুচিত প্ৰতিদান।"

এইদৰে কিতাপখনত চিন্তাৰ সামগ্ৰী যথেষ্ট আছে। আমি এই মূল্যবান কিতাপখনৰ প্ৰচাৰ কামনা কৰিছোঁ।

---

# সম্পাদকৰ দুআষাৰ

## স্মৃতি-তৰ্পণ

**৺হৰমোহন দাস :**—আজীৱন শিক্ষাব্ৰতী আৰু সাহিত্যসেৱী ৺হৰমোহন দাসৰ আকস্মিক বিয়োগত অসমীয়া ভাষা-সাহিত্যৰ বিশেষ ক্ষতি হল। স্কুলীয়া পাঠ্যৰ পৰা আৰম্ভ কৰি বয়সীয়া আৰু শিক্ষিত সমাজৰো চিন্তাৰ সমল যোগাৰ পৰাকৈ ভালেমান গ্ৰন্থ ৰচনা কৰি নিজৰ গাঁথিৰ ধন খৰচ কৰি প্ৰকাশ কৰিছিল। কিছু কাল ধৰি বৈষ্ণৱ ধৰ্ম্ম আৰু সাহিত্যৰ চৰ্চ্চাত তেখেতে বিশেষ মনোনিবেশ কৰিছিল আৰু প্ৰাচ্য সম্মিলন ( Oriental Conference ) আদি সৰ্ব্বভাৰতীয় সংস্থাত এই বিষয়ে প্ৰবন্ধ আদি পাঠ কৰি নিজে সুখ্যাতি লাভ কৰাৰ উপৰিও অসমকো বাহিৰত পৰিচিত কৰাইছিল। বৃন্দাবন বৈষ্ণৱ বিশ্ববিদ্যালয়ে তেখেতৰ পাণ্ডিত্য স্বীকাৰ কৰি তেখেতক বিশেষ সম্মানেৰে বিভূষিত কৰিছিল। অসমী আইৰ এই সুসন্তান গৰাকীৰ পৰলোকগত আত্মাৰ চিৰশান্তি কামনা কৰিছো।

## জয়ন্তী সংখ্যা সম্পৰ্কে

কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ প্ৰস্তাৱমতে যোৱা ধুবুৰী অধিৱেশনৰ লগে লগেই এই সংখ্যা পত্ৰিকা উলিয়াই দিয়াৰ কথা আছিল। কিন্তু আমাৰ যথাসাধ্য চেষ্টা সত্ত্বেও আৱশ্যকীয় প্ৰবন্ধ সংগ্ৰহ কৰিব নোৱাৰা কাৰণে আৰু তদুপৰি সেই সময় ছোৱাত ছপাখানাবোৰ স্কুলীয়া পাঠ্য ছপোৱা কামত অতিশয় আবদ্ধ থকা গতিকে সি হৈ নুঠিল। আমাৰ এই অনিচ্ছাকৃত ক্ৰটীৰ বাবে আশা কৰোঁ পত্ৰিকাৰ হিতাকাঙ্ক্ষী সকলে আমাক ক্ষমা কৰিব। পত্ৰিকাৰ প্ৰকাশ ৰূপালী জয়ন্তী অধিৱেশনৰ পিচলৈ যোৱাটোৱে যেতিয়া নিশ্চিত হৈ উঠিল, সেই অধিৱেশনৰ কাৰ্য্যাৱলীও ইয়াত অন্তৰ্ভুক্ত কৰা হল।



## ধুবুৰী অধিৱেশনৰ সোঁৱৰণি

পত্ৰিকাৰ যোৱা সংখ্যাত ধুবুৰীৰ ৰূপালী জয়ন্তী অধিৱেশনৰ কৃতকাৰ্য্যতা আশা কৰিছিলোঁ। আমাৰ আশা দহগুণে সজীৱ কৰি ধুবুৰীবাসী ৰাইজে সাহিত্য সভাক নতুন সঞ্জীৱনী মন্ত্ৰ দিলে। পমুৱা, প্ৰবাসী, জনজাতি—সকলো সম্প্ৰদায়ৰ লোকৰ বিপুল উৎসাহ-উদ্দীপনাৰ মাজেদি মহা সমাৰোহেৰে জয়ন্তী অধিৱেশন সুসম্পন্ন হল। অসমৰ ভিন ভিন ঠাইৰ পৰা অহা আলহীসকল অভ্যৰ্থনাৰ আতিশয্যত মুগ্ধ হল। উচ্চতম ৰাজ-কৰ্ম্মচাৰীৰ পৰা নিৰক্ষৰ জনলৈকে সকলোৱে হাত মিলাই প্ৰাণ উবুৰিয়াই সভাৰ কাৰ্য্যত যোগদান কৰা দৃশ্যই আটাইৰে অন্তৰত অসমীয়া ভাষা সাহিত্যৰ উজ্জ্বল ভৱিষ্যতৰ বেঙণি তুলিলে। ধুবুৰীৰ এই উচ্ছ্বাস জোৱাৰ হৈ ব্ৰহ্মপুত্ৰৰ বুকেদি উজাই বাগৰি গোটেই অসম প্লাৱিত কৰক, এয়ে আমাৰ আশা।

## নতুন ভাইছ-চান্সেলৰ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উৎপত্তিৰ পৰা আজিলৈকে সুদীৰ্ঘ ন বছৰ কাল দক্ষতাৰে গুৰি ধৰোঁতা শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ কাৰ্য্য-কালৰ অন্তত বিশ্ববিদ্যালয়ৰ কোৰ্টৰ সৰ্ব্ব-সম্মতিক্ৰমে ডঃ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম্-এ, পি-এইচ-ডি, ডি-লিট্, পদ্মশ্ৰীদেৱ নতুনকৈ ভাইছ-চান্সেলৰ নিযুক্ত হোৱাত গোটেই অসম-বাসীয়ে আনন্দ পাইছে। যোৱা ডেৰ কুৰি বছৰৰো অধিক কাল অসমীয়া জাতিৰ সাংস্কৃতিক জীৱনৰ নানা অঙ্গ পূৰ্ণ কৰি এই বয়সতো যুবকোচিত কৰ্ম্মশক্তিৰে কাৰ্য্য কৰি শ্ৰদ্ধাৰ পাত্ৰ হৈছে। ডঃ ভূঞাদেৱে নিজৰ আৰু জাতিৰ কীৰ্ত্তিস্তম্ভ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ যি নিষ্ঠাৰে গঢ়ি তুলিলে আমি আশা কৰিছোঁ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উজ্জ্বলতৰ ভৱিষ্যত গঢ়িবলৈও সেই নিষ্ঠাৰে প্ৰেৰণা পাব। আমি ভগৱন্তৰ ওচৰত তেখেতৰ দীৰ্ঘজীৱন কামনা কৰিছোঁ।

---

### শুধৰণি

পত্ৰিকাৰ যোৱা (পঞ্চদশ বছৰ, ২য়) সংখ্যাত শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাদেৱৰ প্ৰবন্ধটোত কেইটামান ভুল ছপা হল ; তলত তাৰে এটা শুধৰণি দিয়া হল :—

| পিঠি | স্তম্ভ | শাৰী | ভুল ছপা | শুদ্ধপাঠ |
|---|---|---|---|---|
| ১০৭ | ১ | ১ | নাওঘৰীয়া | সাতঘৰীয়া |
| ১১৩ | ২ | ১৮ | অচিন কৰিব | অচিন কাঠৰ |
| ১১৪ | ২ | ২১ | চাল-চলনত কোৱা যায় | চাল-চলনত পোৱা যায় |

**অসম সাহিত্য সভাৰ ভাষণাৱলী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ প্ৰথম বাৰজন সভাপতিৰ ( ৺পদ্মনাথ গোহাঞি বৰুৱা, কালিৰাম মেধি, অমৃতভূষণ দেৱ অধিকাৰী, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ, বেণুধৰ ৰাজখোৱা, তৰুণৰাম ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু শ্ৰীনফিজুদ্দিন আহমদ হাজৰিকা ) বহুমূলীয়া আৰু তথ্যপূৰ্ণ অভিভাষণ আৰু তেওঁলোকৰ চমু চিনাকি এই গ্ৰন্থত পাব। সাহিত্য সভাৰ পুৰণি বিষয়-ববীয়াসকলৰ তালিকা আদিয়েও পুথিৰ মূল্য বঢ়াইছে। বেচ ৮৲ টকা ( সভাৰ সভ্যৰ কাৰণে ৬৲ টকা )।

**অসম সাহিত্য সভা বাৰ্ষিকী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিবেশনৰ সভানেত্ৰী শ্ৰীযুতা নলিনীবালা দেৱী, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত ৰাধানাথ ফুকন, বুৰঞ্জী শাখাৰ সভাপতি শ্ৰীযুত সুৰেশচন্দ্ৰ ৰাজখোৱা, বিজ্ঞান শাখাৰ সভাপতি ডঃ হিৰণ্যচন্দ্ৰ ভূঞাৰ অভিভাষণ আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত মূল্যবান বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা ( সভ্যৰ কাৰণে এটকা )।

**অসম সাহিত্য সভা বাৰ্ষিকী** ( দ্বিতীয় ভাগ )—অসম সাহিত্য সভাৰ চতুৰ্ব্বিংশ অধিবেশনৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা, অভ্যৰ্থনা সমিতিৰ সভাপতি ন্যায়াধীশ শ্ৰীযুত হলীৰাম ডেকা, বিজ্ঞান শাখাৰ সভাপতি ডঃ ৰোহিণীকান্ত বৰুৱা, বুৰঞ্জী শাখাৰ সভাপতি ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা, ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ**—বলোৰাম দ্বিজ ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৩য় গ্ৰন্থ। বেচ এটকা ( সভ্যৰ কাৰণে আধা )।

**সাত্বত তন্ত্ৰ**—ভাগৱতী মিশ্ৰ বিৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৪ৰ্থ গ্ৰন্থ। বেচ দহ অনা ( সভ্যৰ কাৰণে আধা )।

**লৱ-কুশৰ যুদ্ধ** ( সচিত্ৰ )—হৰিবৰ বিপ্ৰ ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৫ম গ্ৰন্থ। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। বেচ ছটকা ( সভ্যৰ কাৰণে আধা )।

**বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা** ( প্ৰথম ভাগ )—১৮৪৬ চনৰপৰা বৰ্ত্তমান সময়লৈকে অসমীয়া আলোচনীত প্ৰকাশিত বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা। ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। বেচ ছটকা ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ** ( ৰমাকান্ত দ্বিজ ৰচিত )—শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ২য় গ্ৰন্থ ( নতুন প্ৰকাশ, ১৯৫৬ চন )। বেচ বাৰ অনা। ( সভ্যৰ কাৰণে ।৵০ ) ডাক খৰচ সুকীয়া।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সহকাৰী সম্পাদক
অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট.

অসম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ...
নং

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ দ্বাৰা কলিকাতা ৬৬, গ্ৰে ষ্ট্ৰীট
নৱজীৱন প্ৰেছৰপৰা মুদ্ৰিত আৰু গুৱাহাটী কাৰ্য্যালয়ৰপৰা প্ৰকাশিত হল।

২০৬৬/[illegible]/৭০
৩/2/2005